# সংবাদ সূৰ্য কনকসেন ডেকা

পশ্চিম নলবাৰী প্ৰেছ গীল্ড

**Sangbad Surja Kanak Sen Deka :** A collection of articles upon the life and achievement of Kanak Sen Deka a renowned figure of Assam by various writers and published by Bhagaban Chandra Deka, General Secretary, Sambardhana Reception Samittee, on behalf of Pachim Nalbari Press Guild.

---

First Edition : November, 2004

Price : Rs. Fifty only

Cover design : Saraighat Offset Press
Industrial Area, Bamunimaidam
Guwahati - 781021

Printed at : Saraighat Photo Types
Industrial Estate, Bamunimaidam
Guwahati - 781021

## সভাপতি/সম্পাদকীয় কলম

কলমৰ জৰিয়তেই একোগৰাকী ব্যক্তি মহৎ গুণৰ অধিকাৰী হ'ব পাৰে, তাৰেই জ্বলন্ত প্ৰমাণ সংবাদ-সূৰ্য কনকসেন ডেকা। অসমৰ প্ৰতিটো জটিল সন্ধিক্ষণত এগৰাকী জাগ্ৰত অসমীয়া হিচাপে প্ৰতিষ্ঠিত ব্যক্তি বুলিবও পাৰি। এইজনা বহুমুখী গুণী ব্যক্তিগৰাকীক সম্বৰ্ধনা জনোৱাটো সঁচাকৈয়ে উপযুক্ত সময় আহি পৰিছে। 'পশ্চিম নলবাৰী প্ৰেছ গীল্ড'ৰ এইটো এটা প্ৰশংসনীয় প্ৰচেষ্টা। তেখেতৰ মহান ব্যক্তিত্বৰ গুণৰত লিখনি থুপুৰিয়াই প্ৰকাশ কৰাৰ বাবে দায়িত্ব পাই ভয় খাইছিলোঁ যদিও প্ৰেছ গীল্ড আৰু অভ্যৰ্থনা সমিতিৰ সমূহ বিষয়ববীয়াই প্ৰতিটো খোজতে সহায় আগবঢ়োৱাতহে গ্ৰন্থখনিৰ প্ৰকাশৰ মুখ দেখা পোৱা গ'ল। তেখেতসকললৈ শলাগ জনাইছোঁ। অৱশেষত ডেকাদেৱৰ সুদীৰ্ঘ কৰ্মময় জীৱন সম্পূৰ্ণ সফল হওক আৰু তেখেতৰ দীৰ্ঘায়ু কামনাৰে।

ডাঃ দিলীপ কুমাৰ ভট্টাচাৰ্য
দিবাকৰ ডেকা

## Pachim Nalbari Press Guild Executive Committee :

| | | |
|---|---|---|
| President | : | Jadab Sen Deka |
| Executive President | : | Debaprasad Misra |
| Vice-President | : | Chandra Talukdar |
| Chief Secretary | : | Arup Ranjan Barman |
| Secretary | : | John Kumar Haloi |
| Organising Secretary | : | Chandan Kumar Sarma |
| | | Prasanta Kumar Deka |
| Publicity Secretary | : | Pulen Chakraworty |
| | | Bidyut Bikash Goswami |
| Magazine Secretary | : | Babul Sarma |
| | | Md. Altaf Hussain |

**Members :**

Phatik Barman, Diganta Barman, Debabrat Sarma, Sanatan Baishya, Hiroj Talurdar, Prankrishna Barman, Dhrubajyoti Deka, Md. Ariful Haque.

## Sambardhana Reception Committee :

| | | |
|---|---|---|
| President | : | Jitendra Nath Deka |
| Working President | : | Sonapati Sarma |
| Vice-President | : | Debadas Sarma |
| General Secretary | : | Bhagaban Chandra Deka |
| Asstt. Joint Secretary | : | Mintu Deka |
| | | Mukul Sarma, |
| Editorial Board President | : | Dr. Dilip Kumar Bhattacharjya |
| Secreraty | : | Dibakar Deka |

**Members :**

Bhaben Hazarika, Prakash Sarma, Bubul Sarma, John kumar Haloi, Adviser- Jitendranath Deka, Jadab Sen Deka, Jaminikanta Sarma, Arup Ranjan Barman, Bhagaban Chandra Deka, Md. Altaf Hussain, Pulen Chakraworty, Bidyut Bikash Goswami.

# 'সংবাদ সূৰ্য কনকসেন ডেকা' গ্ৰন্থৰ আঁৰত


| | | | পৃষ্ঠা |
|---|---|---|---|
| (১) | বিহঙ্গম দৃষ্টিত কনকসেন ডেকা | ড° প্ৰহ্লাদ কুমাৰ বৰুৱা | ১ |
| (২) | যাৰ ছাঁয়াত মই জিৰাওঁ | হেমন্ত কুমাৰ ভৰালী | ৫ |
| (৩) | এজন ওখ-পাখ মানুহৰ বিষয়ে | পুণ্য শইকীয়া | ১০ |
| (৪) | কনকসেন ডেকাৰ চুটি গল্প | ৰিজু হাজৰিকা | ১৪ |
| (৫) | কনকসেন ডেকাৰ সাহিত্য কৃতি | ড° লীনা ডেকা | ১৮ |
| (৬) | অগ্ৰদূত কনকসেন ডেকা | দিনেশ শৰ্মা | ২২ |
| (৭) | সংবাদসূৰ্য কনকসেন ডেকা মই জনা মানুহজন | ড° বসন্ত কুমাৰ ভট্টাচাৰ্য | ২৬ |
| (৮) | সংবাদসূৰ্য কনকসেন ডেকা | ড° কৈলাশ শৰ্মা | ২৯ |
| (৯) | জাতে-পাতে অসমীয়া | অৰুণ দত্ত | ৩৪ |
| (১০) | বিশিষ্ট সংবাদসেৱী আৰু চিন্তানায়ক কনকসেন ডেকাৰ সান্নিধ্য | হৰেন্দ্ৰ নাথ দাস | ৩৭ |
| (১১) | সংবাদসূৰ্য কনকসেন ডেকা মানুহজন | জগন্নাথ চক্ৰৱৰ্তী | ৩৯ |
| (১২) | যুক্তিৰ চৈতকক সংবাদসূৰ্য কনকসেন ডেকা | হেমন্ত কুমাৰ দত্ত | ৪২ |
| (১৩) | সংবাদ সূৰ্য কনকসেন ডেকাৰ মূল লক্ষ্য | চৈয়দ মজিদুৰ ৰহমান | ৪৭ |
| (১৪) | প্ৰবীণ সাংবাদিক কনকসেন ডেকা ঃ এক দৃষ্টিপাত | ড° শান্ত বৰ্মন | ৪৯ |
| (১৫) | জীৱন যুঁজৰ সাৰ্থক সেনানী কনকসেন ডেকা | প্ৰসন্ন কুমাৰ ডেকা | ৫২ |
| (১৬) | বিহঙ্গম দৃষ্টিৰে মোৰ প্ৰিয় সাংবাদিকগৰাকী | কামাখ্যাচৰণ ভাগৱতী | ৫৬ |
| (১৭) | অগ্ৰদূতৰ আঁৰৰ ব্যক্তিজন | সুনীতি দেৱী | ৬১ |
| (১৮) | অসমৰ সংবাদজগতত এক অবিস্মৰণীয় নাম | ৰোহিণী মেধি | ৬৪ |
| (১৯) | সংবাদ আৰু সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ | বীৰেন্দ্ৰনাথ বৰ্মণ | ৬৭ |

| | | | |
|---|---|---|---|
| (২০) | নৱ প্ৰজন্মৰ পথ প্ৰদৰ্শক | ভগৱান চন্দ্ৰ ডেকা | ৭১ |
| (২১) | জ্যোতিষৰ দৃষ্টিত সংবাদ সূৰ্য কনকসেন ডেকা | ৰবীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য | ৭৫ |
| (২২) | প্ৰবীণ সাংবাদিক, চিন্তানায়ক | হৰেন্দ্ৰ নাথ শৰ্মা | ৭৮ |
| (২৩) | জীৱন কৃতিত্বত সানমিহলি দৃষ্টিপাত | যাদৱসেন ডেকা | ৮১ |
| (২৪) | বহুমুখী গুণৰ আধাৰ | মীনা বড়া | ৮৭ |
| (২৫) | নবীন সাংবাদিকৰ অভিভাৱক গৰাকী | দীপমণি শৰ্মা | ৯০ |
| (২৬) | আমাৰ প্ৰিয় কনকসেন ডেকা | লক্ষী পাটোৱাৰী | ৯২ |
| (২৭) | প্ৰশস্তি ঃ কনকসেন ডেকা | সতীশ শৰ্মা | ৯৪ |
| (২৮) | হে মহানুভৱ | অনিতা দেৱী | ৯৫ |
| (২৯) | সংবাদ-জ্যোতিলৈ অভিনন্দন | অৱন্তী পামেগাম চেতিয়া | ৯৬ |
| (৩০) | সংবাদ সূৰ্য | ৰামদাস হৰিজন | ৯৭ |
| (৩১) | Kanak Sen Deka : A Gem of Assam | Bipul Kumar Das. | ৯৮ |
| (৩২) | मान्यवर कनकसेन डेकाजी | हेम मिश्र | ১০২ |
| (৩৩) | সংবাদ সূৰ্য কনকসেন ডেকাৰ স'তে আন্তৰিক আলাপ | অৰূপ ৰঞ্জন বৰ্মন, জোন কুমাৰ হাঁলৈ | ১০৫ |
| (৩৪) | গ্ৰন্থসূচী | | ১১৩ |
| (৩৫) | গ্ৰন্থ সম্পাদনা সমিতি | | ১১৪ |

# বিহংগম দৃষ্টিত কনকসেন ডেকা

## ড° প্ৰহ্লাদ কুমাৰ বৰুৱা

আধুনিক অসমীয়া সাহিত্যৰ সৈতে অসমীয়া সংবাদ মাধ্যম ওতঃপ্ৰোতভাৱে জড়িত। আনকি আধুনিক অসমীয়া সাহিত্যৰ বিকাশত সংবাদ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আধুনিক অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে, অসমৰ জাতীয় জীৱনৰ বিভিন্ন সমস্যাৱলী উত্থাপন আৰু সমস্যাসমূহৰ সমাধানৰ পথ নিৰ্দেশনাত অসমৰ সংবাদ পত্ৰই যি ভূমিকা গ্ৰহণ কৰি আহিছে তাৰ সমানে সমানে নতুন লেখক সৃষ্টি আৰু ন-পুৰণি লেখক-লেখিকাৰ লিখনিৰে অসমীয়া সাহিত্য সমৃদ্ধিশালী কৰাত অসমৰ সংবাদপত্ৰই উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। সাংবাদিকতাৰে অসমৰ জাতীয় জীৱনৰ বিভিন্ন দিশত সচেতনতা সৃষ্টি কৰাত আৰম্ভণি কালৰ পৰা অৰ্থাৎ ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা সাম্প্ৰতিকলৈকে সময়ে সময়ে অনেক ব্যক্তিয়ে আত্মত্যাগ কৰি আহিছে। ঐকান্তিক নিষ্ঠা, গভীৰ দায়বদ্ধ চেতনা আৰু নিজস্ব মৌলিক দৃষ্টিভঙ্গীৰে জাতীয় জীৱনৰ বাবে আত্মত্যাগসুলভ অৰিহণা যোগোৱা ভালকেইগৰাকী সাংবাদিক অসমৰ সংবাদপত্ৰৰ ইতিহাস আৰু জনমানসত চিৰকাল অম্লান হৈ ৰ'ব।

গভীৰ দায়বদ্ধ চেতনাৰে সংবাদ মাধ্যমক জনসেৱা স্বৰূপে গ্ৰহণ কৰা সাংবাদিকসকলৰ ভিতৰত কনকসেন ডেকা অন্যতম। ১৯৩৩ চনৰ ১৬ জুলাইত নলবাৰীৰ বেলশৰত জন্মগ্ৰহণ কৰা কনকসেন ডেকা উচ্চ শিক্ষাৰে শিক্ষিত হৈয়ো চাকৰিৰ মোহ ত্যাগ কৰি সাংবাদিকতাত আত্মনিয়োগ কৰিবলৈ ওলাই আহে। ১৯৭১ চনৰ ৩১ জানুৱাৰীত পষেকীয়া অগ্ৰদূত কাকতৰ সম্পাদনাৰে সাংবাদিক হিচাপে আত্মপ্ৰকাশ কৰা কনকসেন ডেকাই সাম্প্ৰতিকলৈকে নিঃস্বাৰ্থ, নিষ্ঠাবান, নিৰ্ভীক সাংবাদিক হিচাপে নিজৰ স্থিতি অবিচল কৰি ৰাখিছে। সুদক্ষ সাংবাদিকতাৰ বাবেই পষেকীয়া অগ্ৰদূত মাত্ৰ ডেৰ বছৰমানৰ পাছতে সাপ্তাহিক অগ্ৰদূতলৈ উন্নীত হ'ল। কেৱল সিমানে নহয়, মাত্ৰ দুটা বছৰৰ পাছতে 'সাপ্তাহিক অগ্ৰদূত' হিচাপে কাকতখনে জনপ্ৰিয়তাৰ প্ৰমাণ দিলে। এই সাপ্তাহিক অগ্ৰদূতে জনহৃদয় আকৰ্ষণ কৰা বাবেই মাত্ৰ দুবছৰ পাছত তিনিদিনীয়া অগ্ৰদূতৰূপে সমগ্ৰ অসমত জনপ্ৰিয় হৈ উঠিল। এইখিনিতে এষাৰ কথা ক'ব লাগিব যে তিনিদিনীয়া অগ্ৰদূত জনপ্ৰিয়তাৰ শিখৰত উঠিলে ১৯৭৯ চনৰ মাজভাগৰ পৰা। ১৯৭৯ চনৰ

মাজভাগত অসমৰ পৰা বিদেশী বিতাড়নৰ দাবীত অসম আন্দোলন গঢ় লৈ উঠিল। অসমৰ পৰা অবৈধ বিদেশীক বহিষ্কাৰ কৰাৰ দাবী ভাৰতীয় সংবিধান সমৰ্থিত। উল্লেখযোগ্য যে, ন্যায় আৰু নীতিত বিশ্বাসী কেইগৰাকীমান সাংবাদিকে অসমৰ পৰা বিদেশী বিতাড়নৰ দাবী যে উগ্ৰ জাতীয়তাবাদ নহয়, বৰং অসম তথা ভাৰতৰ সাৰ্বভৌমত্ব ৰক্ষাৰ দাবী, এইষাৰ কথা বুজি পালে আৰু অসমৰ জনসাধাৰণৰ দাবীক অসম তথা ভাৰতৰ স্বাৰ্থতে ন্যায্য দাবী বুলি বাতৰি কাকতত মত পোষণ কৰিলে। এনে সীমিত সংখ্যক কাকতকেইখনৰ ভিতৰত কনকসেন ডেকাৰ দ্বাৰা সম্পাদিত 'তিনিদিনীয়া অগ্ৰদূত' অন্যতম। সুদীৰ্ঘ ছবছৰীয়া অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ অংশীদাৰসকলৰ নিশ্চয় মনত আছে যে, তিনিদিনীয়া অগ্ৰদূত কাকতখনত আন্দোলনৰ কাৰ্যসূচী কি দিয়া হৈছে তাৰ প্ৰতি সকলোৱে পৰম উৎকণ্ঠাৰে দৃষ্টি ৰাখিছিল। সি যি নহওক অগ্ৰদূত কাকতৰ নিষ্ঠা, সত্যবাদিতা, নিৰ্ভীকতা আৰু সততাৰ বাবেই এই কাকতখন জনপ্ৰিয়তাৰ শিখৰত উঠিছিল আৰু তাৰেই পৰিণতিস্বৰূপে ১৯৯৫ চনৰ ৬ অক্টোবৰৰ পৰা দৈনিক অগ্ৰদূতৰূপে প্ৰকাশ পাবলৈ ধৰে। সম্প্ৰতি তিনিদিনীয়া অগ্ৰদূত আৰু দৈনিক অগ্ৰদূত এই দুয়োখন কাকতেই একেগৰাকী সম্পাদকৰ সম্পাদনাত সম্পাদিত হৈ জনপ্ৰিয় হৈ চলি আছে।

কনকসেন ডেকা কেৱল সাংবাদিকেই নহয়; এগৰাকী সমাজ সচেতন তথা জাতীয় চেতনা সম্পন্ন লেখক। তদুপৰি কনকসেন ডেকা এগৰাকী সৃষ্টিশীল লেখকো। সৃষ্টিশীলতা জীৱন প্ৰেৰণাও। এফালে দায়বদ্ধ চেতনা আৰু আনফালে সৃষ্টিশীলতা— এই দুই ধৰণৰ প্ৰেৰণাৰ তাগিদাত কনকসেন ডেকাৰ সম্পাদনাত তিনিখনকৈ আলোচনীও প্ৰকাশ পাই আছে। আমাৰ পুৰুষপ্ৰধান সমাজৰ অবদমিত নাৰী সমাজৰ মনৰ কল্যাণ তথা মুক্তি জাগৰণৰ উদ্দেশ্যে প্ৰকাশ হোৱা 'শ্ৰীময়ী' আলোচনী সম্প্ৰতি পাঠক সমাজত সমাদৃত হৈ উঠিছে। এইগৰাকী সাংবাদিকৰ সামাজিক দায়বদ্ধ চেতনা অত্যন্ত প্ৰখৰ। কনকসেন ডেকাৰ প্ৰখৰ সামাজিক দায়বদ্ধ চেতনাৰ সৈতে বিজ্ঞানসন্মত দৃষ্টিভংগী জড়িত হৈ আছে বাবেই তেখেতে শিশুসকলৰ কথাও নভবাকৈ থকা নাই। এটা জাতিক সুস্থ, সবল আৰু গতিশীল কৰি তুলিবলৈ হ'লে নাৰী সমাজ আৰু লগতে শিশুসকলকো তলৰ পৰা গঢ় দি আনিব লাগিব। এনে সমাজ বিজ্ঞানসন্মত দৃষ্টিভংগীৰেই কনকসেন ডেকাই নাৰী প্ৰগতিৰ উদ্দেশ্যে 'শ্ৰীময়ী' আলোচনী প্ৰকাশ কৰাৰ উপৰিও শিশুসকলৰ চিন্তা-চৰ্চাৰ অনুশীলন হ'ব পৰাকৈ 'অকণিৰ অগ্ৰদূত' সম্পাদনা কৰি চলাই আছে।

কনকসেন ডেকা একেধাৰে সাংবাদিক, সমালোচক, প্ৰাবন্ধিক আৰু সৃষ্টিশীল লেখক। তিনিদিনীয়া আৰু দৈনিক দুখন কাকতৰ সম্পাদনাৰ ব্যস্ততাৰ মাজতো সাহিত্যৰ সাধক হিচাপে কনকসেন ডেকাই আত্মনিয়োগ কৰি আহিছে। দায়বদ্ধ

চেতনাৰে ৰচনা কৰা 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক', 'আমাৰ যুৱ সমাজ বিশ্ব বিজয় কৰিবলৈ ওলাই আহক', 'অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু সামাজিক বিতৰণৰ ধাৰা', 'মূল্যবোধৰ অৱক্ষয় আৰু সাম্প্ৰতিক সংকট', 'আলফাৰ স্বাধীন অসম', 'দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক' আদি বহুতো গ্ৰন্থ এইগৰাকী লিখকৰ কাপৰ পৰা ওলাই আহিছে, অসমীয়া ভাষাৰ উপৰিও বড়ো, হিন্দী আৰু ইংৰাজীতো গ্ৰন্থ ৰচনা কৰি অসমৰ জ্বলন্ত সমস্যাবোৰৰ বিষয়ে দেশৰ বাহিৰে-ভিতৰে সকলোকে জনাবলৈ চেষ্টা কৰিছে।

কনকসেন ডেকা অধ্যয়নশীল ব্যক্তি আৰু লেখক হিচাপে দায়বদ্ধ লেখক। এইষাৰ কথাৰ সত্যতা প্ৰমাণিত হয় তেখেতৰ লেখনিসমূহৰ মাজেদি। কনকসেন ডেকাৰ অত্যন্ত ব্যস্ততাপূৰ্ণ আৰু অধ্যয়নপুষ্ট মনটো নিৰন্তৰ সামাজিক দায়বদ্ধ চেতনাৰ সৈতে বান্ধ খাই থাকে। এনে সামাজিক দায়বদ্ধ চেতনাৰ বাবেই কনকসেন ডেকাৰ কাপৰ পৰা দুখন বৃহৎ কলেবৰৰ গ্ৰন্থ প্ৰকাশ পালে। এখন 'এশখন মহৎ গ্ৰন্থ' আৰু আনখন 'এশগৰাকী মহান ব্যক্তি।' এই দুয়োখন গ্ৰন্থৰ মাজেদি কনকসেন ডেকাৰ অধ্যয়নৰ বিস্তৃতি আৰু গভীৰ সামাজিক দায়বদ্ধ চেতনাৰ উমান পোৱা যায়। এই দুয়োখন গ্ৰন্থই অন্ততঃ নতুন পুৰুষক জীৱন সম্পৰ্কে গভীৰ দৃষ্টিভঙ্গী এটা প্ৰদান কৰিব।

গ্ৰন্থ অধ্যয়নৰ যোগেদি জ্ঞান অৰ্জন কৰাৰ উপৰিও বিদেশ ভ্ৰমণৰ যোগেদিও এইগৰাকী লেখকে বিচিত্ৰ জ্ঞান আহৰণ কৰিছে। 'হাডচনৰ পৰা লুইত গংগা' নামৰ ভ্ৰমণ কাহিনীখনেই এইষাৰ কথাৰ সত্যতা প্ৰতিপন্ন কৰে। বিদেশ ভ্ৰমণ বহুতে কৰিছে আৰু বিদেশ ভ্ৰমণ কৰি বহুতে ভ্ৰমণ কাহিনীও লিখিছে। কিন্তু বহুতৰে ভ্ৰমণ কাহিনী বিদেশৰ স্থূল বৰ্ণনাৰ চমক আৰু আত্মজাহিৰ স্বৰূপ। অসমীয়াত এনে ভ্ৰমণ কাহিনীও আছে যিবোৰত বিদেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক আৰু সমাজবৌদ্ধিক বিশ্লেষণ আগবঢ়োৱা হৈছে। এনে ভ্ৰমণ কাহিনী অসমীয়াত বৰ বেছি নহয়। ক'বই লাগিব যে ভ্ৰমণ কাহিনী লিখিবৰ বাবে ভ্ৰমণকাৰী লেখকজনৰ এটা নিজা দৃষ্টিভঙ্গীৰ প্ৰয়োজন আৰু এখন দেশ তথা জাতিক অধ্যয়ন কৰিব পৰা সমাজসন্ধানী বুদ্ধিমত্তাৰো প্ৰয়োজন। কনকসেন ডেকাৰ 'হাডচনৰ পৰা লুইত গংগা'ত ভুমুকিয়াই চালে দেখা যায় যে, এইগৰাকী লেখকে প্ৰখৰ বুদ্ধিমত্তাৰে আৰু সমাজ বিজ্ঞানীৰ দৃষ্টিৰে বিদেশৰ বিশ্লেষণ আগবঢ়াইছে।

কনকসেন ডেকা এগৰাকী সৃষ্টিশীল লেখকো। 'লুইতক ভেটিব কোনে', 'সূৰ্য পুৱত নুঠে', 'টেমচ আৰু লুইত', 'সোণৰ পালেঙে নুশুবায়' উপন্যাসৰ মাজেদি কনকসেন ডেকাৰ সৃষ্টিশীল মনৰ সঠিক পৰিচয় পোৱা যায়। কনকসেন ডেকা এগৰাকী গল্পকাৰো। 'ৰঙীন পৰ্দা', 'পাঁচ ছেপ্টে স্বৰৰ ৰাতিপুৱা', 'স্বপ্ন ভংগ' আদি গল্প সংকলন কেইটাৰ মাজত সৃষ্টিশীল লেখক কনকসেন ডেকা সজীৱ হৈ আছে।

সেইদৰে 'একাঙ্ক পঞ্চমা'ৰ মাজত নাট্যকাৰ কনকসেন ডেকাৰ সন্ধান পোৱা যায়।

বিংশ শতিকাৰ শেষাৰ্ধত অসমৰ সংবাদ জগতত বহু সাংবাদিকৰ ভিতৰত যি কেইগৰাকী সাংবাদিক ধ্ৰুৱ তৰাৰ দৰে উজ্বলি আছে সেইকলৰ ভিতৰত কনকসেন ডেকা অন্যতম। অসমৰ সংবাদ জগতত একেধাৰে লেখক আৰু সাংবাদিক বৰ বেছি নাই। সীমিত সংখ্যক যি কেইগৰাকী আছে সেই কেইগৰাকীৰ ভিতৰত কনকসেন ডেকাৰ নাম ল'ব লাগিব। দৰাচলতে সৃষ্টিশীল লেখকৰ দ্বাৰা সম্পাদিত কাকতত সাহিত্যৰ ৰস সংপৃক্ত হৈ থাকে। য'তে সাহিত্যৰ ৰস তাতেই পাঠক মৌ-মাখিৰ গুণগুণনি। সংবাদপত্ৰই যদি জনসাধাৰণক সামাজিক দায়বদ্ধ চেতনাৰ শিক্ষা নিদিয়ে আৰু তাৰ লগতে সাহিত্যৰ সোৱাদ দিবলৈ যদি সক্ষম নহয়; তেনেহ'লে সংবাদপত্ৰ সাময়িক উত্তেজনালৈ ৰূপান্তৰ হয়। সাহিত্যৰ ৰসৰ প্ৰতি সজাগ দৃষ্টিভংগী কনকসেন ডেকাই সাংবাদিক জীৱনৰ আৰম্ভণিৰ পৰা গ্ৰহণ কৰি আহিছে আৰু সেই বাবেই কনকসেন ডেকাৰ দ্বাৰা সম্পাদিত কাকতে পাঠকৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে।

*******

# যাৰ ছাঁয়াত মই জিৰাওঁ

## হেমন্ত কুমাৰ ভৰালী

অস্থিৰ মন। চঞ্চল চিত্ত। জীৱনত কিবা এটা কৰাৰ জোৰদাৰ আকাংক্ষা। নৱ-যৌৱনত সাধাৰণ বুদ্ধিমত্তাৰ যুৱক-যুৱতীৰ যি হয়, সেয়াই হৈছিল মোৰ ক্ষেত্ৰতো। পঢ়া-শুনাত মন নবহে। ধৈৰ্য বুলিবলৈ প্ৰাথমিক যিটো লাগে, সিমানখিনিও নাই। অৱশ্যে মনত আছে প্ৰচণ্ড সাহস আৰু প্ৰচুৰ উদ্যম।..... কথা নাই বতৰা নাই, গুৱাহাটীলৈ উচ্চ শিক্ষাৰ বাবে আহি হঠাতেই গুচি গ'লো দিল্লীলৈ। নাই, নাই, চিনাকি মানুহ নাছিল কোনো। হাতত থকা টকাখিনিৰে পাৰ কৰিলো সস্তীয়া হোটেলত, তাৰ পাছত নৈশ যাপন আৰম্ভ হ'ল ৰেলৱে প্লেটফৰ্ম আৰু পাৰ্কত....।

তাৰ পাছত অন্য এক কাহিনী। যাক কোৱা হয় ভাগ্যোদয়। দিল্লীতে লগ পোৱা মোৰ দুজন বন্ধু হেম কে চি আৰু অমৰেন্দু জ্যোতিৰ হেঁচাত এদিন হঠাৎ তুলি ল'লো কলম। অৱশ্যে সম্পূৰ্ণই জীৱন আৰু জীৱিকাৰ তাড়নাত পৰি। জীৱনত ভাল লগা কামেই মাথো কৰিছো। কোনো ক্ষেত্ৰতে আপোচ কৰা নাই। সেইবাবেই আপোচহীন সাংবাদিক এজন হোৱাৰ লক্ষ্যই বান্ধি ল'লো বুকুত। দিল্লী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ অমৰেন্দু জ্যোতিয়ে ক'লে — 'তই যিদৰে কথা কৱ, তেনেকৈয়ে অথচ যিমান পাৰ সংক্ষিপ্তভাৱে লিখি যা। পাৰিবি।' ....... দিল্লী বিশ্ববিদ্যালয়ৰ চেন্ট্ৰেল ৰেফাৰেন্স লাইব্ৰেৰীত পঢ়া-শুনা কৰাৰ সুযোগ সিয়েই উলিয়াই দিলে।.... আৰু এনেদৰেই এদিন সাংবাদিক হৈ গ'লো। সেয়া ১৯৯৩ চন। প্ৰথমতে ফ্ৰি লান্সিং আৰু পাছত দিল্লীৰ বিভিন্ন হিন্দী আৰু ইংৰাজী কাকতৰ হৈ সাংবাদিকতা আৰম্ভ হ'ল। ঘূৰি ফুৰিবলৈ ল'লো লক্ষ্ণৌ, এলাহবাদ, ভটনী, পাটনা, বাৰাউনি, পূৰ্ণিয়া আদি উত্তৰ ভাৰতৰ বিভিন্ন ঠাই।

ঘূৰি-ফুৰা কাম। যেন অস্থিৰ চাকৰি! কিন্তু তাতোকৈও অস্থিৰ হৈ থাকিল মন। নতুন দিগন্তৰ সন্ধানত যেন মোৰ অস্থিৰ মনটো উৰি গৈ থাকিল। কিন্তু কোনো প্ৰকৃত লক্ষ্য স্থিৰ নহ'ল। উদভ্ৰান্তভাৱে মাথো উপঙি থাকিল মন-আত্মা, ত্ৰিশংকুৰ দৰে। এটাৰ পাছত আনটোকৈ কে'বাটাও চাকৰি ত্যাগ, ডকুমেন্টেৰি কৰা বিভিন্ন দলৰ স'তে ভ্ৰমণ.... মাজতে জোতাৰ ফেক্টৰীত চাকৰি....। নতুন নতুন চাকৰি..... নতুন নতুন মানুহ আৰু পৰিৱেশৰ ভিন্নতা। কিন্তু কেনেও ধৰি ৰাখিব নোৱাৰিলে মোক।

এনেকৈয়ে এদিন য'ৰ পৰা যাত্ৰাৰম্ভ কৰিছিলো, অশান্ত-অস্থিৰতাৰ ঢৌৱে যেন আকৌ কোবাই আনি সেইখিনি ঠায়েই পোৱালেহি। এৰা, গুৱাহাটী পালোহি মই।

নতুন নতুন বন্ধুৰ স'তে আড্ডা জমিব ধৰিলে। কাকতত দুই এটা নিবন্ধ লিখাৰ বাহিৰে অন্য একো কাম নাই। সঘনে সলনি হ'ল ঠিকনা।..... তাৰ পাছত? এৰা, ভাগ্য যেন এইবাৰ মোৰ প্ৰতি সু-প্ৰসন্ন হৈছিল। মোৰ অস্থিৰতা দেখি, বিৰসতা দেখি ভাগ্য মোৰ প্ৰতি যেন সদয় হৈ পৰিছিল। স্থায়ী এক ঠিকনাত আহি মই উপনীত হৈছিলো আৰু বিশাল মহীৰুহৰ তলত মোক আশ্ৰয় দিয়াৰ ব্লুপ্ৰিণ্ট যেন একেবাৰে সম্পূৰ্ণ কৰি পেলাইছিল ভাগ্যই।.... এই স্থায়ী আশ্ৰয় অগ্ৰদূত আৰু সেই মহীৰুহ....! এৰা, তেওঁ কনকসেন ডেকা, মোৰ মানস পিতৃ আৰু যাৰ পুত্ৰ বুলি গৌৰৱত উফন্দি উঠে মোৰ বুকু!

১৯৯৬ চনৰ প্ৰথমভাগত মই অগ্ৰদূত কাকতত যোগ দিলো। তাৰ কেইমাহমানৰ আগৰে পৰাই মই 'অগ্ৰদূত'ত লিখি আছিলো। দিয়া মাত্ৰকেই ছপা হৈছিল সেইবোৰ আৰু মোৰ বিশ্বাস হৈছিল যে সেইবোৰ পঢ়ি মনঃপূত হোৱাৰ বাবেই তেওঁ মোক চাকৰি দিছিল। কিন্তু.... অগ্ৰদূতত কাম কৰিবলৈ লোৱাৰ পৰাই মোৰ মনত 'চাকৰি' সম্পৰ্কত থকা সমস্ত ধাৰণা সলনি হৈছিল আৰু ভাব হৈছিল যেন মই ঘৰলৈ, পৰিয়ালৰ মাজলৈ পুনৰ উভতি আহিছো। আৰু এই ভাৱনাৰ মূলতে আছিল শ্ৰদ্ধেয় কনকসেন ডেকা, যাৰ ওচৰত নিৰাপত্তা পাব পাৰি, সাহসী হ'ব পাৰি আৰু আশ্বস্ত হ'ব পাৰি....।

জীৱন আৰু জগতৰ প্ৰতি কৌতূহলী হোৱাৰে পৰাই মোৰ সংগী হিচাপে দুটা বস্তুক অন্তঃকৰণেৰে ভাল পাবলৈ শিকিছিলো! সেয়া হ'ল ৰেডিঅ' আৰু বাতৰি কাকত। কিতাপ ভালেই পাইছিলো যদিও সহজ এক অলসতাৰ বাবেই, বোধহয়— গভীৰতালৈ সোমাই যাব নোৱাৰিছিলো। কিন্তু বাতৰি কাকত! কিবা কাকত, বিশেষকৈ অগ্ৰদূত আৰু অসম বাণী পালেই চিলাই কৰি সযতনে থৈছিলো। অৱশ্যে সংৰক্ষণ কৰি যিমান ভাল পাইছিলো, অধ্যয়ন স্পৃহা সিমান নাছিল মোৰ। মই বুজো। ..... এদিন আমাৰ এজন সম্পৰ্কীয় ককাদেউতাই অগ্ৰদূতৰ সম্পাদকীয় স্তম্ভলৈ আঙুলিয়াই কৈছিল — 'প্ৰথমতে এওঁৰ লিখাখিনি পঢ়িবি। পাৰিলে ৰেগুলাৰ পঢ়িবি।.... বুজ-নুবুজ পঢ়ি যাবি।....' এওঁ মানে কনকসেন ডেকা। প্ৰতিটো সম্পাদকীয় স্তম্ভৰ তলতে তেওঁৰ স্বাক্ষৰ থাকে আৰু সেই নিৰ্দিষ্ট ধৰণৰ স্বাক্ষৰ মোৰ মানস পটত এক বিশেষ চিত্ৰ হিচাপে স্থায়ীভাৱে খোদিত হৈ ৰৈছে।..... সম্পাদকীয় স্তম্ভ গুৰুত্বপূৰ্ণ বিষয়বোৰ, দৃষ্টিভংগীবোৰ মই বুজি পাইছিলো নে নাই, সেয়া আজি ক'ব নোৱাৰো। সেই কালত তেওঁৰ প্ৰজ্ঞা আৰু দৰ্শনৰ প্ৰভাৱ মোৰ ওপৰত পৰিছিল বুলিও মোৰ মনে নধৰে। কিন্তু অসমৰ যে তেওঁ সৰ্বশ্ৰেষ্ঠ সাংবাদিক, সেই কথা বুজি উঠিছিলো।..... লাহে লাহে চিত্ৰবোৰ বিচ্ছিন্ন আৰু বিক্ষিপ্ত হৈ আহিছিল। আদৰ্শ হিচাপে কাকো গ্ৰহণ কৰিব নোৱৰা, অশান্ত আৰু সকলোৰে প্ৰতি সন্দেহী মোৰ অস্থিৰ মনটোৱে যেতিয়া একা-বেঁকা আৰু স্ব-আৰোপিত জটিলতাৰ মাজত পথ হেৰুৱালে, যেতিয়া লক্ষ্যহীন যাত্ৰা

আৰম্ভ কৰিলো- অন্ধকাৰত য'তে-ত'তে খুন্দিয়াই ফুৰিলো— তেতিয়াও অৱশ্যে কনকসেন ডেকাই আহি মোৰ হাতত ধৰি নক'লে— 'মোৰ আঙুলিত ধৰা। পথ নিৰ্দেশ কৰিম মই তোমাক।....' কিন্তু তেওঁৰ সেই বিশেষ স্বাক্ষৰটো, সম্পাদকীয় স্তম্ভৰ ঠিক তলতে থকা— সেয়া নকল কৰি গ'লো। কিয় জানো! সেই নকল কৰাৰ মাজতো মই এক বিশেষ আত্মপ্ৰত্যয় অনুভৱ কৰিলো, ক'ৰবাত যেন প্ৰমিথিউচৰ আৰ্ত স্বৰ ৰিণিকি ৰিণিকি শুনিলো।.... নাজানো কি আছিল সেয়া— অবচেতন মনৰ কল্পনা নে ভৱিষ্যতৰ বাবে ভাগ্যই সুনিৰ্দিষ্ট কৰা মোৰ লক্ষ্য!

ভবাই নাছিলো জীৱনত এইদৰে কাৰোবাৰ ওচৰত নতশিৰ হৈও শান্তি পোৱা যায় বুলি। যিদৰে প্ৰেমৰ ওচৰত নতশিৰ হওঁ মই.... সেইদৰে শ্ৰদ্ধাৰ কনকসেন ডেকাৰ ওচৰতো পৰম আশ্বাস আৰু বিশ্বাসেৰে নতশিৰ হ'লো মই আৰু যোৱা নটা বছৰে এই বিশাল মহীৰুহৰ তলত আশ্ৰয় লৈ আছো....। নাই নাই, অশান্ত অস্থিৰতাৰ পুৰণি কোনো বেমাৰে উক দিয়া নাই মোক! এৰা, স্থায়ী এক মোহগ্ৰস্ত আস্থানা গঢ়িলো যে মই!

এজন মানুহ যিমানখিনি ভদ্ৰলোক হ'ব পাৰে, অভিভাৱকত্বৰ যিমানখিনি নিৰাপত্তা দিব পাৰে, যিমান সাহ শক্তি দিব পাৰে এজন মানুহে,.... যাক পিতা বুলি কৈ অভিভূত হওঁ মই! তেওঁ কনকসেন ডেকা! বিশ্বাসেই নহয় যে তেওঁ মোক জন্ম দিয়া নাই! এৰা, ভাবি অভিভূত -আপ্লুত হওঁ মই— কেনেকৈ তেওঁ জীৱনৰ পৰম আশ্বাস আৰু বিশ্বাস দিব পাৰিছে মোক! বহুতেই বহু ধৰণে সমালোচনা কৰে তেওঁক— ময়ো বিশ্লেষণৰ প্ৰয়াস কৰো কনকসেন ডেকা মানুহজনক।.... কিন্তু মই মোহগ্ৰস্ত নোহোৱাকৈও ক'ব পাৰো যে ইতিমধ্যে লিখি অহা সকলোবোৰ কথাই মোৰ এশ শতাংশ বিচাৰ বিশ্লেষণ আৰু বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। এয়াই মোৰ বাবে পৰম সত্য!.... আৰু তেঁৰোতো মোৰ প্ৰতি দুৰ্বলতা দেখুৱায়, পিতাৰ অপত্য স্নেহত মজি থাকে তেওঁ। মোৰ দৰে 'পথভ্ৰষ্ট' নাবিকক বন্দৰৰ সন্ধানেই মাথো নিদিয়ে— 'নীড়'ত শান্তিৰে সুখনিদ্ৰা যাপনৰো সুযোগ দিব খোজে। এৰা, সঁচাই অপত্য স্নেহ দেখুৱায় তেওঁ মোৰ প্ৰতি।

কনকসেন ডেকা ছাৰৰ বহু ব্যক্তিগত আৰু নৈৰ্ব্যক্তিক জীৱনৰ সান্নিধ্য মই পাইছো। অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছো তেওঁৰ স'তে। পদ্ম বৰকটকী, ৰিজু হাজৰিকা আৰু ডেকা ছাৰৰ স'তে বিভিন্ন ঠাইত ঘূৰি ফুৰিছো গছ পুলি ৰোপণ তথা অন্যান্য বাস্তৱমুখী কাৰ্যসূচী লৈ। গাড়ীৰ ভিতৰত জমি উঠে আড্ডা— একেবাৰে সাধাৰণ হিউমাৰৰ পৰা চিৰিয়াছ কথালৈ। আৰম্ভণিটো ছাৰেই কৰে। কাকো ব'ৰডমৰ চিন্তা মনলৈ আনিব নিদিয়ে তেওঁ আৰু নিজেও নানে। গতি সাধাৰণ কথা এটাকো কিমান সুগভীৰ চিন্তাৰ মাজলৈ নিয়ে, সেয়া তেওঁৰ সান্নিধ্যত নথকা মানুহে বুজিব নোৱাৰে। মানুহৰ কল্পনা আৰু বাস্তৱ চিন্তাৰ মাজত সু-সমন্বয়ৰ পৰা প্ৰকৃতিৰ ভাৰসাম্যতালৈ সকলো ক্ষেত্ৰতে কৰ্মমুখী বাস্তৱ দৃষ্টিভংগী গ্ৰহণ কৰা

কনকসেন ডেকাছাৰে অসমৰ সকলো জনগোষ্ঠীৰ মাজত ঐক্যৰ মনোভাৱ বঢ়াই তুলিবলৈ, সকলোকে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিবলৈ, হিংসা-হত্যাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ যি আপোচহীন সংগ্ৰামত নামি গৈছে তাৰ তুলনা নাই। অসমৰ হতাশাগ্ৰস্ত যুৱচামক স্বাবলম্বী কৰি গঢ়ি তোলাৰ বাবে বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিবলৈ ডেকাছাৰে বিভিন্ন ধৰণৰ সামাজিক কামত হাত উজানতো দিছেই, বিভিন্ন গ্ৰন্থ ৰচনা কৰি অসমৰ উন্নতিৰ মূল এই মানৱ সম্পদৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰিছে। অসমৰ যুৱ সম্পদৰ অপচয় আৰু অবক্ষয়ৰ ৰক্তক্ষয়ী কালছোৱাতেই তেওঁ 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক', 'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক' আদিৰ দৰে বাস্তৱধৰ্মী গ্ৰন্থৰচনাৰ যোগেদি নতুন পুৰুষক সঠিক পথৰ সন্ধান দিব পাৰিছে। .... ডেকা ছাৰ কৰ্মত যিদৰে বিশ্বাসী, সেইদৰে তাৰ ফলাফলতো বিশ্বাসী। কাম কৰা, তাৰ বাস্তৱ ফল পাবাই— এয়াই হ'ল তেওঁৰ ভাষ্য। কাম নকৰাকৈ এক মিনিটো বহি থকাৰ অপচয়খিনি তেওঁ সহ্য নকৰে। নাই নাই, এই কথা কিন্তু তেওঁৰ কৰ্মচাৰীখিনিৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। তেওঁতো এনে এজন প্ৰ'পাইটৰ, যিজনে কৰ্মচাৰীক কেতিয়াও অমুকটো কৰিব লাগে— তমুকটো কৰিব লাগে বুলি নিৰ্দেশ নিদিয়ে, কোন ক'ত কেতিয়া আহিছে-গৈছে, সেয়া নাচায়। কাকো ৰূঢ়ভাৱে কথা নকয়- স্বভাৱ বিৰুদ্ধ সেয়া।.... এই যে অপচয়ৰ কথাটো ক'লো সেয়া যেন কেৱল নিজৰ ক্ষেত্ৰতহে প্ৰযোজ্য। এক মিনিটো এনেয়েই বহি নাথাকে তেওঁ— সেইবাবেই'তো একেবাৰে সাধাৰণ পৰ্যায়ৰ পৰা আনি আনি অগ্ৰদূতক আজি এই বিশালতাত পোৱালেহি। কষ্ট কৰি ব্যৱসায় কৰা, সমাজৰ জাগ্ৰত প্ৰহৰীৰ দৰে কাম কৰা, সাহিত্য সৃষ্টি কৰা, সকলোৰে প্ৰতি সদ্ভাৱেৰে বিভিন্ন সামাজিক আঁচনি ৰূপায়ণৰ চেষ্টা কৰা.... এইবোৰ কাম, য'ত সৰ্বত্ৰতে সফলতা লাভ কৰিব পাৰে এজন মানুহেই— তেওঁ কেৱল কনকসেন ডেকা। অসীম ধৈৰ্য শক্তি, কষ্টসহিষ্ণুতা আৰু দৃঢ় মনোবলেৰে কাম কৰি এখন লাখ কপি বিক্ৰী হোৱা সৰ্বজনপ্ৰিয় দৈনিক আৰু অৰ্ধ সাপ্তাহিক কাকতৰ একেলগে সম্পাদক আৰু মালিক হিচাপে সম্পূৰ্ণ সফল ব্যক্তিজন কনকসেন ডেকা। এনে বিৰল উদাহৰণ পৃথিৱীৰ অন্য ক'ৰবাত আছে যেন মোৰ ধাৰণা নহয়।

আজিৰ এই সত্তৰোৰ্ধ বয়সতো শোৱাৰ সময়খিনিৰ বাহিৰে অহৰহ কৰ্মতেই নিমগ্ন এইজনা ব্যক্তিক বাহিৰৰ পৰা যিমানে কঠোৰ যেন লাগে, ভিতৰি ভিতৰি সিমানেই কোমল মনৰ। তেওঁ সকলোকে ক্ষমা কৰি দিয়ে, সিজন যিমানেই দোষ নকৰক লাগে— অৱশ্যে সমাজৰ অনিষ্ট কৰা ব্যক্তিবোৰক তেওঁ ইমান বেছি শত্ৰুজ্ঞান কৰে যে শেহত তেওঁ বিষয়টো ব্যক্তিগত যেনেই কৰি পেলায়। এই ক্ষেত্ৰত বহুকেইজন ক্ষমতাশালী লোক আৰু ৰাজনীতিকৰ বিৰুদ্ধে আপোচহীন কলম চলাই তেওঁ বিভিন্ন ধৰণে ৰোষতো পৰিছে, অৱৰ্ণনীয় মানসিক যন্ত্ৰণাতো দগ্ধ

হ'ব লগা হৈছে, কিন্তু কোনো ক্ষেত্ৰতে তেওঁ আপোচ কৰা নাই। 'অগ্ৰদূত'ৰ সহকাৰী সম্পাদক হিচাৰে মোক তথা মোৰ সহকৰ্মীসকলকো তেওঁ আপোচহীনভাৱে কাম কৰাৰ যি স্বাধীনতা দিছে, তাৰ বাবে অন্ততঃ মই ছাৰৰ ওচৰত কৃতজ্ঞ। তেওঁ মোৰ বাবে দ্ৰোণাচাৰ্য, যিয়ে মোক অৰ্জুন হোৱাৰ প্ৰেৰণা যোগায় অহৰহ। .... কেতিয়াবাতো ভাৱ হয় তেওঁ মোৰ প্ৰতি অপত্য-পক্ষপাতেই কৰে!

অসমৰ সাহিত্য আৰু সাংবাদিকতা জগতৰ তিনি পুৰোধা— পদ্মবৰকটকী, কনকসেন ডেকা আৰু মামণি ৰয়ছম গোস্বামী— এই কেইগৰাকী ব্যক্তিৰ স'তে মোৰ সম্পৰ্ক অতি নিবিড়।... নিবিড়তকৈও নিবিড়। এই তিনিওগৰাকীৰ সুখ-দুখৰ সমভাগী হোৱাৰ সুবিধাও পাওঁ মই। সিদিনা হঠাৎ মামণি ৰয়ছম গোস্বামীয়ে মোক ক'লে— '.... সাহিত্য সভাৰ সভাপতিৰ পেনেলত যেতিয়া কনকসেন ডেকা দেৱৰ নাম দেখিলো, তেতিয়া মই শ্ৰদ্ধাত যেন দো খাই পৰিলো। নাই নাই, এওঁ মোতকৈ সভাপতি পদৰ বাবে যোগ্য ব্যক্তি। অতি শ্ৰদ্ধাস্পদ তেওঁ। মন্টু দা (সত্যব্ৰত গোস্বামী)ক ক'লো— এইজনাৰ স'তে প্ৰতিদ্বন্দ্বিতাত নামি মই সভাৰ সভাপতি নহওঁ। মই নাম উভ্ৰ' কৰিবই লাগিব।.... কনকসেন ডেকাৰ প্ৰতি মোৰ অশেষ শ্ৰদ্ধা— তেওঁ যদি কিবা কামত মোক বিচাৰে মই গৈ উপস্থিত হ'ম।' মামণি ৰয়ছমে আৰু ক'লে — '.... মোক বহুতেই কাকতৰ সম্পাদক হ'বলৈ জোৰ কৰে। কিন্তু অসমীয়া সাংবাদিক আৰু সম্পাদক বুলিলে কেৱল কনকসেন ডেকাহে যেন সেই পদৰ বাবে যোগ্য, তেনে লাগে মোৰ। তেওঁ আনৰ ওচৰত চাকৰি কৰা, আপোচ কৰা সাংবাদিক-সম্পাদক নহয়। নিজৰ ভেটি তেওঁ নিজেই গঢ়ি তুলিছে আৰু অসম তথা অসমবাসীৰ বাবে আপোচহীন সংগ্ৰাম চলাই গৈছে।'..... অসম সাহিত্য সভাৰ সভাপতি পদ বাবে যি সময়ত মামণি ৰয়ছম আৰু কনকসেন ডেকাক লৈ এচামে ৰাজনীতি কৰিব বিচাৰিছে, সেই সময়ত মামণি ৰয়ছমৰ এই বক্তব্য নিশ্চয় গুৰুত্বপূৰ্ণ।

বহু কথা লিখিবৰ ইচ্ছা হৈছে ডেকা ছাৰৰ বিষয়ে। বিক্ষিপ্ত দুটামান কথাহে ক'লো, বহুলকৈ কোৱাৰ সুবিধা ইয়াতনো ক'ত! প্ৰায়েই কওঁ ছাৰক— 'আপোনাৰ ওপৰত কিতাপ এখনকে লিখো; বা আপুনি অন্ততঃ আত্মজীৱনী এখন ইমানদিনে লিখিব লাগিছিল। যুৱ চামৰ বাবে কৰ্ম আৰু প্ৰেৰণাৰ উৎস হ'ব পাৰে আপোনাৰ জীৱন!'..... ছাৰে কেৱল হাঁহে। শুভ্ৰ-লাজকুৰীয়া যেন হাঁহি— আৰু কয়— 'জীৱনত কিটোনো কৰিলো!'.... ছাৰ এনেকুৱাই— যাক কোৱা যায় এজন সম্পূৰ্ণ বুদ্ধিজীৱী, সম্পূৰ্ণ ভদ্ৰলোক....। এজোপা বিশাল বৃক্ষ হৈ তেওঁ মোক ছাঁ দিয়ে, তেওঁৰ পৰা মই পাওঁ দ্ৰোণাচাৰ্যৰ বিশ্বাস আৰু পিতাৰ আশ্বাস।

* * * * * * *

# এজন ওখ-পাখ মানুহৰ বিষয়ে

## পুণ্য শইকীয়া

আমাৰ যুগৰ বলিষ্ঠ সাংবাদিক তথা বুদ্ধিজীৱী বুলিলে আমি যি কেইগৰাকী ব্যক্তিৰ নাম আওঁৰাও সেই কেইগৰাকীৰ ভিতৰত শ্ৰদ্ধেয় কনকসেন ডেকা অন্যতম। তেখেতৰ বিষয়ে মাত্ৰ দুটামান বাক্য লিখিব খুজিলেও ব্যক্তিগত প্ৰসঙ্গ টানি ননাকৈ নোৱাৰি। কাৰণ মই যদি এজন লেখক হিচাপে অসমৰ পাঠক সমাজৰ ওচৰত যৎসামান্য কিবা স্বাক্ষৰ ৰাখিব পাৰিছোঁ তেন্তে সেয়া সম্ভৱ হৈছে 'অগ্ৰদূত' আৰু কনকসেন ডেকা ডাঙৰীয়াৰ বাবেহে। এই কথা মই য'তে ত'তে, যেতিয়াই তেতিয়াই স্বীকাৰো কৰো। মই লেখক হিচাপে কোনো নিৰ্দিষ্ট দলভুক্ত নহয়। মফঃস্বলৰ লেখক হোৱা বাবে মোৰ সুবিধাটো হ'ল এই যে মই অসমৰ যিকোনো বাতৰি কাকততে লিখিব পাৰো। কোনখন বাতৰি কাকত কাৰ শত্ৰু কাৰ মিত্ৰ সেইবোৰ বিচাৰ কৰি থাকিবলৈ মোৰ কোনো গৰজ নাই। গতিকে সামৰ্থ্য অনুযায়ী অসমৰ প্ৰায় আটাইকেউখন আগশাৰীৰ বাতৰি কাকতহে মই লিখিছো। কিন্তু অগ্ৰদূতৰ কথা বেলেগ। তিনিদিনীয়া অগ্ৰদূতৰ কথা কৈছো। মই এতিয়ালৈকে লেখা সমগ্ৰ ৰচনাৰ দুই তৃতীয়াংশ তিনিদিনীয়া অগ্ৰদূতৰ পাততেই মুদ্ৰিত হৈ আছে। অগ্ৰদূতৰ সৈতে মোৰ সম্পৰ্কটো বহু পৰিমাণে আবেগিক আৰু আত্মিক। সেই সূত্ৰ ধৰি শ্ৰদ্ধেয় সম্পাদক কনকসেন ডেকা ডাঙৰীয়া মোৰ অগ্ৰজ পথ প্ৰদৰ্শক।

এতিয়া অসমত বাতৰি কাকতৰ সংখ্যা ইমানেই বাঢ়িল যে এই সংখ্যাধিক্য অসমৰ বাবে সমস্যাৰ ৰূপত দেখা দিছে। এইটো হৈছে নবৈৰ দশকৰ পিছৰে পৰা। আশীৰ দশকলৈকে অসমত বাতৰি কাকত আছিল আঙুলিৰ মূৰত লিখিব পৰা। সেই সময়ত তিনিদিনীয়া অগ্ৰদূত কাকতখনত আৰম্ভণিৰে পৰা ছেগাচোৰোকাকৈ দুই এটা লেখা লিখি আছিলো। পাঠকে মোক কেনেদৰে গ্ৰহণ কৰিছিল মোৰ জনাৰ কোনো উপায় নাছিল। মই তেনেই নিৰ্মোহ-নিস্পৃহ হৈ মাত্ৰ লিখি গৈছিলো। কিন্তু ১৯৮১ চনৰ ( বোধহয় জুলাই মাহৰ) কোনোবা সংখ্যাত 'কিহে, মাষ্টৰ, কি খবৰ?' বুলি এটা তীব্ৰ ব্যঙ্গাত্মক লেখা যেতিয়া ওলালে তেতিয়া স্তব্ধ জলাশয় এটাত যেন বুৰবুৰণি উঠিল। মোৰ লেখাৰ প্ৰশংসাত পাঠক সমাজ পঞ্চমুখ হ'ল আৰু মই হৈ পৰিলো আত্মবিশ্বাসী। তেতিয়ালৈকে ডেকা ডাঙৰীয়াৰ সৈতে মোৰ মুখামুখি পৰিচয় হোৱা নাই। আমাৰ আত্মীয়তা চিঠি পত্ৰৰ মাজতেই আবদ্ধ আছিল। মোৰ

এটা চৰিত্ৰ দোষ আছে— মই কোনো ব্যক্তিৰ সান্নিধ্যলৈ আহি মুহূৰ্ততে মিত্ৰতা স্থাপন কৰিব নাজানো। মোৰ নীচাত্মিকা বোধ এটা আছে। দূৰৈৰ পৰাই শ্ৰদ্ধা-ভক্তি কৰিহে ভাল পাওঁ। পিছে অগ্ৰদূতে মোলৈ যি আত্মবিশ্বাস ঘূৰাই আনিলে তাৰেই ফলশ্ৰুতি স্বৰূপে শ্ৰদ্ধেয় কনকসেন ডেকা ডাঙৰীয়াক এবাৰ ব্যক্তিগতভাৱে লগ পাবলৈ সাহস যোগালে। গুৱাহাটীৰ তেখেতৰ বাসভৱনত মই তেখেতক দেখা কৰিলোগৈ আৰু মুহূৰ্ততে সহজ আত্মীয়তাৰ বান্ধোনত বান্ধ খাই পৰিলো। কেইমিনিটমানৰ ভিতৰতে মই অনুভৱ কৰিলো যে ইমান দিনে মই তেখেতৰ সান্নিধ্যলৈ নাহি বহুত কিবা কিবি হেৰুৱালো। তেখেতে পাছদিনা মোক দুপৰৰ ভাত সাজৰ কাৰণে নিমন্ত্ৰণ জনালে আৰু ময়ো গ্ৰহণ কৰিলো। ভাত খাই থাকোতে তেখেতে পৰামৰ্শ বিচৰাৰ ভঙ্গীত সুধিলে— 'তিনিদিনীয়া অগ্ৰদূত'খনক আৰু অধিক সৰ্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ আপোনাৰ কিবা পৰামৰ্শ আছে নেকি?' কিবা পৰামৰ্শ দিব পৰাকৈ ইমান জ্ঞান-বিদ্যা থকা মানুহ মই নহয়। কিন্তু একো এটা নোকোৱাকৈনো থাকো কেনেকৈ? সেয়েহে বিশেষ চিন্তা নকৰাকৈ কৈ দিলো— 'আজিকালি অসমীয়া সাহিত্যত হাস্য-ব্যঙ্গৰ ধাৰাটো একেবাৰে নিস্তেজ হৈ পৰিল। অগ্ৰদূতৰ পাতত হাস্য-ব্যঙ্গৰ তেনে এটা শিতান আৰম্ভ কৰিলে তেনে হয়?' শিতানটো ময়েই লিখিব খুজিছো বুলি কিন্তু ভুলতো কোৱা নাছিলো। মই মাত্ৰ প্ৰসঙ্গটোহে উনুকিয়াই দিছিলো। তেখেতে তেতিয়া একো নকওলে। মোৰ পৰামৰ্শটো তেখেতে গ্ৰহণ কৰিলে নাই তাকো বুজি নাপালো। গ'ল কথা গুচিল। মই ডিগবৈ পালোহি। পোন্ধৰ দিন মানৰ পাছত মই ডেকা ডাঙৰীয়াৰ পৰা এখন চিঠি পালো। চিঠিত আনৰ কথাৰ লগতে তেখেতে লিখিলে, 'আপুনি এটা হাস্য-ব্যঙ্গৰ কথা আৰম্ভ কৰাৰ কথা আছিল, সেইটো কি হ'ল?' চিঠি পঢ়ি মই যেন আকাশৰ পৰাহে পৰিলো। শিতানটো ময়েই লিখিম বুলিতো মই কোৱা নাছিলো। এইখন কি হ'ল? বহুত ভাবি চিন্তি নিজকে সাহস দি আৰু মৰণত শৰণ দি আৰম্ভ কৰি দিলো— 'নেপথ্যত গুণগুণনি।' বিনীতভাৱেই মই কওঁ— উপন্যাস বাদ দি সাহিত্যৰ প্ৰায় সকলো ধাৰাতেই মই হাত দিছো। ব্যৰ্থ হৈছো বুলিও ক'ব খোজা নাই। মোটামুটি সফলেই হৈছোঁ। কিন্তু 'ব্যঙ্গ লেখক' হিচাপে যে মোৰ বুকুত এটা লেবেল লাগি যাব সেই কথা মোৰ সপোনৰো অগোচৰ আছিল। কিন্তু সেইটোৱেই হ'লগৈ। কবিতা, নাটক, চিৰিয়াছ প্ৰবন্ধ, গল্প সকলো তলপৰি মই এতিয়া 'নেপথ্যত গুণগুণনি'ৰ মাৰ্কামৰা ব্যঙ্গ লেখক হৈ পৰিলো।' 'নেপথ্যত গুণগুণনি' পাঠক সমাজত কিমান জনপ্ৰিয় সেই কথা মোক অন্য কোনোবাই ক'বই নালাগে। মাজতে দুটা বছৰ বাদ দি ১৯৮৪ চনৰ পৰা ২০০৪ চনলৈকে দুটা দশক জুৰি 'নেপথ্যত গুণগুণনি' চলি থকাৰ পৰাই শিতানটোৰ জনপ্ৰিয়তা সম্পৰ্কে ধাৰণা

এটা নিশ্চয় কৰি ল'ব পাৰি। কিন্তু এইটোও ঠিক যে লেখাৰ মানদণ্ড মই সকলো সময়তে ধৰি ৰাখিব পৰা নাই। সেই বুলি মই জঠৰো হৈ পৰা নাই।

সেই যে ১৯৮১ চনতে শ্ৰদ্ধেয় ডেকা ডাঙৰীয়াৰ লগত ব্যক্তিগত আত্মীয়তাৰ সম্পৰ্ক গঢ়ি উঠিছিল সেয়া এতিয়াও অটুট আছে। এটা কথা মনত পৰিলে, ডেকা ডাঙৰীয়াৰ প্ৰতি কৃতজ্ঞতাত মোৰ মোৰ শিৰ এতিয়াও নত হয়। ১৯৮৯ চনৰ পৰাই ১৯৯২ চনলৈকে মোৰ এটা পাৰিবাৰিক দুৰ্যোগৰ ধুমুহা আহিছিল। মোৰ পত্নী চন্দ্ৰা শইকীয়াৰ দুয়োটা কিড্‌নীয়েই বিকল হৈ গ'ল। মই মানুহটো দিশহাৰা হৈ পৰিলো। পত্নীৰ চিকিৎসাৰ বাবে ডিব্ৰুগড়, গুৱাহাটী, দিল্লী ধপলিয়াই ফুৰিলো। গুৱাহাটীলৈ চিকিৎসাৰ বাবে নিওতে শ্ৰদ্ধেয় ডেকা ডাঙৰীয়াই নিজৰ সকলো কাম বাদ দি মোৰ লগত নেফ্ৰোলজি বিভাগৰ মুৰব্বী ডাক্তৰ নন্দিতা চৌধুৰীৰ চেম্বাৰৰ সমুখত ঘণ্টাজুৰি ৰৈ আছিল। মোৰ হৈ ডাক্তৰৰ লগত কথা পাতি দিছিল। আনকি মই নিবিচৰাকৈয়ে আৰ্থিকভাৱেও সহায়ৰ হাত আগবঢ়াইছিল। এইবোৰ কথা মই কোনো দিনেই পাহৰিব নোৱাৰো। মোৰ পত্নীৰ অকাল বিয়োগ ঘটিল ১৯৯২ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখত। অগ্ৰদূত কাকতে দুখ প্ৰকাশতো কৰিলেই লগতে সেই সম্পৰ্কীয় কেইবাটাও ভিন্নজনৰ লেখাও প্ৰকাশ কৰি মোক অভিভূত কৰি পেলালে। সেইবোৰ মোৰ জীৱনৰ দুখৰ দিনৰ দস্তাবেজ। মোৰ পত্নী বিয়োগৰ সময়ত মোৰ বয়স হৈছিল পঞ্চলিছ। গতিকে ইষ্ট, মিত্ৰ সকলোৰে কথা ৰাখি আৰু মই নিজেও ভয়াবহ নিঃসঙ্গতাৰ পৰা নিস্তাৰ পাবলৈ দ্বিতীয়বাৰ সংসাৰ কৰিবলৈ বাধ্য হ'লো। আনকি শ্ৰদ্ধেয় ডেকা ডাঙৰীয়াৰ দৰে মোক ইমান উপকাৰ কৰি থোৱা এজন মানুহকো কথাবোৰ ভাঙি পাতি ক'বলৈ উৎসাহবোধ নকৰা হ'লো নিতান্তই মনস্তাত্বিক কাৰণত।

ডেকা ডাঙৰীয়া মোৰ টোকোৰা পঁজালৈও আহিছে। অন্ততঃ তিনিবাৰ। তেখেতৰ সৈতে আমাৰ পাৰিবাৰিক সহজ আত্মীয়তাৰ স্বাক্ষৰ বহনকাৰী ভালে সংখ্যক ফটোগ্ৰাফ মোৰ ব্যক্তিগত এলবামত সযতনে সংৰক্ষিত হৈ আছে।

এই গোটেই কথাখিনি ব্যক্তিগত স্মৃতিচাৰণৰ দৰে হ'ল। কনকসেন ডেকা ডাঙৰীয়াৰ বিষয়ে নৈৰ্ব্যক্তিক আলোচনা এটা কৰাটো মোৰ পক্ষে সম্ভৱ নহয়। মই মাথো তেখেতৰ কলমটোৰ বিপুলায়তন শক্তি দেখি অবাক হওঁ। আমাৰ দৰে মানুহে এটা মাত্ৰ প্ৰবন্ধ লিখিয়েই শ্ৰান্ত-ক্লান্ত হৈ যাওঁ। আৰু তাকে কৰি পৃথিৱী দিগ্বীজয় কৰিলো বুলি বঢ়াই কৰো। কিন্তু ডেকা ডাঙৰীয়াই তেনেকুৱা প্ৰবন্ধ একেদিনাই তিনি-চাৰিটা লিখি পেলাব পাৰে অনায়াস ভঙ্গিমাৰে। এখন দৈনিক বাতৰি কাকতৰ প্ৰতিদিনাই একোটাকৈ সম্পাদকীয় প্ৰবন্ধ, এখন তিনিদিনীয়া বাতৰি কাকতৰ মূল প্ৰবন্ধটো এজন মাত্ৰ মানুহেই বছৰৰ পাছত বছৰ ধৰি কেনেকৈ লিখি থাকিব পাৰে সেয়া ভাবি বিস্ময়ত মই হতবাক হওঁ আৰু টুপী খুলি সেই

মেধাশক্তিক স্বাগতম জনাওঁ। কেৱল সেয়াই নে? তাৰ মাজতে সময় উলিয়াই ডেকা ডাঙৰীয়াই ইতিমধ্যে লিখি উলিয়ালে ভালে সংখ্যক জ্ঞান-বিজ্ঞানৰ গভীৰ বিষয় সম্বলিত গ্ৰন্থ। ভাবিলে ঈৰ্ষা ওপজে। পিছে 'হস্তীৰ দেখিয়া লাদ, শশা যেন ফাড়ে মাৰ্গ' বুলি সৈ কঢ়াৰ বাহিৰে আমাৰ কৰিবলৈ একো নাই। নিৰন্তৰ কলম চলাই যোৱাটোৱেই হ'ল ডেকা ডাঙৰীয়াৰ জীৱন দৰ্শন আৰু জীৱনৰ আনন্দও। অসমত কেৱল কলমটোকে সাৰথি কৰি কৃতকাৰ্যতাৰ চৰম শিখৰত আৰোহণ কৰা মানুহনো কেইজন আছে? ডেকা ডাঙৰীয়া এই ক্ষেত্ৰত প্ৰায় অকলশৰীয়া। কেৱল কলম চলোৱা নহয়— সেই কলমৰ একো একোটা খোচত অসম জুৰি কেতিয়াবা সৃষ্টি হয় ভূমিকম্পৰ। ডেকা ডাঙৰীয়াই আপোচ কৰিব নাজানে। দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে বলিষ্ঠ কণ্ঠেৰে মাত মাতিব জানে। সেয়ে অগ্ৰদূতে চৰকাৰ পক্ষৰ প্ৰায়ে নিদ্ৰাহৰণ কৰিব পৰাটো কৃতকাৰ্যতাৰে নামান্তৰ মাত্ৰ। প্ৰতিষ্ঠিত একোখন বাতৰি কাকতৰ সম্পাদকৰ পদটো কোনোদিনেই মসৃণ নহয়। ই কণ্টকাকীৰ্ণ আৰু বহু সময়ত বিপদ সঙ্কুল। কনকসেন ডেকা ডাঙৰীয়াই এই কণ্টকময় পথ হেলাৰঙে অতিক্ৰম কৰিব পাৰিছে নিজৰ অকুতোভয় মানসিকতা আৰু অপৰিসীম শ্ৰমনিষ্ঠাৰ জোৰত। এইটো কথা নক'লেও হ'ব যে অগ্ৰদূত আৰু কনকসেন ডেকা পৰস্পৰ পৰিপূৰক। তাতোকৈও ভালকৈ ক'ব খুজিছো ক'ব পাৰি যে অগ্ৰদূতেই হ'ল কনকসেন ডেকা ডাঙৰীয়াৰ শ্বাস-প্ৰশ্বাস। অগ্ৰদূতে তেখেতক জীৱন দিছে, জীৱিকা দিছে আৰু দিছে উচ্চতৰ সামাজিক প্ৰতিষ্ঠা।

কনকসেন ডেকা ডাঙৰীয়া দৈহিকভাৱে এজন ওখ মানুহ। ধকধকীয়া বগা পোছাক পৰিচ্ছদেৰে শালপ্ৰাংশু সদৃশ এজন ব্যক্তিত্বৰ মানুহ। তেখেতৰ মানসিক উচ্চতাও গগণচুম্বী। তেখেতে ইতিমধ্যে সত্তৰটা বছৰ অতিক্ৰম কৰিছে। যেই সেই বছৰ নহয়— নিতান্তই কৰ্মমুখৰ সত্তৰটা বছৰ। এনেকুৱা সৰ্বতোমুখী ওখ মানুহৰ প্ৰয়োজন অসমৰ বাবে অত্যন্ত জৰুৰী। আমি আশাকৰোঁ ডেকা ডাঙৰীয়াই অসমৰ ৰাইজৰ সেৱা কৰিবলৈ সুস্বাস্থ্য আৰু পৰমায়ু লাভ কৰিব।

*******

# কনকসেন ডেকাৰ চুটি গল্প

## ৰিজু হাজৰিকা

সাংবাদিক হিচাপে কনকসেন ডেকা যেনে প্ৰখ্যাত, সাহিত্যৰ ক্ষেত্ৰতো কনকসেন ডেকাৰ স্থান বহুত ওপৰত। আচলতে ডেকাই প্ৰথমতে সাহিত্য ক্ষেত্ৰতে পদাৰ্পণ কৰিছিল গল্প সাহিত্যৰ জৰিয়তেহে। কলেজীয়া জীৱনতে প্ৰথম গল্প লিখাত কলম ধৰিছিল আৰু শিক্ষকতা কৰা কালডোখৰতো ভালেসংখ্যক গল্প লিখি গল্প সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰথম অৱস্থাত আবাহন, অসমবাণী আদিত প্ৰকাশিত গল্পবোৰ থূপ খুৱাই প্ৰথম গল্প সংকলন 'ৰঙীণ পৰ্দা' প্ৰকাশ পাইছিল। তাৰ পিছৰখন গল্প সংকলন 'পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা' প্ৰকাশ হৈছিল ৯০ৰ দশকত। মাত্ৰ দুখন গল্প পুথি প্ৰকাশ হোৱাৰ পিছতেই আমি লক্ষ্য কৰিছো ডেকাই গল্প সাহিত্যত বেছ এখন আসন দখল কৰি পটুতা প্ৰদৰ্শন কৰিছিল। কিন্তু এইটো কথা নহয় যে কনকসেন ডেকাই সেই দুখন গল্প পুথি ৰচনা কৰিয়েই গল্প লিখা বন্ধ কৰিছিল। ৬০ৰ দশকৰ পৰা ডেকাই অবিৰাম গল্প লিখি আছে। অসংখ্য সংবাদ পত্ৰ, আলোচনীত তেওঁৰ গল্প ওলাই আছে। সেইবোৰ থূপ খুৱাই পুথি আকাৰত প্ৰকাশ কৰিলে, অসমীয়া গল্প সাহিত্যৰ ভঁৰাল টনকিয়াল হ'ব।

বিভিন্ন বিষয়ৰ ওপৰত লিখা প্ৰবন্ধৰ উপৰি অসমীয়া চুটি গল্প লিখাতো ডেকা সিদ্ধহস্ত। অতবোৰ গভীৰ তত্ত্বমূলক, কঠিন বিষয়বস্তুৰ প্ৰবন্ধ, সম্পাদকীয় আদি লিখাৰ পিছতো কনক সেন ডেকাই চুটি গল্প ৰচনাৰ পৰা বিৰত হোৱা নাই। কিন্তু অসমৰ প্ৰায়বোৰ চুটি গল্প লেখকেই সাহিত্যৰ অন্যান্য অংগৰফালে গতি সলনি কৰাত চুটি গল্প লিখাৰ পৰা অব্যাহতি লোৱা দেখা যায়। মুষ্টিমেয় কেইজনমান প্ৰবীণ লেখকেহে এই পৰ্যন্ত চুটি গল্প লিখাৰ পৰা বিৰত থকা নাই। উদাহৰণ স্বৰূপে আমি শীলভদ্ৰ আৰু কনকসেন ডেকাৰ নাম ল'ব পাৰো। গতিকে ডেকা সাংবাদিক হিচাপে যেনে প্ৰখ্যাত, গল্পকাৰ হিচাপেও তেনে প্ৰখ্যাত।

চুটি গল্প লিখাৰ যিটো কৌশল কনকসেন ডেকাৰ সেইটো সম্পূৰ্ণ আয়ত্তাধীন। চুটি গল্পৰ সংজ্ঞা সম্পৰ্কে নানা লেখকৰ নানা মত হ'লেও চুটি গল্পত থাকে এটা ঘটনা, ঘটনাৰ মাজত চৰিত্ৰ আহি পৰে। তাৰ পিছত আহে ৰচনাশৈলী। কিছুমান গল্পত ঘটনাটোৰ গুৰুত্ব নাথাকে। তাত চৰিত্ৰই প্ৰধান। কিন্তু চৰিত্ৰবোৰ অংকিত কৰোতে ঘটনা এটাও আহি পৰে। নিজস্ব ৰচনাশৈলীয়ে সেই ঘটনা আৰু চৰিত্ৰ

লেখকে এনেভাৱে আগুৱাই নিয়ে যে পাঠকে শেষতহে ঘটনাটোৰ উম পাব। অৰ্থাৎ ঘটনা আৰু চৰিত্ৰৰ এটা ঘনিষ্ঠ সম্পৰ্ক থাকিব। কনকসেন ডেকাৰ আটাইবোৰ চুটি গল্পৰ বৈশিষ্ট্যবোৰ বিদ্যমান। তেখেতৰ গল্পত চৰিত্ৰৰ বাহুল্য দেখা নাযায়। সামাজিক গল্পবোৰতো সামাজিক দায়বদ্ধতাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিছে। গল্পবোৰ বক্তৃতাধৰ্মী কৰা নাই। প্ৰেমৰ গল্পবোৰতো প্ৰেমৰ পেনপেননি নাই। ধীৰ-স্থিৰ প্ৰেমৰ প্ৰকাশ, অশ্লীলতা বৰ্জিত সকলো শ্ৰেণীৰ পাঠকৰে পঠনীয় দিশটো সতৰ্কতাৰে ধৰি ৰাখিব পাৰিছে। সেই কাৰণেই কনকসেন ডেকা এজন লব্ধপ্ৰতিষ্ঠ, শক্তিশালী গল্প লেখক।

আমি কনকসেন ডেকাৰ তেনে কেইটামান ভাল গল্পৰ আলোচনা কৰিব খুজিছো। 'সলনি হ'ল' এটা ৰাজনৈতিক গল্প। আমাৰ দেশৰ বিষয়াসকল যে চৰম দুৰ্নীতিত লিপ্ত হৈ পৰে তাৰে এটা বাস্তৱ চিত্ৰ গল্পটোত দাঙি ধৰা হৈছে। আমাৰ কেন্দ্ৰীয় চৰকাৰে গাঁওবোৰৰ দৰিদ্ৰতা নিৰ্মূল কৰি উন্নতিৰ পথত অগ্ৰসৰ হ'বলৈ যথেষ্ট টকা দিয়ে। কিন্তু গাঁৱৰ উন্নতি সাধন নকৰি টকাবোৰ বিষয়াবৰ্গই কেনেকৈ ভাগ কৰি খায় আৰু গাঁৱৰ প্ৰকৃত হিতাধিকাৰীয়ে যে এইবোৰ অৰ্থ সাহায্যৰ মুখকে দেখা নাপাই তাৰে সত্যতা অভিজিৎ বৰুৱা নামৰ এজন বিষয়াৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশ কৰিছে। আজিকালি সকলো বিভাগীয় মুৰব্বীয়ে চৰকাৰী টকা নিজৰ ঘৰৰ কামত খৰচ কৰাটো এটা নিয়মত পৰিণত হৈছে। বৰুৱা গ্ৰামোন্নয়ন বিভাগৰ সঞ্চালক। কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা প্ৰথম কিস্তিৰ টকাৰে অফিচ আৰু নিজৰ অট্টালিকা সাজিলে। দ্বিতীয় কিস্তিৰ টকা ৬০ কোটি অহাত বৰুৱা-বৰুৱানীৰ আনন্দৰ সীমা নাই। তেওঁলোকে পৰিকল্পনা কৰিলে নিজৰ অট্টালিকাটো তিনি মহলীয়া কৰিব, ঘৰটো এয়াৰকণ্ডিচন কৰিব। ল'ৰা দুটাক বিদেশত পঢ়ুৱাব। গাড়ী দুখন কিনিব। স্বামী-স্ত্ৰীৰ কি গৌৰৱ— যেন পৈতৃক সম্পত্তিহে পাইছে। এনে দুৰ্নীতিৰে ভৰা বিষয়া আমাৰ দেশখনত গুৱাহাটীৰ মহৰ দৰে বৃদ্ধি পাইছে আৰু এই মহবোৰে নিম্ন লোকক কামুৰি মেলেৰিয়াত পেলাই দিয়াৰ দৰে, এই বিষয়া-কৰ্মচাৰীবোৰেও দুখী-দৰিদ্ৰৰ তেজ শুহি খাইছে। ডেকাই এইবোৰ দুৰ্নীতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখি জনসাধাৰণক জানিবলৈ সুযোগ দিছে।

কনকসেন ডেকাৰ আন এটি হৃদয় বিদাৰক গল্প 'কেৱল শ্ৰুতিয়ে জানে'। আচলতে যৌতুকৰ বলি হয় আমাৰ সমাজত ন-বোৱাৰীবোৰ। স্বামী আৰু শাহুৱেকৰ অত্যাচাৰৰ মূল কাৰণ এই যৌতুক। এই গল্পটো শাহুৱেকৰ গালিত ৰ'ব নোৱাৰি পেটে-ভাতে খাই থকা শিক্ষক দেউতাকৰ পৰা আনিলে এটা ৰঙীণ টিভি। তাৰ পিছত শাহুৱেকে বিচাৰিলে এটা ভি চি আৰ। উপাই নাপাই অনিচ্ছা সত্ত্বেও দেউতাকক জনালে। দেউতাকে হাৰ্টফেইল কৰিলে। এই শোকত, অনুতাপত শ্ৰুতি দগ্ধ হ'ল। কিয়নো দেউতাকৰ মৃত্যুৰ কাৰণ শ্ৰুতি আৰু তাইৰ শহুৰেকৰ ঘৰখন।

গল্পটোৰ উপস্থাপন ৰীতি, কৌশল এনে সাৱলীল যে গল্পটো পঢ়িলে পাঠকৰ মনত বিদ্রোহ ওপজে আৰু শোক, তাপ, সহানুভূতিত অন্তৰ দগ্ধ হয়।

কনকসেন ডেকাৰ 'দৰব' আন এটি মনস্তাত্ত্বিক দিশৰ মনোৰম গল্প। গল্পটোৰ নামকৰণো যথোপযুক্ত। এহাল আদর্শ স্বামী-স্ত্রী আৰু তেওঁলোকৰ কন্যাৰ মানসিক অন্তৰ্দ্বন্দ্বৰ এক সাৱলীল বর্ণনা দিয়া হৈছে গল্পটোত। মানুহে জীৱনত সকলোবোৰ পোৱাৰ পিছতো সামান্য নোপোৱাখিনিৰ বাবে যিটো খেদ কৰে তথা মানসিক অশান্তি ভোগ কৰে তাক 'দৰব' গল্পটোত এখুদমানো আঁৰ নলগাকৈ প্রতিপন্ন কৰিছে। বর্তমান সমাজত পঢ়া-শুনাত মন বহুৱাব নোৱৰা সন্তানক লৈ পিতৃ-মাতৃৰ যি বিৰম্বনা তাৰেই যথাযথ প্রকাশ 'দৰব' গল্পত। বৈবাহিক জীৱনত কাবেৰীৰ মনতো দুখ আছে। দুখটো প্রধানকৈ জীয়েক সন্ধ্যাক লৈ। সন্ধ্যাই পঢ়া-শুনা মুঠেই নকৰে। সদায় অন্যমনস্ক হৈ থাকে। কত ডাক্তৰ, কবিৰাজ, ওজা লগালে একো কামত নাহিল। কিন্তু একমাত্র মাক কাবেৰীৰ কাৰণে সন্ধ্যাৰ জীৱনলৈ নামি আহিল পঢ়া-শুনা কৰাৰ এক দুৰ্বাৰ উদ্যম। কাবেৰীয়ে জীয়েকক বুজনি দিলে, 'মোক সুখী বুলি তহঁতে কেনেকৈ ভাবিব পাৰ মই বুজিব নোৱাৰো। বয়সত তয়ো সকলো বুজি পাবি। দেউতাৰাই টকাৰ বেগটো মোৰ হাতত তুলি দিয়া দেখিলেই তহঁতে ভাবি লৱ যে মই সুখী। কিন্তু সেই অনুগ্রহৰ হাতৰ মুঠিতেই যে চাবুকডাল আছে সেই কথা মোৰ বাহিৰে আনে কেনেকৈ বুজিব! খোৱা-পিন্ধা আৰু টকা খৰচ কৰাটোৱেই মানুহৰ জীৱনৰ বাবে যথেষ্ট নে? মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে মানসিকভাৱেও পোন হৈ থাকিব পাৰিব লাগিব।... আমি বন্দিনী। আমাৰ স্বাধীনতা ক'ত? সেইবাবে তোক কওঁ, স্বাৱলম্বী হ'বলৈ চেষ্টা কৰ। নিজকে যোগ্য কৰি তোল।' এই যে দৰব দিলে মাক কাবেৰী, সন্ধ্যাক সেয়ে কাম দিলে। সন্ধ্যাৰ জীৱনলৈ অপৰিসীম পৰিৱৰ্তন আহি পৰিল। সন্ধ্যাই এম এছ চিত প্রথম শ্রেণীৰ প্রথম স্থান পালে। তাৰ পিছত কটন কলেজত পালে প্রবক্তাৰ পদ। গল্পটোৰ গতি অতি সাৱলীল। ক'তো খোকোজা নলগা ভাষা। শেষ বাক্যটোলৈকে পাঠকক উৎসুক কৰি ৰাখে। পটভূমি বাস্তৱ, আন আন গৌণ চৰিত্ৰবোৰো বাস্তৱ। সকলো বাস্তৱ কথাই গল্প হ'ব নোৱাৰে আৰু অবাস্তৱ কল্পনাই গল্পৰ সৌন্দর্য ক্ষুণ্ণ কৰে। ডেকাৰ 'দৰব' গল্পটো কিন্তু মাত্ৰাহীন কল্পনা আৰু বাস্তৱৰ সুসংযত সংযোগ ঘটাব পৰাত গল্পটোৰ সৌন্দর্য অকণমানো ক্ষুণ্ণ হোৱা নাই। ইয়াৰ মূলতে হ'ল তেওঁৰ পূৰঠ ৰচনাশৈলী।

কনকসেন ডেকাৰ আন এটা সুন্দৰ গল্প 'পক্ষান্তৰ'। গল্পটো ৰোমান্তিক, কিন্তু তাত ৰোমাঞ্চকৰ বাহুল্য নাই। ৰেল ভ্ৰমণৰ সুন্দৰ বর্ণনা। ৰমেনে তিনি বছৰ আগতে স্নিগ্ধা নামৰ ছোৱালী এজনীৰ লগত ৰেলত ভ্ৰমণ কৰোতে যিটো আনন্দ আৰু ৰোমাঞ্চ অনুভৱ কৰিছিল এইবাৰৰ ভ্ৰমণত সেই আনন্দ আৰু ৰোমাঞ্চৰ

মাদকতা নাই। কিয়নো এইবাৰ স্নিগ্ধা আহিছে বিধৱাৰ ৰূপত। ৰমেনে স্নিগ্ধাক ভাল পাইছিল, স্নিগ্ধায়ো। কিন্তু স্নিগ্ধাৰ বিয়া হ'ল এজন ইঞ্জিনিয়াৰৰ লগত। দুমাহৰ পিছতে দুৰ্ঘটনাত স্বামীৰ মৃত্যু হ'ল। স্নিগ্ধা ৰমেনৰ নবৌৱেকৰ ভনীয়েক। গতিকে বৈধব্যৰ যন্ত্ৰণা উপশম কৰাবলৈ স্নিগ্ধাক মাকৰ ঘৰৰ পৰা আনি বায়েকৰ ঘৰত কিছুদিন ৰখাৰ উদ্দেশ্যেই ৰমেনে ডিব্ৰুগড়ৰ পৰা স্নিগ্ধাক গুৱাহাটীলৈ আনিছিল ৰেলত। অপ্ৰকাশ্য বেদনাত আহত হৈ নিশাৰ ৰেলৰ দবাত স্নিগ্ধাই ৰমেনৰ কোলাত মূৰ থৈ উচুপি উচুপি কান্দিছিল। এইবাৰ ৰমেনে প্ৰেমিকাৰূপে নহয়, ভনীয়েকৰ দৰে মৰম কৰিছিল স্নিগ্ধাক। বিধৱা স্নিগ্ধাক প্ৰেমিকাৰূপে ভবাৰ সাহস নহ'ল ৰমেনৰ। গল্পটোৰ সমাপ্তি অতিকে কৰুণ। পঢ়িলে চকু সিক্ত হৈ আহে। ডেকাৰ সংযত প্ৰেমৰ বৰ্ণনাই গল্পটোক এটা উচ্চস্তৰৰ গল্পৰ আসন দিছে। ডেকাই অলপতে লিখা 'প্ৰাণকৃষ্ণ চলিহাৰ চিত্ৰৰ' নামৰ গল্পটোও এটা অতি সুন্দৰ, বাস্তৱধৰ্মী গল্প। গল্পটোত আমাৰ সমাজত চলা দুৰ্নীতিৰ এটা বাস্তৱ ছবি দাঙি ধৰা হৈছে। এনেধৰণৰ আৰু অসংখ্য গল্প চাৰিওফালে সিঁচৰতি হৈ আছে ডেকাৰ। এইবোৰ কিতাপ আকাৰে প্ৰকাশ কৰিলে আলোচকসকলৰ কাৰণে সুবিধা হ'ব লগতে গল্পবোৰৰ সুসংৰক্ষণৰ ব্যৱস্থাও হ'ব। অত ব্যস্ততাৰ মাজতো গল্প লিখা কৰ্ম তেওঁৰ স্তব্ধ হোৱা আমি দেখা নাই। এই প্ৰবীণ সাহিত্যিকজনৰ পৰা আমি মৌলিক সাহিত্য ৰচনা পাই থাকিলে আমাৰ অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল হৈ থাকিব বুলি আশা কৰিলো। মই ডেকাৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

* * * * * * *

# কনকসেন ডেকাৰ সাহিত্য কৃতি

## ড° লীনা ডেকা

নলবাৰীত অনুষ্ঠিত ৰাজহুৱা সভা এখনত 'সংবাদ-সূৰ্য' উপাধিৰে বিভূষিত কনকসেন ডেকা অকল লব্ধপ্ৰতিষ্ঠ সাংবাদিকেই নহয়, সাহিত্যজগততো তেওঁ এজন চিন্তাসমৃদ্ধ লেখক হিচাপেই প্ৰতিষ্ঠিত। স্কুলীয়া জীৱনত হাতেলিখা আলোচনী এখনৰ পাততে অংকুৰিত হৈছিল কনকসেন ডেকাৰ সহিত্য-জীৱন। সেই তেতিয়াৰ পৰা থমকি ৰোৱা নাই তেওঁৰ কলম। সাহিত্যৰ প্ৰায় প্ৰতিটো দিশতে তেওঁৰ দখল আছে। কনকসেন ডেকা একেৰাহে গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, প্ৰবন্ধকাৰ, সমালোচক, সাহিত্য-সম্পাদক আৰু সাংবাদিক। তেনেই কমসংখ্যক ব্যক্তিৰ ক্ষেত্ৰতহে ইমানবোৰ গুণৰ সমাবেশ ঘটা দেখা যায়। সেইসকলৰ ভিতৰত কনকসেন ডেকা নিঃসন্দেহে এক ব্যতিক্ৰম।

কনকসেন ডেকাৰ সাহিত্যই ভাববাদী চিন্তাধাৰাৰ সলনি সমাজ সচেতনতাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হৈছে। এগৰাকী সমাজ আৰু ৰাজনীতি সচেতন লেখক হিচাপে তেওঁৰ এখন সুকীয়া আসন আছে। সমাজ জীৱনত দেখি থকা নানান সমস্যা, সংঘাত, দুৰ্নীতি-ভ্ৰষ্টাচাৰ, হিংসা, অসূয়া আদিৰ বাস্তৱ চিত্ৰ অংকন কৰিছে তেওঁ তেওঁৰ লেখাৰ জৰিয়তে। নিচেই ওচৰৰ পৰা এইবোৰ নিৰীক্ষণ কৰি তেওঁ তেওঁৰ সাহিত্যত তাক সাৱলীল আৰু নিৰ্ভীকভাৱে উত্থাপিত কৰিছে। অসমৰ ক্ষয়মান চিত্ৰও ব্যথিত হৈ তেওঁ দৃপ্ত সাহসেৰে তাক সাহিত্যৰ জৰিয়তে প্ৰতিফলিত কৰিছে। দৰাচলতে ই এক অতি আদৰণীয় আৰু কষ্টসাধ্য কাম।

কনকসেন ডেকাৰ সমগ্ৰ সাহিত্যৰাজিকে আলোচনাৰ সুবিধাৰ্থে এনেদৰে ভগাব পাৰি।

১। গল্প সাহিত্য

২। উপন্যাস সাহিত্য

৩। নাটক

৪। সাহিত্য বিষয়ক গ্ৰন্থ

৫। সম্পাদিত গ্ৰন্থ

৬। সমালোচনাত্মক সাহিত্য

৭। ভ্ৰমণ কাহিনী

**(১) গল্প সাহিত্য ঃ** অসমীয়া চুটিগল্পৰ ধাৰাটিত কনকসেন ডেকাৰ এখনি সুকীয়া স্থান আছে। চুটিগল্পৰ জৰিয়তেই ডেকাই সাহিত্য জীৱনৰ পাতনি মেলিছিল। চুটিগল্প লিখাৰ যি কলা-কৌশল তাক ডেকাই আয়ত্ত কৰিব পাৰিছিল বাবেই এগৰাকী সফল গল্পকাৰ হিচাপে অসমীয়া সাহিত্যত তেওঁ নিজৰ বাবে এখন সুকীয়া আসন ৰাখিবলৈ সক্ষম হৈছে। এতিয়ালৈকে ডেকাৰ তিনিখন গল্প সংকলন প্ৰকাশ হৈ ওলাইছে ঃ (১) ৰঙীন পৰ্দা, (২) পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা আৰু (৩) স্বপ্নভংগ। সমাজ জীৱন আৰু ৰাজনীতিত দেখা দিয়া ভ্ৰষ্টাচাৰ, অন্যায়-অনীতি আদি নানান সমস্যাৰ বাস্তৱ ৰূপ দিছিল তেওঁ গল্পৰ মাজেৰে। তেওঁৰ প্ৰায়বোৰ গল্পতে একোটা কাহিনী পোৱা যায়। যৌতুক, নিৰ্যাতন, কু-সংস্কাৰ আদিৰ চিত্ৰ কনকসেন ডেকাই অতি দক্ষতাৰে অংকন কৰিছে। সমাজ সংস্কাৰৰ অৰ্থে লিখা এনে কিছুমান গল্পত ডেকাই ব্যংগৰো আশ্ৰয় লৈছে।

**(২) উপন্যাস সাহিত্য ঃ** এতিয়ালৈকে কনকসেন ডেকাৰ চাৰিখনকৈ উপন্যাস প্ৰকাশ পাইছে ঃ (১) লুইতক ভেটিব কোনে, (২) সূৰ্য পূবত নুঠে, (৩) টেমচৰ পৰা লুইতলৈ আৰু (৪) সোণৰ পালেঙে নুশুৱায়। ঔপন্যাসিক হিচাপেও কনকসেন ডেকাই কৃতিত্বৰ দাবী কৰিব পাৰে। তেওঁৰ উপন্যাসবাজিৰ জৰিয়তে তেওঁৰ সংগ্ৰামী জীৱনৰ দৰ্শন অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। সাৱলীল ভাষা, বৰ্ণনাৰ নৈপুণ্য, সহজ-সৰল প্ৰকাশভংগী তেওঁৰ উপন্যাসৰ বৈশিষ্ট্য।

**(৩) নাটক ঃ** কনকসেন ডেকাৰ নাট্যকাৰ আৰু অভিনেতা হিচাপেও এক পৰিচয় আছে। তেওঁ এগৰাকী সফল মঞ্চ অভিনেতাও। পাঁচখন একাংকিকা নাট প্ৰণয়ন কৰি নাট্যকাৰ হিচাপেও তেওঁ পৰিচয় দিবলৈ সক্ষম হৈছে। এই পাঁচখন একাংকিকাক একেলগে 'একাংক পঞ্চমা' নামেৰে প্ৰকাশ কৰি উলিওৱাত নাট্যকাৰ হিচাপে এক অনন্য প্ৰতিভাও উদ্ভাসিত হৈছে।

**(৪) সাহিত্য বিষয়ক গ্ৰন্থ ঃ** কনকসেন ডেকাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি অভিহিত কৰিব পাৰি, 'এশখন মহৎ গ্ৰন্থ' আৰু 'এশগৰাকী মহান ব্যক্তি' (সম্পাদিত) এই দুই গ্ৰন্থক। আধুনিক বিশ্বৰ এশগৰাকী মহান ব্যক্তি গ্ৰন্থত এলবাৰ্ট আইনষ্টাইনৰ পৰা আৰম্ভ কৰি টি.এছ. ইলিয়টলৈকে সামৰি লোৱা হৈছে। সাহিত্য-সংস্কৃতি, বিজ্ঞান, দৰ্শন, ৰাজনীতিকে ধৰি বিভিন্ন বিষয়ত পাৰদৰ্শিতা দেখুওৱা এশজন ব্যক্তিৰ জীৱনালেখ্য প্ৰণয়ন কৰি কনকসেন ডেকাই নিজৰ অধ্যয়নৰ বিস্তৃতি আৰু অধ্যাৱসায়ৰ পৰিচয় দিবলৈ সক্ষম হৈছে। একে মন্তব্যই প্ৰযোজ্য হ'ব তেওঁৰ দ্বাৰা সম্পাদিত 'এশখন মহৎ গ্ৰন্থ' নামৰ গ্ৰন্থখনৰ ক্ষেত্ৰতো। 'সাহিত্য আৰু জীৱন' গ্ৰন্থখনিত ছাব্বিছ গৰাকী সাহিত্যিকৰ জীৱন আৰু কৃতি সন্নিবিষ্ট হৈছে। ইয়াৰ উপৰি আছে গ্ৰন্থখনত তিনিটা সাহিত্য সম্পৰ্কীয় প্ৰবন্ধ। এই পুথিখন তেওঁৰ জীৱন সম্পৰ্কীয় সুশৃংখলিত অধ্যয়নৰ ফচল। গ্ৰন্থখনৰ জীৱনীসমূহত

কনকসেন ডেকাই জীৱনী লিখাৰ গতানুগতিক ৰীতি পৰিহাৰ কৰি সম্পূৰ্ণ নতুন পদ্ধতিৰে আগবাঢ়িছে। যি গৰাকী ব্যক্তিৰ জীৱনী তেওঁ লিখিবলৈ আৰম্ভ কৰিছে, সেই ব্যক্তি গৰাকীৰ জীৱনৰ এনে কিছুমান দিশৰ সৈতে পাঠকক চিনাকি কৰি দিছে যে সেইখিনি পঢ়াৰ পিছত গোটেই জীৱনীটোকে গো-গ্ৰাসে অধ্যয়ন কৰিবলৈ পাঠক অত্যন্ত উদ্‌গ্ৰীৱ হৈ পৰে। বাৰ্ট্ৰাণ্ড ৰাছেলৰ পৰা ভল্টেয়াৰলৈ মুঠ ছাব্বিছগৰাকী উল্লেখযোগ্য ব্যক্তিৰ জীৱনৰ সৰু-বৰ ঘটনাৰ বৰ্ণনা আৰু সাহিত্য কৃতিৰ জৰিয়তে কনকসেন ডেকাই সেই সকলৰ চৰিত্ৰ আৰু ব্যক্তিত্ব সফলভাৱে ফুটাই তুলিব পাৰিছে। 'সাহিত্য আৰু জীৱন' ডেকাৰ অধ্যয়ন আৰু চিন্তাৰ পৰিচায়ক।

**সমালোচনামূলক গ্ৰন্থ ঃ** কনকসেন ডেকা মূলতঃ সাংবাদিক। সাহিত্যৰ বিভিন্ন দিশত প্ৰতিভা থাকিলেও সাংবাদিক আৰু সমালোচক হিচাপেহে কনকসেন ডেকাক বিৰল প্ৰতিভাৰ গৰাকী বুলি স্বীকাৰ কৰিব লাগিব। 'অগ্ৰদূত' কাকতত বিভিন্ন সময়ত প্ৰকাশ পোৱা সম্পাদকীয় আৰু ৰাজনৈতিক বিশ্লেষণবোৰেই ইয়াৰ জ্বলন্ত উদাহৰণ। ১৯৬০' চনত অসমৰ ৰাজ্য-ভাষা বিতৰ্কক ভিত্তি কৰি লিখিছিল 'জুলাই' নামৰ গ্ৰন্থখন। 'জুলাই', 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক', 'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক', 'অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু সামাজিক বিৱৰ্তনৰ ধাৰা', 'মূল্যবোধৰ অৱক্ষয় আৰু সাম্প্ৰতিক সংকট', 'আলফাৰ স্বাধীন অসম', 'দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক', 'একবিংশ শতিকাৰ অসম' আদি তেওঁৰ অতিকৈ জনপ্ৰিয় গ্ৰন্থ। 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' গ্ৰন্থখনৰ এতিয়ালৈকে সোতৰটা সংস্কৰণ ওলোৱা কথাটোৱে এই গ্ৰন্থৰ জনপ্ৰিয়তাৰ স্বাক্ষৰ বহন কৰে। 'আসামের বিক্ষুদ্ধ যুব সমাজ' বঙলা ভাষাত প্ৰকাশ পাইছে। একেদৰে এই গ্ৰন্থৰে বড়ো সংস্কৰণ 'গৌদান জালৈফৌৰা বানবুংথাইনি ৰহাজীং সমাজ দাথৌং', হিন্দী সংস্কৰণ 'আসাম কা বিক্ষুদ্ধ সমাজ' আৰু ইংৰাজী সংস্কৰণ 'Youth turmoil : Assam' ও প্ৰকাশ পাইছে। 'Assam's Crisis : Myth and Reality' নামৰ ইংৰাজী ভাষাত লিখা গ্ৰন্থখনেও কনকসেন ডেকাৰ ভাষা আৰু প্ৰতিভাৰ কথাকে সূচায়।

অগ্ৰদূত কাকতৰ সম্পাদকীয় প্ৰবন্ধ কেইটামানৰ সমষ্টিয়েই হৈছে 'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক' শীৰ্ষক গ্ৰন্থখন। এই গ্ৰন্থৰ প্ৰবন্ধৰাজিৰ মাজেৰে প্ৰকাশ পাইছে 'অসমৰ সমস্যাৰাজিৰ উৎসৰ সন্ধান আৰু সিবোৰৰ নিৰাময়ৰ উপায় উদ্‌ঘাটন কৰাৰ লগতে যুৱ সমাজক সেই দিশত সচেতন কৰি তোলাৰ প্ৰচেষ্টা'[১]।

---

১. দ্ৰষ্টব্য ঃ ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ ঃ 'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক' শীৰ্ষক প্ৰবন্ধ, 'কনকসেন ডেকা', পৃঃ ৬১

**ভ্ৰমণ কাহিনী :** 'হাড্‌চনৰ পৰা লোহিত গংগা' কনকসেন ডেকাৰ একমাত্ৰ ভ্ৰমণ কাহিনী। এই ভ্ৰমণ কাহিনীখনৰ ভাষা আৰু বৰ্ণনাভংগীৰ সাৰল্যই পাঠকক সহজে আকৃষ্ট কৰে।

সাংবাদিকতা আৰু সাহিত্যিক জীৱন দুয়োটাৰে প্ৰতি সমানে আকৃষ্ট কনকসেন ডেকাৰ নিজৰ ভাষাৰে; সাংবাদিকতা মোৰ বৃত্তি আৰু সাহিত্য প্ৰাণৰ ধমনী। সাহিত্যৰ ক্ষেত্ৰত আশানুৰূপভাৱে সফল হোৱা নাই বুলি ডেকাই ভাবিলেও দৰাচলতে অসমৰ পাঠকসমাজে তেওঁক সাংবাদিকৰ লগতে সাহিত্যিক হিচাপেও গ্ৰহণ কৰিছে। ফলাফলৰ দিশটো নাভাবি সদায়ে কৰ্মত দৃঢ়তাৰে ৰত হোৱা সংবাদ-সূৰ্য কনকসেন ডেকা সাহিত্য-সংবাদসেৱী হিচাপে অসমৰ জনসাধাৰণৰ মনত অতি আপোন হৈ ৰওক। তেওঁৰ সুদীৰ্ঘ কৰ্মময় জীৱন কামনা কৰিলো। ❑

# অগ্ৰদূত কনকসেন ডেকা

## দিনেশ শৰ্মা

বাতৰি কাকত এখন জনপ্ৰিয় হৈ উঠে নিৰ্ভৰযোগ্য আৰু বিশ্বাসযোগ্য বাতৰিৰ ওপৰত। লগত থাকে মানুহৰ আশা-আকাংক্ষা, সাহিত্য, সংস্কৃতিৰ ধাৰাটোৰ উত্তৰণৰ পথ প্ৰদৰ্শক হিচাপেও। কৰ্মই মানুহৰ জীৱনলৈ আনে মধুৰতা আৰু পোহৰ। এই আটাইবোৰৰ যিয়ে সমাহাৰ কৰিব জানে তেওঁকেই ৰাইজে বিচাৰি যায়। ৰাইজে জানিব বিচাৰে সেই ব্যক্তি বিশেষে কি বিচক্ষণতা লৈ নিজৰ জীৱন মহীয়ান কৰাৰ লগতে আনৰো উপকাৰ কৰি নতুন সমাজ গঢ়াৰ অঙ্গীকাৰ কৰিব পাৰে।

কনকসেন ডেকা ডাঙৰীয়া কাকতৰ সম্পাদক যদিও তেখেতে সম্পাদকৰ 'চাকৰি' কৰা নাই। সেয়ে তেখেতৰ দায়বদ্ধতা আনৰ লগত নিমিলে। নতুন যুৱক শক্তিৰ ওপৰত প্ৰচণ্ড ভৰসা থকা এইজনা সম্পাদকে ভৌগোলিক অসমখনকে অকল মথি থকা নাই, ইয়াৰ সৰু-বৰ গোষ্ঠীৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰৱণতাও তেখেতৰ নখ দৰ্পণত। সেয়ে তেখেতে দিশ নিৰ্ণয়ৰ ভূমিকা ল'ব পাৰে। অতি সাহসেৰে ক'ব পাৰে—কাইলৈৰ অসমখন কেনে হ'ব! এনেবোৰ কাৰণতে কনকসেন ডেকা ডাঙৰীয়াৰ দৰ্শন, ভাৱনা সমাজৰ বাবে প্ৰয়োজন হৈ পৰিছে। তেখেতক সম্বৰ্ধনা জনোৱাটো এটা আনুষ্ঠানিকতা মাত্ৰ। ইয়াৰো ওপৰত প্ৰয়োজন আছে তেখেতৰ দৰ্শন আৰু চিন্তা ভাৱনাখিনিক বহল ৰূপত আলোচনা কৰা।

কে'বা বছৰ আগৰ কথা। মই যেতিয়া কনকসেন ডেকাদেৱক দেখা পাওঁ তেতিয়া তেখেতে ছিপাঝাৰ উচ্চতৰ মাধ্যমিকত শিক্ষকতা কৰে। চন-তাৰিখ নাজানো। মই নিজে নাজানিলেও বহুতো লোকে তেখেতক এজন বাওঁপন্থী ৰাজনৈতিক দলৰ অনুগত বুলি কোৱাও শুনিছিলোঁ। ডেকাদেৱে প্ৰথমতে এতিয়াৰ তিনিদিনীয়া অগ্ৰদূত কাকতখন সাপ্তাহিক কাকত হিচাপে মঙলদৈৰ পৰাই উলিয়াইছিল। এদিন এজন আগশাৰীৰ ৰাজনৈতিক নেতাই ডেকাদেৱক কোৱা শুনিছিলোঁ—'ডেকা চাহাব! আপুনি যদি সঁচাকৈয়ে কাকতখন (অগ্ৰদূত) ভালদৰে উলিয়াব বিচাৰিছে, তেনেহ'লে গুৱাহাটীলৈ বলক। মঙলদৈৰ পৰা এই কাম সম্ভৱ নহ'ব। কথাষাৰ বোধকৰো ডেকা চাহাবৰ মনত লাগিল। পৰৱৰ্তী দিনত তেখেতে থিৰাং কৰিলে, অগ্ৰদূত কাকতখনৰ যদি প্ৰসাৰ আৰু প্ৰচাৰ বঢ়াব লাগে তেনেহ'লে

গুৱাহাটীত খোপনি পোতাটোৱে হ'ব উত্তম উপায়। কিন্তু ডেকা চাহাবৰ আৰ্থিক অৱস্থা যে তেনেই সীমিত! তথাপি মনৰ উদ্যম লৈ ডেকা চাহাবে কঁকালত টঙালি বান্ধিলে। তেখেতে গুৱাহাটীৰ মালিগাঁৱতে সৰু ঘৰ এটা ভাড়ালৈ ল'লে। অগ্ৰদূত কাকতখন সাপ্তাহিকৰ পৰা অৰ্ধসাপ্তাহিক ৰূপত প্ৰকাশ পাবলৈ ধৰিলে। কাকতখনে মানুহক আকৰ্ষণ কৰিব পৰা বাহ্যিক কোনো আড়ম্বৰ নাছিল। কিন্তু ভিতৰত থকা প্ৰতিটো লেখা অগ্নিবৰষা। অন্য কাকতে প্ৰকাশ নকৰা অথচ 'নিউজ ভেলু' পৰিপুষ্ট বাতৰি পৰিৱেশনৰ ষ্টাইলে অসমীয়া আৰু অনা-অসমীয়া পঢ়ুৱৈক আকৰ্ষণ কৰিবলৈ ধৰিলে। লাহে লাহে তিনিদিনীয়া অগ্ৰদূত কাকতখনৰ কলেবৰ সলনি হ'ল আৰু গুৱাহাটীৰ প্ৰায়বোৰ কিতাপৰ দোকান আৰু হকাৰৰ হাতত দেখা দিবলৈ ধৰিলে। এক বুজন সংখ্যক কপি তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলঙৰ পুলিচ বজাৰৰ চ'কটোত থকা বাতৰি কাকতৰ দোকানখনতো দেখা পোৱা গ'ল।

অসমত বহুতে বাতৰি কাকত উলিয়াইছে। বহুত কাকত অকাল মৃত্যুৰ গৰাহতো পৰিছে। কিন্তু শ্ৰীযুত ডেকা আৰু শ্ৰীযুতা ডেকাৰ কায়িক পৰিশ্ৰমৰ উপৰি সীমিত পুঁজিৰে বাতৰি কাকত উলিয়াই গজ্‌গজীয়া স্বত্বাধিকাৰী হোৱা লোক আজিলৈকে দেখা নাই। আজি দিছপুৰস্থ অগ্ৰদূত ভৱনৰ যিটো মনোমোহা ৰূপ সেই ৰূপৰ স্বপ্ন ডেকা দম্পতীহালে মালিগাঁৱতে কোনোবা এটা সুন্দৰ ৰাতিপুৱা হয়তো দেখিছিল। সপোনক বাস্তৱত পৰিণত কৰাৰ ভাৰ যে সপোন দেখোতাজনৰে! শ্ৰীযুত ডেকা আৰু শ্ৰীযুতা ডেকাৰ ধৈৰ্য আৰু ক্লান্তিহীন পৰিশ্ৰমৰ ফল যে কেনেকুৱা মিঠা তাক আজিৰ যুগৰ ডেকা-ডেকেৰীহঁতে উপলব্ধি কৰিবলৈ কিছু সময় থমকি ৰ'ব লাগিব। সহজলভ্য ধন-দৌলতৰ পিছে পিছে দৌৰি ফুৰাহঁতে কনকসেন ডেকাৰ কৰ্মক আদৰ্শ হিচাপে এবাৰ ভালদৰে জুকিয়াই চাব পাৰে।

বোধকৰো ১৯৭২ চনৰ কথা। এবাৰ নিচেই পুৱাতে স্বৰ্গীয় হিতেশ্বৰ শইকীয়া আৰু এই প্ৰবন্ধ লেখক একেখন গাড়ীত তেজপুৰলৈ বুলি গুৱাহাটী আবৰ্ত ভৱনৰ পৰা ৰাওনা হৈছোঁ। তেতিয়া গুৱাহাটীৰ পৰা তেজপুৰলৈ যাবলৈ হ'লে শৰাইঘাট দলঙৰ ওপৰেৰে গৈ মঙলদৈ হৈ যাব লাগিছিল। স্বৰ্গীয় শইকীয়াদেৱ তেতিয়া ৰাজ্যিক গৃহমন্ত্ৰী। আমাৰ গাড়ী গৈ মালিগাঁও পোৱাৰ লগে লগে শইকীয়া চাহাবে কৈ উঠিল—'শৰ্মা! এবাৰ কনকসেন ডেকাৰ বহাত সোমাই যাওঁ বলক।' কথাষাৰ শুনি মোৰো ভাল লাগিল। তেতিয়া জুন মাহ। ৰাতিপুৱা পাঁচ বাজিছেহে। আমি ৰাস্তাৰ কাষতে গাড়ীখন ৰাখি মূল ৰাস্তাৰ পৰা নামি গ'লোঁ। শ্ৰীযুত ডেকা এতিয়া চাগে শুই আছে। ৰাতিপুৱাৰ টোপনি। শুই থকা মানুহক জগাবলৈ সংকোচবোধ এটা আহিল। কিন্তু কি আচৰিত! অকণমানি ঘৰটোৰ বাৰাণ্ডাতে শ্ৰীযুত ডেকা আৰু শ্ৰীযুতা ডেকাই প্ৰুফ চাই আছে। আমালৈ

দুটা মূঢ়া আগবঢ়াই ডেকাদেৱে হাত দুখন খৰখেদাকৈ ধুই ল'লে আৰু ৰাস্তাৰ কাষৰ চাহৰ দোকান এখনৰ পৰা মিঠাই আনিবলৈ দিলে। শ্ৰীযুতা ডেকাইও তদ্ৰুপ হাত ধুই চৌকাত কেট্‌লি বহুৱালে। আমি আটায়ে ইটো-সিটো কথা পাতি, চাহ্ খাই তেজপুৰলৈ ৰাওনা হ'লোঁ। লগতে গোটেই বাটছোৱা ভাবি গ'লোঁ—ডেকা দম্পতীহালৰ কামৰ প্ৰতি একাগ্ৰতা আৰু পৰিশ্ৰমৰ প্ৰতি উদ্যম। আঠ পৃষ্ঠাৰ এটা 'ভূগোলৰ বহী' ছপাবলৈ ৰাতিপুৱাই প্ৰুফ চাইছে। লেখকৰ পৰা লেখা আনিছে। সম্পাদনা কৰিছে। সম্পাদকীয় লিখিছে। সৰু-সুৰা বিজ্ঞাপনো বিচাৰি খোচাৰি আনিছে। 'ভূগোলৰ বহী'টোৰ প্ৰতি মোৰ বিশেষ আকৰ্ষণ আছিল সম্পাদকীয়টো আৰু এজন বিমান কৰ নামৰ বাংলাভাষী অধ্যাপকৰ লেখাটো।

কনকসেন ডেকাদেৱ ভাৰতীয় বুলি গৌৰৱ কৰা এজন জাতীয়তাবাদী লোক। তিনিদিনীয়া 'অগ্ৰদূত' আৰু 'দৈনিক অগ্ৰদূত'ৰ পাতত তেখেতে অসমৰ সম্পদ আৰু অসমীয়া জাতিটোক আগুৱাই নিবলৈ এটা স্পষ্ট দিশ নিৰ্ণয় কৰাৰ ভূমিকা সদায় পালন কৰি আহিছে। তেখেতে অসমৰ জ্বলন্ত সমস্যাবোৰৰ ওপৰত কে'বাখনো গ্ৰন্থ লিখি প্ৰকাশ কৰিও উলিয়াইছে। তেখেতে যুক্তি সহকাৰে, নতুন প্ৰজন্মই যে অসমৰ ভাগ্য নিৰ্ণয় কৰিব লাগিব তাক বাৰম্বাৰ বুজাবলৈ চেষ্টা কৰিছে। অধিকাৰ কোনেও হাতত তুলি নিদিয়ে। অধিকাৰ নিজে নিজৰ সুকৰ্ম আৰু ধী শক্তিৰ দ্বাৰা সাব্যস্ত কৰিব লাগিব।...... স্পষ্টবাদিতাৰ বাবে ডেকা চাহাব উগ্ৰপন্থীৰো ভাবুকিৰ সন্মুখীন হ'বলগীয়া হৈছিল। সাহসেৰে স্পষ্ট ভাষাত সমালোচনা কৰা বাবে তেখেতে কে'বাবাৰো ৰাজৰোষতো পৰিবলগীয়া হৈছিল। পিছে ডেকাদেৱ অবিচলিত, কাৰণ পঢ়ুৱৈ যে তেখেতৰ পক্ষত। সেয়েহে পঢ়ুৱৈৰ আশীৰ্বাদকে মূলধন হিচাপে লৈ দোপতদোপে কাগজৰ প্ৰচাৰ বঢ়াব পাৰিছে।

পৰৱৰ্তী দিনবোৰত, অকল বাতৰি কাকততে লাগি নাথাকি ডেকাদেৱে কিছুমান সামাজিক কামৰ লগতো নিজকে জড়িত কৰি সম্পাদনা কৰিছিল। দিছপুৰ গণেশ মন্দিৰ, বৃক্ষৰোপণ আঁচনি আছিল তাৰ ভিতৰত অন্যতম। তেখেতে সদায় ন লেখক-লেখিকাক উৎসাহ প্ৰদান কৰি অহা আমি দেখি আহিছোঁ। আনকি ন লেখকৰ কিতাপ কম খৰচতে তেখেতৰ নিজ প্ৰেছত ছপাই-বন্ধাই দিয়াৰ উপৰি বিনামূলীয়াকৈ সেই কিতাপৰ বিজ্ঞাপনো প্ৰকাশ কৰি আহিছে। বিশেষভাৱে মন কৰিবলগীয়া কথা এইটোৱে যে যিয়ে এবাৰ 'অগ্ৰদূত' কাকতত কাম কৰাৰ সুযোগ পাইছে তেৱেঁ অগ্ৰদূত পৰিয়ালৰ এজন হৈ পৰিছে। অগ্ৰদূত ভৱনত মালিক আৰু কৰ্মচাৰীৰ ব্যৱধান ন্যূনতম হৈ পৰে। ডেকা দম্পতী হালৰ যিয়ে এবাৰ মৰম আৰু ব্যৱহাৰত সংপৃক্ত হৈ পৰিছে তেৱেঁ জীৱনত পাহৰিব নোৱৰাকৈ আবেগিক আকৰ্ষণত বন্দী হৈ ৰ'বলগীয়া হৈছে।

বৰ্তমানে অগ্ৰদূত ভৱনৰ পৰা 'দৈনিক অগ্ৰদূত' আৰু তিনিদিনীয়া 'অগ্ৰদূত'ৰ

উপৰি তিনিখন ভিন্ন ৰুচিৰ আলোচনী নিয়মিতভাৱে প্ৰকাশ পাই আছে। ডেকা চাহাবৰ এনে এটা সময়ো অতিবাহিত হৈছিল যেতিয়া নেকি তেখেতে সপ্তাহত নটাকৈ সম্পাদকীয় প্ৰবন্ধ লিখিবলগীয়া হৈছিল। প্ৰতিটো সম্পাদকীয় আছিল ভাব গধুৰ অবেগ মধুৰ।

আজি কনকসেন ডেকাদেৱ সম্পূৰ্ণভাৱে প্ৰতিষ্ঠিত এজন সু-সাংবাদিক, পৰিপক্ক বাৰ্তাজীৱী, বুদ্ধিজীৱী আৰু সু-বৃহৎ প্ৰকাশন প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী। তথাপি তথাকথিত আভিজাত্যই তেখেতক স্পৰ্শ কৰিব পৰা নাই। এইটোৱে তেখেতৰ মহৎ গুণ। তেখেত আজিও এজন সাধাৰণ মানুহ। সাধাৰণ মানুহৰ লগত ঘনিষ্ঠতা আজিও বজাই ৰাখিছে। অতি সাধাৰণ মানুহেও তেখেতক যেতিয়াই তেতিয়াই লগ ধৰিব পাৰে। অসমীয়া জাতিৰ ইতিহাস, অসমীয়া জাতিৰ পৰম্পৰা, অসমীয়া মানুহৰ হৃৎপিণ্ডৰ সৈতে নিজকে সাঙুৰি অবিৰতভাৱে ডেকাদেৱে ক্লান্তিহীন দৃঢ় মন এটাৰে সংবাদ সেৱাত লাগি আছে। তেখেতৰ সু-স্বাস্থ্য দীৰ্ঘদিনীয়া হওক—তাকেই কামনা কৰিছোঁ। ❑

# সংবাদ সূৰ্য কনকসেন ডেকা ঃ মই জনা মানুহজন

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**

কনকসেন ডেকা মোৰ চেতনাৰ অংগ। হাইস্কুলৰ ছাত্ৰ হৈ থকাৰ পৰা তেখেতৰ নামটোৰে সৈতে মই পৰিচিত। ছাত্ৰাৱস্থাত তেখেত সংগ্ৰামী-বিপ্লৱীৰূপে নলবাৰী অঞ্চলত পৰিচিত হৈছিল। আৰু সেইটো কাৰণতে তেখেত ৰাজৰোষত পৰিছিল আৰু কাৰা নিৰ্যাতন ভুগিছিল। সৰুকালতে জানিব পাৰিছিলো যে তেখেতৰ ছাত্ৰজীৱন কালছোৱা আছিল দুৰ্যোগপূৰ্ণ, উদ্বেগ-অশান্তিৰে ভৰা। কিন্তু সেইবোৰে তেখেতৰ আনুষ্ঠানিক শিক্ষা লাভৰ পথত ৰাধাৰ সৃষ্টি কৰিব পৰা নাছিল; কিয়নো তেখেত আছিল সংগ্ৰামী চেতনাৰে উদ্বুদ্ধ এজন ছাত্ৰ; প্ৰতিকূলতাৰ বিৰুদ্ধে সাহসেৰে থিয় হ'ব পৰা দুৰন্ত শক্তিৰ অধিকাৰী এজন শিক্ষাৰ্থী। সেয়েহে তেখেত স্নাতকোত্তৰ উপাধিৰে ভূষিত হ'বলৈ সমৰ্থ হৈছিল।

শিক্ষাজীৱন সমাপ্ত কৰি তেখেতে শিক্ষকতা বৃত্তিত নিজকে নিয়োজন কৰাৰ মানসেৰে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজনীতি বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে যোগদান কৰিছিল কিন্তু সেই বৃত্তি দীৰ্ঘস্থায়ী নহ'ল। শ্ৰেণীকক্ষত পাঠদান কৰ্মতে তেখেতে নিজৰ প্ৰতিভাক আবদ্ধ কৰি ৰাখিব নুখুজিলে; তেখেতে বিচাৰিলে বহল সমাজখনৰ সৈতে সম্পৰ্ক স্থাপন কৰিবলৈ— বিচাৰিলে সমাজখনৰ সৰ্বস্তৰৰ লোকৰ সৈতে ভাবানুভূতিৰ আদান-প্ৰদান কৰিবলৈ— বিচাৰিলে সমাজখনক তেখেতৰ ভাব-চিন্তা-আদৰ্শ অৱগত কৰিবলৈ— বিচাৰিলে সমাজখনক নতুন নতুন চিন্তাৰ খোৰাক যোগাবলৈ। ফলস্বৰূপে তেখেতে জন্ম দিলে 'অগ্ৰদূত' শীৰ্ষক পষেকীয়া কাকতখনৰ। সেয়া বিগত শতিকাৰ সপ্তম দশকৰ কথা। কাকতখনৰ প্ৰথম  সংখ্যাটি প্ৰকাশ পোৱাৰ লগে লগে শিক্ষক কনকসেন ডেকা, সাংবাদিক কনকসেন ডেকালৈ ৰূপান্তৰিত হ'ল। অসমত বাতৰি কাকত অথবা আলোচনীৰ জন্ম দিয়া সহজ, কিন্তু জীয়াই ৰখা - প্ৰতিষ্ঠা কৰা বৰ কঠিন কাম। কনকসেন ডেকাই প্ৰথম অৱস্থাত 'অগ্ৰদূত'ক জীয়াই ৰাখিবলৈ যি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল, তাৰ তুলনা পাবলৈ নাই। কথাতে কয়, "যত্নৰ অসাধ্য একো নাই," "যত্ন কৰিলেহে ৰত্ন পায়" ইত্যাদি। ডেকাই এনে আপ্ত

বাক্যসমূহ বাস্তৱত ৰূপায়ণ কৰিবলৈ সমৰ্থ হ'ল 'অগ্ৰদূত' কাকতৰ সংযোগত। সময়ত 'অগ্ৰদূত' কাকত সাদিনীয়া হ'ল— তিনিদিনীয়া হ'ল— দৈনিক হ'ল।

সাম্প্ৰতিক অসমত প্ৰচলিত দৈনিক কাকতসমূহৰ ভিতৰত 'অগ্ৰদূত'ৰ স্থান নিঃসন্দেহে আগশাৰীত আৰু ইয়াৰ বাবে কৃতিত্বৰ অধিকাৰী কনকসেন ডেকা। প্ৰকৃতাৰ্থত তেখেত 'সংবাদ সূৰ্য' বিভূষাৰে বিভূষিত হ'বৰ যোগ্য। তেখেতৰ সুচিন্তিত, নিৰপেক্ষ, মননশীল আৰু সময়োপযোগী সম্পাদকীয়সমূহৰ গুৰুত্ব আৰু অভিনৱত্বই পঢ়ুৱৈ সমাজক চুম্বকৰ দৰে আকৰ্ষণ কৰে; কাকতখনত সন্নিবেশিত শিতানসমূহ সৰ্বস্তৰৰ পঢ়ুৱৈৰ বাবে উপযোগী আৰু নিৰ্ভৰযোগ্য। কাকতখনৰ পৃষ্ঠাই পৃষ্ঠাই এগৰাকী সুদক্ষ সম্পাদকৰ কুশলহস্তত্বৰ পৰিচয় স্পষ্টভাৱে পাব পৰা যায়। এনেবোৰ কাৰণতে, বিশেষতঃ 'দৈনিক অগ্ৰদূত' কাকতে জনপ্ৰিয়তাৰ শীৰ্ষবিন্দু স্পৰ্শ কৰিছে আৰু ডেকাদেৱো সংবাদ সূৰ্য বিভূষাৰে বিমণ্ডিত হৈছে।

কনকসেন ডেকা অকল এজন সাংবাদিকেই নহয়, তেখেত ঔপন্যাসিক, নাট্যকাৰ, গল্পকাৰ, নিবন্ধকাৰ, ভ্ৰমণ কাহিনী আৰু জীৱনী ৰচকো। তেখেতৰ দ্বাৰা ৰচিত 'সোণৰ পালেঙে নুশুৱায়', 'পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা', 'এশখন মহৎ গ্ৰন্থ', 'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক', 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক', 'দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক', 'আলফাৰ স্বাধীন অসম' আদি উপন্যাস, চুটিগল্প আৰু আলোচনামূলক গ্ৰন্থসমূহ অসমীয়া সাহিত্যলৈ তেখেতৰ স্মৰণীয় অৱদান। উল্লিখিত গ্ৰন্থসমূহৰ জৰিয়তে তেখেত যে দীৰ্ঘকাললৈ অসমীয়া সাহিত্যৰ ইতিহাসত এক বিশিষ্ট স্থান অধিকাৰ কৰি থাকিব, তাত তিলমাত্ৰও সন্দেহৰ অৱকাশ নাই।

কনকসেন ডেকা ভীমকৰ্মা পুৰুষ— selfmade man। তদুপৰি তেখেতৰ আছে এক সুকীয়া জীৱন দৃষ্টি আৰু আছে প্ৰতিভা। তেখেতে অসমখনক হাড়ে-হিমজুৱে চিনি পায়— অসমীয়া লোকৰ হৃদয়ৰ স্পন্দন শুনিবলৈ পায়— অসমীয়া লোকৰ জীৱন-বৃত্ত সম্পৰ্কে তেখেতৰ আছে গভীৰ জ্ঞান আৰু এইখিনিকে মূলধন হিচাপে লৈ তেখেতে সাহিত্য সৃষ্টি কৰে, সাংবাদিকতা কৰে; তেখেতৰ সাহিত্য সৃষ্টিৰ পশ্চাৎপটত যিদৰে সস্তীয়া জনপ্ৰিয়তা লাভৰ উন্মাদ বাসনা নাই, সেইদৰে সাংবাদিকতা বৃত্তিৰ অন্তৰালতো নাই সুবিধাবাদীৰ ছলনা। সেইকাৰণে সাহিত্যিক আৰু সাংবাদিক স্বৰূপে তেখেতক বিশিষ্ট বুলি ক'বৰ মন যায়।

সম্প্ৰতি কনকসেন ডেকা 'দৈনিক অগ্ৰদূত' আৰু 'তিনিদিনীয়া অগ্ৰদূত'ৰ সম্পাদক। দুয়োখন কাকতৰ সৈতে মোৰ সম্পৰ্ক অতি নিবিড়। ডেকাদেৱৰ অনুগ্ৰহতে এই দুয়োখন কাকতত মোৰ লেখা নিয়মিত প্ৰকাশিত হৈ আছে। অকল মোৰেই নহয়, মোৰ দৰে ভালেসংখ্যক লেখকৰ তেখেত প্ৰেৰণাদাতা। নতুন কবি-গল্পকাৰ-ঔপন্যাসিক একাংশই ডেকাদেৱক এই কাৰণেই শ্ৰদ্ধাৰে সুঁৱৰি থাকে।

উদাৰতা, বদান্যতা আৰু শিষ্টাচাৰ ডেকাদেৱৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। হেজাৰ কামৰ মাজত ব্যস্ত হৈ থাকিলেও তেখেতে অভ্যাগতক বিমুখ নকৰে। কষ্টোপাৰ্জিত ধন সমাজৰ হিতৰ কাৰণে দান কৰি তেখেতে ইতিমধ্যে বদান্যতা গুণৰ নিদৰ্শনো দাঙি ধৰিছে। "চৈয়দ আব্দুল মালিক অগ্ৰদূত বঁটা" প্ৰৱৰ্তন, ডেকাদেৱৰ অন্যতম নান্দনিক কৰ্ম বুলি মই অভিহিত কৰিব খুজিছো। ইয়াৰ জৰিয়তে অনা-অসমীয়া ভাষী লেখকে অসমীয়া ভাষাত লেখা-মেলা কৰি কৃতিত্বৰ পৰিচয় দিবলৈ সমৰ্থ হোৱাজনক বঁটা প্ৰদানৰ যি ব্যৱস্থা কৰা হৈছে, সি নিঃসন্দেহে অভিনন্দনযোগ্য।

কনকসেন ডেকাদেৱৰ জন্মস্থান নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত গাঁও বেলশৰত; কিন্তু তেখেতৰ কৰ্মক্ষেত্ৰ গুৱাহাটী মহানগৰীত। উল্লেখ কৰিবলগীয়া কথা এই যে বেলশৰৰ পৰা আঁতৰি মহানগৰ গুৱাহাটীত কৰ্মব্যস্ত হৈ থাকিলেও নিজৰ অঞ্চলটোৰ কথা, উৎসৱ-অনুষ্ঠানৰ কথা, সুখ-দুখৰ কথা, খেতি-বাতিৰ কথা তেখেতৰ নখদৰ্পণত সৰ্বদাই জিলিকি থাকে। সময়-সুবিধা পালেই তেখেত গাঁওলৈ আহে, গঞাৰ খা-খবৰ লয়, সুখ-দুখৰ সমভাগী হয়। সেইকাৰণে ডেকাদেৱক 'গাঁৱৰ মানুহ বিচাৰি ভালপোৱা মানুহ" বুলি নিঃসন্দেহে ক'ব পাৰি।

যোৱা ২১ মাৰ্চ (২০০৪) তাৰিখে সাংবাদিক-সাহিত্যিক ডেকাদেৱক নলবাৰীত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। সেই উপলক্ষে নলবাৰী ছোৱালী হাইস্কুলত অনুষ্ঠিত সভাখনে যি এক উৎসৱৰ ৰূপ পৰিগ্ৰহণ কৰিছিল, সি আছিল তুলনাবিহীন। গুণীৰ গুণক স্বীকৃতি দিয়াটো গুণী মানুহৰ লক্ষণ। সেইকাৰণে কোৱা হয়— "গুণীয়েহে গুণীৰ গুণ বুজে।"

ডেকাৰ সাংবাদিক আৰু সাহিত্যিক জীৱনে পূৰ্ণতা লাভ কৰক— তেখেতৰ 'অগ্ৰদূত' কাকত যথাৰ্থভাৱে আমাৰ জাতীয় জীৱনৰ অগ্ৰদূত হওক— অসমীয়া সংবাদ-সাহিত্যৰ ইতিহাসত 'অগ্ৰদূত'ৰ নাম সোণালী আখৰেৰে জিলিকি উঠক— এয়ে আমাৰ আন্তৰিক অকপট কামনা। ❑

# সংবাদ সূর্য কনকসেন ডেকা

## ড° কৈলাশ শৰ্মা

১৯৪৮ খ্ৰীঃত মই গৈ বেলশৰ হাইস্কুলত সপ্তম শ্ৰেণীত নাম লগাওঁ। তেতিয়া বেলশৰ হাইস্কুল ভেঞ্চাৰ ষ্টেজতে আছিল। আমি হাইস্কুলখনৰ তৃতীয় খলপৰ ছাত্ৰ। তেতিয়ালৈকে কনকসেন ডেকা হাইস্কুললৈ অহা নাই। তাৰ পিছৰ বছৰত শ্ৰীসেন ডেকা আহি আমাৰ স্কুলীয়া সহপাঠী হয়। তথাপিও আমাৰ চা-চিনাকি বৰ বেছি নহ'ল। আমি গন্ধিয়াৰ পৰা দুই আঢৈ মাইল খোজকাঢ়ি গৈ স্কুল পাই লগ সমনীয়াৰ লগত কথা-বতৰা পতা সময়ে নাপাওঁ, তাতে আমি এক শ্ৰেণী ওপৰৰ ছাত্ৰ হোৱাত সদায় এক ব্যৱধান আমাৰ তেতিয়া আছিলেই। তথাপিও খেলা-ধূলা আদিৰ মাজেৰে কিছু সান্নিধ্য লাভ হৈছিল।

শ্ৰীডেকা তুলনামূলক ভাবে এখন আঢ্যৱন্ত ঘৰৰ ল'ৰা, তেখেতৰ পিতৃ ৺ গৌৰীসেন ডেকা তেতিয়াৰ বৃটিছ চৰকাৰৰ কানন্‌গো, খুড়াক বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা শ্ৰীযুত তৰুণসেন ডেকা। ঘৰখন তেতিয়াৰ দিনতে এখন বিপ্লৱী সমাজবাদী দলীয় কৰ্মীৰ আড্ডা। সৰুকালৰ পৰাই কনকসেন ডেকা এই সমাজবাদী নেতা-কৰ্মীসকলৰ ভাবধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু সেই কাৰণে তেখেতৰ বন্ধু বান্ধৱ সকলো তেনে চিন্তা চৰ্চাৰে আৱৰ্ত্তিত। আনহাতে আমি আছিলোঁ তেনেই অৰ্থনৈতিকভাৱে নিশকতীয়া, চিন্তাধাৰাও সম্পূৰ্ণ গান্ধীবাদী অহিংস। গতিকে কিছু পাৰ্থক্য আমাৰ মাজত বিদ্যমান আছিল। তথাপিও আমাৰ কে'বাজনো শ্ৰেণীবন্ধু তেখেতৰ মতাদৰ্শৰ সহযোগী। তেখেতসকলৰ লগত লগ লাগোতে শ্ৰীডেকাৰ কথা প্ৰায়ে শুনো। সেই সময়ত মোৰ পৰম বন্ধু ৺ সমীন মেধিও শ্ৰীডেকাৰ লগৰ লগৰী। ৺ সমীন মেধিৰ খুড়াক সেই সময়ৰ এজন প্ৰকৃত সমাজবাদী কমিউনিষ্ট নেতা ৺ নবীন মেধি আৰু তেখেতৰ ঘৰতে আহি থাকে অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ গণশিল্পী বিষ্ণু ৰাভাদেৱ। সেই সময়ত বেলশৰ গাঁওখন সমাজবাদী আন্দোলনৰ কেন্দ্ৰবিন্দুস্বৰূপ। কিন্তু এই বিপ্লৱী কমিউনিষ্ট নেতাসকলেই আৰম্ভ কৰিছিল বেলশৰ হাইস্কুল - বৰ্ত্তমানৰ বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। কিন্তু এইসকল ব্যক্তিৰ উদ্যোগত যদিও হাইস্কুলখন প্ৰতিষ্ঠা হ'ল— তথাপিও হাইস্কুলৰ প্ৰশাসনীয় ব্যৱস্থাত ৰাজনৈতিক চিন্তাধাৰাই অন্তৰ্প্ৰৱেশ কৰা নাছিল।

এনে ৰাজনৈতিক বাতাবৰণত কনকসেন ডেকা বাৰুকৈয়ে দীক্ষিত হৈ পৰিছিল। আৰু সম্ভৱ সেই কাৰণেই তীক্ষ্ণ মেধাশক্তিসম্পন্ন শ্ৰীডেকাই কিন্তু স্কুলীয়া জীৱনত তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দিব পৰা নাছিল। সেয়ে আমি তেখেতক তেতিয়া এজন মধ্যমীয়া ছাত্ৰ হিচাপেহে জানিছিলোঁ। আনকি বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি হোৱা হেতুকে তেতিয়াৰ স্বাধীন ভাৰতৰ কংগ্ৰেছী চৰকাৰে সাম্যবাদী আন্দোলন দমন কৰাৰ উদ্দেশ্যে বেলশৰ গাঁৱৰ বহুকেইজন লোকক গ্ৰেপ্তাৰ কৰি নলবাৰী কলেজত অস্থায়ী কাৰাগাৰ সাজি শাৰীৰিকভাৱে অশেষ নিৰ্যাতন কৰিছিল। এনে নিৰ্যাতনৰ বলি হৈ পৰিছিল তেতিয়া আমাৰ লগত পঢ়ি থকা কেবাজনো বন্ধু; সমীন মেধি, (এতিয়া মৃত), শ্ৰীডেকা, ৵ হেমন্ত পাটোৱাৰী। প্ৰথম অৱস্থাত কে'বাজনো এনে ছাত্ৰ নেতাই গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ ৰাতি ৰাতি আমাৰ ঘৰত লুকাই আছিল। ১৯৫০-৫১ চনত এনে কাৰাবৰণ কৰি প্ৰায় ছয় মাহ মান জেলত থাকিব লগীয়া হয়। ইফালে মেট্ৰিক পৰীক্ষা। জেলৰ ভিতৰতে পাঠ্যপুথিসমূহ নি পঢ়াশুনা কৰি থাকিল। পৰীক্ষালৈ প্ৰায় ছমাহমান বাকী থাকোতে তেওঁলোকক মুকলি কৰি দিলে। ওলাই আহি পৰীক্ষা দি তেওঁ ভালধৰণে উত্তীৰ্ণ হ'ল। শ্ৰীডেকাও জেলৰ পৰা ওলাই আহি সেইবাৰ নৱম শ্ৰেণীৰ পৰা বছৰেকীয়া পৰীক্ষা দি ভালধৰণে উত্তীৰ্ণ হ'ল। আমি ১৯৫২ চনত মেট্ৰিক পৰীক্ষা দি পাছ কৰি কলেজীয়া শিক্ষাৰ বাবে গুৱাহাটীলৈ যাওঁ।

স্কুলীয়া ছাত্ৰ হিচাপে শ্ৰীডেকা বৰ চোকা বুদ্ধিৰ বুলি আমি ধৰিব পৰা নাছিলোঁ। সেই বুলি তেনে দুৰ্বলো নাছিল। কিন্তু পঢ়া শুনাক বাদ দি অন্যান্য দিশত বেচ চকুত পৰা বিধৰ আছিল। স্কুলৰ ফুটবল টিমত তেওঁক সদায় আগৰণুৱা দেখা গৈছিল। এবাৰ আমি দশম শ্ৰেণী আৰু নৱম শ্ৰেণীৰ মাজত স্কুলৰ ফাইনেল খেলত আমি দুয়ো খেলিব লগা হ'ল— মই দশম মানৰ গ'ল ৰক্ষক আৰু শ্ৰীডেকা সম্ভৱ নৱম মানৰ চেণ্টাৰ ফৰৱাৰ্ড। দুয়োপক্ষই জান-প্ৰাণ দি খেলিছোঁ। কোনেও কাকো গ'ল দিব পৰা নাই। মই শ্ৰীডেকাৰ কেবাটাও তীব্ৰ ছুট ৰক্ষা কৰিছোঁ। আমাৰ বেকী আছিল ৵ সমীন মেধি। এবাৰ তেওঁ নিজে বলটো লৈ আগুৱাই গৈ কোণাকৈ মৰা তীব্ৰ ছুট এটা নৱম মানৰ গ'লৰক্ষকক পৰাভূত কৰি পেলালে। খেল সমাপ্ত হওঁ হওঁ। আমাৰ উৎসাহ বাঢ়িল। শ্ৰীডেকাৰ মুখখন চাব নোৱৰা হ'ল। অলপ পাছতে ৰেফাৰীৰ ফাইনেল হুইছেল পৰিল। আমি জয়ী হ'লো। কিন্তু তেনে চূড়ান্ত মুহূৰ্ততো শ্ৰীডেকাই আমাক জয়ী হোৱা বাবে অভিনন্দন দিবলৈ পাহৰা নাছিল। আজিৰ পৰা প্ৰায় ৫৫ বছৰ আগৰ সেই দিনটোৰ কথা ৰিণিকি ৰিণিকি মনত পৰিছে।

শ্ৰীডেকা যে কেৱল খেলা-ধূলাতে পাকৈত আছিল তেনে নহয়, নাটক

আদি কৰাতো তেখেতৰ পাৰদৰ্শিতা আমি অনুভৱ কৰিছিলো। ৰাজনীতিৰ খেলততো আমাতকৈ তেতিয়াই বহুত আগত। এক সক্ৰিয় ৰাজনৈতিক দলৰ আৰু সিও তেতিয়াৰ দিনৰ আৰ. চি. পি. আইৰ সদস্য হিচাপে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। জেল খাটিবলগীয়া হৈও কোনো দিন হতাশ হোৱা আমি শুনা নাছিলো। সমাজৰ অসমতা, অপশাসন আৰু নিষ্পেষণৰ কথা ঘৰতে নেতাসকলৰ মুখত শুনি চাক্ষুষ অভিজ্ঞতা নহ'লেও অন্তৰৰ পৰা সেইবোৰ বিশ্বাস কৰিছিল আৰু সেই তাহানি দিনতে বদ্ধমূল ধাৰণা হোৱা সেই সামাজিক বৈষম্যৰ ধাৰণা আজিও এই সত্তৰ বছৰ বয়সত সজীৱ হৈ আছে। এতিয়াও তেখেতৰ কলম তীব্ৰ বেগেৰে, ক্ষুৰধাৰ শক্তিৰে সামাজিক বৈষম্য, দুৰ্নীতি, দুষ্কৃতি নাইকিয়া কৰিবলৈ চলি আছে। কিন্তু এটা সময়ত সংগ্ৰামী চেতনাৰে উদ্বুদ্ধ শ্ৰীডেকাৰ আজিৰ ভাৱধাৰা আগৰদৰে সশস্ত্ৰ সংগ্ৰামৰ অনুগামী নহয়। তেওঁ আজি হাতত কলমৰ ক্ষত-বিক্ষত কৰিব পৰা শক্তি প্ৰয়োগ কৰি অসমৰ ডেকা-গাভৰুক এলাহ নেওচি নিজৰ প্ৰাপ্যখিনি আদায় কৰিবলৈ বাৰে বাৰে উদাত্ত আহ্বান জনাইছে। তেখেতৰ লেখা পঢ়ি ডেকাসকলে কেতিয়াবা উক্‌মুকাই উঠি বাট বিচাৰি পোৱা যেনো হৈছে। কিন্তু তাত্ত্বিক আদৰ্শ সদায় ভাৱবাদী বাস্তৱত তাৰ প্ৰয়োগ হ'বলৈ সময় লাগে। হয়তো সময়ত অসমৰ ডেকা-গাভৰু এদিন ওলাই আহিব — নিজৰ কুম্ভকৰ্ণৰ নিদ্ৰা যেন নিষ্ক্ৰিয়তা দলিয়াই থৈ।

জীৱন বৃত্তৰ পৰা বহুদূৰ আঁতৰি আহিলোঁ।

মই গুৱাহাটীলৈ উচ্চশিক্ষাৰ বাবে গুচি গৈ জীৱন সংগ্ৰামত এনেদৰে সংপৃক্ত হৈ পৰিলো যে লগৰ লগ সমনীয়াসকলৰ খা-খবৰ ল'বলৈও আহৰি নোপোৱা হ'লোঁ। শ্ৰীডেকা তাৰ পাছত ক'ত কি কৰিলে মই সম্পূৰ্ণ অন্ধকাৰত থাকিলোঁ। যেনিবা আকাশত নীৰবে গৈ থকা দুটি ক্ষুদ্ৰ তৰা এটাত কলীয়া ডাৱৰে আবৰি ধৰিলে বাকীটোক দেখা পোৱাৰ সামৰ্থ্য হেৰুৱায়। শ্ৰীডেকা ১৯৫৩ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি উঠি নলবাৰী কলেজত ১৯৫৫ চনত আই. এ পাছ কৰি কটন কলেজত বি. এ. পঢ়া জানো। এবাৰ মই গুৱাহাটী জজ ক'ৰ্টত তেখেতৰ খুৰাক শ্ৰদ্ধেয় তৰুণসেন ডেকাৰ এটা হত্যাৰ গোচৰৰ শুনানি শুনিবলৈ যাওঁতে তেখেতক লগ পাইছিলোঁ। সিদিনা শুনানি শুনিবলৈ কোৰ্টটো মানুহে ঠাহ খাই পৰিছিল। আমি গাঁৱত থাকোতেই '৫০ কি '৫১ চনত গুড়ো মহাজনক আততায়ীয়ে হত্যা কৰিছিল। সেই হত্যাৰ গোচৰত শ্ৰীযুত সেন ডেকাক অভিযুক্ত কৰিছিল। প্ৰত্যক্ষ সাক্ষীৰ অভাৱত কেচটো দিচ্‌ মিচ্‌ হৈছিল। শ্ৰীযুত সেন ডেকা অভিযোগৰ পৰা মুক্ত হ'ল। সিদিনাই বহুদিনৰ মূৰত কনকসেন ডেকাৰ লগত দেখা দেখি হৈছিল।

শ্রীডেকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬১ চনত ৰাজনীতি বিভাগত এম. এ. পাছ কৰে। পাছ কৰি উঠিয়ে আমাৰ আগৰ কেবাজনো বন্ধুৰ লগত এটা নে দুটা বছৰৰ বাবে ককয়া হাইস্কুল (এতিয়া উচ্চতৰ)ত শিক্ষকতা আৰম্ভ কৰে। তাতো তেখেত শিক্ষক হিচাপে বেচ সুনাম অৰ্জন কৰিব পাৰিছিল। কিন্তু ভাগ্যৰ ৰবি উদয় হয় যেতিয়া তেখেত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰাজনীতি বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে কামত যোগদান কৰি মঙলদৈ চহৰত থাকিবলৈ লয়। সেই সময়ছোৱাতে অতি কম দিনৰ ভিতৰতে এজন সাৰ্থক আৰু সৰবৰহী শিক্ষক হিচাপে তেখেতে নিজকে প্ৰতিপন্ন কৰিবলৈ সক্ষম হয়। তেখেতৰ কৰ্মস্পৃহা, একাগ্ৰতা, কৰ্তব্যনিষ্ঠা আৰু একনিষ্ঠতাই অতি অলপ দিনৰ ভিতৰতে মঙলদৈ চহৰত এজন নিষ্ঠাবান ব্যক্তি হিচাপে পৰিচিত হৈ উঠে। তাত থাকোতেই ৰঙাপৰাৰ শ্ৰীমতী ভানুশ্ৰী ডেকাৰ লগত ১৯৬৭ খ্ৰীঃৰ ১৯ এপ্ৰিলত বিবাহপাশত আৱদ্ধ হয়। শ্ৰীডেকাৰ শ্ৰীমতী ভানুশ্ৰীসেন ডেকাৰ লগত হোৱা বিবাহে সোণত সুৰগা চৰালে। দুয়োৰে যুগ্ম প্ৰচেষ্টাত ভাগ্য উদয়ৰ ৰেঙণিয়ে দেখা দিলে। দুয়োৰে একমাত্ৰ প্ৰচেষ্টা হ'ল কিদৰে নিজৰ ভাগ্যোদয় ঘটাব পাৰি। নিজে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক স্কুলৰ বিষয় শিক্ষক হিচাপে নিজৰ কৰ্তব্য সম্পাদন কৰিয়ে এখন পষেকীয়া আলোচনী 'পষেকীয়া অগ্ৰদূত' উলিওৱাৰ পৰিকল্পনা কৰি ৺ যোগেন চক্ৰবৰ্তীৰ দুৰ্গেশ্বৰ প্ৰিণ্টিং প্ৰেছত ছপা কৰাৰ সকলো ব্যৱস্থা সম্পন্ন কৰে। সেইখিনি সময়ত কাকতখনৰ বাতৰি সংগ্ৰহ কৰা, প্ৰবন্ধ গোটোৱা, প্ৰুফ চোৱা, কাগজ বিক্ৰী কৰা এই সকলো কাম নিজে কিদৰে সম্পন্ন কৰিছিল আজি ভাবিলে আচৰিত লাগে। কিন্তু সেয়াও তেখেতে সুন্দৰভাবে সম্পন্ন কৰি অতি কম দিনৰ ভিতৰতে অগ্ৰদূত কাগজখনক জনপ্ৰিয় কৰি তোলে। অনুসন্ধিৎসু বাতৰি পৰিবেশন কৰি জনপ্ৰিয়তাৰ শীৰ্ষত উঠা অগ্ৰদূতে মঙলদৈৰ পৰা কৰ্মক্ষেত্ৰ গুৱাহাটীলৈ স্থানান্তৰ কৰে। সেই সময়ছোৱাত সেন ডেকা পৰিয়ালে কঠোৰ পৰিশ্ৰম কৰি অগ্ৰদূতক সাপ্তাহিক কাকতলৈ ৰূপান্তৰ কৰিবলৈ সমৰ্থ হয়। ৰীণা ডেকাৰ হত্যাকাণ্ডৰ যেন হুবহু চাক্ষুষ বিৱৰণ দি কাকতখনৰ শিহৰণকাৰী বাতৰিয়ে অগ্ৰদূতক তিনিদিনীয়া বাতৰি কাকতলৈ ৰূপান্তৰ ঘটালে। এই সময়ছোৱাৰ ভিতৰতে শ্ৰীসেন ডেকাৰ নিৰ্মোহ সত্যৰ অন্বেষণে বাতৰি কাকতখনৰ জনপ্ৰিয়তা অসামান্য কৰি তুলিলে। ১৯৯৫ চনত এই তিনিদিনীয়া বাতৰি কাকতে হৈ পৰিল 'দৈনিক অগ্ৰদূত'। এইখিনি সময়তে শ্ৰীসেন ডেকাই দিছপুৰত অগ্ৰদূতৰ কাৰণে নিজা মাটি ঘৰ কৰি অগ্ৰদূত পৰিয়ালক এটা স্থায়ী সম্পদ প্ৰদান কৰে। এতিয়া অগ্ৰদূত প্ৰকাশন প্ৰতিষ্ঠানৰ পৰা কেবাখনো দৈনিক, সাপ্তাহিক আৰু মাহেকীয়া কাকত আলোচনী ওলোৱাৰ উপৰিও ইংৰাজী ACTION নামৰ কাকত এখনো ওলায়। শ্ৰীসেন ডেকা

অসমৰ এজন প্ৰখ্যাত সংবাদসেৱীয়ে নহয় তেখেত অসমৰ এজন স্বনামধন্য বুদ্ধিজীৱী আৰু পথপ্ৰদৰ্শক সাহিত্যিক ৰূপে পৰিচিত হৈ পৰিছে। অসমৰ ৰাইজে মৰমতে আজি তেখেতক সংবাদ সূৰ্য নাম দিছে। যোগ্য ব্যক্তিক এয়া যোগ্য উপহাৰ।

শ্ৰীডেকাদেৱৰ সাহিত্য প্ৰতিভাও অনন্য। তেখেতৰ কাপৰ পৰা ইতিমধ্যে বহুকেইখন গল্প, উপন্যাস, একাঙ্কিকা নাট, পৰিঘটনা ভিত্তিক বিশ্লেষণাত্মক পুথি প্ৰকাশ পাইছে। তেখেতৰ গল্পত সংবেদন আছে, নাটকত বাস্তৱৰ আঁচোৰ আছে আৰু বিশ্লেষণাত্মক গ্ৰন্থত আছে দেশবাসীলৈ উত্থানৰ বাবে আকুল আহ্বান। পৰিঘটনাৰ বিশ্লেষণত দূৰদৃষ্টিৰ প্ৰভূত সমল আছে। তেখেতৰ সাহিত্যই অসমীয়া সাহিত্যজগতত শিহৰণো সৃষ্টি কৰিছে।

কনকসেন ডেকা এক সামাজিক দায়বদ্ধ লেখক। কেৱল ধনৰ লালসাক কেন্দ্ৰ কৰি তেখেতৰ লেখা আগ নাবাঢ়ে। তেখেতৰ ধনৰ এটা অংশ ৰাইজৰ জনহিতকৰ কামতো খৰচ কৰা আমি দেখা পাইছোঁ।

আমি শ্ৰীসেন ডেকাৰ ভৱিষ্যত আৰু মহানুভৱ হৈ উঠক তাৰে আশাৰে তেখেতৰ সুখ-শান্তি আৰু সৌষ্ঠৱ বাঞ্ছা কৰিলোঁ।

—x—

# জাতে-পাতে অসমীয়া

## অৰুণ দত্ত

মন যিদৰে প্ৰবল শক্তিমান উৰন্ত পখীৰ দৰে, ঠিক একেদৰে দেহত আছে অফুৰন্ত তেজাল যুৱকৰ শক্তি। 'প্ৰবীণ' শব্দটো যেন তেখেতৰ নামৰ অলংকাৰ ৰূপত শোভা নাপায়। সেইজন ব্যক্তিয়েই কনকসেন ডেকা। যোৱা ১৬ জুলাইৰ দিনা ৭১ বছৰত ভৰি দিয়া কনকসেন ডেকাই অপৰাজেয় মন লৈ জীৱন-ৰথ চলাই গৈছে। জ্যেষ্ঠ সাংবাদিক কনকসেন ডেকা পাহাৰ-ভৈয়াম-গাঁও-চহৰ সকলোতে জিলিকি থকা এটি পৰিচিত নাম। সংবাদপত্ৰত গতিৰ পৰা অগ্ৰগতিলৈ আগবাঢ়ি যোৱা কনকসেন ডেকাৰ সংগ্ৰামী জীৱনৰ ইতিহাস বৰ বিশাল।

১৭ জুলাইৰ দিনা 'দৈনিক জনসাধাৰণ'ৰ যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰ সৃষ্টিশীল মনৰ অধিকাৰী নীলমণি বৰাই কনকসেন ডেকাক সম্বৰ্ধনা জনোৱা অনুষ্ঠানলৈ মোক আন্তৰিকতাৰে নিমন্ত্ৰণ জনালে। কনকসেন ডেকাক ইতিমধ্যে মই তিনিবাৰ লগ পাইছিলোঁ।

মই নিয়মিতভাৱে 'মৌচাক' আলোচনীত অকণিহঁতৰ বাবে 'অসমৰ বৰ্তমান সংবাদপত্ৰৰ সম্পাদকসকল'ৰ কথা লিখিছিলোঁ। ১৯৮৮ চনৰ জুলাই মাহত কনকসেন ডেকাৰ বিষয়ে কৈছিলোঁ। সৰু কালৰ পৰাই ৰাজনীতিৰ প্ৰতি আকৰ্ষিত ডেকাই অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই সশস্ত্ৰ আন্দোলন সমৰ্থনকাৰী ৰাজনৈতিক দল এটাত যোগদান কৰি ধৰা পৰি এমাহ কাৰাগাৰত কটাবলগীয়া হৈছিল। সেই সময়তে প্ৰখ্যাত বিপ্লৱী নেতা পান্নালাল দাসগুপ্ত, সৌমেন ঠাকুৰ, খগেন বৰবৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা, লোকনাথ বৰুৱা, হৰেন কলিতা ইত্যাদিৰ সান্নিধ্য লাভ কৰে। সশ্ৰস্ত্ৰ বিপ্লৱৰ জৰিয়তে ভাৰতবাসীয়ে মুক্তি লাভ কৰিব বুলি ধাৰণা কৰি গেৰিলা যুদ্ধৰ প্ৰশিক্ষণো লৈছিল। পাঠ্যপুথিৰ প্ৰতি মনোযোগ নিদি দেশৰ স্বাধীনতাৰ বাবে সশস্ত্ৰ বিপ্লৱৰ প্ৰতি আকৰ্ষিত হৈছিল। দশম শ্ৰেণীত পঢ়ি থাকোতে দ্বিতীয়বাৰৰ বাবে গুৱাহাটীৰ জিলা কাৰাগাৰত এমাহমান বন্দী হৈ আছিল। সেইবাৰ পুলিচে কিশোৰ কনকসেন ডেকাক বৰকৈ অত্যাচাৰ কৰিলে। তেওঁৰ ওপৰত পুলিচৰ অমানুষিক দমন দেখি প্ৰত্যক্ষদৰ্শীসকলে হেনো চকুলো টুকি উত্তেজিত হৈ পৰিছিল। অৱশ্যে কনকসেন ডেকাই কোৱা কথা— যিটো দলৰ প্ৰতি তেওঁ আকৰ্ষিত হৈ দুবাৰকৈ কাৰাগাৰৰ ভিতৰত সোমাবলগীয়া হৈছিল সেই দলে পিছলৈ

নীতি সলনি কৰাত দলটোৰ প্ৰতি তেওঁৰ আকৰ্ষণ কমি আহিল। তেতিয়াই জীৱিকা নিৰ্বাহৰ বাবে তেওঁ শিক্ষকতা কৰিবলৈ লয়। ১৯৭১ চনত শিক্ষকতা এৰি মঙ্গলদৈৰ পৰা পষেকীয়া অগ্ৰদূত আৰু ১৯৭৩ চনত গুৱাহাটীৰ পৰা অগ্ৰদূত প্ৰকাশ কৰে। ১৯৭৩ চনত সাপ্তাহিক, ১৯৭৫ চনত তিনিদিনীয়া আৰু ১৯৯৫ চনত 'দৈনিক অগ্ৰদূত' প্ৰকাশ কৰে।

পঁচিশখনতকৈ অধিক কিতাপৰ লেখক কনকসেন ডেকা সাহিত্যিক ৰূপে পৰিচিত যদিও সাংবাদিক হিচাপে অধিক জনপ্ৰিয়। মই নিজে সৰুৰে পৰা কনকসেন ডেকাৰ সম্পাদিত 'অগ্ৰদূত' পঢ়িছিলো। পঢ়াৰ প্ৰধান কাৰণ আছিল 'অগ্ৰদূত'ত তেতিয়া পৃথিৱীৰ অতি চাঞ্চল্যকৰ ঘটনাবোৰ প্ৰকাশ কৰিছিল। এটা উদাহৰণ দি ক'ব খুজিছো— আমেৰিকাৰ নৱ-বিবাহিতা এগৰাকী পত্নীয়ে তেওঁৰ স্বামীৰ সৈতে বিবাহ-বিচ্ছেদ কৰিছিল। কাৰণটো আছিল স্বামীজনে তেওঁৰ পত্নীৰ ভৰি দুটাৰ প্ৰেমত পৰিছিল আৰু সদায় ৰাতি উভতি শুই পত্নীৰ ভৰি দুটা সাবটি মুখত লৈ থাকে। ঘটনাবোৰ বৰ ৰসাল কৰি প্ৰকাশ কৰিছিল। বম্বেৰ (মুম্বাই) ব্লিট্‌জ কাকতখনৰ দৰে অগ্ৰদূতখন আছিল অসমীয়া পাঠকৰ বাবে। শিৱসাগৰত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ কনভয়লৈ বোমা দিয়াৰ কথা বা অসম আন্দোলনৰ সময়ত পংকাত সাত যুৱকক হত্যা কৰা ঘটনাৰ দৰে ঘটনাবোৰ তেতিয়া ডেকাই সবিস্তাৰে প্ৰকাশ কৰিছিল। আৰু কনকসেন ডেকা জাতে-পাতে 'অসমীয়া'। সাজ-পাৰতে যে কেৱল জাতীয় পৰিচয় প্ৰকাশ পাইছিল এনে নহয়, তেখেতৰ কাৰ্যালয়লৈ গ'লে কোনো অতিথিকে সুদা মুখে আহিবলৈ নিদিছিল। দৈ, কোমল চাউল, চিৰা আদি অসমীয়া জলপান অতিথিক আগবঢ়াই দিয়ে, সেই কথা সাংবাদিক নৱজ্যোতি বৰুৱাই মোক কৈছিল।

আমি বহুত বছৰৰ পৰা কে'বাটাও নিবন্ধত কৈছো যে অসম সাহিত্য সভাই বৰ্তমান অসমৰ বাতৰি কাকতৰ জনপ্ৰিয় জ্যেষ্ঠ সম্পাদক বা সাংবাদিকসকলক আগস্থান নিদিয়ে। বৰ্তমান অসমৰ সংবাদ জগতত বয়োজ্যেষ্ঠ সাংবাদিক কনকসেন ডেকা। ১৯৬০ চনৰ ভাষা আন্দোলনৰ পটভূমিত 'জুলাই', আলফাৰ স্বাধীন অসম, নতুন পুৰুষে মুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক, দুশবছৰীয়া হীনমন্যতাৰ অৱসান হওক, অসমের বিক্ষুব্ধ যুৱ সমাজ, লুইতক ভেটিব সিহঁতে, সূৰ্য পুৱত নুঠে, টেম্‌ছ আৰু লুইত, গল্প সংকলন— ৰঙীণ পৰ্দা, পাঁচ ছেণ্টেম্বৰৰ ৰাতিপুৱা, স্বপ্ন ভংগ, ভ্ৰমণ কাহিনী— হাড়চনৰ পৰা লোহিত গংগা, নাট্য সংকলন— একাংক পঞ্চমা আদি লিখি অসমীয়া ভাষা-সাহিত্যক চহকী কৰি আছে। কনকসেন ডেকাৰ কৰ্মব্যস্ততাই জীৱনধাৰা। তিনিদিনীয়া অগ্ৰদূত, দৈনিক অগ্ৰদূতৰ পৰা শ্ৰীময়ী, অকণিৰ অগ্ৰদূত, চিচিংফাঁক আদি আলোচনী কনকসেন ডেকাৰে সৃষ্টি। তেওঁক সাহিত্য সভাই নিশ্চয় গুৰুত্ব দিয়া উচিত।

মোৰ মনত আছে। গুৱাহাটীৰ ফাঁচী বজাৰৰ এটা প্ৰেছৰ সামগ্ৰী বিক্ৰী কৰা প্ৰতিষ্ঠানৰ মালিকে কনকসেন ডেকাক মোৰ সৈতে বহুত বছৰৰ আগতে চিনাকি কৰি দিছিল। তেতিয়া তেখেতে অগ্ৰদূত কাকত ছপাবৰ বাবে ফ্লেটবেল্ট প্ৰিন্টিং মেচিন কিনাৰ সম্পৰ্কত কথা পাতিবলৈ গৈছিল। তেখেত যোৱাৰ পিছত পঞ্জাবী মালিকজনে মোক কৈছিল— এদিন ৰাতি কাকত ছপা কৰি থাকোতে মেচিনৰ ধোৰাৰ বল্টু ভাগিল। পুৱালৈ কাকত উলিয়াবই লাগিব। সেইবাবে গোটা বেতৰ শাল মেচিনত মাৰি কাকত ছপাইছিল। আজিৰ পৰা কেইবছৰমানৰ আগলৈকে বাতৰি কাকত ছপা কৰিবলৈ বহুত কৰ্মচাৰীৰ প্ৰয়োজন হৈছিল। যেতিয়া ডি টি পি মেচিন ব্যৱহাৰ হোৱা নাছিল, তেতিয়া হেণ্ড কম্পজিটৰ, কম্পজিং ষ্টিক, গেলি, আখৰ আদি বহুত সামগ্ৰীৰ প্ৰয়োজন। কিন্তু কনকসেন ডেকাই নিজেই কষ্ট কৰি, কম ব্যয়ৰ মাজেদি 'অগ্ৰদূত' প্ৰকাশ কৰিছিল। তেতিয়া নিশ্চয় তেওঁৰ কাগজ উলিয়াই ধন ঘটাৰ বিলাসিতা নাছিল। বাতৰি কাকতৰ জৰিয়তে জাতিক সেৱা কৰাই ধৰ্ম আছিল। এয়া জানো জাতীয়তাবোধৰ চিন্তাধাৰা নহয়?

কনকসেন ডেকাৰ জীৱনৰ ৰোমাঞ্চকৰ এটা ঘটনা মোক কৈছিল। লক্ষ্ণৌত পঢ়ি থাকোতে তেওঁৰ বন্ধুজন ঘৰলৈ যোৱাত অসমীয়া মানুহ বিচাৰি তেওঁ ব্যাকুল হৈ পৰিছিল। অসমীয়া মাত এষাৰ নোপোৱাত তেওঁৰ হৃদয় বেদনাৰে ভৰি আছিল। এদিন তেওঁ থকা হোটেলখনত পুৱা এজনী ছোৱালীয়ে পঢ়ি থকা শুনিলে— 'এসময়ত ভগদত্ত নামেৰে এজন বৰ পৰাক্ৰমী ৰজা আছিল। তেওঁ কুৰুক্ষেত্ৰৰ ৰণত কৌৰৱৰ হৈ যুদ্ধ কৰিছিল।' বহুত দিনৰ মূৰত অসমীয়া মাত শুনি অভিভূত হৈছিল আৰু প্ৰথমে সেয়া তেওঁৰ মনৰ খেলি-মেলি বুলি ভাবিছিল। সপোন নে দিঠক জানিবৰ বাবে তেওঁ শোৱাপাটীৰ পৰা উঠি ছোৱালীজনীৰ কণ্ঠ অনুসৰণ কৰি জানিলে যে সেয়া সপোন নাছিল। গুৱাহাটীৰ ওচৰৰ সোণাপুৰৰ পৰিয়াল এটি লক্ষ্ণৌলৈ আগদিনা আহি তেওঁ থকা হোটেলখনলৈ আহিছে আৰু তেওঁলোকৰ ছোৱালীজনীয়ে ফুৰিবলৈ আহোতে কিতাপ লগত লৈ আনিছে। তেখেতে আৰু কৈছিল--- 'প্ৰবাসত মাতৃভাষা শুনিলে ইমান আনন্দ পোৱা যায় বুলি তাৰ আগলৈকে মই ধাৰণা কৰিব পৰা নাছিলো।'

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে কবিতা-কাপেৰে কনকসেন ডেকাক ক'লে— জুয়েতো নোপোৰে সোণ/তোমাৰ নামৰ অৰ্থ সাৰ্থক হওক/অসামান্য যি দান দিলা/অকলশৰীয়া দুহাতেৰে, কৰি লৈ জীৱন-পণ/অভিনন্দন হে সাহসী বীৰ/অভিনন্দন/অভিনন্দন। □

# বিশিষ্ট সংবাদসেৱী আৰু চিন্তানায়ক কনকসেন ডেকাৰ সান্নিধ্য

## হৰেন্দ্ৰ নাথ দাস

১৯৬৩ চনত মই যেতিয়া মঙলদৈৰ মহকুমাধিপতিৰূপে মোৰ প্ৰথম পদবীত যোগদান কৰো তেতিয়া পোনতে লগ পোৱা ব্যক্তিসকলৰ মাজত কনকসেন ডেকা আছিল অন্যতম। সেই সময়ত দৰং জিলাৰ মঙলদৈ আছিল মহকুমা আৰু তেজপুৰ আছিল সদৰ ঠাই। ভাৰতীয় প্ৰশাসন সেৱাৰ পৰীক্ষাত ১৯৬১ চনত উত্তীৰ্ণ হৈ মুচৌৰীত এবছৰ আৰু শিলচৰত এবছৰ প্ৰশিক্ষণ শেষ কৰি মই মঙলদৈলৈ আহিছিলোঁ।

ডেকাক মই প্ৰথম লগ পাওঁ ছিপাঝাৰৰ এখন ৰাজহুৱা সভাত। কোনো ৰাজনৈতিক সভা নহয়। সেইখন আছিল অৰ্থনৈতিক উন্নয়নৰ বিষয়ে আলোচনা কৰিবলৈ আহ্বান কৰা এখন সভা। তাত আন কোন কোন উপস্থিত আছিল মোৰ এতিয়া মনত নাই। কিন্তু ডেকাৰ জ্ঞানোদ্দীপ্ত ভাষণে মোৰ দৃষ্টি আকৰ্ষণ কৰাই নহয় মোৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল। তেখেত তেতিয়া ছিপাঝাৰ বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক আছিল।

ইয়াৰ পাছত বহুত ঠাইত বহুত সভা সমিতিত ডেকাক লগ পাইছোঁ। ব্যক্তিগত হিচাপেও লগ পাইছোঁ। মই চৰকাৰী চাকৰিত থাকোতে তেখেতৰ লগত বহুবাৰ দেখা-সাক্ষাৎ হৈছে। ভাব বিনিময়ো হৈছে। সদায় তেখেতৰ সৌম্যভাবাপন্ন মনটোৱে মোক আকৰ্ষিত কৰিছিল। সেইবাবে তেখেতৰ ভাষ্য মই অতি মনোযোগেৰে শুনিছিলোঁ।

অসম প্ৰশাসনীয় মহাবিদ্যালয়ৰ সঞ্চালক প্ৰধান ৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত এবাৰ আমাৰ তালৈ অগ্ৰদূত কাকতৰ এজন কম বয়সীয়া সাংবাদিক আহিছিল। তেওঁ মোৰ লগত কথা পাতিছিল। মই সকলোবোৰ কথা আৰু সেই মহাবিদ্যালয়ত কেনেদৰে প্ৰশিক্ষণ দিয়া হয় সেইটো ভালদৰে বুজাই দিলোঁ। তেওঁ কিছুমান অলাগতিয়াল কথাৰ অৱতাৰণা কৰিলে। মোৰ সন্দেহ হ'ল যে কোনোবা ভিতৰৰ মানুহে মনে সজা কথাৰে প্ৰভাৱান্বিত কৰি তেওঁক এই মহাবিদ্যালয়খনৰ অন্যায় কৰিবলৈ উচটাই দিছে। সেইদিনা ৰাতি ভাবি-চিন্তি পিছদিনা মই ডেকাক

মোৰ সন্দেহৰ কথা ব্যক্ত কৰিলোঁ। তেখেতে মোক ক'লে যে মই সন্দেহ কৰা ধৰণেৰে কিবা এটা বাতৰি ইতিমধ্যে ছপাশাললৈ নিছে। তেখেতে তৎক্ষণাত সেই সংবাদ প্ৰকাশ স্থগিত ৰাখিলে আৰু আন এজন সাংবাদিক পঠিয়াই আচল কথাৰ সম্ভেদ ল'লে। তেখেতৰ কাকতত পিছত সঁচা কথাখিনিহে প্ৰকাশ পালে। এনে মহানুভৱতা খুব কম সম্পাদকেহে দেখুৱায়।

মোৰ দৃঢ় বিশ্বাস যে কনকসেন ডেকা জনমানসত এজন নিৰ্ভীক সাংবাদিক, এজন অনন্য প্ৰতিভাৰ চিন্তা নায়ক আৰু এজন অসাধাৰণ প্ৰাণোচ্ছল ব্যক্তি হিচাপে সদায় বিৰাজ কৰিব। (লেখক ১৯৯০-৯৫ চনত অসমৰ মুখ্য সচিব আছিল।) ❑

# সংবাদ সূৰ্য কনকসেন ডেকা মানুহজন

**জগন্নাথ চক্ৰবৰ্তী**

আমাৰ সমাজখন বিভিন্ন ব্যক্তিৰ সমষ্টি। সমাজত বিজ্ঞানী, শিক্ষাবিদ, দাৰ্শনিক, ৰাজনীতিক, অৰ্থনীতিবিদ, কবি-সাহিত্যিক, সংবাদসেৱীকে ধৰি বিভিন্ন নিছাৰ আৰু পেছাৰ লোক আছে। এইসকলেই আমাৰ সমাজত বুদ্ধিজীৱী বুলি খ্যাত। এইসকলৰ উপৰিও সমাজত বহুলোকে কোনো কোনো ক্ষেত্ৰত সমাজক সেৱা কৰি আছে। আমাৰ দেশৰ সৰ্বতোপ্ৰকাৰ উন্নতিয়ে এইসকল লোকৰ প্ৰধান উদ্দেশ্য আৰু কাম্য। এই ক্ষেত্ৰত যিসকল লোকে নানা ঘাত-প্ৰতিঘাতৰ মাজেদি, বিভিন্ন প্ৰতিকূল অৱস্থাৰ মাজেদি নিজৰ ক্ষুদ্ৰ স্বাৰ্থত মোহাচ্ছন্ন হৈ নেথাকি জন গণৰ স্বাৰ্থৰ প্ৰতি চিৰ সচেতন হৈ কাম কৰি যায় সেই সকল সমাজৰ সকলো স্তৰৰ লোকৰ শ্ৰদ্ধাৰ পাত্ৰ। সেইসকলে জনসাধাৰণৰ অকুণ্ঠ স্নেহ-প্ৰীতি আৰু শ্ৰদ্ধা সততে লাভ কৰে। সেইসকল লোকেই ৰাজহুৱা সম্বৰ্ধনা পাবৰ যোগ্য। কনকসেন ডেকা তেনে এজন ব্যক্তি যিজনাই আমাৰ সমাজত নিঃস্বাৰ্থ, সাহসী সাংবাদিক বুলি খ্যাত হৈছে।

নলবাৰী অঞ্চলত যোৱা বিংশ শতিকাতো সাংবাদিকৰ জন্ম হৈছিল। নলবাৰী জিলাৰ তাৰানাথ চক্ৰবৰ্তী কাব্য বিনোদ দেৱ 'আসাম বান্ধব' সাদিনীয়া কাকতৰ সম্পাদক আছিল। নলবাৰীৰ প্ৰতাপ চন্দ্ৰ গোস্বামীও এই কাকতৰ লগত বিশেষভাৱে জড়িত আছিল। তেখেতে কামৰূপীয়া লোক ভাষাৰ হকে স্পষ্ট মত অভিব্যক্ত কৰিছিল। সেইবোৰ দীঘলীয়া আৰু পুৰণি কথা। তেখেতৰ পিছত আন এজনা বিশিষ্ট সাংবাদিক পদ্মশ্ৰী সতীশ চন্দ্ৰ কাকতি। সেই নবতিবৰ্ষৰ বৰ্ষীয়ান সাংবাদিক জনে আসাম ট্ৰিবুন কাকতৰ বহু বছৰ সম্পাদক থাকি আসাম ট্ৰিবুন কাকতখন ভাৰত বিখ্যাতেই নহয় ভাৰতৰ বাহিৰতো সম্প্ৰচাৰিত কৰাইছিল। এতিয়াও ট্ৰিবুন কাকতখনৰ জনপ্ৰিয়তা হ্ৰাস হোৱা নাই।

কনকসেন ডেকা এটা ব্যতিক্ৰম। তেখেত কেৱল সাংবাদিকেই নহয়, এজন বিশিষ্ট সাহিত্যিক, লেখক, মননশীল প্ৰবন্ধকাৰ আৰু নতুন পুৰুষক নতুন পথৰ সন্ধান দিব পৰা এজন বলিষ্ঠ বুদ্ধিজীৱী। তেখেত কেৱল অগ্ৰদূতৰ সম্পাদকেই নহয় এই কাকতৰে জন্মদাতা। এইজনা ব্যক্তিৰ জন্ম হৈছিল ধৰ্মপুৰ মৌজাৰ বেলশৰ গাঁৱত ১৯৩৩ চনত। পিতৃ গৌৰীসেন ডেকা আৰু মাতৃ তৰাসেন ডেকা।

তেখেত নলবাৰী কলেজৰ ছাত্ৰ আছিল। নলবাৰী কলেজৰ ছাত্ৰ আন এজন সাংবাদিক বড়ি দতৰাৰ শ্ৰীমান হাইদৰ হুছেন। শ্ৰীডেকাই ৰাজনীতি বিজ্ঞানৰ এম. এ. ডিগ্ৰী লৈ প্ৰথমে ছিপাঝাৰত শিক্ষকতা কৰে। ১৯৭১ চনত চাকৰি এৰি দি এটা দুঃসাহস কৰি পষেকীয়া অগ্ৰদুত প্ৰকাশ কৰে। অক্লান্ত কৰ্মী ডেকাই ১৯৭৩ চনত সাপ্তাহিক অগ্ৰদূত উন্মোচন কৰে। পিছত গুৱাহাটীত নিজা প্ৰেছ কৰি অগ্ৰদূত ভৱনৰ পৰা ১৯৯৫ চনৰ ছয় অক্টোবৰত দৈনিক অগ্ৰদূত প্ৰকাশ কৰে আৰু নিজে ইয়াৰ সম্পাদক হয়। এতিয়া অগ্ৰদূত ভৱনত শতাধিক কৰ্মীয়ে কাম কৰে। আজি অসমত সৰ্বাধিক প্ৰচাৰিত দৈনিক বাতৰি কাকত অগ্ৰদূত। ডেকা আঢ্যৱন্ত লোকৰ সন্তান নাছিল। কিন্তু নিজৰ নিষ্ঠা, অধ্যৱসায় আৰু সততাৰ বাবে তেখেত উন্নতিৰ জখলাত বহু খোপ ওপৰত উঠিছে আৰু যে উঠিব ইয়াত সন্দেহ্ নাই।

সাংবাদিকৰ কৰ্তব্য অতি পৱিত্ৰ আৰু প্ৰধান জনসেৱা। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয় সংবাদ পত্ৰক। দেশৰ জনগণ সঠিক দিশত আগবঢ়াত যাতে চৰকাৰে মনোনিবেশ কৰে তাৰ ওপৰত চোকা দৃষ্টি ৰখাটো সংবাদ সেৱাৰ প্ৰকৃত লক্ষ্য হোৱা উচিত। এই লক্ষ্য আগত ৰাখি কাম কৰিলে সংবাদ পত্ৰই নিজৰ দায়িত্ব পালন কৰা হয়।

১৯৭১ চনৰ পৰা নিজে সংবাদ জগতত প্ৰবেশ কৰি অগ্ৰদূত দৈনিক বাতৰিলৈ উত্তৰণ ঘটাই গুৱাহাটীত অগ্ৰদূত ভৱন প্ৰতিষ্ঠা কৰি শ্ৰীডেকাই সাহসেৰে, নিষ্ঠাৰে সংবাদ জগতত এটা ভোটা তৰাৰ দৰে জিলিকি উঠিছে, ই সঁচাকৈয়ে আনন্দৰ তথা গৌৰৱৰ বিষয়! অগ্ৰদূতৰ মাজেৰে ডেকাৰ মানসিকতাৰ, চিন্তাৰ, ধ্যান-ধাৰণাৰ সবিশেষ পোৱা যায়। প্ৰতিকূলতাৰ মাজতো তেখেতে ধৈৰ্য ধৰি কাম কৰি গৈছে। বৰ্তমান যুগটো প্ৰতিযোগিতাৰ যুগ। অসমত এতিয়া কেইবাখনো উচ্চমানবিশিষ্ট দৈনিক কাকত প্ৰকাশ হৈ আছে। দৈনিক অসম পূৰণি কাকত, ইয়াৰ উপৰি আজিৰ অসম, আমাৰ অসম, প্ৰতিদিন, আজি আদি কেবাখনো অসমীয়াত প্ৰকাশিত আৰু বহুল প্ৰচাৰিত কাকত আছে। বাতৰি কাকতৰ ভাষা, বাতৰিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আদি সকলো স্তৰতে উচ্চমানৰ পৰিচয় দিব পৰা কাকতৰ প্ৰচাৰ বৃদ্ধি নহৈ নোৱাৰে। এই ক্ষেত্ৰত শ্ৰীডেকা নিৰন্তৰ সচেতন হৈ থকা বাবে অগ্ৰদূত কাকতৰ প্ৰচাৰ বৃদ্ধি হৈ আছে। ইয়াৰ গভীৰ মননশীল সম্পাদকীয়বোৰ সততে কিছুমান পাঠকে গভীৰ মনোযোগ দি পঢ়ে। এই ক্ষেত্ৰত শ্ৰীডেকাই নিজৰ পটুতা প্ৰদৰ্শন কৰি আছে। সেয়েহে অগ্ৰদূতৰ পাঠকৰ সংখ্যা বৃদ্ধি হৈ আছে।

সংবাদ পত্ৰ প্ৰকাশ কৰিও তাৰ মাজতে সময় উলিয়াই ডেকাই সাহিত্য চৰ্চা কৰি আছে। তেখেতৰ এতিয়ালৈকে ২৫ খন গ্ৰন্থ প্ৰকাশ পাইছে। ইমান ব্যস্ততাৰ

মাজতো কেতিয়া লিখিবলৈ সময় উলিয়ায় ভাবিলে আচৰিত হ'ব লাগে। কিন্তু সঁচা। তেখেতে বৃহৎ কলেবৰৰ গ্ৰন্থই বেছিকৈ লিখিছে। সমালোচনা, আলোচনামূলক, উপন্যাস, গল্প সংকলন, নাটক, তদুপৰি সাহিত্য সম্পৰ্কীয় পুথিও তেখেতে ৰচনা কৰিছে। তেখেত যে এজন অতি উচ্চস্তৰৰ লেখক তাত সন্দেহ নাই। অসমীয়াৰ উপৰিও হিন্দী, ইংৰাজী, বড়ো ভাষাতো তেখেতে গ্ৰন্থ লিখি নিজৰ ভাষা জ্ঞান আৰু মেধাৰ পৰিচয় দিছে। এই পুথিৰ তালিকা ইয়াত দিয়াৰ আৱশ্যক নাই।

কনকসেন ডেকা নলবাৰী তথা অসমৰ সুসন্তান আৰু উচ্চস্তৰৰ বুদ্ধিজীৱী। তেখেতৰ বৌদ্ধিক অগ্ৰগতি ক্ৰমে উত্তৰণ কৰি আছে আৰু কৰি থাকিব। এনেহেন অসমৰ সুসন্তান শ্ৰীসেন ডেকাক ৰাইজে মৰম-চেনেহ দেখুৱাইছে, সম্বৰ্ধনা যাঁচিছে আৰু দিছে অকৃত্ৰিম শ্ৰদ্ধা আৰু শুভেচ্ছা। যোগ্যজনে সমাজত সমাদৰ লাভ কৰাটো সমাজৰো গৌৰৱৰ কথা। উচ্চ ভাবাপন্ন সমাজে যোগ্য ব্যক্তিক সমাদৰ কৰি ক্ৰমশঃ উত্তৰণ কৰাত সাহস আৰু উৎসাহ যোগাব পাৰে। শ্ৰীসেন ডেকাৰ নিচিনা লোকক অসম সাহিত্য সভায়ো বিশেষ ভাৱে সমাদৰ কৰা উচিত।

আমি শ্ৰীসেন ডেকাৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰি এই চেগতে আন্তৰিক শুভেচ্ছা যাঁচিছো।

ওঁ তৎ সৎ

— x —

# যুক্তিৰ চৈতকত সংবাদ সূৰ্য কনকসেন ডেকা

হেমন্ত কুমাৰ দত্ত

প্ৰাচীন আৰু মধ্যযুগত কবিতাই মানুহৰ মনোজগতত প্ৰাধান্য বিস্তাৰ কৰিছিল আৰু সেই সময়ত সাহিত্য আছিল কল্পনাশ্ৰয়ী। ব্ৰহ্মগুপ্তৰ দৰে দুই-চাৰিজন সত্যানুসন্ধানীয় যদিও চন্দ্ৰগ্ৰহণ আৰু সূৰ্যগ্ৰহণৰ প্ৰকৃত সত্য অৱগত আছিল তেওঁলোকেও সেই সময়ৰ ধৰ্মান্ধ ভাবধাৰাৰ বিপৰীতে গৈ যুক্তিবাদী লেখা আগবঢ়াব পৰাকৈ সাহস গোটাব পৰা নাছিল। য়ুৰোপত ৰেনেছাঁ বা নৱজাগৰণৰ প্ৰবাহে মানুহক বহু পৰিমাণে যুক্তিবাদী আৰু সংস্কাৰমুক্ত কৰিলে। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিৰাট জয়যাত্ৰাৰ যুগত যুক্তিবাদী চিন্তাই যদিও লক্ষ্যণীয়ভাৱে আগবাঢ়িছে তথাপি আবেগসৰ্বস্ব ধ্যান-ধাৰণাই মানুহক বিভ্ৰান্ত আৰু বিভক্ত নকৰাকৈ থকা নাই। আজিৰ পৃথিৱীত মৌলবাদী, সাম্ৰাজ্যবাদী আৰু জাত্যাভিমানীসকলে বিভিন্ন সময়ত লেখাৰ মাজেৰে অঞ্চলবিশেষে জনতাক উন্মাদপ্ৰায় কৰিয়ে আছে। এইসকলৰ প্ৰভাৱৰ পৰা মুক্ত কৰি জনসাধাৰণক সঠিক আৰু শুদ্ধ পথেৰে পৰিচালিত কৰাৰ বাবে যুক্তিবাদীসকলে লেখাৰে সংগ্ৰাম কৰে। যুক্তিবাদীসকলে বৈজ্ঞানিক দৃষ্টিভংগীৰে বিষয়ৰ ওপৰত পৰ্যালোচনা দাঙি ধৰে। স্বকীয় আবেগ-অনুভূতি, বদ্ধমূল ধাৰণা আদি বিসৰ্জন দি যিয়ে তথ্যপূৰ্ণ নিৰ্মোহ বক্তব্য আগবঢ়াবলৈ সক্ষম তেওঁলোককেই যুক্তিবাদী বুলি অভিহিত কৰিব পাৰি।

সংবাদ সূৰ্য কনকসেন ডেকা তেনে এজন যুক্তিবাদী সাংবাদিক তথা সাহিত্যিক। ব্যক্তিগৰাকীৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত চকু ফুৰালে ভাব হয় যেন জনসাধাৰণক ধৰ্মান্ধতা, জাতিদম্ভ, কৰ্মবিমুখতা, হীনমন্যতা আদি বদ্‌গুণৰ পৰা মুক্ত কৰিবলৈ তেখেতে নিৰন্তৰ চলাই গৈছে যুক্তিৰ শানিত অস্ত্ৰ। আমাৰ ৰাষ্ট্ৰ বিশেষকৈ অসমৰ সামাজিক, ৰাজনৈতিক তথা সাংস্কৃতিক জীৱনৰ উন্নততৰ অৱস্থান প্ৰয়াসী এইজন ডেকাই সত্তৰ দশকতে পষেকীয়া অগ্ৰদূত কাকত প্ৰকাশ আৰু সম্পাদনৰ যোগেদি যি কলম হাতত তুলি ল'লে সেই কলমৰ শক্তি ৰাইজে প্ৰত্যক্ষ কৰিছে। কিশোৰ আৰু যৌৱন অৱস্থাত মাৰ্ক্সীয় সাহিত্য অধ্যয়ন আৰু বামপন্থী আন্দোলনত সক্ৰিয় হোৱাৰ বাবে মানুহ গৰাকীয়ে যুক্তিৰ আধাৰত

বিষয়সমূহ অনুধাৱন কৰাৰ শক্তি আয়ত্ত কৰে বুলি অনুভব হয়। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ভাঙোন আৰু বিশ্বত সাম্যবাদী আন্দোলনৰ ভাটা পৰাত ডেকা ডাঙৰীয়াই স্বনিৰ্মিত ব্যক্তিৰূপে নিজকে গঢ়ি তোলাৰ বাবে বাট উলিয়াই লয়। বিপ্লৱী চেতনাৰ অধিকাৰী এইজনা ব্যক্তিয়ে দুৰ্বাৰ প্ৰতিকূলতাৰ প্ৰবাহক ঠেলি দুঃসাহসিক যাত্ৰা আৰম্ভ কৰিলে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ পদ ইস্তফা দি। ১৯৭১ চনত মঙ্গলদৈৰ পৰা অগ্ৰদূত প্ৰকাশৰ সময়ত মুষ্টিমেয় দুই-চাৰিজনৰ পৰামৰ্শ আৰু কিছু সহায়ৰ বাহিৰে কনকসেন ডেকাৰ হাতত না ঢাল না তৰোৱাল। বুকুত অদম্য সাহস লৈ শৰাইঘটীয়া বীৰৰ দৰে কনকসেন ডেকাই নিজস্ব বিবেক আৰু যুক্তিৰে জীৱন সংগ্ৰামত বিজয়ী হোৱাৰ বাবে অগ্ৰসৰ হয়।

সংবাদ জগতত ডেকাই প্ৰৱেশ কৰে সম্পাদক-প্ৰকাশক ৰূপে। একেজন ব্যক্তিয়ে এই দুয়োটা দায়িত্ব লৈ তিনিটা দশকতকৈ অধিক কাল সফলতাৰে চলাই নিয়া দৃষ্টান্ত বিৰল। দেখা যায় আঢ্যৱন্তসকলে ব্যৱসায়ৰ স্বাৰ্থত সংবাদ মাধ্যমত সোমাই পৰে আৰু নামী বুদ্ধিজীৱীক সম্পাদক হিচাপে নিয়োগ কৰি মুনাফা লৈ আছে। এইসকল সম্পাদক স্বকীয় আদৰ্শ, মতামত বা দৃষ্টিভঙ্গীৰে আগবঢ়াটো সহজসাধ্য নহয়। কনকসেন ডেকাৰ দীঘলীয়া সাংবাদিক জীৱনত মালিক সম্পাদকৰ কোনো সংঘাত নাই। যদি কিবা সংঘাত আছে সেই সংঘাত অন্তৰ্মুখী মনোজগতত থকা বাস্তৱিক আৰু ভাবাদৰ্শৰ দ্বন্দ্ব। বাস্তৱবিমুখ আদৰ্শবাদীয়ে তীব্ৰ প্ৰতিযোগিতাৰ এই যুগত ধৰাশায়ী হোৱাটোৱে স্বাভাৱিক। মালিকৰূপী কনকসেন ডেকাই ভিন্ন ৰুচিৰ পাঠকৰ নিমিত্তে নানা ৰঙী শিতান, চাঞ্চল্যকৰ কাহিনী, ভাবসৰ্বস্ব লেখা আদিক গুৰুত্ব নিদিয়াকৈ থাকিব নোৱাৰে। প্ৰাৰম্ভিক কালতে অগ্ৰদূত কাকতে ধাৰাবাহিকভাৱে বীণা ডেকা নামৰ গাভৰু এজনীৰ হত্যাৰ চাঞ্চল্যকৰ বাতৰি পৰিবেশন কৰি পাঠকৰ মাজত জনপ্ৰিয় হৈ উঠে। আমাৰ সকলোৰে আদৰৰ জেতুকী পাতৰ বাহিৰৰ সেউজীয় ৰঙটোৱে আচল ৰূপ নহয়, ইয়াৰ অন্তৰালত থকা ৰঙা ৰংটোহে ইয়াৰ বৈশিষ্ট্য। এখন কাকতে বিজ্ঞাপন, ৰাশিচক্ৰ গণনা আৰু সাময়িকী অনেক খবৰ কঢ়িয়াই পাঠকৰ ওচৰলৈ আহে। কিন্তু কাকতখনৰ সম্পাদকীয় পৃষ্ঠাটোহে ইয়াৰ সঞ্জীৱনী শক্তি। সেউজীয়া জেতুকী পাতৰ ৰঙা ৰংটোৰ দৰে কনকসেন ডেকাৰ তেজস্বী চিন্তাধাৰা তিনিদনীয়া অগ্ৰদূত, দৈনিক অগ্ৰদূতৰ সম্পাদকীয় পৃষ্ঠাত প্ৰক্ষেপিত হৈয়ে আছে।

ৰাজ্যৰ, দেশৰ তথা সমগ্ৰ বিশ্বৰ নিত্য নতুন ঘটনা প্ৰবাহৰ ওপৰত বিশ্লেষণ কৰি তাৰ সম্যক ধাৰণা পাঠকক দিয়াতেই এজন বলিষ্ঠ সম্পাদক ক্ষান্ত নহয়, সেই ঘটনাৰ প্ৰেক্ষাপটত জাতি বা ৰাষ্ট্ৰৰ সুদূৰপ্ৰসাৰী অৱস্থান সম্পৰ্কে দিক দৰ্শনকাৰী অভিব্যক্তি তুলি ধৰাৰ বাবে তেওঁ নিৰন্তৰ প্ৰচেষ্টা লয়। ধৰি লোৱা হওক চৰকাৰে সদনত এখন বিল উত্থাপন কৰিবলৈ গৈছে। দেখা যায় বিলৰ ইতিবাচক আৰু

নেতিবাচক দিশ উদ্‌ঘাটন কৰিবলৈ জনসাধাৰণৰ অধিকাংশই অসমৰ্থ। দায়বদ্ধ সাংবাদিক বা সম্পাদকে সমাজৰ বৃহত্তৰ স্বাৰ্থত জনচেতনাক বা জনচিন্তাক উদ্বুদ্ধ কৰাৰ বাবে সৰ্বদা সচেষ্ট। প্ৰকৃত সত্যক জনতাৰ বুদ্ধি-বিবেকত উজ্জীৱিত কৰাৰ বাবে কনকসেন ডেকাৰ অবিৰাম উদ্যোগ সঁচাকৈ প্ৰশংসনীয়। সত্যসন্ধানী ডেকাদেৱে উপলব্ধ সত্য স্পষ্ট ভাষাৰে প্ৰকাশ কৰাত ভাবুকি, ঠাট্টা-মস্কৰা, গালি-গালাজ আদিৰ সন্মুখীন হৈছে যদিও সেইবোৰক ভ্ৰূক্ষেপ কৰা নাই। ''আলফাৰ স্বাধীন অসম'' নামৰ গ্ৰন্থত তেখেতে ঐতিহাসিক, ৰাজনৈতিক, সাংস্কৃতিক, ভৌগোলিক দিশসমূহ যুক্তিৰ তুলাচনীত বিশ্লেষণ কৰি জনচৈতন্যক নতুন গতি দিবলৈ সক্ষম হৈছে। সন্ত্ৰাসবাদৰ জৰিয়তে যে অসমৰ প্ৰগতি অসম্ভৱ এই যুক্তি আগবঢ়াই সন্ত্ৰাসবাদ উত্থানৰ বাবে চৰকাৰৰ কাৰ্যকলাপ আৰু নীতিকো কঠোৰভাৱে সমালোচনা কৰিছে—

''মানৱতাৰ দোহাই দিয়া আৰু তথাকথিত ভাব প্ৰকাশৰ মৌলিক স্বাধীনতা দিয়া ভাৰতৰ সংবিধান তথা ভাৰতীয় দণ্ডবিধি আইন অনুযায়ী কেৱল স্বাধীনতা বিচৰাটোৱেই দেশদ্ৰোহিতাৰ ভয়ংকৰ অপৰাধ। স্বাধীন ভাৰতত মুক্তিকামী কোনো মহাত্মাই যদি স্বাধীন অসমৰ দাবীত শান্তিপূৰ্ণভাৱে অনশন কৰে, তেন্তে ভাৰতীয় আইনে তেওঁক সেই অপৰাধতে ২৪ বছৰলৈকে সশ্ৰম কাৰাদণ্ড দিয়াৰ ব্যৱস্থা কৰি থৈছে। এনে অৱস্থাত মানসিক বিকাৰগ্ৰস্ত নথকা কোনো ব্যক্তিয়ে শান্তিপূৰ্ণ বিক্ষোভেৰে জাতীয় মুক্তি সংগ্ৰাম পৰিচালিত কৰাৰ কল্পনা কৰিব নোৱাৰে।''

(আলফাৰ স্বাধীন অসম)

গণতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰী ডেকাদেৱে যদিও সন্ত্ৰাসবাদৰ কাৰ্যকলাপ দ্ব্যৰ্থহীন ভাষাত সমালোচনা কৰিছে, তথাপি ভাৰতীয় গণতন্ত্ৰৰ কেৰোণসমূহ বিশেষকৈ সাংবিধানিক ব্যৱস্থাৰে চৰকাৰে চলাই থকা দমননীতি সৱল যুক্তিৰে সমালোচনা কৰিছে সম্পাদকীয়সমূহৰ মাজেৰে আৰু তেখেতে ইতিমধ্যে লিখা বিভিন্ন গ্ৰন্থ আৰু চিন্তাগধুৰ প্ৰবন্ধৰ মাজেৰে। নিৰ্ভীক-নিৰ্মোহভাৱে চৰকাৰক সমালোচনা কৰি বিভিন্ন সময়ত এইজনা ডেকাই অনেক জীয়াতু ভুগিছে, কিন্তু পৰাভূত হোৱা নাই। সত্যানুসন্ধানী ব্যক্তি গৰাকীৰ ক্ষেত্ৰত এই কথাষাৰ প্ৰযোজ্য হোৱাটো পৰিলক্ষিত হয়— A man can be crushed and not defeated. ৰাছিয়াৰ চল ঝানিটছন, ফ্ৰান্সৰ ৰুচো, ভল্টেয়াৰ আদিয়ে যুক্তিবাদী যি লেখাৰে চৰকাৰৰ ফোপোলা দিশ উদঙাই দি জনতাৰ আদৰৰ মানুহ হ'ব পাৰিছিল, কনকসেন ডেকায়ো সেই সকলৰ পদাংক অনুসৰণ কৰিয়ে যুক্তিৰ চৈতকত ধাৱমান হৈয়ে আছে। ১৯৮৩ চনত চৰকাৰে ডেকাদেৱৰ নিৰ্ভীক সৰৱ ভূমিকাত ক্ষুণ্ণ হৈ অগ্ৰদূতত বিজ্ঞাপন দিয়া বন্ধ কৰিছিল, মহন্ত চৰকাৰে এই কাকত গোষ্ঠীৰ কণ্ঠৰোধ কৰাৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰিছিল। জনসাধাৰণৰ চৈতন্যক নতুন শক্তি দিবলৈ সমৰ্থ

হোৱা কনকসেন ডেকা আৰু অগ্ৰদূত ভৱনে কিন্তু হালি নগ'ল, বৰঞ্চ পূৰ্বতকৈও অধিক বলিষ্ঠ ৰূপত অৱস্থান কৰিলে।

হতাশাগ্ৰস্ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যুৱকচামে সহজলভ্য ধন ঘটাৰ নিচিনা বহুতো নিকৃষ্ট কামৰ প্ৰতি অত্যুৎসাহী হোৱা প্ৰত্যক্ষ কৰি ডেকাদেৱে খুবেই চিন্তিত। সস্তীয়া আবেগৰ বশৱৰ্তী হৈ নিজৰ তথা ৰাজ্যখনৰ ধ্বংস মাতি অনা সকলক সুস্থ চিন্তাৰ অধিকাৰী আৰু কৰ্মোদ্যমী হ'বলৈ তেখেতে প্ৰকাশ কৰিলে "নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক" শীৰ্ষৰ গ্ৰন্থখন। যি সময়ত এই গ্ৰন্থখন প্ৰকাশ পায় তেতিয়া বিচ্ছিন্নতাবাদী ভাবধাৰাই যুৱকশক্তিৰ লগতে বহুতকে মোহগ্ৰস্ত কৰি আছিল। এক অগ্নিগৰ্ভা অৱস্থাত প্ৰকাশিত আৰু গ্ৰন্থখনত প্ৰতিফলিত যুক্তিপূৰ্ণ দৃষ্টিভঙ্গীয়ে অসমীয়া সমাজক প্ৰকৃত পথ চিহ্নিত কৰাত সহায় কৰিলে। গ্ৰন্থখনৰ বাংলা আৰু হিন্দী সংস্কৰণো কম সময়ৰ ভিতৰতে প্ৰকাশ পায়। গ্ৰন্থকাৰ ডেকাৰ যুক্তিবাদী চিন্তাৰ আভাস পাবলৈ নিম্নোক্ত কথাখিনি অনুধাৱন কৰি চাব পৰা যায়—

"(১) ঐতিহাসিক দৃষ্টিকোণৰ পৰা অতীজৰ পৰাই অসম ভাৰতৰ অঙ্গ হৈ ৰৈছে আৰু ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হোৱাৰ প্ৰৱণতা মঙ্গলজনক আৰু বাস্তৱসন্মত নহয়। (২) ১৮২৬ খ্ৰীঃৰ পূৰ্বৰ অসমখন অৱয়বৰ দিশৰ পৰা বিশাল নাছিল আৰু ব্ৰিটিছেও স্বইচ্ছাই অসম দখল কৰিবলৈ ইচ্ছুক নাছিল। (৩) অসমৰ অনগ্ৰসৰতাৰ বাবে আমি নিজেও বহু পৰিমাণে দায়ী। আধুনিক যুগৰ মানসিকতাৰ স'তে সংযোগ ৰাখি আগবাঢ়ি যাব নোৱাৰিলে আনৰ কৰুণা-দয়াৰে অগ্ৰসৰ সম্ভৱ নহয়। (৪) সমাজ বিপ্লৱৰ বাবে বিপ্লৱ আদৰণীয়, কিন্তু সন্ত্ৰাসবাদ বৰ্জনীয়। (৫) ১৮৮৪ চনত প্ৰস্তুত আৰু প্ৰকাশ হোৱা কমিউনিষ্ট ইস্তাহাৰৰ সিদ্ধান্তসমূহ ১৯৭২ চনলৈকে নিৰ্ভুল প্ৰমাণিত হ'লেও আজি এশ একুৰি বছৰ পিছত সাম্যবাদী পৃথিৱীখনৰ মৌলিক পৰিৱৰ্তনৰ ঘটনাক্ৰমে আনহাতে প্ৰমাণ কৰিছে যে সমাজ বিজ্ঞানৰ পথ গতিশীল পৰিৱৰ্তনশীল (৬) অন্ধবিশ্বাস কেতবোৰহে অপৰিৱৰ্তনীয় হৈ থাকিব পাৰে, কিন্তু সমাজতত্ত্ব সদায়েই পৰিশোধিত হৈ থাকিব।"

জাতীয় স্বাৰ্থক কনকসেন ডেকাই সদায় আগস্থান দি আহিছে, কিন্তু জাতিৰ দুৰ্বলতা, জাতি দম্ভৰ লেখীয়া ব্যাধিসমূহক সমালোচনা কৰাত তেখেতে কুণ্ঠাবোধ কৰা নাই। জাতীয় চিন্তাৰ উন্মেষ ঘটোৱাৰ উদ্দেশ্যে তেখেতৰ কলম স্তব্ধ হোৱা নাই। "অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু সামাজিক বিৱৰ্তনৰ ধাৰা, মূল্যবোধৰ অৱক্ষয় আৰু সাম্প্ৰতিক সংকট, দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক" ইত্যাদি চিন্তাগধুৰ গ্ৰন্থৰ মাজেৰে অসমীয়া সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক সমস্যাসমূহ যুক্তিৰ আধাৰত প্ৰক্ষেপণ কৰি ইয়াৰ প্ৰতিকাৰৰ বাবে বাস্তৱসন্মত পৰামৰ্শ আগবঢ়াইছে। দৃঢ় আত্মপ্ৰত্যয় থকা কনকসেন ডেকাই অসমৰ জ্বলন্ত সমস্যাসমূহ

সমাধানৰ বাবে যিবোৰ স্পষ্ট আৰু বাস্তৱধৰ্মী পৰামৰ্শ দিছে, সেইবোৰক ভাববাদী বা জাতিদম্ভত মত্ত হৈ থকাসকলে আবৰ্জনা বুলিও গণ্য কৰিব পাৰে। আমাৰ বোধেৰে কনকসেন ডেকাৰ সমাধানসূত্ৰসমূহে অসমৰ বিকাশৰ পথ সুগম কৰাত যথেষ্ট সহায়ক হ'ব। এই সন্দৰ্ভত হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ অভিমত এনেধৰণৰ—

"কনকসেন ডেকা পিছে সমালোচনা কৰিয়েই ক্ষান্ত থকা বিধৰ বুদ্ধিজীৱী নহয়। তেখেতৰ লেখাত ঠাই পোৱা প্ৰতিটো সমস্যাৰ যুক্তিপূৰ্ণ, বস্তুনিষ্ঠ সমাধানৰ সূত্ৰও আগবঢ়াইছে। বহুতে তেখেতৰ বক্তব্যৰ লগত একমত নহ'বও পাৰে—তাৰ্লৈ কনকসেনে ভ্ৰূক্ষেপ নকৰে, কাৰণ তেখেতৰ সমালোচনা আৰু পৰামৰ্শ বিশুদ্ধভাৱে উদ্দেশ্যধৰ্মী। উদ্দেশ্য হ'ল ভৱিষ্যৎ প্ৰজন্মক ৰাহুমুক্ত কৰি আধুনিক মানৱ সভ্যতাৰ যোগ্য অংশীদাৰ কৰি তোলা আৰু তাকে কৰিবলৈ গৈ তেখেতে আন্দোলনৰ বাবে আন্দোলন কৰা সংস্কৃতিৰ নিষ্ফল দিশটো বাৰে বাৰে উদঙাই দিছে।

(সাধনাৰ অন্য এক নাম কনকসেন ডেকা)

ডেকাদেৱৰ জীৱন আৰু ভাবাদৰ্শৰ প্ৰতি দৃষ্টি ৰাখোতাজনে বুজি পোৱাত কঠিন নহ'ব যে প্ৰথমে তেখেত এজন আত্ম-সমালোচক আৰু পিছতহে সমালোচক। ৮০ৰ দশকত চলা বিদেশী বিতাড়ন আন্দোলনক তেখেতে সমৰ্থন জনাইছিল। সেই সময়ত বহুতো বুদ্ধিজীৱীৰ দৰে তেখেতেও এই আন্দোলনৰ নেতিবাচক দিশৰ প্ৰতি সজাগ হ'ব পৰা নাছিল। আত্ম-সমালোচনা কৰাৰ মানসিকতা থকা হেতুকে ডেকাদেৱে অকপটভাৱে ক্ৰটি স্বীকাৰ কৰিছে। বিশ্বৰ বৰেণ্য ব্যক্তিসকলৰ জীৱনলৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে যুক্তি আৰু ভাবাবেগৰ দ্বন্দ্ব সেইসকলৰ সত্তাত নিহিত আছিল। কিন্তু সত্যানুসন্ধানীসকলে যুক্তিনিষ্ঠ হোৱাৰ ক্ষমতা আয়ত্ত কৰি মহৎ হয়। অন্ধ ভাবাবেগক জয় কৰি কনকসেন ডেকাই নিজে বিবেকবান যুক্তিবাদী হোৱাৰ লগতে জনসাধাৰণকো বাস্তৱমুখী, উন্নত চিন্তা আৰু কৰ্মৰ অধিকাৰী হ'বলৈ প্ৰেৰণা যোগাই আহিছে। নিজক সমালোচনা কৰি উন্নত চিন্তাশক্তিৰ অধিকাৰী হ'বলৈ নিৰন্তৰ প্ৰয়াস কৰা কনকসেন ডেকা গতিশীল ব্যক্তিৰ চানেকি। এনেকুৱা ব্যক্তিয়ে সমাজক বা জনচেতনাক গতিদান কৰে। আশা ৰাখিছো ৰাণা প্ৰতাপ সিংহৰ দুৰন্ত বেগী ঘোঁৰা চৈতকৰ গতিয়ে যিদৰে ৰাণাৰ জীৱন ৰক্ষা কৰিছিল, সংবাদ সূৰ্য কনকসেন ডেকাৰ যুক্তিবাদী লেখাই অসমৰ জাতীয় জীৱনক নতুন গতি দান কৰিব আৰু ৰাজ্যখনক গভীৰ সংকটৰ পৰা উদ্ধাৰ কৰাত সহায়ক হ'ব। ❑

# সংবাদ সূৰ্য কনকসেন ডেকাৰ মূল লক্ষ্য

## চৈয়দ মজিদুৰ ৰহমান

সম্ভৱ সেয়া ১৯৭৭ চন আছিল। তেতিয়া আমি চফল ডেকা, যৌবনোদ্দীপ্ত উচ্চাকাংক্ষাৰে পৃথিৱীখন নতুনকৈ দুৰ্নীতিমুক্ত, শোষণমুক্ত কৰি গঢ়াৰ সপোন দেখিছিলোঁ। সাপ্তাহিক নীলাচলৰ সম্পাদক হোমেন বৰগোহাঞিৰ লিখনিবোৰ আছিল আমাৰ প্ৰিয়। এনেতে মৰাণহাটৰ বাতৰি কাকত যোগনিয়াৰে অন্য এখন কাকত আমাক যোগান ধৰিবলৈ আৰম্ভ কৰিলে। ক'লে, 'এইখন পঢ়ক, ভাল পাব।' নামটো চালোঁ 'অগ্ৰদূত', সম্পাদকৰ নাম আছিল শ্ৰীকনকসেন ডেকা, তাৰ পূৰ্বে অৱশ্যে আমি সম্পাদকৰ নাম তেনেকৈ জনা বা শুনা নাছিলোঁ। তত্ৰাচ কাকতখন পঢ়ি ভাল পালোঁ। তাৰে কোনোবা এটা সংখ্যাত 'চৈয়দ আব্দুল মালিকৰ' সাহিত্য সম্পৰ্কীয় আলোচনা এটা প্ৰকাশ হৈছিল। অগ্ৰদূতখন তেতিয়া সাপ্তাহিক আছিল। পাছলৈহে তিনিদিনীয়া হৈছিলগৈ।

'অগ্ৰদূত'লৈ 'অভিমত' আদি শিতানলৈ দুই এখন চিঠি লিখা আৰম্ভ কৰিছিলোঁ। সেইবোৰ প্ৰকাশ হোৱাত লিখা-মেলালৈ উৎসাহ বাঢ়িছিল। 'অগ্ৰদূত'খন মই পঢ়ি অন্যান্যসকলকো পঢ়িবলৈ দিছিলোঁ, বিশেষকৈ সম্পাদকীয়টো। অগ্ৰদূতৰ জনপ্ৰিয়তা আৰু প্ৰচলন ক্ৰমাৎ বৃদ্ধি পাইছিল— বিশেষকৈ মৰাণ অঞ্চলত।

১৯৭৯-৮০ চন মানৰ পৰা অগ্ৰদূতলৈ প্ৰবন্ধ-পাতি পঠিয়াবলৈ আৰম্ভ কৰিলোঁ। নিৰুৎসাহ নকৰি সেইবোৰ প্ৰকাশ কৰিছিল, যদিও প্ৰবন্ধ-পাতিবোৰৰ ভাষা-সৌন্দৰ্যৰ গুণগত মান নিম্ন স্তৰৰ আছিল। অৱশ্যে এতিয়াও উন্নত বুলি মানসিক সন্তুষ্টি নাপালেও, উন্নত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছোঁ।

চন-তাৰিখ মনত নাই। ১৯৭৯ চনৰ ভিতৰতে হ'ব— মোৰ প্ৰথম প্ৰবন্ধ অগ্ৰদূতত প্ৰকাশিত হৈছিল— 'জাতীয়তাবাদৰ সংজ্ঞা' শীৰ্ষক এক সুদীৰ্ঘ প্ৰবন্ধমালা, ছোৱা-ছোৱাকৈ কেবাটাও সংখ্যাত সেইটো প্ৰকাশিত হৈছিল। অৱশ্যে জাতীয়তাবাদৰ ওপৰত লিখিবলৈ যথেষ্ট অধ্যয়নৰ জৰিয়তে তথ্য সংগ্ৰহ আৰু বিশ্লেষণৰ প্ৰয়োজন হৈছিল। সেইটো প্ৰকাশিত হোৱাত উৎসাহ যথেষ্ট বৃদ্ধি পাইছিল। সম্পাদকৰ সৈতে পৰিচয় হোৱা নাছিল যদিও লিখা-মেলা পঠিয়াই আছিলোঁ, তেতিয়া কাৰ্যালয় আছিল মালিগাঁওত।

১৯৮০ চন মানত কিবা সকামত গুৱাহাটীলৈ যাওঁতে মালিগাঁওৰ 'অগ্ৰদূত'ৰ কাৰ্যালয়ত প্ৰবেশ কৰিছিলোঁ। সাক্ষাৎ হৈছিল স্বৰ্গীয় চালেহউদ্দীন চৌধুৰীৰ লগত।

ক্ষন্তেক পাছতে সম্পাদকৰ কক্ষলৈ আহ্বান আহিল। সেই প্ৰথমবাৰৰ বাবে সম্পাদক কনকসেন ডেকাৰ সাক্ষাৎ পালোঁ। তেখেতে বিভিন্ন বিষয়ৰ উপদেশ দি লিখা-মেলা পঠিয়াই থাকিবলৈ পৰামৰ্শ দিছিল। মোৰ প্ৰৱন্ধ-পাতি কিহৰ ভিত্তিত নিৰ্বাচন কৰি প্ৰকাশ কৰিছিল সেয়া ভালকৈ বুজি পোৱা নাছিলোঁ। তেখেতে চাহ-মিঠাইৰে আপ্যায়িত কৰি লিখা-মেলাৰ মাননি হিচাপে টকা এশ আগবঢ়োৱাত গৰ্ব আৰু আনন্দেৰে বুকুখন ভৰি গৈছিল। কাৰণ লিখা-মেলাৰ বাবদ পোৱা সেয়াই আছিল জীৱনৰ প্ৰথম পাৰিতোষিক, সেই টকা শ খৰচ নকৰাকৈ বহু দিনলৈ সাঁচি থৈছিলোঁ।

এতিয়ালৈকে 'অগ্ৰদূত' গোষ্ঠীয়ে যথেষ্ট প্ৰসাৰতা লাভ কৰিছে। মালিগাঁৱৰ পৰা কাৰ্যালয় তুলি আনি দিছপুৰৰ কাহিলিপাৰা পথৰ দাঁতিত স্থায়ী কাৰ্যালয় নিৰ্মাণ কৰিছে, তিনিদিনীয়া অগ্ৰদূতৰ কলেৱৰ বৃদ্ধি পাইছে, 'দৈনিক অগ্ৰদূত' গুৱাহাটী-যোৰহাটৰ পৰা নিয়মিত প্ৰকাশ আৰু প্ৰচাৰ হৈ আছে, কিন্তু সম্পাদকীয় আদৰ্শ আৰু নীতি পূৰ্বৱত একেই আছে। নিৰ্ভীক লেখা আৰু সম্পাদকীয়ৰ বাবে বহু ক্ষেত্ৰত সম্পাদকে বাধা আৰু আৰ্থিক ক্ষতিৰো হয়তো সন্মুখীন হ'ব লগাত পৰিছে তথাপি সম্পাদকে নিজস্ব আদৰ্শ ত্যাগ কৰা নাই। ইতিমধ্যে অসমত বহুতো দৈনিকৰ জন্ম হৈছে, পানীৰ বুৰবুৰণিৰ দৰে ক্ষন্তেকীয়া উত্তেজনাৰ সৃষ্টি কৰি পাঠকক উন্মাদ কৰিছে, পুনৰ বুৰবুৰণি শাম কটাৰ দৰে, তেনে বাতৰি কাকতো লীন হৈ গৈছে। কিন্তু অগ্ৰদূতে নিজৰ যাত্ৰাৰ ধাৰাবাহিকতা আজিও অক্ষুণ্ণ ৰাখিছে।

অগ্ৰদূত/দৈনিক অগ্ৰদূতৰ মুখ্য আকৰ্ষণ হৈছে সম্পাদকীয় আৰু সম্পাদকীয় পৃষ্ঠাত প্ৰকাশিত প্ৰৱন্ধসমূহ। সম্পাদক ডেকাই প্ৰথিতযশা সাহিত্য চৰ্চাকাৰী অৰুণ-গোস্বামী, গোবিন্দ প্ৰসাদ শৰ্মা, ড° দেৱ প্ৰসাদ বৰুৱা আদিক নিজৰ কাকতত লিখোৱাইছে, অন্যান্য শিতানতো বিশিষ্ট ব্যক্তিসকলৰ মতাদৰ্শ প্ৰকাশ আৰু প্ৰচাৰ কৰিছে, যাৰ বাবে অসমীয়া বৌদ্ধিক মহলে অগ্ৰদূতক আঁকোৱালি লৈছে।

সুস্থ জাতীয়তাবাদী ভাবধাৰাক উদ্দীপিত কৰি, অসমীয়া জাতিটোক আগবাঢ়ি যাবলৈ সঞ্জীৱনী মন্ত্ৰ দিয়াটোৱেই কনকসেন ডেকাৰ মূল লক্ষ্য। উগ্ৰ বা ধ্বংসাত্মক সংকীৰ্ণ জাতীয়তাবাদী চিন্তা-চৰ্চা বা কৰ্মপন্থাক সমালোচনা কৰা বাবেই বহুতো তেনে ঠেক মনোবৃত্তিৰ লোকে অগ্ৰদূতক পক্ষান্তৰে সম্পাদক ডেকাক সমালোচনা কৰে। কিন্তু দূৰদৃষ্টিসম্পন্ন বৌদ্ধিক মহলৰ বাবে 'অগ্ৰদূত' অতি আদৰণীয়।

বিগত ২৭ বছৰে ভুলে-শুদ্ধই 'অগ্ৰদূত'ৰ পাতত আমি লিখি আছোঁ। সেই লিখনিবোৰে পাঠকৰ সঁহাৰি কেনেদৰে পাইছে-নাজানো, কিন্তু সম্পাদক কনকসেন ডেকাৰ প্ৰতি থকা গাঢ় শ্ৰদ্ধা আৰু ভক্তিৰ বশৱৰ্তী হৈয়েই আমি লিখি থাকো—অগ্ৰদূতলৈ প্ৰকাশৰ বাবে সেইবোৰ প্ৰেৰণ কৰি আছোঁ।

কনকসেন ডেকাক 'সংবাদ-সূৰ্য' উপাধি উপযুক্ত ভাৱেই নলবৰীয়া ৰাইজে প্ৰদান কৰিছে। আমি তেখেতৰ সুদীৰ্ঘ জীৱন আৰু কৰ্ম দক্ষতা অটুট থকাৰ কামনাৰে সৰ্বশক্তিমান সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ❑

# প্রবীণ সাংবাদিক কনকসেন ডেকাঃ এক দৃষ্টিপাত

**ড° শান্ত বৰ্মন**

সম্পৰ্কত অগ্ৰদূত কাকতৰ সম্পাদক শ্ৰদ্ধেয় কনকসেন ডেকাৰ আমি ভনীজোঁৱাই। তেখেতৰ সৰু ভনী মনোৰমাৰ লগত আমাৰ বৈবাহিক সম্পৰ্ক। পিছে আমি পৰস্পৰক পৰস্পৰে কুৰ্মা বুলিয়ে সম্বোধন কৰো। দেখা যায়, সাম্প্ৰতিক কালত নামনি অসমত এই শব্দটোৱে প্ৰাধান্য বিস্তাৰ কৰিছে। প্ৰায় অৰ্ধশতাব্দীৰ আগলৈকে ইয়াত বৈনাই, ৰৰগিৰী শব্দ দুটিৰ প্ৰচলন আছিল। ভনীৰ স্বামী বৈনাই, স্ত্ৰীৰ ককাই ৰৰগিৰী। ব্যৱহাৰিক ক্ষেত্ৰত শব্দ দুটি অধুনালুপ্ত। অৱশ্যে ইয়ে ভাষাৰ গতিশীলতা আৰু সমৃদ্ধিৰ কথাকে সূচাইছে। এতএব ইয়াত উচ্চবাচ্যৰ কথা অহা নাই।

সি যি কি নহওক, আমাৰ বিয়াৰ আঠদিন আগতে ডেকাৰ বিয়া হৈছিল (১৯ এপ্ৰিল, ১৯৬৭ চন)। মাকৰ কথা— "ছোৱালীজনী উলিয়াই দিয়াৰ আগতে বোৱাৰী এজনী আনিব লাগে"। কইনা চোৱাত আমাকো জড়িত কৰিলে। ভাবি শাহু-শহুৰৰ কথা পেলাব নোৱাৰি লগে-ভাগে থাকিলো। কইনা চোৱা হ'ল ৰঙাপাৰাত। মাকে ঠিক কৰিলে ল'ৰাক লৈ কইনা চাব (কইনাৰ) পেহীয়েকৰ ঘৰত (ৰঙিয়াত)। সিদিনা কইনাৰ পেহীয়েকৰ ডাঙৰ ল'ৰাৰ বিয়া। দিন-বাৰ ভাল। মাকে লগত এটি আঙঠি লৈ গৈছিল। মাকৰ কথামতে ল'ৰাই কইনা চালে আৰু তাতে আঙঠি পিন্ধালে। ই মাক-পিতাকৰ প্ৰতি থকা সমীহ আৰু দায়বদ্ধতাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ কথাই।

স্মৰ্তব্য যে ল'ৰা-ছোৱালীৰ বাহিজোৰা চোৱা নহ'ল, অথচ তেখেতৰ দাম্পত্য জীৱন মধুৰ, সন্তোষৰ হ'ল। প্ৰসংগক্ৰমে কথা এটি উল্লেখ কৰাৰ মোহ সামৰিব নোৱাৰিলো। মানুহৰ নে জ্যোতিষীৰ ওপৰত কি বিশ্বাস! জ্যোতিষীৰ অনুমোদন নোলোৱাকৈয়েতো বিয়াখন হৈছিল। সদ্যসমাপ্ত লোকসভাৰ বেলিকাতো দেখোন জ্যোতিষীৰ বাণী নফলিয়ালে। সি যি কি নহওক, কথা প্ৰসঙ্গত মনোৰমাই কোৱা মতে, ডেকাই ভাবি পত্নী (কইনাৰ)ৰ চৰিত্ৰদৰ্শী গল্প এটি লিখিছিল। বাস্তৱ ক্ষেত্ৰত সেয়ে হ'ল। কল্পনাৰ সাইলাখ কইনাজনীৰ লগতে তেখেতৰ বিয়া হ'ল। আধা

কাকতলীয়া সংযোগ বুলি কোৱাও টান। ই আছিল সৃষ্টিশীল মননত ভৱিষ্যৎ দ্ৰষ্টাৰ অৰ্থপূৰ্ণ বহিৰ্প্ৰকাশ।

আমি জনা-শুনা মতে, তেখেতে শিক্ষকতাক পেছা হিচাপে লৈ সৃজনীমূলক সাহিত্য চৰ্চাৰ কথা পাতিছিল। তেনেকৈয়ে আৰম্ভ কৰিছিল জীৱনকৰ্মৰ। গল্প, উপন্যাস, নাটক আৰু প্ৰবন্ধ লিখি জাতীয় সাহিত্যৰ ভঁৰাললৈ অনবদ্য বৰঙণি আগবঢ়ালে। কিন্তু সৃষ্টিশীল লেখাৰে পৰোক্ষভাৱে সামাজিক দায়বদ্ধতা পালনত সন্তুষ্ট নাথাকি শক্তিশালী গণমাধ্যম সংবাদ সেৱাৰ কাষ চাপিল। জন্ম দিলে স্ব-সম্পাদিত অগ্ৰদূত কাকতৰ।

অনুসন্ধিৎসু মাত্ৰেই জানে যে গচ্ছিত মূলধন নোহোৱাকৈ বাতৰি কাকত উলিওৱা এলাপেচা কথা নহয়, 'সাধেৰ মামলানই'। তৎসত্ত্বেও পৰম নিষ্ঠা আৰু একাগ্ৰতাৰে ডেকাই যি যাত্ৰা আৰম্ভ কৰিলে সি জয়যাত্ৰাত পৰিণত হ'ল। পষেকীয়াৰে সংবাদ জগতত প্ৰৱেশ কৰা অগ্ৰদূত ক্ৰমে সাতদিনীয়া, তিনিদিনীয়া আৰু শেষত দৈনিকলৈ উধাই সাম্প্ৰতিক কালত ই অগ্ৰদূত কাকত গোষ্ঠীত পৰিণত হ'ল। ই সাংবাদিক ডেকাৰ অক্লান্ত মনোবল, ঐকান্তিক চেষ্টা-প্ৰচেষ্টা আৰু নিৰলস সাধনাৰ ফলশ্ৰুতি। তাত সন্দেহৰ অৱকাশ নাই। উল্লেখনীয় যে প্ৰতিষ্ঠানটোৰ বুনিয়াদ গঢ়ি তোলাত ডেকাৰ পুত্ৰ-পৰিবাৰ সমন্বিতে আত্মনিয়োগ কৰি আছে। সি যি কি নহওক, মন কৰিবলগীয়া কথা যে সম্পাদক হ'ব পাৰে প্ৰসিদ্ধ সম্পাদক, স্বত্বাধিকাৰী হ'ব পাৰে চতুৰ সংগঠক। কিন্তু এজনৰ গাত দুয়োটা গুণৰ সমাবেশ ঘটা বিৰল। সাংবাদিক ডেকা তেনে এক ব্যতিক্ৰম; সেয়ে বিৰল কৃতিত্বৰ অধিকাৰী। সন্দেহ নাই, হা-হুমুনিয়াহত ভোগাসকলৰ বাবে ডেকাৰ কৰ্মনিপুণতা হ'ব পাৰে অনুপ্ৰেৰণাৰ উৎস।

ছাত্ৰাৱস্থাতে কমিউনিষ্ট আন্দোলনত জড়িত। পিছলৈ ৰাজনীতি বিজ্ঞানৰ বিস্তাৰিত অধ্যয়নে তেখেতক সামাজিক দায়বদ্ধতাৰ প্ৰতি অনুৰক্ত কৰা যেন লাগে। তেনে এক মানসিক প্ৰস্তুতিৰে সামাজিক ন্যায়ৰ বাবে মুকলিমূৰীয়াকৈ মাত মতাৰ বাবে সাংবাদিক বৃত্তিলৈ ঢাপলি মেলে বুলি ক'ব পাৰি। দেখা যায় ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আৰ্থ-সামাজিক, ৰাজনৈতিক ইছ্যুবোৰৰ সময়োচিত পৰ্যালোচনা দাঙি ধৰাৰ উপৰি আঞ্চলিক প্ৰেক্ষাপটত অসমৰ ধৰ্ম, ভাষা, জাতি-গোষ্ঠী দ্বন্দ্ব, নিবনুৱা সমস্যা আদি স্পৰ্শকাতৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত তথ্যপূৰ্ণ বিবেকী সম্পাদকীয় আগবঢ়াই নিজ বুদ্ধিমত্তাৰ পৰিচয় দিয়াৰ লগতে সংবাদ সেৱাৰ সাৰ্থকতা প্ৰতিপন্ন কৰাত কৃতকাৰ্য হৈছে। স্বাধীনোত্তৰ ভাৰতৰ গণতান্ত্ৰিক উত্তৰণ পৰিক্ৰমাত ঘটা আঞ্চলিক অনগ্ৰসৰতাৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। জ্বলন্ত সমস্যাৰ ওপৰত বলিষ্ঠ অভিমত দিবলৈ কুণ্ঠাবোধ কৰা নাই, যাৰ বাবে সাংবাদিক ডেকাই এজন নিৰ্ভীক সাংবাদিকৰ খ্যাতি অৰ্জন কৰিছে।

উল্লেখনীয় যে সংবাদপত্ৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি অভিহিত হৈছে। আন তিনিটা স্তম্ভ ক্ৰমে বিধায়িনী, কাৰ্যপালিকা আৰু ন্যায়ালয়ৰ দৰে সংবাদপত্ৰৰো বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সংবাদপত্ৰ গণতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰীৰূপে পৰিচালিত হ'লে গণতান্ত্ৰিক প্ৰমূল্যবোধ কৰিব পাৰি। গণতান্ত্ৰিক দৃষ্টিভঙ্গী গঠনত বিশেষভাৱে অৰিহণা যোগাব পাৰি। স্মৰ্তব্য যে সুস্থ গণতান্ত্ৰিক পৰম্পৰা সৃষ্টিৰ বাবে সুস্থ সাংবাদিকতা অৱশ্যম্ভাৱী। অৰ্থসৰ্বস্ব সাংবাদিকতাই দেশখন ৰসাতলে নিব পাৰে। জনগণৰ বৃহত্তৰ স্বাৰ্থ তথা সামাজিক উত্তৰণৰ লক্ষ্য আগত ৰাখি সংবাদ সেৱাত ব্ৰতী হ'লে কল্যাণকামী দেশ এখনৰ যে সৃষ্টি কৰিব পাৰি, তাত সন্দেহৰ অৱকাশ নাই। সুস্থ চিন্তাৰ অধিকাৰী সাংবাদিক ডেকাই গণতান্ত্ৰিক নিৰপেক্ষতা ৰক্ষা কৰা বাবে কাকতখন জনপ্ৰিয় হৈ আছে। ক্ৰমে জনপ্ৰিয় হৈ আহিছে স্বয়ং সম্পাদক নিজেই। ❑

# জীৱন যুঁজৰ সাৰ্থক সেনানী কনকসেন ডেকা

## প্ৰসন্ন কুমাৰ ডেকা

জুইৰ চৰু মূৰত লৈ নুপজিলেও কনকসেন ডেকাক সোণৰ চৰুত হাত দি ওপজা বুলিও ক'ব পৰা নাযায়। কনকসেন ডেকাৰ জীৱন পৰিক্ৰমা মুঠেই মসৃণ নহয় বৰং ওখোৰা-মোখোৰা আৰু সংঘাতপূৰ্ণ বুলিহে ক'ব লাগিব। ডেকাৰ জন্ম হৈছিল নলবাৰী অঞ্চলৰ প্ৰখ্যাত বেলশৰ গাঁৱৰ এটা মধ্যবিত্ত অথচ সংস্কৃতিবান পৰিয়ালত। অসীম সাহসিকতা, অদম্য একাগ্ৰতা আৰু অনন্য কৰ্ম প্ৰচেষ্টাৰে নিজক প্ৰতিষ্ঠা কৰাই নহয়, বহুতৰ বাবে কনকসেন ডেকা প্ৰেৰণাৰো আৰ্হিস্বৰূপ হৈ পৰিছে। অসমত বৰ্তমান সাপ্তাহিক কাকতৰ কথাকে নকওঁ, ভালেকেইখন দৈনিক কাকতো ওলাইছে আৰু কে'বাজনো কৃতবিদ্য সাংবাদিক তথা সম্পাদকো আমি পাইছো। কনকসেন ডেকাও এইসকলৰ অন্যতম। কিন্তু ডেকাদেৱ আৰু আনসকল সম্পাদকৰ মাজত উল্লেখযোগ্য পাৰ্থক্য বিদ্যমান। এখন বা দুখনৰ বাহিৰে আমাৰ কাকতসমূহৰ প্ৰায় আটাইখনৰে গুৰিত আছে বিত্তবান মালিক পক্ষ। অন্ততঃ নিজৰ মান ৰক্ষা কৰিব পৰাকৈ ইয়াৰ সম্পাদকসকলে বেতন বা মাননিও পায়। কনকসেন ডেকা অকল সম্পাদকেই নহয়, নিজে জন্ম দিয়া অগ্ৰদূত কাকতখনৰ মালিকো। বৰ্তমান অগ্ৰদূত অসমৰ এখন আগশাৰীৰ বহুল প্ৰচাৰিত দৈনিক কাকত আৰু তাৰ সম্পাদক তথা মালিক গৰাকী হৈ উঠিছে এটা প্ৰতিষ্ঠানো। এজন সাধাৰণ স্কুল শিক্ষকৰ পৰা এজন সফল সাংবাদিকৰূপে নিজকে প্ৰতিষ্ঠিত কৰা কনকসেন ডেকাৰ এই উত্তৰণ এক বিস্ময়কৰ ব্যতিক্ৰম স্বৰূপ। আৰু সেই চমকপ্ৰদ কাহিনী আমি শুনিছিলো নিজৰ ভৰিৰ ওপৰত নিজে থিয় হোৱা আন এগৰাকী অসম-সাহসী ব্যক্তি, কনকসেন ডেকাৰো অকৃত্ৰিম জ্যেষ্ঠ বন্ধু প্ৰয়াত হিতেশ ডেকাৰ মুখৰ পৰা।

১৯৬৩ চনত মঙ্গলদৈৰ ওচৰৰ ছিপাঝাৰ উঃ মাঃ বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰা ডেকাই ১৯৭৩ চনত শিক্ষকতা কৰিবলৈ এৰি সাংবাদিকতাৰ জগতত প্ৰৱেশ কৰে। শিক্ষক জীৱনৰ শেহৰ ফালে ১৯৭১ চনৰ আৰম্ভণিতে তেওঁ অগ্ৰদূত নাম দি এখন পষেকীয়া বাৰ্তালোচনী নিজে সম্পাদনা

কৰি নিজৰ খৰচতে ছপা কৰি উলিয়াবলৈ লয়। কাকতখনৰ শেষ পৃষ্ঠা শীৰ্ষক শিতানটো লিখাইছিল বন্ধু হিতেশ ডেকাৰ দ্বাৰাই। শিক্ষকতাৰ পৰা স্বেচ্ছাই অৱসৰ লৈ ১৯৭৩ চনত পোনতে ইয়াক সাদিনীয়া আৰু তাৰ দুবছৰ পাছত ১৯৭৫ চনৰ পৰা তিনিদিনীয়া কাকত হিচাপে গুৱাহাটীৰ মালিগাঁৱৰ পৰা প্ৰকাশ কৰিবলৈ লয়। সম্পাদনা কৰাৰ উপৰি কম্পোজ কৰা, প্ৰুফ চোৱা আদি যাৱতীয় সকলো কামৰো তদাৰক কৰিছিল ডেকাই নিজে। ১৯৯৫ চনত দিছপুৰৰ নিজৰ ঘৰ অগ্ৰদূত ভৱনৰ পৰা নিজৰ প্ৰেছতে তিনিদিনীয়া তাঙৰণটো ৰাখিও ইয়াক দৈনিক কাকত হিচাপে উলিয়াবলৈ লয় আৰু তেতিয়াৰ পৰা বৰ্তমানলৈকে ই পূৰ্ণগতি প্ৰকাশ পাই আহিছে। লগতে প্ৰকাশ পাই আহিছে শিশু আলোচনী 'অকণিৰ অগ্ৰদূত', মহিলা আলোচনী 'শ্ৰীময়ী' আৰু হাঁহিৰ থুনপাক স্বৰূপ 'চিচিংফাঁক' নামৰ ভিন্নৰুচিৰ আলোচনী। এনেকৈয়ে 'অগ্ৰদূত'খন আৰু নিজকো প্ৰতিষ্ঠিত কৰাৰ উপৰি কনকসেন ডেকাই আজি আন অনেকৰো জীৱিকাৰ উপায় কৰি দিছে।

সাহিত্য আৰু সাংবাদিকতা সমাৰ্থক নহয় যদিও সাংবাদিকতাও এক বিশেষ শ্ৰেণীৰ সাহিত্যৰূপে স্বীকৃত আৰু সমাদৃত হৈ আহিছে। আনহাতে, সংবাদ-সাহিত্যৰ উপৰি বিশিষ্ট সাংবাদিকসকলৰ কাপৰ পৰা উৎকৃষ্ট মানৰ সাহিত্যও সৃষ্টি হৈছে আৰু অসমীয়া সংবাদজগতৰো ভালেকেইজন পুৰোধা ব্যক্তিয়ে বিশিষ্ট সাহিত্যিক ৰূপেও নিজকে প্ৰতিষ্ঠিত কৰা দেখা গৈছে। কনকসেন ডেকাও এইসকলৰ মাজৰে অন্যতম। এতিয়ালৈকে তেওঁৰ তেৰখন সংবাদধৰ্মী সমালোচনামূলক গ্ৰন্থ প্ৰকাশ পাইছে। তাৰে দুখন ইংৰাজী, এখন বড়ো আৰু এখন হিন্দী ভাষাত ৰচিত। 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' শীৰ্ষক গ্ৰন্থখনৰ এতিয়ালৈ সোতৰটা সংস্কৰণ প্ৰকাশ পাইছে। অৱশ্যে সংবাদ জগতত কনকসেন ডেকা অবিসম্বাদী ব্যক্তি নহয়। নোহোৱাটোৱে স্বাভাৱিক। যিসকল ব্যক্তি নিজস্ব চিন্তা বা ধ্যান-ধাৰণাৰে পৰিপুষ্ট, প্ৰমূল্যৰ ক্ষেত্ৰত যিসকলে আপোচ কৰিবলৈ নিবিচাৰে তেনে ব্যক্তি ক্ষেত্ৰ বিশেষে বিসম্বাদী বা বিতৰ্কিত নহৈ নোৱাৰে। দৰাচলতে প্ৰকৃত সত্যৰ সন্ধান বিতৰ্কৰ দ্বাৰাইহে পাব পাৰি। কুতৰ্কহে সত্যান্বেষণৰ বাধা, বিতৰ্ক নহয়। ডেকাৰ বিশুদ্ধ সাহিত্য গ্ৰন্থৰাজিৰ ভিতৰত আছে চাৰিখন উপন্যাস, তিনিখন গল্প সংকলন, 'একাংক পঞ্চমা' বুলি পাঁচখন একাঙ্কৰ এখন নাট্য সংকলন, এখন ভ্ৰমণ কাহিনী, এখন সাহিত্য আলোচনামূলক গ্ৰন্থ আৰু ক্ৰমে 'এশখন মহৎ গ্ৰন্থ' আৰু 'এশজন মহান ব্যক্তি' শীৰ্ষক দুখন সম্পাদিত গ্ৰন্থ। তেওঁৰ এই গ্ৰন্থৰাজিয়ে পঢ়ুৱৈসকলৰ পৰাও ভাল সঁহাৰি পাইছে আৰু আমাৰ সাহিত্য ভঁৰালো সমৃদ্ধ নকৰাকৈ থকা নাই।

কনকসেন ডেকাৰ লগত মোৰ সম্পৰ্ক বৰ পুৰণিকলীয়া নহ'লেও নতুনো নহয়। অৰ্থাৎ তেওঁ মোৰ বাল্য বন্ধু নহয়, পৰিণত বয়সতহে আমাৰ মাজত বন্ধুত্ব

স্থাপন হৈছিল। তাৰো মাজৰ মানুহজন আছিল হিতেশ ডেকা। কনকসেন ডেকাৰ নাম অৱশ্যে শুনিছিলো মানুহজনক দেখাৰ পূৰ্বেই। তেওঁ ছাত্ৰাৱস্থাৰ পৰাই বামপন্থী চিন্তা-ধাৰাৰ দ্বাৰাই প্ৰভাৱান্বিত হৈছিল আৰু সমাজৰ গঠনমূলক আৰু হিতকৰ কামত নিজকে নিয়োজিত কৰিছিল। তেওঁৰ নামটোৱেও আমাৰ মনত পৰিচিতিৰ ভাব এটা জগাইছিল। আমি এসময়ত চেমনীয়া কালত তেওঁৰ খুড়াক তৰুণসেন ডেকাৰ বামপন্থী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিলো আৰু তৰুণসেন ডেকাকে ধৰি অসম আৰু বঙ্গৰো কেইজনমান কমিউনিষ্ট নেতাক নিমন্ত্ৰণ কৰি আনি হিতেশ ডেকাৰ উদ্যোগত সৰ্থেবাৰী সভাৰ খলাত এখন বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰিছিলো। সেই সূত্ৰেই বোধকৰো হিতেশ ডেকাৰ লগত কনকসেন ডেকাৰো সম্পৰ্ক গঢ় লৈ উঠিছিল। হিতেশ ডেকাৰ ঘৰতে মই এবাৰ কনকসেন ডেকাক লগো পাইছিলো। কনকসেন আছিল তেতিয়া চফল ডেকা। তাৰ পাছত তেওঁৰ লগত মোৰ আৰু সাক্ষাৎ হোৱা নাছিল আৰু তেওঁক প্ৰায় পাহৰিয়ে গৈছিলো।

১৯৬২ চনৰ শেষ ভাগৰ কথা। মই শিক্ষক পৰীক্ষাৰ্থীৰূপে প্ৰাইভেট এম.এ. পৰীক্ষা দিবলৈ সংকল্প কৰি দুমাহমানৰ কাৰণে গু.বি.ৰ অসম আৰ্হিৰ ৪ নে ৫ নং ছাত্ৰাবাসত থাকিবলৈ লৈছিলো। এদিন সাধাৰণ চুৰীয়া আৰু বগা পিৰাণ পৰিহিত, এজন ওখ-পাখ ডেকা মানুহ ছাত্ৰাবাসটোত ওলাইছিলহি। পুৰণি আবাসীসকলে মানুহজনক ঘেৰি ধৰি পৰম আত্মীয়তাৰে কিবা-কিবি কথা পাতিছিল। মানুহজনৰ কথাবোৰ আছিল বেছ পাগত উঠা। প্ৰায় প্ৰত্যেকটো কথাত হাঁহিৰ ৰোল উঠিছিল। দেখাত কিন্তু মানুহজনক ৰসিক যেন লগা নাছিল। কথা-বতৰাৰ পৰাহে বুজা গৈছিল মানুহজন দৰাচলতে 'শুষ্কং কাষ্ঠং' নহয়— 'নীৰস তৰুবৰ'হে। পাছত জানিব পাৰিছিলো মানুহজন এই ছাত্ৰাবাসৰ পুৰণি আবাসী, যোৱাটো বছৰলৈকে আছিল; নাম তেওঁৰ কনকসেন ডেকা। তেতিয়াহে মোৰ মনত পৰিছিল এই নামৰ, এনেকুৱা চেহেৰাৰ মানুহ এজনক মই হিতেশ ডেকাৰ সৰ্থেবাৰীৰ ঘৰত এবাৰ লগ পাইছিলো আৰু এয়ে সেই কনকসেন ডেকা। ইয়াৰ পাছত ১৯৭৩ চনত যেতিয়া সাদিনীয়া ৰূপত মালিগাঁৱৰ পৰা 'অগ্ৰদূত'খন উলিয়াবলৈ লয় ক'বলৈ লাগিলে তেতিয়াৰ পৰাহে কনকসেন ডেকাৰ লগত মোৰ সম্পৰ্ক ক্ৰমে গাঢ়ৰ পৰা গাঢ়তৰ হ'বলৈ ধৰে। অৱশ্যে ইতিপূৰ্বে মই যেনেকৈ হিতেশ ডেকাৰ পৰা তেওঁৰ সবিশেষ জানিছিলো তেৱোঁ হিতেশৰ পৰা মোৰ বিষয়ে অৱগত হৈছিল। হিতেশ ককায়ে তেতিয়া জালুকবাৰী হাইস্কুলত শিক্ষকতা কৰিছিল আৰু জালুকবাৰীৰে বেজপাৰাত মাটি-বাৰী কিনি ঘৰ-দুৱাৰ সাজি থাকিবলৈ লৈছিল। প্ৰায় শূন্য হাতেৰে মালিগাঁৱলৈ আহি কনকসেন ডেকাই অনেক ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়া হয়। মালিগাঁৱত প্ৰতিষ্ঠিত হোৱাত হিতেশ ডেকাই কনকসেন ডেকাক

সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াইছিল। জীৱন-সংগ্ৰামী কনকসেন ডেকাক সম্ভাষণ আৰু শুভেচ্ছা জনাবলৈ বুলি মই এদিন হিতেশৰ লগত গৈ তেওঁৰ মালিগাঁৱৰ ঘৰত ওলাওঁগৈ। তেওঁৰ তৎপৰতা আৰু কাৰ্যপ্ৰণালীয়ে মোক মুগ্ধ কৰিছিল যদিও মনে মনে মই আশঙ্কাও কৰিছিলো— পাৰিব জানো তেওঁ কাকতখন চলাই নিবলৈ? প্ৰকাশ্যে ব্যক্ত নকৰিলেও আটকালী কনকসেনে মোৰ মনৰ ভাবৰ আটকাল পায়ে নেকি গভীৰ আত্মপ্ৰত্যয় আৰু দৃঢ়তাৰে তেওঁৰ সংকল্প আৰু আঁচনিখন মোৰ ওচৰত এনেভাৱে দাঙি ধৰিছিল যে ময়ো সম্পূৰ্ণৰূপে আশ্বস্ত হৈছিলো আৰু ভালদৰে উপলব্ধি কৰিছিলো কি ধাতুৰে গঢ়া কনকসেন ডেকা বোলা এই মানুহজন! মনে মনে ভাবিছিলো প্ৰয়োজন হ'লে যি পাৰো ময়ো সহায় কৰিম। কিন্তু মোৰ সহায়ৰ প্ৰয়োজন নহ'লেই; অতি চমকপ্ৰদভাৱে এনেভাৱে কাকতখন জনপ্ৰিয় কৰি তুলিলে যে ৰাইজৰ সঁহাৰিত অচিৰেই ইয়াক সাদিনীয়া গুচি তিনিদিনীয়াকৈ উলিয়াবলৈ সক্ষম হ'ল আৰু সময়ত ইয়াক দৈনিক কৰাৰ পথতো আগবাঢ়িবলৈ ডেকাদেৱক প্ৰেৰণা যোগালে। ইতিমধ্যে দিছপুৰত আৱশ্যকীয় মাটি কিনি তাত আহল-বহল দুমহলীয়া ঘৰ সজা হ'ল। আৰু ১৯৯৫ চনত দিছপুৰৰ এই অগ্ৰদূত ভৱনৰ পৰাই দৈনিক অগ্ৰদূত প্ৰকাশ পালে। জন্ম হ'ল অসমত আৰু এখন নিৰ্ভীক অথচ জনপ্ৰিয় দৈনিক কাকতৰ। কনকসেন ডেকাৰ সপোন দিঠকত পৰিণত হ'ল। প্ৰমাণিত হ'ল 'মন কৰিলে চন হয়' বোলা আপ্তবাক্য স্বৰূপ আমাৰ সাতামপুৰুষীয়া প্ৰবচন ফাকি।

এই সকলোটি দিশলৈ চাই ক'ব পাৰি কনকসেন ডেকা জীৱন যুঁজৰ সফল সৈনিকেই নহয় বৰং সাৰ্থক সেনানীও। আমি আশা কৰিছো— অব্যাহত হৈ ৰ'ব এই সেনানীজনৰ ক্ষুৰধাৰ লেখাৰ অবাৰিত গতি। ❑

# বিহঙ্গম দৃষ্টিৰে মোৰ প্ৰিয় সাংবাদিক গৰাকী

## কামাখ্যা চৰণ ভাগৱতী

বৈচিত্ৰ্যময় অসম ৰাজ্য বিভিন্ন জাতি-ভাষা-ভাষী, ধৰ্ম আদিৰ মিলন ভূমি। সমাজ গতিশীল আৰু প্ৰগতিমুখী। সমাজক উন্নতিৰ পথত আগবঢ়াই নিব পৰা এটা মাধ্যম হ'ল সাংবাদিকতা। সংবাদ সাহিত্যই জাতি এটাক সকলো ক্ষেত্ৰতে আগবঢ়াই নিয়াত প্ৰেৰণা যোগাব পাৰে। অৰুণোদয় যুগৰ পৰা বৰ্তমান অসমৰ সংবাদ সাহিত্য যুগলৈকে যি কেইগৰাকী ব্যক্তিয়ে বাতৰি আৰু আলোচনী সম্পাদনা কৰি একোখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে, সেইসকলৰ ভিতৰত অগ্ৰদূত কাকতৰ সম্পাদক সংবাদ সূৰ্য কনকসেন ডেকা অন্যতম। বৃত্তিত সাংবাদিক কনকসেন ডেকা সংবাদ জগতৰ এটি পৰিচিত নাম। এয়া নলবাৰী জিলাৰ বাবে গৌৰৱৰ কথা। নলবাৰী জিলাৰ বেলশৰ গাঁওত ১৯৩৩ চনত জন্ম লাভ কৰা কনকসেন ডেকা কৰ্মসূত্ৰে গুৱাহাটী নগৰত নিগাজীকৈ থাকিলেও তেওঁৰ প্ৰথম পৰিচয় নলবৰীয়া। সাংবাদিক শ্ৰীসেন ডেকা আজি অসমৰ গাঁৱে-ভূঁয়ে, নগৰে-চহৰে শ্ৰদ্ধাৰ পাত্ৰ আৰু সম্মানৰ অধিকাৰী।

গৌৰীসেন ডেকা আছিল কনকসেন ডেকাৰ পিতৃ। তেওঁ বেলশৰ অঞ্চলৰ এগৰাকী সমাজহিতৈষী আৰু সম্মানীয় ব্যক্তি আছিল। মাতৃ তৰাসেন ডেকা আছিল সু-গৃহিণী। গৌৰীসেন ডেকাই ঘৰখনৰ জ্যেষ্ঠ ল'ৰা কনকসেনক সৰুৰে পৰা পঢ়া-শুনাত তত্ত্বাবধান লৈছিল। নিজ গাঁওতে তেওঁ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে। পাছত বেলশৰ এম. ই স্কুলত নাম ভৰ্তি কৰে। কৃতিত্বৰে এম, ই পৰীক্ষাত উত্তীৰ্ণ হৈ চাৰি বছৰ পাছত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰ পাছত কনকসেন ডেকাই নলবাৰী কলেজত আই, এ শ্ৰেণীত নাম ভৰ্তি কৰে। আমি বি,এ পঢ়ি থাকোতে শ্ৰীসেন ডেকা আই, এ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। তেওঁ আমাতকৈ দুই-তিনি বছৰৰ কনিষ্ঠ। সেই সময়তে জানিব পাৰিলোঁ যে কনকসেন ডেকাৰ এটি সংস্কৃতি সম্পন্ন, জাতি-বৰ্ণ-ধৰ্ম নিৰপেক্ষ সকলো লোকৰ সমাদৰ লাভ কৰা এটি পৰিয়ালত জন্ম। ইয়াৰ উপৰি জানিব পাৰিলো তেওঁ এসময়ৰ সাম্যবাদী নেতা তথা ১৯৫৭ চনৰ পৰা ১৯৬২ চনলৈ অসম চৰকাৰৰ বিধায়ক তৰুণসেন ডেকাৰ ভতিজা।

কনকসেন ডেকাদেৱে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ কিছু দিন শিক্ষকতা কৰে আৰু লগে লগে সাহিত্য চৰ্চা কৰাৰ কাৰণে মনোনিবেশ কৰে। ইতিমধ্যে এলাহাবাদ বিশ্ববিদ্যালয়ত ৰাজনীতি বিষয়ত এম.এ. পাঠ্যক্ৰমত অধ্যয়ন কৰে। তাৰ পাছত তেওঁ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজনীতি বিষয় শিক্ষক পদত ভৰ্তি হৈ ১৯৭৩ চনলৈকে উক্ত বিদ্যালয়ত চাকৰি কৰে। পাছলৈ চাকৰি বাদ দি একাণপতীয়াভাৱে মঙ্গলদৈৰ পৰা পৰেকীয়া অগ্ৰদূত বাতৰিখনৰ বহুল প্ৰচাৰত আত্মনিয়োগ কৰে।

১৯৬৭ চনত ভানুশ্ৰী ডেকাৰ লগত বিবাহপাশত আবদ্ধ হৈ সস্ত্ৰীক ডেকাদেৱে অগ্ৰদূত কাকতৰ উন্নতি আৰু প্ৰচাৰত অগ্ৰসৰ হয়। ১৯৭১ চনৰ ১ ফেব্ৰুৱাৰীত তেওঁৰ মানস পুত্ৰ অগ্ৰদূতে জন্ম লাভ কৰে। ছাত্ৰ কালৰে পৰা গাঁও উন্নয়নৰ কামত মনোনিবেশ কৰা, লগতে ছাত্ৰ নেতা হিচাপে সংগঠনৰ কামত আগ বঢ়া কনকসেন ডেকাদেৱে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা নাছিল। হাইস্কুলীয়া দিনৰে পৰা তেওঁ ঘাত-প্ৰতিঘাত, দুৰ্ভাগ্য আৰু সংঘাতকে জীৱনৰ সঙ্গী কৰি ল'ব লগা হৈছিল যদিও অনাগত ভৱিষ্যতৰ পথত অগ্ৰসৰ হৈ জীৱন যুদ্ধত সফলতা আৰ্জি এজন আদৰ্শ পুৰুষৰ ৰূপত সমাজত প্ৰতিষ্ঠিত হোৱা দেখা যায়।

১৯৭৩ চনৰ ৯ জুলাইত মঙ্গলদৈৰ পৰা গুৱাহাটীৰ মালিগাঁৱলৈ অগ্ৰদূতৰ কাৰ্যালয় স্থানান্তৰিত কৰে। ১৯৭৪ চনত অগ্ৰদূত সাপ্তাহিক হয় আৰু কিছুদিনৰ পাছতেই তিনিদিনীয়া কৰা হয়। ১৯৮০ চনৰ ১৫ আগষ্টৰ দিনা গণেশগুৰিৰ অগ্ৰদূত ভৱনলৈ অনা হয়। ১৯৮৭ চনৰ ১ জুলাইত মহিলা আলোচনী 'শ্ৰীময়ী' প্ৰকাশ পায়। পাছত দৈনিক অগ্ৰদূত আৰু অকণিৰ অগ্ৰদূতেও ভুমুকি মাৰে। আকৌ চাৰি বছৰৰ পাছত কৌতুক আলোচনী 'চিচিংফাঁক' প্ৰকাশ পায়। শ্ৰীসেন ডেকাৰ অগ্ৰদূত চাৰি খলপীয়া—পাক্ষিক, সাপ্তাহিক, অৰ্দ্ধ সাপ্তাহিক আৰু দৈনিক। তেওঁৰ দ্বাৰা সম্পাদিত এই বাতৰি কাকত আৰু আলোচনীৰ মাজেৰে বহুতো লেখক-লেখিকাই ভুমুকি মাৰিছে। অগ্ৰদূতত মাজে-সময়ে আৰু দেওবৰীয়া সংখ্যাত গল্প, কবিতা, প্ৰবন্ধ আনকি ধাৰাবাহিক উপন্যাসো প্ৰকাশ হৈ থকাটো মন কৰিবলগীয়া। অগ্ৰদূতৰ নামটোৰ অৰ্থই হৈছে— 'প্ৰথমে সম্ভেদ দিওঁতা বা পথ প্ৰদৰ্শক।' স্বকীয় চিন্তাধাৰাৰে তেওঁ বাতৰিখনৰ নাম 'অগ্ৰদূত' ৰাখে। তিনি দিনীয়া আৰু দৈনিক অগ্ৰদূতৰ পাতত তেওঁ অসমৰ সম্পদ আৰু অসমীয়া জাতিটোক আগুৱাই নিবলৈ এটা স্পষ্ট দিশ নিৰ্ণয় কৰাৰ ভূমিকা সদায় পালন কৰি আহিছে।

কনকসেন ডেকা এগৰাকী প্ৰবীণ সাংবাদিক যদিও তেওঁ এজন প্ৰতিভাবান সাহিত্যিক। জীৱনৰ বিভিন্ন সময়ত তেওঁ নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সংবাদ ধৰ্মী সমালোচনা গ্ৰন্থ, সাহিত্য বিষয়ক গ্ৰন্থ, ভ্ৰমণ কাহিনীকে ধৰি বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰণয়ন কৰে। জুলাই, নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক, Youth

in Tarmoil : Assam (ইয়াৰ অনুবাদ বাংলা, হিন্দী আৰু বড়ো ভাষাতো হৈছে), আমাৰ যুৱ সমাজ বিশ্ব বিজয় কৰিবলৈ ওলাই আহক, Assam's Crisis : Myth & Reality, অসমৰ গোষ্ঠী দ্বন্দ্ব আৰু সামাজিক বিৱৰ্তনৰ ধাৰা, মূল্যবোধৰ অবক্ষয় আৰু সাম্প্ৰতিক সংকট, আলফাৰ স্বাধীন অসম, দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক, একবিংশ শতিকাৰ অসম (সম্পাদিত) আদি সংবাদ ধৰ্মী আলোচনামূলক গ্ৰন্থ। তেওঁৰ উপন্যাসসমূহ হ'ল— লুইতক ভেটিব সিহঁতে, সূৰ্য পূবত নুঠে, টেমচ আৰু লুইত, সোণৰ পালেঙে নুশুৱায়। গল্প সংকলন হ'ল,—ৰঙীণ পৰ্দা, পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা। সাহিত্য বিষয়ক গ্ৰন্থ হ'ল— সাহিত্য আৰু জীৱন, এশখন মহৎ গ্ৰন্থ (সম্পাদিত) এশগৰাকী মহান ব্যক্তি (সম্পাদিত)। নাট্য সংকলন হ'ল একাঙ্ক পঞ্চমা। হাড়চনৰ পৰা লোহিত গঙ্গা হ'ল ডেকাদেৱৰ ভ্ৰমণ কাহিনী। সৰ্বমুঠ ২২খন গ্ৰন্থৰে তেওঁ অসমীয়া সাহিত্য ভঁৰাললৈ অৱদান আগবঢ়াইছে।

ডেকাদেৱে লিখা আৰু লগে লগে প্ৰকাশ হোৱা গ্ৰন্থসমূহে প্ৰমাণ কৰিছে যে তেওঁ সম্পূৰ্ণভাৱে সাহিত্য জগতৰ মানুহ। সাহিত্যই তেওঁৰ জীৱনৰ আধাৰ। হাইস্কুলৰ অষ্টম শ্ৰেণীতে তেওঁৰ অন্তৰত সাহিত্যৰ বীজ অঙ্কুৰিত হয় আৰু পাঁচখন একাঙ্কিকা লিখি নাট্য সংকলনখনৰ নাম দিয়ে একাঙ্ক পঞ্চমা। কুৰি শতিকাৰ পঞ্চম দশকৰ পৰাহে তেওঁ সাহিত্য চৰ্চাত সক্ৰিয়ভাৱে আত্মনিয়োগ কৰে। সত্তৰ দশকত গল্পকাৰ হিচাপে যিসকলে আত্মপ্ৰকাশ কৰে সেই গল্পকাৰসকলৰ ভিতৰত কনকসেন ডেকা নিঃসন্দেহে আগশাৰীত। অসমৰ সংবাদ জগতৰ অন্যতম পুৰোধা ব্যক্তিস্বৰূপে প্ৰতিষ্ঠিত শ্ৰীডেকাৰ গাল্পিক প্ৰতিভা মজ্জাগত। ১৯৯৬ চনত প্ৰকাশিত তেওঁৰ 'ৰঙীণ পৰ্দা' শীৰ্ষক গল্প গ্ৰন্থখন পঢ়ুৱৈ সমাজৰ দ্বাৰা সমাদৃত। শ্ৰীডেকাৰ 'পাঁচ ছেপ্টেম্বৰৰ ৰাতিপুৱা' শীৰ্ষক গল্প গ্ৰন্থখনত একুৰি তিনিটা গল্প সন্নিবিষ্ট হৈছে। অসমীয়া জাতি, অসমীয়া মানুহ আৰু অসমীয়া সংস্কৃতিৰ আধাৰত তেওঁ গল্প ৰচনা কৰে। গতিকে অসমীয়া জাতিৰ সৰ্বদিশৰ আভাস পৰিলক্ষিত হৈছে। তেওঁ সমাজ আৰু ৰাজনীতি সচেতন গল্পকাৰ।

১৯৭৯ চনত অসমত আৰম্ভ হোৱা ছাত্ৰ আন্দোলনৰ সময়ত 'অগ্ৰদূত'ৰ সম্পাদকীয় পৃষ্ঠাত তেওঁ এইদৰে লিখিছিল—'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক।' আন্দোলনৰ সময়ত 'অগ্ৰদূত'ৰ ভূমিকা সকলোতকৈ বেছি। বিগত অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ গৰ্ভত কনকসেন ডেকাৰ বলিষ্ঠ লেখাই বহু জটিল বিষয় একোটাৰ সৰল পথ-প্ৰশস্ত কৰিছিল। কনকসেন ডেকাৰ সেই সময়ৰ সম্পাদকীয়বোৰ— আৱেগেৰে সমাজ গঢ়িব নোৱাৰি, দুশ বছৰীয়া হীনমন্যতাৰ অৱসান ঘটোৱা হওক, জাতীয়তাবাদৰ বেলি লহিয়াইছে, প্ৰয়োজন আত্মসমালোচনাৰ, আলফাৰ স্বাধীন শোষণমুক্ত অসম, সন্ত্ৰাসবাদৰ শেহতীয়া গতি

বিধি, সন্ধিক্ষণত অসমীয়া জাতি সত্তা, অসমীয়াত বাহিৰে আনে অসমীয়া ভাষাক বধ কৰিব নোৱাৰে আদি কেইটামান সম্পাদকীয় অকল ভাষাৰ চাতুৰ্যতাৰ বাবে নহয়—অতি সাৱলীল আৰু হৃদয় স্পৰ্শ কৰিব পৰাকৈ লিখাত এক বিপদক্ষণত সাহসৰ অমোঘ শক্তিৰূপত পৰিণত হৈছে।

ডেকাদেৱৰ সাহিত্য সৃষ্টি আন বহুতো খ্যাতিসম্পন্ন সাহিত্যিকতকৈ কিছু সুকীয়া আৰু ব্যতিক্ৰমী। প্ৰতিটো লেখাতেই দেখিবলৈ পোৱা যায় মনৰ স্বচ্ছ চিন্তাধাৰাৰ প্ৰকাশৰ স্পষ্টবাদিতা। তেওঁৰ আমেৰিকা ভ্ৰমণ কাহিনী 'হাড্চনৰ পৰা লোহিত গঙ্গা'খন অন্যান্য ভ্ৰমণ কাহিনীতকৈ সম্পূৰ্ণ ভিন্নসুৰী। ডেকাৰ ভ্ৰমণ কাহিনীখন লিখাৰ উদ্দেশ্য কি তাৰ উত্তৰ তেওঁ এইদৰে দিছে—'আমেৰিকাৰ তুলনাত আমাৰ প্ৰাকৃতিক সম্পদ কম নহয়। সেইখন দেশৰ দৰে আমাৰো লো, কয়লা, তেল আদি খনিজ সম্পদ আছে, কিন্তু সেই সম্পদৰ সদ্ ব্যৱহাৰেৰে আমেৰিকাবাসী সমৃদ্ধিৰ শীৰ্ষত আৰোহণ কৰিছে আৰু আমি দৰিদ্ৰতাত ভুগিছোঁ।' ইয়াৰ মূল কাৰণ চৰিত্ৰ আৰু পৰিৱেশ। দুয়োটা একেটা মুদ্ৰাৰেই ইপিঠি-সিপিঠি। ভাল পৰিৱেশ গঢ়িবলৈ সু-চৰিত্ৰবান লোকৰ প্ৰয়োজন, আনহাতে সু-চৰিত্ৰবান হ'বলৈ সুস্থ পৰিৱেশৰ আৱশ্যক। নিজ দেশৰ নাগৰিকসকলক সুস্থ পৰিৱেশত সু-নাগৰিক কৰি গঢ়ি তোলাৰ উদ্দেশ্যেই ডেকাদেৱে এই ভ্ৰমণ কাহিনীখন লিখি উলিয়াইছিল।

১৯৯৬ চনত নতুন দিল্লীত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মাদাৰ টেৰেচাই কনকসেন ডেকাক ৰাষ্ট্ৰীয় নাগৰিক বঁটা প্ৰদান কৰিছে। ১৯৯৮ চনত আমেৰিকাৰ অসম এছ'ছিয়েছনৰ অধিৱেশনত মুখ্য অতিথিৰূপে ভাষণ দি শ্ৰীডেকাই সুনাম অৰ্জন কৰাত আমি গৌৰৱান্বিত হৈছোঁ।

তনু শৰীৰৰ ওখ-পাখ, হাতত ছাতি এটি লৈ শুদ্ধ বগা আৰু পৰিচ্ছন্ন সাজ-পাৰেৰে গুৱাহাটীত ভ্ৰমি ফুৰা, মিত আৰু অল্পভাষী সুমিষ্ট হাঁহিৰে সম্ভাষণ জনোৱা, অমায়িক আচৰণেৰে সহৃদয়তা গঢ়ি তুলিব পৰা ব্যক্তিজনেই হ'ল কনকসেন ডেকা। তেওঁ জাতীয়তাবাদী লোক। অত্যন্ত পৰিশ্ৰমী ন্যায়নিষ্ঠ প্ৰকাশক হোৱা কাৰণে সত্তৰ বছৰ অতিক্ৰম কৰা ডেকাদেৱ এজন ভীম কৰ্মা পুৰুষ। সহধৰ্মিণী ভানুশ্ৰী ডেকা, দুই পুত্ৰ দিগন্ত আৰু প্ৰাঞ্জল, দুই বোৱাৰী বিংকু আৰু ঈশানী, সু-পাত্ৰত অৰ্পিতা একমাত্ৰ কন্যা মাধুৰিমা আৰু নাতি-নাতিনীৰে ভৰা তেওঁৰ এখন সুখৰ সংসাৰ। পৰিয়ালৰ সকলোৱে যেন অগ্ৰদূত প্ৰতিষ্ঠানৰ একোগৰাকী নিষ্ঠাবান কৰ্মী। এওঁলোকৰ কৰ্তব্যপৰায়ণতা আৰু দক্ষতাৰ কাৰণে ডেকাদেৱ অত্যন্ত সুখী।

কনকসেন ডেকা গুৱাহাটীৰ নানা অনুষ্ঠান-প্ৰতিষ্ঠানত সক্ৰিয়ভাৱে জড়িত থকাৰ উপৰি পশ্চিম নলবাৰী অঞ্চলৰ শিক্ষা-সাংস্কৃতিক কেন্দ্ৰসমূহত সহায়-সহানুভূতি আগ বঢ়াই আছে। নিজ গাঁওত স্থাপিত বেলশৰ উচ্চতৰ মাধ্যমিক

বিদ্যালয় আৰু শ্বহীদ স্মৃতি মহাবিদ্যালয়ৰ উন্নতি কল্পে তেওঁ অশেষ চেষ্টা কৰি আছে। ১৯৯২-৯৩ চনত ডেকাদেৱ শ্বহীদ স্মৃতি মহাবিদ্যালয়ৰ পৰিচালনা কমিটীৰ সভাপতি পদতো অধিষ্ঠিত হৈছিল।

দুঃখেৰুনুদ্বিগ্নমনা ঃ সুখেষু বিগত স্পৃহঃ।
বীতৰাগ ভয় ক্ৰোধঃ স্থিতধী মুনিৰুচ্যতে।।—গীতা

দুখত যিজন অস্থিৰ নহয়, সুখলৈ যি জন স্পৃহাহীন, যিজনৰ ভয়, ক্ৰোধ, আসক্তি নাই তেওঁহে স্থিৰ বুদ্ধিৰ লোক। সহজ-সৰল, ৰাগ-খং নথকা নিৰহংকাৰী স্থিৰ বুদ্ধি সম্পন্ন সাহিত্যিক, সাংবাদিক কনকসেন ডেকা এজন শক্তিৱান অসাধাৰণ প্ৰতিভাশালী ব্যক্তি। আজীৱন সাংবাদিকতাৰ সেৱাক ব্ৰত হিচাপে লোৱা শ্ৰীসেন ডেকা অন্যতম ব্যতিক্ৰম ধৰ্মী সাংবাদিক। জীৱনেই যাৰ সংগ্ৰাম, এই সত্যক জীৱনেৰে প্ৰমাণ কৰা, শ্ৰেষ্ঠ সাংবাদিকতাৰ বাবে ড° ৰামমোহন লোহিয়া ৰাষ্ট্ৰীয় বঁটা লাভ কৰোতা 'সংবাদ সূৰ্য' কনকসেন ডেকা আমাৰ শ্ৰদ্ধাৰ পাত্ৰ। আজিৰ এই মাহেন্দ্ৰ ক্ষণত আমাৰ আন্তৰিক শুভেচ্ছা তেওঁ যেন এশটা শৰৎ অতিক্ৰম কৰি অসমীয়া জাতিৰ হকে কাম কৰি যায়। ইয়াকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি লেখা সামৰিলোঁ। ▢

# অগ্ৰদূতৰ আঁৰৰ ব্যক্তিজন

## সুনীতি দেৱী

জীৱনৰ অগ্ৰগামী জখলাৰে বগাই বগাই যি গৰাকী ব্যক্তিয়ে অসমৰ সংবাদ জগতৰ এগৰাকী একাণপতীয়া সাধক হৈ খ্যাতিৰ শীৰ্ষত আৰোহণ কৰি সৰ্বভাৰতীয় পৰ্যায়ৰ 'সংবাদ সূৰ্য' উপাধি লাভ কৰিবলৈ সক্ষম হৈছে সেইগৰাকী ব্যক্তিয়েই শ্ৰদ্ধেয় কনকসেন ডেকাদেৱ— বৰ্তমান অসমৰ এখন আগশাৰীৰ দৈনিক অগ্ৰদূতৰ আঁৰৰ ব্যক্তি। কিন্তু এই খ্যাতিৰ জখলাত আৰোহণ কৰোতে যাত্ৰা পথত বহু বাধা বিঘিনি আছিল, সেইবোৰ আঁতৰাইহে তেওঁ গন্তব্যস্থানত উপনীত হ'ব পাৰিছে। কোনে কয় প্ৰগতিৰ যাত্ৰাপথত বহুত অন্তৰায় থাকিলে— যেনে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, পাৰিবাৰিক সমস্যা প্ৰগতিৰ পথত বাধা স্বৰূপ? ব্যক্তিৰ অন্তৰত থকা প্ৰবল ইচ্ছা, সাহস আদি স্বকীয় গুণে লক্ষ্যস্থল পোৱাই দিয়ে— সেইবোৰ বাধা-বিঘিনি প্ৰবল ইচ্ছাশক্তিৰ বানপানীয়ে উটুৱাই নিয়ে। এইবোৰে প্ৰগতিৰ পথত অন্তৰায় নহয়, বৰং ব্যক্তিৰ বৌদ্ধিক শক্তিৰ উত্তৰণহে ঘটায়। তেনেবোৰ গুণ সম্পন্ন ব্যক্তি হয় দেশৰ, সমাজৰ সম্পদ। শ্ৰদ্ধেয় ডেকাদেৱে সেয়ে সংগ্ৰাম কৰি, সংগ্ৰামত জয়ী হৈ জয়মালা পিন্ধিবলৈ সক্ষম হৈছে।

শ্ৰদ্ধেয় ডেকাদেৱক বিভিন্ন সময়ত, বিভিন্ন পৰিবেশত দেখা পাইছো, কিন্তু স্বল্পভাষী মানুহজনৰ কাম আৰু কথাৰ মাজত সামঞ্জস্য থকা মানুহজনৰ আগত উচ্চ স্বৰত কথা পাতিব পৰা নাই। কিয়? ছন্দ পতনৰ ভয়ত? নহয়, যেন ভাব হয় কিবা বিসঙ্গতিপূৰ্ণ কথা কওঁ নেকি সেই ভাবতহে। তেখেতক লগ পাইছো পাৰিবাৰিক মহলত, সম্পাদকৰ টেবুলত — কিন্তু একেই ভাবত, নিৰ্লিপ্ত ভাবত। সকলোৰে মাজত থাকিও যেন একোতে নাই, এনে নিৰ্লিপ্ত, নিৰ্মোহ ভঙ্গিমাত। যেন তেখেত সুখতো নিস্পৃহ, দুখতো উদ্বিগ্ন নহয় — এনে ভাবত।

তেখেতক প্ৰথম দেখা মনত পৰে আমাৰ ছিলঙৰ ঘৰত। তেখেত তেতিয়া এলাহাবাদ বিশ্ববিদ্যালয়ত অধ্যয়নৰত যুৱক এজন। আমি তেতিয়া হাইস্কুলৰ শেষ শ্ৰেণীত হ'বলা। সৰ্বসাধাৰণ অসমীয়া ডেকাতকৈ ভালেখিনি ওখ, ক্ষীণ, ব্যাক-ব্ৰাচ কৰা এমূৰ ক'লা চুলিৰে এজন ব্যতিক্ৰমী ডেকা মানুহ। দেউতাই মাৰ আগত কোৱা শুনিছিলো, আমাৰ তাৰ গৌৰীবাবুৰ ল'ৰা (তেতিয়া সন্মানীয় ব্যক্তিসকলক বাবু বুলিছিল) এম. এ. পঢ়ি আছে। আমাৰ ঘৰৰ পুৰণা ৰীতি

অনুযায়ী ছোৱালী বা মহিলাক চিনাকি কৰি দিয়াৰ নিয়ম নাছিল। সেয়া সিমানতে অন্ত পৰিছিল। কিন্তু পিছত মোৰ ভাই কৰুণাৰ মুখত ডেকাদেৱৰ নামটো সঘনাই শুনিছিলো, আনকি কেতিয়াবা আমাৰ ঘৰলৈ অহাৰো খবৰ পাইছিলো। আৰু শুনিছিলো তেখেতে অগ্ৰদূত নামেৰে এখন পষেকীয়া কাকতো উলিয়াইছিল। আশীৰ দশকত অৰ্থাৎ ১৯৭৪-৭৫ চন মানত মই ছিপাঝাৰত চাকৰি কৰা সময়ত ছিপাঝাৰত লগ পাইছিলো। তেখেত তেতিয়া ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক আছিল আৰু প্ৰয়োজনত তেখেতৰ দুই এটা খবৰ মই তেখেতৰ মালিগাঁওৰ ঘৰত দিছিলো। তেতিয়া মালিগাঁওৰ ভাড়াঘৰত সৰু ট্ৰেডেল মেচিন এটাৰে অগ্ৰদূতৰ কাম হৈছিল, যেন এটা ঘৰুৱা উদ্যোগহে। পৰিচালিকা আছিল তেখেতৰ সুযোগ্যা পত্নী। সৰু সৰু সন্তান দুটিৰে ঘৰ চলোৱাৰ উপৰি যাৱতীয় প্ৰেছৰ কামৰ তত্বাবধায়িকা আছিল তেখেত। তাৰ পাছতহে দিছপুৰ কাহিলিপাৰাস্থ ৰোডত নিজা বাসভৱন সংলগ্ন অগ্ৰদূতৰ কাৰ্যালয় তথা কাৰখানা তুলি লৈ গৈছিল। এইখিনি কৰোতে সেই সময়ত তেখেতৰ ধৈৰ্য, শ্ৰম কৰাৰ যি মানসিকতা সি মন কৰিবলগীয়া। সাধাৰণ অসমীয়া মানুহৰদৰে চাকৰিমুখী নহৈ নিজাকৈ প্ৰেছ স্থাপন কৰি তাৰপৰা দৈনিক কাকত এখন প্ৰকাশ কৰা কম কষ্টসাধ্য কাম নহয়— আৰু তাকেই কৰি অসমীয়া ডেকাক যেনিবা শিকাইছিলহে যে চাকৰিমুখী নহৈ ব্যৱসায়-বাণিজ্য বা উদ্যোগ স্থাপন কৰিও মানুহে খাব পাৰে; কিন্তু সেইখিনি কৰিবলৈ হ'লে মূলধন হ'ব লাগিব মনৰ অদম্য ইচ্ছা শক্তি আৰু সাহস। ডেকাদেৱে সেইটো শিকনি দিব পাৰিছে অসমীয়া ডেকাক। আজি তেখেতে সেই অনুষ্ঠানত দিব পাৰিছে বহুতো যুৱক-যুৱতীক কৰ্মসংস্থান। মই অনুমানৰ ওপৰত ভৰ দি ক'ব খোজো যে অগ্ৰদূতেই তেখেতৰ ধ্যান ধাৰণা। দৈনিকখনৰ বাহিৰেও তিনিদিনীয়া অগ্ৰদূত, শ্ৰীময়ী নামৰ একমাত্ৰ মহিলাৰ বাবে মাহেকীয়া আলোচনী এখন, আনকি শিশুসকলৰ বাবেও অকণিৰ অগ্ৰদূত প্ৰকাশ কৰি মহিলা আৰু শিশুৰ কথাও চিন্তা কৰিছিল।

অগ্ৰদূত কাকত অসমত সৰ্বাধিক প্ৰচলিত জনপ্ৰিয় কাকত হিচাপে গঢ়ি উঠাত ডেকাদেৱৰ প্ৰচেষ্টা শলাগিবলগীয়া, কাৰণ জনসাধাৰণে বিচৰা সকলোখিনি খবৰেই তাত আছে। তদুপৰি অনুসন্ধিৎসু মূলক প্ৰকৃত ঘটনাৰ তথ্য সম্বলিত বাতৰিবোৰে মন আকৰ্ষিত কৰে। ইয়াৰ লগতে তেখেতৰ জ্ঞানপুষ্ট আৰু সমসাময়িক ঘটনাক লৈ লিখা সম্পাদকীয়বোৰ। এখন খবৰৰ কাগজে ন-ন লেখক-লেখিকা সৃষ্টি কৰাৰ দৰে অগ্ৰদূতৰ পাততো বহু ন ন লেখিকা আৰু লেখকৰ সৃষ্টি কৰিছে। অগ্ৰদূতৰ পাততেই হয়তো সেইকাৰণে আমাৰ নিচিনা লেখিকাইও লিখাৰ কাৰণে সুযোগ আৰু সুবিধাকণ পাইছো।

ব্যক্তিগতভাবে স্বল্পভাষী ডেকাদেৱক বাহিৰত কঠোৰ যেন লাগিলেও

অন্তৰখন সৰলতাৰে ভৰা। কাকো কোনোদিন কোনো পৰিস্থিতিতেই টান কথা ক'ব নোৱাৰিলেও কৰ্তব্যক আওকাণ কৰা কথা, কাম তেখেতে সহ্য কৰিব নোৱাৰে। পৰিয়াল-সহ সকলোৰে চিন্তা কাকতখনলৈয়ে। ইমানৰ পিছতো তেখেত কিন্তু নিজৰ অঞ্চলটোৰ প্ৰতি সততে সজাগ, আপোন অঞ্চলটোৰ মানুহবোৰৰ সমস্যাৰ বিষয়ে চিন্তা-চৰ্চা কৰে। হাড়ে-হিমজুৰে এজন 'পাক্কা অসমীয়া ডেকাদেৱৰ অসমীয়া গ্ৰাম্য খাদ্য খাৰ-টেঙা, শাক-শোকোতা আদি প্ৰিয় খাদ্য। এজন আদৰ্শ স্বামী, আদৰ্শ পিতৃ, আদৰ্শ আত্মীয় তেখেত। তেখেতৰ পত্নী ভানুশ্ৰীসেন ডেকাও এগৰাকী সাহসী আৰু আদৰ্শৱতী মহিলা। তেখেতেই বোধহয় প্ৰথম মহিলা সংবাদ পত্ৰ প্ৰকাশিকা। সাধাৰণ মহিলাৰদৰে নহৈ তেখেত কৰ্মী আৰু সাহসৰ প্ৰতিমূৰ্তি যেন। অসমীয়া সংস্কৃতি, অসমীয়া খাদ্য-খানা, বেশ-ভূষা, আচাৰ-ব্যৱহাৰ আদিৰ পৰিপোষিকা শ্ৰী আৰু শ্ৰীমতী ডেকা। এজন সাহসী, ধৈৰ্যশীল, পৰোপকাৰী, কৰ্মযোগী, দেশৰ আৰু দহৰ কাৰণে চিন্তা কৰা ব্যক্তি ডেকাদেৱ।

ডেকাদেৱে এজন লেখক হিচাপেও নিজকে প্ৰতিষ্ঠা কৰিছে। অসমৰ ডেকাশক্তিৰ বিষয়ে চিন্তা-চৰ্চা কৰি ডেকাশক্তিৰ সমস্যা সমাধান কৰিবলৈ তেখেতে লিখা 'যুক্তিৰ আধাৰত নতুন পুৰুষে নতুন সমাজ গঢ়ক' কিতাপখন অসমীয়া ডেকালৈ অমূল্য উপদেশবাণী। যুৱশক্তি যাতে অপচয় নহয় তাৰ কিছুমান নিৰ্দেশনা আছে কিতাপখনত। এশখন মহৎ গ্ৰন্থখন সম্পাদনা কৰি অসমীয়া পাঠক সমাজক বিশ্ব সাহিত্যৰ লগত পৰিচয় কৰাই দিছে।

বেলশৰ গাঁওৰ এটি আঢ্যৱন্ত আৰু সম্ভ্ৰান্ত, ৰাজনৈতিকভাৱে সচেতন পৰিয়ালত জন্মগ্ৰহণ কৰা ডেকা বামপন্থী ৰাজনৈতিক চিন্তাধাৰাৰ বাহক আছিল। ইয়াৰ কাৰণ তেখেতৰ ওপৰত পৰিয়াল আৰু গাঁওখনৰ প্ৰভাৱ পৰা বুলি ভৱাৰ থল আছে, কিয়নো তেখেতৰ গাঁওখন আৰু পৰিয়াল বামপন্থী চিন্তাধাৰাৰ পৰিপোষক আছিল এসময়ত। পিছলৈ তেখেতে ৰাজনীতি কৰি নহয় সংবাদ পত্ৰৰ দ্বাৰাই দেশ সেৱা কৰিবলৈ লয়।

ব্যক্তিগতভাৱে অতি নিৰ্জু, কিন্তু যিকোনো পৰিস্থিতিৰ লগতেই আপোচ নকৰা, সংগ্ৰামী ব্যক্তি ডেকাদেৱে শাৰীৰিকভাৱে ক্ষীণ যদিও মন অনমনীয়। তেখেতে বহু বিদেশ ভ্ৰমণ কৰি বহু অভিজ্ঞতা অৰ্জন কৰিছে। ব্যক্তিগতভাৱে তেনেকৈ লগ নাপালেও তেখেতৰ সংবাদপত্ৰৰ সম্পাদকীয়বোৰ পঢ়ি তেখেতৰ প্ৰাচীন আৰু সম-সাময়িক জ্ঞানৰ পৰিচয় পাইছো। আমাৰ অসমীয়াবোৰৰ দোষ এইটোৱেই যে তেওঁলোকে সততে মানুহৰ দোষটোহে দেখে, গুণটো নেদেখে। কিন্তু দোষে-গুণেই মানুহ। এতেকে তেখেতৰো যদি কিবা দোষ আছে, সি জুইৰ মাজৰ ফুট ছাইহে, ফুঁৱাই দিলেই উৰি যাব। আমি তেখেতৰ কৰ্মময় জীৱনৰ দীৰ্ঘায়ু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

—x—

# অসমৰ সংবাদজগতত এক অবিস্মৰণীয় নাম

## ৰোহিণী মেধি

অসমৰ সাংবাদিকতাত কনকসেন ডেকা এক অবিস্মৰণীয় নাম। অসমৰ সাংবাদিকতাৰ ডেৰশ বছৰৰ পূৰ্ণতাপ্ৰাপ্তিৰ সাম্প্ৰতিক সময়ত কনকসেন ডেকা এক বহুচৰ্চিত প্ৰাসঙ্গিক নাম, এটি বিশেষ অধ্যায়ৰ শিৰোনামা, যাৰ নামেই তেওঁৰ পৰিচয়। বিশিষ্ট সাংবাদিক গৰাকী ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান পাতি এই উপলক্ষে সম্বৰ্ধনা গ্ৰন্থ প্ৰকাশৰ বাবে আজি কিছুদিন ধৰি বৰনদী অঞ্চলৰ গঞা ৰাইজে যি প্ৰচেষ্টাৰে উদ্যোগ লৈছে আমি সৰেও তেনে গুৰুত্বপূৰ্ণ অনুষ্ঠানত ভাগ ল'বলৈ পাই সমানে গৌৰৱবোধ কৰিছো।

অসমৰ বাতৰি কাকতৰ ১৫৫ বছৰীয়া ইতিহাস ৰচনাৰে আৰু এটি নতুন শতিকাত ভৰি দিছে। সংবাদপত্ৰৰ এই বিশাল আৰু ব্যাপক পৰিসৰৰ ইতিহাসলৈ নলবাৰী জিলাই আগবঢ়োৱা কথাখিনি অতিকে তাৎপৰ্যপূৰ্ণ। ১৮৪৬ চনত প্ৰকাশিত অৰুণোদয় নামৰ সংবাদপত্ৰৰ যোগেদি ডেৰশ বছৰীয়া পুৰণি অসমৰ সংবাদপত্ৰৰ বীজ প্ৰোথিত হৈছিল যদিও 'জোনাকী' যুগলৈ নলবাৰী জিলাৰ কোনো অঞ্চলতে সংবাদ সেৱাৰ প্ৰভাব পৰিলক্ষিত হোৱা নাই। কিন্তু ১৯৫০-৫২ চনৰ পিছত মাহেকীয়া আলোচনী 'জেউতি' প্ৰকাশৰ পিছতহে নলবাৰীৰ সংবাদ সেৱাৰ ইতিহাস পোনপটীয়াকৈ আৰম্ভ হোৱা বুলি ক'ব পাৰি। অৱশ্যে এই কথাও প্ৰয়োজনীয়ভাৱে ক'ব লাগিব যে তাৰ আগে এচাম সচেতন শিক্ষিত নলবৰীয়াই বাহিৰত সংবাদ সেৱাত জড়িত হৈ পৰিছিল। তেনেচাম পূৰ্ণকালীন সাংবাদিকে জিলাৰ বাহিৰত সংবাদ সেৱাত আত্মনিয়োগ কৰি জীৱিকাৰ পথ প্ৰশস্ত কৰিছিল। নলবৰীয়া একাংশ বৰেণ্য সাংবাদিকে জিলাখনৰ বাহিৰত স্বাধীনোত্তৰ কালত সাংবাদিকতাক ব্ৰত হিচাপে দেশ তথা সমাজৰ প্ৰগতিকল্পে কাপ হাতত লৈ জনগণক সেৱাৰ কাৰ্যত অদ্যপি বলিষ্ঠ ভূমিকা লোৱাসকলৰ ভিতৰত প্ৰবীণ সাংবাদিক সতীশ চন্দ্ৰ কাকতি, বিশিষ্ট সাংবাদিক কনকসেন ডেকা আদি অগ্ৰজসকলৰ প্ৰমুখ্যে হাইদৰ হুছেইন, ৰমেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, হেমন্ত বৰ্মন,

দিলীপ চন্দন শৰ্মা, প্ৰয়াত গিৰিশ চন্দ্ৰ শৰ্মা, মুনিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, দীনেশ গোস্বামী আদি বিশিষ্টসকলক স্মৰণ কৰিব লাগিব। ইয়াৰ উপৰি নলবাৰীৰ পৰা গৈ এনে বহুকেইগৰাকী সাংবাদিকে জিলাখনৰ বাহিৰত (বিশেষকৈ গুৱাহাটী, যোৰহাট আদি ঠাইত) সংবাদ সেৱাত আত্মনিয়োগ কৰি নিষ্ঠাৰে সাংবাদিকতাৰে জনসেৱা কৰি আছে।

১৯৭১ চনৰ এক ফেব্ৰুৱাৰীৰ পৰা আজীৱন সাংবাদিক কনকসেন ডেকাই 'অগ্ৰদূত' কাকত প্ৰকাশ কৰি (গুৱাহাটীত) সেই দিন ধৰি ধাৰাবাহিকভাৱে পষেকীয়া, তিনিদিনীয়া, দৈনিক অগ্ৰদূত বাতৰি কাকত প্ৰকাশ কৰি পিছলৈ ''অকণিৰ অগ্ৰদূত' শ্ৰীময়ী, চিচিংফাঁক আদি কে'বাখনো কাকত, আলোচনী প্ৰকাশ কৰি সংবাদজগতত যি অবিস্মৰণীয় যশৰ অধিকাৰী হ'ল ই অকল সংবাদজগততে নহয় সাহিত্যজগততো গৌৰবৰ অধ্যায়ৰূপে প্ৰতিপন্ন হৈছে। ৰাষ্ট্ৰীয় আৰু জাতীয় সমস্যা সমাধানৰ আধাৰত যুক্তিনিষ্ঠতাৰে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি দৈনিক অগ্ৰদূত কাকতখনক 'অসমৰ উমৈহতীয়া মুখপত্ৰ' হিচাপে চিহ্নিত কৰাত যি অবিৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে তাৰ তুলনা নাই। নিজৰ সবল নেতৃত্ব আৰু নীতিৰ সৈতে আপোচ নকৰা এই গৰাকী বিশিষ্টই আৰম্ভণি কৰিছিল স্বাধীনোত্তৰ কালৰ প্ৰথমাৰ্ধত এক সংগ্ৰামী জীৱন স্ব-সম্পাদিত অগ্ৰদূত বাতৰি কাকতৰ জৰিযতে। সংগ্ৰামী জীৱনৰ অক্লান্ত শ্ৰম, নিৰবচ্ছিন্ন সেৱা আৰু সাধনাৰ বীজ প্ৰোথিত হৈছিল এই কাকতখনৰ মাধ্যমতে।

সমাজবাদত বিশ্বাসী গণতান্ত্ৰিক চেতনাসম্পন্ন ব্যক্তি কনকসেন ডেকাই ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহত স্পষ্ট নিৰ্মোহ পৰ্যালোচনাৰে নিজস্ব দৃষ্টিভংগী আৰোপ কৰি এগৰাকী বুদ্ধিজীৱী হিচাপে চিহ্নিত হৈছে। এই কথাত কাৰো দ্বিমত নাই। অসম আন্দোলন 'ইছ্যু', 'জনগোষ্ঠী ইছ্যু' সমূহকে ধৰি সমকালীন অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সমস্যাকে ধৰি অন্যান্য জ্বলন্ত সমস্যা মোচনত আগবঢ়োৱা নিৰপেক্ষ আৰু সবল দৃষ্টিভংগীৰ বাবে সম্প্ৰতি 'অগ্ৰদূত' কাকতখনৰ ভূমিকা নিতান্তই আশাব্যঞ্জক আৰু সুদূৰপ্ৰসাৰী বুলি পৰিগণিত হৈছে।

ইপিনে, সাংবাদিকতাৰ ধাৰাৰে নতুন মাত্ৰা দিবলৈ গৈ প্ৰণয়ন কৰা 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক', শীৰ্ষক পুথিখন প্ৰচুৰ অভিজ্ঞতাপুষ্ট সাংবাদিক অগ্ৰদূত কাকতৰ সম্পাদক কনকসেন ডেকাৰ এলানি সম্পাদকীয় নিবন্ধৰে প্ৰকাশিত পুথি। গ্ৰন্থখনত মৌলিক বিষয়বস্তুক সযত্নে উপস্থাপন কৰি ঐতিহাসিক দৃষ্টিভংগীৰে সমস্যাসমূহৰ মোকাবিলা কৰাৰ প্ৰয়াসেৰে অসমীয়া জাতীয় জীৱনক নতুন মাত্ৰা দান দিবলৈ লোৱা প্ৰচেষ্টা অতিকৈ আদৰণীয় আৰু মহৎ। পুথিখন মৌলিক চিন্তা-চৰ্চিত উল্লেখযোগ্য পুথি— সাংবাদিকতাৰ ধাৰাৰে যুগুত কৰি উলিওৱা এই পুথিখনত ডেকাই সাম্প্ৰতিক সমাজখনত সমাগত ভিন্ন

সমস্যা (ৰাজনৈতিক, আৰ্থ-সামাজিক, ভাষিক, কলা-সাংস্কৃতিক আদি) সমূহৰ যথাযথ দিশ সামৰি বহুতো প্ৰতিকূল ঘটনা-পৰিঘটনাৰ চিত্ৰৰূপ দিয়াৰ উপৰি অপ্ৰিয় সত্য ঘটনাক উদ্‌ঘাটন কৰি যি বাস্তৱ বিশ্লেষণেৰে নতুন পুৰুষক সমাজখনৰ প্ৰতি দায়বদ্ধ হ'বলৈ শিকালে— ইয়ে ডেকাক এগৰাকী আগশাৰীৰ চিন্তাবিদ হিচাপে প্ৰতীয়মান কৰিছে। অসমৰ সংবাদজগতত 'নতুন পুৰুষ যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' এখন উল্লেখনীয় দলিল— এই কথা নিঃসন্দেহে প্ৰতিষ্ঠিত। স্বীকাৰ্য যে বিগত সম্পূৰ্ণ তিনি দশকতকৈ অধিক সময়ত সাংবাদিক হিচাপে কেৱল যুক্তিনিষ্ঠতাৰ ওপৰত প্ৰাধান্য আৰোপ কৰি নিৰ্মোহ পৰ্যালোচনাৰে অসমৰ সাংবাদিকতাৰ ইতিহাসত এক 'মাইলৰ খুঁটি' হিচাপে প্ৰতিষ্ঠিত হৈ এক উল্লেখনীয় ভূমিকা লৈছে।

শেহতীয়াভাৱে বিশিষ্ট সাংবাদিক, চিন্তাবিদ কনকসেন ডেকাই ভাষা-সাহিত্যৰ পথাৰখনলৈ নতুন মাত্ৰা দান দিয়াত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। উপন্যাস চাৰিখন, গল্প সংকলন চাৰিখন, নাট্য সংকলন এখন, ভ্ৰমণ কাহিনী এখন, সাহিত্য বিষয়ক পুথি তিনিখন প্ৰকাশ কৰি উলিওৱাৰ উপৰি প্ৰায় ১৪খন সংবাদধৰ্মী সমালোচনামূলক গ্ৰন্থ সাহিত্যজগতলৈ আগবঢ়াই যি নিৰলস শ্ৰমেৰে মৌলিক গ্ৰন্থ প্ৰণয়নত উদ্যোগ লৈছে— ইয়াৰ পৰা অনুমান হয় যে কনকসেন ডেকা এগৰাকী সফল সাহিত্যিকো। সংবাদ সেৱাক উত্তৰণ ঘটাই সাহিত্যকৰ্মক জাগৰিত কৰি নতুন গ্ৰন্থ প্ৰণয়নত সফল হৈছে এইগৰাকী সাংবাদিক-সাহিত্যিকে।

একবিংশ শতিকাৰ সংবাদ ইতিহাসত সমাদৃত দলিলৰূপে অগ্ৰদূত কাকতখনৰ সম্পাদক হিচাপে সি বলিষ্ঠ পদক্ষেপেৰে অসমীয়াৰ জাতীয় স্বাৰ্থ আৰু অসমৰ সৰ্বাংগীণ উন্নয়নৰ স্বৰূপ বিশ্লেষণত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে তাৰ মূল্য অসীম— সেই কাৰণে এইগৰাকী মহান সাংবাদিকৰ নাম অসমৰ সংবাদজগতত শীৰ্ষস্থানত থাকিব।

যি নহওক, জীৱন সংগ্ৰামৰ গ্ৰন্থৰ অভিজ্ঞতাই সংবাদ সেৱাত গণতান্ত্ৰিক চেতনা আৰু প্ৰগতিশীল দৃষ্টিভঙ্গী লোৱাত ফলপ্ৰসূ হোৱা কাৰণে কনকসেন ডেকা এগৰাকী প্ৰতিভাবান আৰু সফল সাংবাদিক। কনকসেন ডেকাৰ আদৰ্শ, কৰ্মৰাজি আৰু কৃতিত্বপূৰ্ণ অৱদানসমূহৰ বাবে তেওঁৰ প্ৰতি শ্ৰদ্ধাশীল হৈ নলবৰীয়া ৰাইজে গুণগ্ৰাহিতাৰ আদৰ্শ দাঙি ধৰিবলৈ আগ্ৰহান্বিত হৈছে। এনে সময়োপযোগী সম্মিলিত প্ৰচেষ্টাই অনুজসকলক এক নতুন পথৰ সন্ধান দিব আৰু শ্ৰদ্ধাই কনকসেন ডেকাৰ জীৱন আদৰ্শ আৰু কৰ্মৰাজিৰ সাৰ্থক প্ৰতিফলন ঘটাই উত্তৰ পুৰুষক অনুপ্ৰাণিত কৰিব বুলি আমি অনুগামীসকলে আশা কৰিলো। □

# সংবাদ আৰু সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ

### বীৰেন্দ্ৰ নাথ বৰ্মন

সৰল জীৱন-যাপনেৰে উচ্চ চিন্তাৰ মহান আদৰ্শেৰে মহীয়ান সংবাদ সূৰ্য কনকসেন ডেকাৰ কৰ্মময় জীৱন যেন এক বোৱতী নদী। নীৰৱ অথচ খৰস্ৰোতা। নদীয়ে দুই পাৰৰ সমতলভূমি পলসুৱা কৰাৰ দৰে ডেকাৰ বহুমুখী প্ৰতিভাৰ কিৰণে অসমীয়া সংবাদ আৰু সাহিত্য জগত আলোকিত কৰিছে।

৭১ বছৰীয়া দীঘলীয়া জীৱন পৰিক্ৰমাত বিভিন্ন অভিজ্ঞতাৰে পুষ্ট ডেকাৰ জন্ম হয় ১৯৩৩ চনত নলবাৰী জিলাৰ বেলশৰ গাঁৱত। গ্ৰাম্যাঞ্চলৰ মুক্ত বায়ু-পানীৰ মাজেৰেই শৈশৱ-কৈশোৰ কাল অতিবাহিত কৰা ডেকাই বেলশৰ এক নম্বৰ প্ৰাথমিক বিদ্যালয়ত আনুষ্ঠানিক শিক্ষা লাভ কৰে। ১৯৫৩ চনত বেলশৰ হাইস্কুলৰ পৰা মেট্ৰিক, নলবাৰী মহাবিদ্যালয়ৰ পৰা ১৯৫৫ চনত ইণ্টাৰমিডিয়েট, কটন মহাবিদ্যালয়ৰ পৰা ১৯৫৭ চনত স্নাতক ডিগ্ৰী লাভ কৰা ডেকাই ১৯৬১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লয়।

স্কুলীয়া জীৱনৰ পৰাই ডেকাৰ অন্তৰত অংকুৰিত হয় সাহিত্য-প্ৰীতি। 'দুখীয়া' নামৰ লেখাৰে সাহিত্য জগতত প্ৰৱেশ কৰি ১৯৬০ চনত অসমীয়া ৰাজ্য ভাষাৰ বিতৰ্কৰ ওপৰত লিখি উলিওৱা 'জুলাই' নামৰ গ্ৰন্থখনেই হ'ল ডেকাৰ প্ৰথমখন প্ৰকাশিত গ্ৰন্থ। সাহিত্য-প্ৰীতিৰ লগে লগে শৈশৱৰ পৰাই তেওঁ বিপ্লৱী কমিউনিষ্টৰ আদৰ্শেৰে উদ্বুদ্ধ হয়। ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত উক্ত স্বাধীনতা দিৱস 'ক'লা দিৱস' হিচাপে পালন কৰিবলৈ ১৪ আগষ্টৰ ৰাতিপুৱাৰ পৰাই ডেকাই সহযোগীৰে সৈতে গৈ গাঁওবাসীক ঘৰৰ সন্মুখত ক'লা পতাকা উৰুৱাবলৈ অনুৰোধ জনায়। খুড়াক তৰুণসেন ডেকাৰ বিপ্লৱী আদৰ্শৰ দ্বাৰা প্ৰভাবান্বিত হৈ সেই সময়ৰ বহুকেইজন বিপ্লৱী কমিউনিষ্ট নেতাৰ সংস্পৰ্শলৈ আহি সশস্ত্ৰ বিপ্লৱৰ প্ৰতি আকৰ্ষিত হয়। স্কুলীয়া জীৱনত তেওঁ দুবাৰকৈ কাৰাবাস খাটিব লগা হয়। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছত ১৯৬৩ চনত ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে নিযুক্ত হোৱাৰ পিছত তেওঁ কৰ্মস্থলী মঙ্গলদৈ চহৰত থাকিবলৈ লয়। শিক্ষক হিচাপেও ডেকা আছিল এক আদৰ্শবান শিক্ষক। শিক্ষণ পদ্ধতিৰ মাধুৰ্যতাই ছাত্ৰ-ছাত্ৰীক অধ্যয়নত প্ৰবৃত্ত হ'বলৈ প্ৰেৰণা

দিছিল। অকপট সৰলতাৰে বিষয়বস্তুৰ গভীৰতা, জটিলতা কৌতুকপূৰ্ণ বিশ্লেষণৰ জৰিয়তে সহজ অৰ্থত উপস্থাপন কৰাৰ পাণ্ডিত্যই ডেকাক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় কৰি তোলে। এজন আদৰ্শবান শিক্ষকৰ যোগ্যতাৰ মাপকাঠি ইয়াতকৈ বাৰু কি হ'ব পাৰে?

সামাজিক অন্যায়, অনীতিৰ বিৰুদ্ধে শৈশৱৰ পৰাই ডেকাৰ অন্তৰত এক বিদ্ৰোহী সত্তাই জন্মলাভ কৰে। অপশক্তিৰ বিৰুদ্ধে যুঁজ দিয়াৰ মাধ্যমৰ সন্ধানত থকা ডেকাৰ আশা বাস্তৱত পৰিণত হয় ১৯৭১ চনৰ ৩১ জানুৱাৰীত। সেইদিনাখন ভূমিষ্ঠ হয় কনকসেন ডেকাৰ সম্পাদনাত পষেকীয়া কাকত 'অগ্ৰদূত'। ইপিনে আৰ্থিক অনাটন আনপিনে সামাজিক অপশক্তিৰ বিৰুদ্ধে যুঁজ দিয়াৰ অদম্য হেঁপাহ। সেয়েহে প্ৰবল ইচ্ছা শক্তিৰ আগত পৰাভূত হয় আৰ্থিক দৈন্যৰ হেঙাৰ। শিক্ষকতাৰ মহান দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ উপৰি সময় উলিয়াই কাকতৰ সমস্ত কাম কৰি কাকতখনৰ প্ৰকাশ অব্যাহত ৰাখে। পাঠক সমাজৰ বিপুল সঁহাৰিকে মূলধন হিচাপে লৈ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ হাবিয়াস পূৰণৰ পথত অগ্ৰসৰ হয়। তেওঁক সহযোগিতা আগবঢ়ায় তেওঁৰ সুযোগ্যা পত্নী ভানুশ্ৰী সেন ডেকাই। ১৯৭৩ চনত 'অগ্ৰদূত'ৰ কাৰ্যালয় স্থানান্তৰ হয় গুৱাহাটীলৈ আৰু পষেকীয়া অগ্ৰদূতে সাপ্তাহিক কাকতৰ ৰূপ লয়। কাকতখনৰ জনপ্ৰিয়তা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাত দায়িত্বও বাঢ়িল আৰু সেয়েহে ডেকাই ১৯৭৩ চনত চাকৰি ত্যাগ কৰি সংবাদ সেৱাতেই নিবিড়ভাৱে জড়িত হৈ পৰে। কাকতখনৰ ইতিবাচক দিশটোৱে পাঠকক বাৰুকৈয়ে আকৰ্ষিত কৰিব ধৰে। ১৯৭৫ চনত অগ্ৰদূত তিনিদিনীয়া অৰ্ধ সাপ্তাহিক কাকত হিচাপে প্ৰকাশ হয়। ক্ষুৰধাৰ লেখাৰে সমাজ সংস্কাৰ কৰাৰ কন্টকময় পথত নামি সাহসিকতাৰে যুঁজ দিয়া ডেকাই আন এক প্ৰেৰণা লাভ কৰে ১৯৯৫ চনত। পঢ়ুৱৈ সমাজৰ সঁহাৰিত অনুপ্ৰাণিত হৈ ১৯৯৫ চনত ডেকাৰ বলিষ্ঠ সম্পাদনাত জন্মলাভ কৰে দৈনিক অগ্ৰদূতে। কাকতখনে কম দিনতে সংবাদ জগতত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হয়। অসমৰ চৰ-চাপৰিকে ধৰি ভিতৰুৱা গ্ৰাম্যাঞ্চলৰ বিভিন্ন অভাৱ-অভিযোগ, সমস্যা, চৰকাৰী ভ্ৰষ্টাচাৰ-ভণ্ডামিৰ স্বৰূপ উদঙাই দেখুৱাবলৈ সফল হয় কাকতখনে। গ্ৰাম্য জীৱনৰ বিকাশ আৰু প্ৰগতিৰ বাবে বিভিন্ন শিতানত অগ্ৰদূতত প্ৰকাশিত তথ্য সমৃদ্ধ লেখাই পাঠকৰ হৃদয় দখল কৰে যাৰ বাবে কাকতখন আজি বহুলভাৱে প্ৰচাৰিত এখন দৈনিক কাকত হিচাপে সমাদৃত হৈছে। আপোচহীন দৃঢ় মনৰ ডেকাই সংবাদ সেৱাৰ গতিপথত ভিন্ন সময়ত ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছে। ১৯৮৩ চনত অনুষ্ঠিত অবৈধ নিৰ্বাচনৰ সময়ত জনগণৰ পক্ষ লোৱা বাবে তেতিয়াৰ কংগ্ৰেছ চৰকাৰ, পৰৱৰ্তী কালত আঞ্চলিকতাবাদৰ মুখা পিন্ধি সীমাহীন দুৰ্নীতি-ভ্ৰষ্টাচাৰত নিমজ্জিত অগপ চৰকাৰৰ স্বৰূপ উদঙাই দিয়াত অগপ চৰকাৰে চৰকাৰী বিজ্ঞাপন দিয়া বন্ধ কৰিছিল। প্ৰবীণ সাংবাদিকগৰাকীক কে'বাবাৰো গ্ৰেপ্তাৰ কৰাৰ লগতে কাকতখনৰ বিৰুদ্ধে

আদালতত গোচৰো তৰিছিল। প্ৰতিবাদী সত্তা নিঃশেষ কৰাৰ অপশক্তিসমূহৰ আপ্ৰাণ চেষ্টা বিফল কৰি প্ৰচণ্ড গতিত আপোচহীনভাৱে ডেকাই কলম চলাই গৈছে। নাই কোনো সংশয়, আছে মাথো ৰাজনৈতিক-সামাজিক অপশক্তিৰ পৰিকল্পনা, কৌশল মষিমূৰ কৰাৰ উদ্দেশ্য সাধনৰ লক্ষ্য। সংবাদ জগতলৈ অনবদ্য বৰঙণি আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে যোৱা ২১ মাৰ্চত নলবাৰীত অনুষ্ঠিত এক বিশাল সম্বৰ্ধনা সভাত 'প্ৰবীণ সাংবাদিক কনকসেন ডেকা সম্বৰ্ধনা সমিতি'য়ে ডেকাক সংবাদ সূৰ্য উপাধিৰে বিভূষিত কৰে।

প্ৰবীণ সাংবাদিকগৰাকীৰ অন্য এক পৰিচয় হ'ল তেওঁৰ সাহিত্য সৃষ্টি। সাংবাদিকতাৰ জৰিয়তে সমাজ সংস্কাৰৰ কণ্টকময় পথ বাছি লোৱা ডেকাই উপন্যাস, গল্পপুথি, একাংকিকা নাট, তথ্যগধুৰ গৱেষণামূলক গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰিছে। সমাজ বিৱৰ্তনৰ লগে লগে পৰিবৰ্তিত সময়ৰ বাস্তৱ ঘটনাপঞ্জীৰ আধাৰত লিখা গ্ৰন্থসমূহৰ বিষয়বস্তুৰ গভীৰতা, সংস্কাৰমূলক দৃষ্টিভংগী, ভাব প্ৰকাশত ভাষাৰ যথাযথ প্ৰয়োগ তেওঁৰ লেখাৰ অনাতম কৃতিত্ব। সূৰ্য পূবত নুঠে, লুইতক ভেটিব কোনে, টেমচৰ পৰা লুইতলৈ, সোণৰ পালেঙে নুশুৱায় নামৰ চাৰিখন উপন্যাস, ৰঙীণ পৰ্দা, পাঁচ ছেণ্টৰ ৰাতিপুৱা নামৰ গল্প সংকলন, পাঁচখন একাংকিকা নাটৰ সংকলন একাংক পঞ্চমা, এশখন মহৎ গ্ৰন্থ, এশ গৰাকী মহান ব্যক্তি, একবিংশ শতিকাৰ অসম নামৰ সম্পাদিত গ্ৰন্থ, হাডচনৰ পৰা লোহিত গংগা, সাহিত্য আৰু জীৱন, জুলাই, অসমৰ যুৱ সমাজ বিশ্ব বিজয় কৰিবলৈ ওলাই আহক, অসমৰ গোষ্ঠী-দ্বন্দ্ব আৰু সামাজিক বিৱৰ্তনৰ ধাৰা, আলফাৰ স্বাধীন অসম, নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক আদি তত্ত্বগধুৰ গ্ৰন্থকে ধৰি তেওঁৰ দ্বাৰা ৰচিত ২৪খন গ্ৰন্থৰ স্বকীয় বৈশিষ্ট্যই ডেকাৰ সাহিত্য প্ৰতিভাৰ বিৰল দৃষ্টান্ত দাঙি ধৰিছে। জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰা 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' গ্ৰন্থখন সোতৰ বাৰৰো অধিক সংস্কৰণ প্ৰকাশ কৰাটোৱে ডেকাৰ বিশাল জ্ঞানৰ গভীৰতাৰ পৰিচয় দিয়ে। গ্ৰন্থখনে সুদূৰ বংগতো আলোড়নৰ সৃষ্টি কৰে। বিষয়বস্তুৰ সামাজিক প্ৰাসংগিকতাই পঢ়ুৱৈ সমাজৰ হৃদয় জয় কৰিবলৈ সক্ষম হোৱা বাবেই 'আসামেৰ বিক্ষুব্ধ যুব সমাজ' নামেৰে বাংলা 'Youth Turmoil : Assam' নামেৰে ইংৰাজী, গৌদান, জালৈ ফেটৰা বানবুং থাইনি বহাজীং সমাজ দাথৌং নামেৰে বড়ো আৰু হিন্দী সংস্কৰণ প্ৰকাশ পায়। Assam's crisis Myth & Reality নামৰ তেওঁৰ দ্বাৰা ৰচিত অন্য এখন ইংৰাজী গ্ৰন্থও ডেকাৰ সাহিত্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। সাহিত্য প্ৰতিভাৰ উজ্জ্বল কিৰণেৰে বিটোত কনকসেন ডেকাই বৃহত্তৰ অসমীয়া জাতি গঠনত অসম সাহিত্য সভাই এক বিশিষ্ট ভূমিকা ল'ব পাৰে বুলি আন্তৰিকতাৰে বিশ্বাস কৰে। অসম সাহিত্য সভাৰ এক গুৰুত্বপূৰ্ণ পদত ডেকাক অধিষ্ঠিত কৰিলে বিভিন্ন জাতি-উপজাতি, জনগোষ্ঠীৰ মিলনভূমি অসমৰ বৃহত্তৰ অসমীয়া সমাজত

এক ইতিবাচক দিশ উন্মোচিত হ'ব বুলি বৌদ্ধিক মহলৰ মাজত চিন্তা-চৰ্চা চলাটোও পৰিলক্ষিত হৈছে। কৰ্মময় জীৱনৰ ৭১টা বছৰ অসমৰ সৰ্বাংগীণ প্ৰগতি তথা বিকাশৰ আপ্ৰাণ চেষ্টাত ব্ৰতী ডেকাক সাহিত্য সভাৰ দৰে এটি বৃহৎ গণ সংগঠনত উপযুক্ত মৰ্যাদাৰে প্ৰত্যক্ষভাৱে জড়িত কৰাৰ বাবে কৰ্মকৰ্তাসকলে প্ৰশংসনীয় পদক্ষেপ ল'লে ৰাইজে সংগঠনটোৰ প্ৰতি নিশ্চয় শলাগ ল'ব। সাহিত্যিক চৈয়দ আব্দুল মালিকৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি প্ৰচলন কৰা 'চৈয়দ আব্দুল মালিক অগ্ৰদূত বঁটা'ই ডেকাৰ সাহিত্য প্ৰীতিৰ দৃষ্টান্ত দাঙি ধৰিছে।

সামাজিক চেতনাবোধেৰে মহীয়ান ডেকাই সমাজৰ হিতৰ হকে আত্মনিয়োগ কৰি বিমল আনন্দ অনুভৱ কৰে। নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰা ৰাজ্যখনৰ যুৱক-যুৱতীসকল কৰ্মসংস্থান সম্পৰ্কত গৱেষণাৰ বাবে অগ্ৰদূত পৰিয়ালৰ পৰা পাঁচ লাখ টকাৰ দান আগবঢ়াইছে। কোকৰাঝাৰ জিলাৰ গ্ৰাম্যাঞ্চলত 'সমাজ বিকাশ পৰিষদ' নামৰ এটি সংগঠনৰ জন্ম দি ৰাইজৰ সেৱাত ব্ৰতী হোৱাটোৱে অগ্ৰদূত প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিছে। নলবাৰীক প্ৰাণভৰি ভাল পোৱা ডেকাই মৃতদেহ কঢ়িওৱা যান এখন আগবঢ়াই নলবাৰীৰ ৰাইজৰ বহুদিনীয়া এটি অভাৱ পূৰণ কৰিছে। নিজ জন্মভূমি বেলশৰ গাঁৱৰ ছহিদ স্মৃতি মহাবিদ্যালয়, বেলশৰ অতিথিশালা, জনস্বাস্থ্য কাৰিকৰী বিভাগ আদি স্থাপনৰ ক্ষেত্ৰত অন্যান্যৰ লগতে তেওঁৰো যথেষ্ট অৰিহণা আছে। তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক, সাংস্কৃতিক সংগঠনক পাৰ্যমানে সহায়-সাহায্য কৰিছে। মানবদৰদী কৰ্মযোগী পুৰুষজনাৰ জীৱনজোৰা সাধনা, প্ৰতিভা আৰু গুণ-গৰিমাৰ পূৰ্ণৰূপত এনে ধৰণৰ সীমিত পৰিসৰৰ লেখাত আলোকপাত কৰাটো তেনেই অসম্ভৱ। সেয়েহে এয়া মাথোন বিশিষ্ট সাংবাদিক, সাহিত্যিক কনকসেন ডেকাৰ বৈচিত্ৰ্যময় কৰ্মময় জীৱনৰ গুণৰাজিৰ যৎসামান্য প্ৰতিফলনহে।

সামাজিক উৎকৰ্ষ সাধনত সদা ব্ৰতী কনকসেন ডেকা কিন্তু সদায়ে প্ৰচাৰ বিমুখ। প্ৰচাৰৰ পৰা আঁতৰত থাকি কৰ্ম সাধনা অব্যাহত ৰখা ডেকাই কোনোদিনেই লালায়িত নোহোৱা সত্ত্বেও তেওঁক ১৯৯৩ চনত ৰাষ্ট্ৰীয় নাগৰিক বঁটা প্ৰদান কৰা হয়। মহীয়সী নাৰী প্ৰয়াত মাদাৰ টেৰেচাই ডেকাক সাহসিকতাৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় নাগৰিক বঁটা প্ৰদান কৰিছিল। ১৯৯৬ চনত শ্ৰেষ্ঠ সাংবাদিকতাৰ বাবে ডং ৰামমোহন লোহিয়া ৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত কৰা হয়। ৰাজ্যৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ডেকাক আন্তৰিক সম্বৰ্ধনা জনাইছে। সংবাদ আৰু সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ কনকসেন ডেকাক শেহতীয়াভাৱে নলবাৰী জিলাৰ পশ্চিম নলবাৰী প্ৰেছ গীল্ডে ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাই প্ৰতিভাবান গুণী ব্যক্তিজনাৰ প্ৰতিভা আৰু গুণক শ্ৰদ্ধা নিবেদন কৰা বাবে সংগঠনটো সদায়ে সুহৃদ ৰাইজৰ ধন্যবাদৰ পাত্ৰ হৈ থাকিব। ☐

# নৱ প্ৰজন্মৰ পথ প্ৰদৰ্শক

## ভগবান চন্দ্ৰ ডেকা

ভগবানৰ অপূৰ্ব সৃষ্টি আমি বাস কৰা পৃথিৱীখনত যুগে যুগে জন্মগ্ৰহণ কৰা মহাপুৰুষ, শিল্পী, সাহিত্যিক, দাৰ্শনিক পণ্ডিত তথা বিশ্ববৰেণ্য লোকসকলে মানৱ সমাজৰ কল্যাণৰ হকে আজীৱন সংগ্ৰাম কৰা দেখা যায়। এই সকল মহান ব্যক্তিৰ আদৰ্শৰাজিকে সাৰোগত কৰি ভৱিষ্যতৰ মানৱ সমাজখন পৰিচালিত হয়। উদাহৰণ স্বৰূপে অসমৰ দুজনা মহাপুৰুষ শঙ্কৰ-মাধৱ, বিশ্ববৰেণ্য পুৰুষ মহামানৱ মহাত্মা গান্ধী, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ মহান আদৰ্শৰাজি আজিও ভাৰতীয় সমাজৰ আদৰ্শ হিচাপে জিলিকি আছে। আমাৰ লেখাৰ কেন্দ্ৰবিন্দু সু-সাহিত্যিক, প্ৰবীণ সাংবাদিক কনকসেন ডেকাৰ অসংখ্য লেখাৰ কোঁহে কোঁহে প্ৰতিফলিত আদৰ্শৰাজিয়ে আমাৰ যুৱ সমাজ বা নৱ প্ৰজন্মক আলোকৰ সন্ধান দি ভৱিষ্যতে এখনি সমৃদ্ধিশালী সমাজ গঢ়িবলৈ, অসমৰ ভাষা-সংস্কৃতি, সাহিত্য, উদ্যোগৰ উন্নতি সাধন কৰিবলৈ প্ৰেৰণাৰ উৎস হৈ পৰিছে।

সংবাদ সূৰ্য কনকসেন ডেকাদেৱৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক আজি কেইমাহমান আগতে সাধাৰণভাৱে গঢ়ি উঠিছে। এই চমু সময়ৰ ভিতৰতে তেখেতৰ উদাৰতা, বদান্যতা আৰু শিষ্টাচাৰত মুগ্ধ হৈছোঁ। অৱশ্যে তেখেতৰ দ্বাৰা সম্পাদিত 'অগ্ৰদূত' আৰু অন্যান্য লেখাৰ মাজেৰে তেখেতক বহুদিন আগৰে পৰা চিনি পাওঁ। সাংবাদিকতাকেই জীৱনৰ ব্ৰত হিচাপে লৈ বিশাল মানৱৰ আবাস ভূমি পৃথিৱীখনকেই মানৱ সেৱাৰ ক্ষেত্ৰজ্ঞান কৰি, অহোৰাত্ৰ শ্ৰম কৰি সুখ-শান্তি আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ প্ৰগতিশীল সমাজ এখন গঢ়াৰ বাবে নিজকে বিলীন কৰি দিছে। সংবাদ মাধ্যম আৰু সমালোচনামূলক প্ৰবন্ধবোৰে প্ৰমাণ কৰিছে যে তেখেত এজন সুদক্ষ বাৰ্তাজীৱী, বুদ্ধিজীৱী, লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, সমালোচক আৰু সকলো সমস্যাৰ যুক্তিপূৰ্ণ, বাস্তৱ সমাধান দিয়া যুৱ প্ৰজন্মৰ পথ প্ৰদৰ্শক। তেখেতৰ লিখিত উপন্যাস, গল্প সংকলন, নাট্য সংকলন, ভ্ৰমণ কাহিনী আৰু জীৱনীমূলক গ্ৰন্থৰ কোঁহে কোঁহে সমৃদ্ধিশালী, সুশোভিত সমাজ এখন গঢ়াৰ সোণালী সূৰুযৰ ৰঙীণ ৰেঙণি বিৰাজমান। আমি তেখেতৰ কিয়দংশ লেখাৰ আলোচনা আগবঢ়াইছোঁ— যি লেখাসমূহে নৱ প্ৰজন্মক বা আজিৰ যুৱ সমাজক পথৰ সন্ধান দিব পাৰে। বিশেষকৈ তেখেতৰ দ্বাৰা সম্পাদিত 'দৈনিক অগ্ৰদূত'ৰ সম্পাদকীয়ৰাজিয়ে

প্ৰতিদিনে আমাৰ সন্মুখত সৃষ্টি হোৱা সমস্যাবোৰৰ যুক্তিপূৰ্ণ ব্যাখ্যা দি বাস্তৱসন্মতভাৱে ইয়াৰ সমাধানৰ উপায় দাঙি ধৰিছে।

ডেকাদেৱৰ দ্বাৰা সম্পাদিত 'একবিংশ শতিকাৰ অসম'ত শিক্ষিত যুৱ সমাজ আৰু নতুন প্ৰজন্মক উদ্বুদ্ধ কৰি একবিংশ শতিকাত অসমক পৃথিৱীৰ অন্যতম ভূস্বৰ্গত পৰিণত কৰাৰ বাস্তৱসন্মত ইঙ্গিত দিছে। ইয়াৰ বাবে লাগিব প্ৰতিজন যুৱক-যুৱতীৰ আত্মবিশ্বাস, কঠোৰ শ্ৰম কৰাৰ মানসিকতা আৰু নিজৰ মগজুৰে কাম কৰাৰ মনোভাব। চাকৰিৰ পিছে পিছে দৌৰি ফুৰা, অযথা চ'কত, চাহ দোকানত আড্ডা দিয়া মনোভাব ত্যাগ কৰি স্বাৱলম্বী হোৱাৰ মহামন্ত্ৰ গ্ৰহণ কৰিব লাগিব। তেখেতে উদাহৰণ দিছে সম্ভ্ৰান্ত পৰিয়ালত জন্মগ্ৰহণ কৰিও বিদেশী ইংৰাজ চৰকাৰৰ অধীনত নিজৰ সুখ-স্বাচ্ছন্দ্যৰ বাবে চাকৰি নকৰি দেশৰ উজ্জ্বল ভৱিষ্যতৰ বাবে মহামানৱ মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৱে নিজৰ মগজুৰে কাম কৰি দেশৰ স্বাধীনতাৰ হকে নানা নিৰ্যাতনৰ মাজেৰেও কঠোৰ শ্ৰম কৰি বিশ্ববৰেণ্য পুৰুষত পৰিণত হ'ল। বহিৰ্জগতৰ দ্বাৰা প্ৰভাৱান্বিত হৈ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিয়ে অসমীয়া ভাষাক সাহিত্যৰ ভাষালৈ ৰূপান্তৰিত কৰিলে। মাণিক চন্দ্ৰ বৰুৱা, ভোলানাথ বৰুৱা প্ৰভৃতিয়ে নিজৰ মগজু আৰু কঠোৰ শ্ৰমেৰে ব্যৱসায় কৰি ভাৰতীয় ব্যৱসায়ীৰ ঈৰ্ষাৰ পাত্ৰ হৈছিল। চাহ উদ্যোগৰ দ্বাৰা মণিৰামে ইংৰাজৰ টোপনি হৰণ কৰিছিল। এইসকল লোকে বুজিছিল—আন দেশে যদি স্বাধীনতাৰ বাবে যুঁজ কৰিব পাৰে, তেনেহ'লে ভাৰতীয়ই কিয় নোৱাৰিব। অতীতত সকলো দিশতে স্বাৱলম্বী অসমত আজিও পেট্ৰলজাত সামগ্ৰী, কৃষি উদ্যোগ, কুটীৰ শিল্প, পৰ্যটন ব্যৱসায়-বাণিজ্যৰ প্ৰচুৰ সম্ভাৱনা আছে। ইতিহাসত সোণালী আখৰেৰে লিখিত অনেক লোকৰ উদাহৰণেৰে বৰ্তমানৰ প্ৰজন্মক কৰ্ম বিমুখতা পাহৰি, নিজৰ যুক্তি বুদ্ধিৰে ব্যৱসায়-বাণিজ্য, শিল্প উদ্যোগ আদিত নিয়োজিত হোৱাৰ বাবে ডেকাদেৱে হিয়া উজাৰি আহ্বান জনাইছে। বৰ্তমান অসমৰ গোষ্ঠীগত দ্বন্দ্ব আৰু সন্ত্ৰাসবাদৰ মূল কাৰণ হ'ল অৰ্থনৈতিক অনগ্ৰসৰতা।

'আলফাৰ স্বাধীন অসম' নামৰ পুথিত সাহসী ডেকাদেৱে আত্ম নিয়ন্ত্ৰণ সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰিছে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিভিন্ন জাতি-গোষ্ঠীয়ে আত্ম নিয়ন্ত্ৰণৰ বাবে কৰা বিপ্লৱৰ ফলাফল দাঙি ধৰিছে। 'ৰাষ্ট্ৰ সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ; কিন্তু জাতি আৰু ৰাষ্ট্ৰ একে নহয়।' উল্লিখিত লেখাটোৰ আলমতে মনীষী বাৰ্ট্ৰেণ্ড ৰাছেল, হিগেন, মাৰ্ক্সৰ ৰাষ্ট্ৰ সম্পৰ্কীয় অভিমতৰ ব্যাখ্যা দাঙি ধৰিছে। উগ্ৰ জাতীয়তাবাদে যে মানুহৰ হিতাহিত জ্ঞান শূন্য কৰি পশুৰ স্তৰলৈ লৈ যায় আৰু শেষত আত্মঘাতী হয় তাৰো অসংখ্য উদাহৰণ দাঙি ধৰিছে। ইয়াৰ পৰা আমাৰ নতুন প্ৰজন্মই সুপথৰ সন্ধান নাপাবনে?

'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' পুথিত দূৰদৰ্শিতাৰ অভাৱত আবেগিক আন্দোলন কৰি আমাৰ ৰাজ্যখনলৈ বিপদ মাতি অনাৰ বহুতো উদাহৰণ ইয়াত আছে। সেয়েহে নতুন পুৰুষে আবেগৰ বশৱৰ্তী নহৈ যুক্তিৰ আধাৰত নতুন সমাজ গঢ়াৰ সংকল্প গ্ৰহণ কৰিবলৈ কোৱা হৈছে আৰু হিংসা, বিচ্ছিন্নতাবাদক প্ৰশ্ৰয় নিদিবলৈ কোৱা হৈছে।

'আমাৰ যুৱ সমাজ বিশ্ববিজয় কৰিবলৈ ওলাই আহক' নামৰ পুথিত অসমত ঔপনিবেশিক শোষণ চলা বুলি প্ৰায়েই চৰ্চিত বিষয়টোৰ ওপৰত আলোকপাত কৰিছে। 'উপনিবেশৰ অৰ্থ শক্তিশালী দেশ এখনে দুৰ্বল দেশ এখনৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰি নিজ দেশলৈ ধন-সোণ লৈ যোৱাটোকে বুজায়'। আমি আমাৰ ৰাজ্যখনৰ ওপৰত কেন্দ্ৰৰ শোষণ চলা বুলিও কওঁ। এটা সময়ত মেঘালয়ে অসমীয়া লোকে শোষণ চলোৱা বুলিও কৈছিল।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা আহি অসমত ব্যৱসায় কৰা মাৰোৱাৰী বা আন ৰাজ্যৰ কিছু লোকে অসমত স্থায়ীভাৱে বসবাস কৰি কঠোৰ শ্ৰমৰ দ্বাৰা নিজৰ তথা ৰাজ্যখনৰ লোকৰ বাবে বিভিন্ন সামগ্ৰী সৰবৰাহ কৰে। শ্ৰমিকৰ অভাৱত বিহাৰী বা আন ৰাজ্যৰ লোক অসমলৈ আহি ৰিক্সা চলোৱা, চুলি কটা, জোতা পালিচ কৰা, পায়খানা চাফা কৰা, কাপোৰ ধোৱা, ইস্ত্ৰী কৰা, ট্ৰাকৰ পৰা মাল উঠোৱা-নমোৱা আদি কামত ব্যস্ত হয়। সেই সকলৰ অবিহনে আমি এদিনো চলিব নোৱাৰো। অথচ কেতিয়াবা কেতিয়াবা এই শ্ৰেণীৰ শ্ৰমিক বা ব্যৱসায়ীৰ বিৰুদ্ধেও আমি যুদ্ধংদেহী মনোভাব গ্ৰহণ কৰোঁ। সেই সময়ত অসমৰ বাহিৰত বা বিদেশত কৰ্মৰত অসমীয়া মানুহখিনিৰ অৱস্থা কেনে হ'ব পাৰে আমি ভাবোনে? ভাৰতত চলি থকা আবেগিক আন্দোলন সম্পৰ্কত প্ৰখ্যাত মাৰ্কিন অৰ্থনীতিবিদ আৰু এসময়ৰ ভাৰতৰ ৰাষ্ট্ৰদূত গলব্ৰেইথৰ এশাৰী কথা ডেকাদেৰে মনত পেলাই দিছে। গলব্ৰেইথে কৈছিল—'অন্য একো কাম নাথাকিলে ভাৰতীয় লোকে ভাষাৰ ক্ষেত্ৰত, খাদ্য সমস্যাৰ ক্ষেত্ৰত, গো-হত্যা নিবাৰণৰ বাবে বা অন্য কোনো এটা ভিত্তি লৈ আন্দোলন কৰে বা সাম্প্ৰদায়িক সংঘৰ্ষত লিপ্ত হয়'। অথচ মূল্যবৃদ্ধি, নিবনুৱা সমস্যা সমাধান, নিৰক্ষৰতা দূৰ কৰা আদি জ্বলন্ত সমস্যাবোৰৰ ওপৰত বিশেষ গুৰুত্ব নিদিয়ে। বিভিন্ন আন্দোলনৰ কিছুমান নেতাই আকৌ বিনাশ্ৰমে পিছ দুৱাৰেদি ধন ঘটা দেখা যায়। আজিৰ যুৱকে শ্ৰমৰ মৰ্যাদা উপলব্ধি কৰাৰ সময় সমাগত। কামৰ কোনো সৰু-বৰ নাই। সেয়ে অসমীয়া যুৱকসকলে ওপৰত উল্লেখ কৰা কামবোৰ যদি আগ্ৰহেৰে কৰিবলৈ লয় তেতিয়া হ'লে নিবনুৱা সমস্যা বহুখিনি আঁতৰিব। তেতিয়া অন্য ৰাজ্যৰ পৰা কঠোৰ শ্ৰম কৰিবলৈ শ্ৰমিক অহাটো বন্ধ হ'ব। অসমীয়াসকল স্বাৱলম্বী হোৱাত এখোজ আগবাঢ়ি যাব। নিজাকৈ নোৱাৰিলেও সমবায় ভিত্তিত ব্যৱসায়-বাণিজ্য কৰিব পৰা যায়। তেতিয়া আনক ঠগোৱা স্বভাৱটো এৰিব লাগিব।

'মূল্যবোধৰ অৱক্ষয়'ত ডেকাদেৱে কৈছে—'মূল্যবোধৰ পৰিবৰ্তন সামাজিক অগ্ৰগতিৰ পৰিচায়ক।' অসমৰ ভাষা-সাহিত্য, সংগীত-কলা লাভ কৰাৰ মূলতে আমাৰ পূৰ্বপুৰুষসকলৰ সাধনাৰ ফলস্বৰূপ। অথচ অসমত মূল্যবোধৰ অৱক্ষয় হ'ব ধৰিছে।

জ্ঞানী-গুণী সাহিত্যিক, সমালোচক, শিল্পীসকলৰ বিৰুদ্ধে কুৎসা ৰটনা কৰি এচাম দুষ্কৃতিকাৰীয়ে সমাজ জীৱনলৈ ফেচিবাদ অৰ্থাৎ স্বাধীন চিন্তাৰ নাগৰিকৰ বিজুতি নাইকিয়া কৰিবলৈ অহৰহ চেষ্টা চলাইছে। 'গণতন্ত্ৰত ব্যক্তিৰ বিকাশেই সকলো ধৰণৰ মানবীয় কল্যাণৰ উৎস'। ইয়াৰ বাবে ব্যক্তি স্বাধীনতা আৰু সকলো ক্ষেত্ৰতেই যুক্তিৰ প্ৰয়োগ নিশ্চিত হ'ব লাগিব।

সেয়ে আমাৰ শিক্ষিত যুৱ সমাজে দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দি সংস্কৃতি বা সংস্কৃতিৰ ধ্বজাবাহকসকলক ৰক্ষা কৰিব লাগিব। ইতিহাসে আমাক এই কথা শিকাইছে।

'হাড্চনৰ পৰা লোহিত গংগা' ভ্ৰমণ কাহিনীটোৰ দ্বাৰা ডেকাদেৱে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ জনগণৰ কৰ্তব্যনিষ্ঠা আৰু শ্ৰমৰ মৰ্যাদা সম্পৰ্কে সম্যক আভাস দিবলৈ প্ৰয়াস কৰিছে। উক্ত ৰাষ্ট্ৰৰ জনবহুল নগৰী নিউয়ৰ্কৰ মাজেৰে কে'বাটাও ভাগত বিভক্ত হৈ বৈ যোৱা হাড্চন নৈৰ মধুৰ দৃশ্যাৱলী, এই নদীৰ পানী বিশুদ্ধ কৰি ৰখাৰ সচেতনতা, দুয়োপাৰৰ গছ-গছনিৰ নিৰাপত্তাৰ কথা উল্লেখ কৰিছে। যুক্তৰাষ্ট্ৰৰ উন্নত শাসন প্ৰণালীয়ে নাগৰিকসকলক স্বাৱলম্বী হোৱাৰ, কৰ্তব্য পৰায়ণ হোৱাৰ পৰিৱেশ দিছে। কায়িক বা মানসিক শ্ৰমৰ বা ব্যক্তিত্বৰ মাজত পাৰ্থক্য নাথাকে। হাইস্কুলীয়া শিক্ষা শেষ কৰাৰ পিছতেই ৰাজনৈতিক নেতা, ধনী-দুখীয়াৰ সন্তানসকলেও স্বাৱলম্বী হোৱাৰ মানসেৰে উচ্চ শিক্ষা লৈ থকাৰ মাজতেই হোটেল, বাছ আস্থান বা অন্য ঠাইত দুই-এঘণ্টা চাকৰি কৰি স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰে। ৰাতিপুৱা ৫ বজাৰ পৰা ৰাতি ১২ বজালৈ ৰুটিন মাফিক কামৰ মাজেৰে অগ্ৰসৰ হয়। অবাবত আড্ডা দি সময় নষ্ট কৰাটো যুৱ সমাজে কল্পনা নকৰে। আমাৰ যুৱ সমাজে, নতুন প্ৰজন্মই এই আদৰ্শ গ্ৰহণ কৰিলে অসম 'সোণৰ অসম' নহবনে? ❑

# জ্যোতিষৰ দৃষ্টিত সংবাদ সূৰ্য কনকসেন ডেকা

## ৰবীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

১৯৯১ চনৰ ছেপ্টেম্বৰৰ আঠ তাৰিখে গন্ধিয়া জ্যোতিষ পৰিষদৰ পৰা প্ৰকাশ কৰিবলগীয়া তিনিমহীয়া জ্যোতিষ আলোচনী 'সপ্তৰ্ষি'ৰ প্ৰস্তাৱনা সংখ্যা গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নাৰেঙ্গী উচ্চ-মাধ্যমিক বিদ্যালয়ত উন্মোচন কৰা হৈছিল। উন্মোচন কৰিছিল সু-সাহিত্যিক ৺ডঃ হেমন্ত কুমাৰ শৰ্মাদেৱে। মুখ্য অতিথি আছিল কটন কলেজৰ প্ৰাক্তন অধ্যাপক ডঃ অখিল শৰ্মা আৰু সভাপতিৰ আসন গ্ৰহণ কৰিছিল সেই সময়ৰ নাৰেঙ্গী উচ্চ-মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ শৰ্মাদেৱে।

উক্ত আলোচনীখনৰ উন্মোচনী সভালৈ আমন্ত্ৰণৰ বাবে সম্পাদক হিচাপে মই (ৰবীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য) আৰু সহঃ সম্পাদক নাৰেঙ্গীৰ ডাঃ অৱনী মোহন শৰ্মা, জ্যোতিষ ভাস্কৰ গৈছিলোঁ তিনিদিনীয়া 'অগ্ৰদূত'ৰ কাৰ্যালয়লৈ, সম্পাদক কনকসেন ডেকাক লগ ধৰিবলৈ। সেই সময়ত ডেকাদেৱে সু-সাহিত্যিক ৺হিতেশ ডেকাসহ কথা পাতি আছিল। আমাৰ পৰিচয় দাঙি ধৰাত বহিবলৈ দি ৺ডেকাৰ লগত পৰিচয় কৰাই দিছিল। আমাৰ লগত আলোচনা হৈছিল। 'কালপুৰুষ পূৰ্ণাঙ্গ পঞ্জিকা' আৰু 'সপ্তৰ্ষি' আলোচনীৰ বিষয়ে। শ্ৰদ্ধেয় কনকসেন ডেকাদেৱে পঞ্জিকাখন প্ৰকাশকক নিদি গন্ধিয়া জ্যোতিষ পৰিষদে নিজে উদ্যোগলৈ প্ৰকাশ কৰিলে আমি বিশেষ উপকৃত হম বুলি আমাক উপদেশ দিছিল। আনহাতে, 'সপ্তৰ্ষি' আলোচনীখনৰ উন্মোচনী অনুষ্ঠানৰ দিনাখন বেলেগ কামত নিয়োজিত থাকিব লগা হেতুকে উন্মোচনী সভাত যোগদান কৰিব নোৱাৰে বুলি ব্যক্ত কৰাৰ লগতে 'সপ্তৰ্ষি'ৰ বিজ্ঞাপন এটা বিনামূলীয়াকৈ তিনিদিনীয়া অগ্ৰদূত কাকতত প্ৰকাশ কৰিব বুলি নিজেই কৈ আমাক উৎসাহিত কৰিছিল। এয়াই আছিল আমাৰ অগ্ৰদূত ভৱনত পদাৰ্পণৰ প্ৰথম দিন আৰু শ্ৰদ্ধেয় ডেকাদেৱৰ লগত প্ৰথম সাক্ষাৎ। বেলশৰ হাইস্কুলত (বৰ্তমান উচ্চতৰ মাধ্যমিক) পঢ়া সূত্ৰে ডেকা পৰিয়ালৰ কেবাজনৰো লগত আমাৰ বন্ধুত্ব আৰু আত্মীয়তা আছিল। তদুপৰি মাজে-সময়ে বেলশৰত দেখা পালেও ডেকাদেৱৰ লগত কথা পতাৰ সৌভাগ্য আমাৰ হোৱা

নাছিল। আমাৰ গন্ধিয়া গাঁৱৰ কাষতে লগা বেলশৰৰ ডেকা জনপ্ৰিয় গল্পলেখক হিচাপে আমি পঢ়া সময়ত গৌৰৱ অনুভৱ কৰিছিলোঁ।

ইয়াৰ পাছত ১৯৯২ চনৰ সাত ফেব্ৰুৱাৰীত গন্ধিয়া জীৱানন্দ জ্যোতিৰ্বিদ্যালয়লৈ সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী ৺ হিতেশ্বৰ শইকীয়াদেৱ আহোতে তেখেতৰ লগত শ্ৰদ্ধেয় কনকসেন ডেকাদেৱো আহিছিল। আমি বিদ্যালয়ৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীৰ লগতে আটায়কে স্বাগতম জনাইছিলো। ইয়াৰ পাছত সুদীৰ্ঘকাল আমি তেখেতক কায়িকভাৱে দেখা নাপালেও তেখেতৰ 'দৈনিক অগ্ৰদূত' কাকতৰ মাজেদি যেন দেখা পাই আছো; কাৰণ 'দৈনিক অগ্ৰদূত' কাকত প্ৰকাশৰ আৰম্ভণীৰে পৰা উক্ত কাকতৰ আমি গ্ৰাহক হৈ আছোঁ।

বন্ধুবৰ যাদৱ যেন ডেকাদেৱে অলপতে আমাক এটা শুভসংবাদ জনালে যে, পশ্চিম নলবাৰী প্ৰেছ্ গীল্ডৰ দ্বাৰা 'সংবাদ সূৰ্য কনকসেন ডেকা' নামৰ গ্ৰন্থ এখন প্ৰকাশৰ লগতে ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাবলৈ প্ৰস্তুতি চলাইছে। লেখা এটা লাগে। আমি কনকসেন ডেকাদেৱৰ নামৰ ওপৰত ভিত্তি কৰি সংখ্যা জ্যোতিষৰ আধাৰত তেখেতৰ ভাগ্যবিচাৰ কৰি আমাৰ ক্ষুদ্ৰ লেখা এটা আগবঢ়ালোঁ।

## SRI KANAK SEN DEKA

| | |
|---|---|
| S-3, বৃহস্পতি | 42 = 4 + 2 = 6 শাসক সংখ্যা। |
| R-2, চন্দ্ৰ | এই ৬ সংখ্যাৰ সূচকগ্ৰহ শুক্ৰ।অৰ্থাৎ জাতকৰ জীৱনত |
| I-1, ৰবি | শুক্ৰ গ্ৰহই প্ৰভাৱ বিস্তাৰ কৰিব। |
| K-2, চন্দ্ৰ | ৰ—4 |
| A-1, ৰবি | চ—4 |
| N-5, বুধ | বু—4 |
| A-1, ৰবি | বৃ—2 |
| K-2, চন্দ্ৰ | ৰা--1 |
| S-3, বৃহস্পতি | মুঠ-15 = 1+5= 6 শুক্ৰৰ সংখ্যা। |
| E-5, বুধ | শুক্ৰ হ'ল সৰ্বশাস্ত্ৰ প্ৰবক্তা। জাগতিক সুখ, ঐশ্বৰ্যৰ কাৰক |
| N-5, বুধ | গ্ৰহ। শুক্ৰৰ প্ৰভাৱত জাতকৰ উদ্ভাৱনী শক্তি, উচ্চ বিদ্যা |
| D-4, ৰাহু | লাভ, যানবাহন লাভ, সুন্দৰ গৃহাদি লাভৰ কাৰক হয়। |
| E-5, বুধ | শুক্ৰই জাতকক কলাবিদ্যাত অনুৰাগী, লেখক, নাট্যকাৰ |
| K-2, চন্দ্ৰ | হিচাপে যশ প্ৰতিষ্ঠা কৰে। গতিকে দেখা গ'ল যে শাসক |
| A-1, ৰবি | গ্ৰহ শুক্ৰই জাতকক জীৱনত উক্ত ফলসমূহ প্ৰদান |
| মুঠ 42 | কৰিছে। |

আনহাতে জাতকৰ জীৱনত ৰবি, চন্দ্ৰ, বুধ গ্ৰহৰ প্ৰভাৱ পৰিছে। ৰবিৰ প্ৰভাৱত জাতকে মান-সন্মান, প্ৰতিষ্ঠা, যশ লাভ কৰিছে। ৰবিয়ে জাতকক

আত্মবিশ্বাসী, আত্মসম্মানী, দয়াপ্ৰৱণ, নেতৃত্বশীল কৰি তুলিছে। চন্দ্ৰৰ প্ৰভাৱত জাতক ধীৰ-স্থিৰ, সহানুভূতিশীল, আদৰ্শবাদী, সাধু প্ৰকৃতিৰ, গাৰ্হস্থ্য জীৱনত সফল হৈছে।

বুধৰ প্ৰভাৱত জাতক পাণ্ডিত্যপূৰ্ণ, বাগ্মী, বাণিজ্য নিপুণ, সংবাদ পত্ৰ, ছপাকাৰ্যৰ লগত জড়িত, সাহিত্যিক, বিচাৰ-বিশ্লেষণশীল, লেখক, সম্পাদক, প্ৰকাশক হিচাপে প্ৰতিষ্ঠিত হৈছে। বুধৰ প্ৰভাৱতে জাতকে শিক্ষকতা বৃত্তিৰ লগতো জড়িত হৈছিল।

গুৰুৰ প্ৰভাৱ ২ হোৱা হেতু জাতকে আনৰ ওপৰত প্ৰভুত্ব, পৰিচালকত্ব কৰিব পাৰিছে। চৰকাৰী উচ্চপদস্থ বিষয়া, মন্ত্ৰী আদিৰ ওপৰতো আধিপত্য বিস্তাৰ কৰাৰ যোগ। গুৰুই জাতকক জ্ঞানী, সত্যবাদী, কৃতীসন্তান লাভ, ধৰ্ম, নিজ কৰ্ম আৰু সাধনাৰ পিনে আগুৱাই লৈ গৈছে। আনহাতে, ৰবি-চন্দ্ৰ-বুধতকৈ গুৰু কিছু দুৰ্বল হোৱাত জাতকে ৰাজনৈতিক আৰু অধ্যাপনাৰ দিশত আগুৱাত সফল হোৱা পৰিলক্ষিত হোৱা নাই।

ৰাহুৰ প্ৰভাৱ ১ হোৱাত জাতকৰ ওপৰত ৰাহুই কিছু প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছে। ৰাহু দুঃখ-কষ্টৰ কাৰক গ্ৰহ হেতু জাতকে জীৱনত কিছু দুঃখ-কষ্ট, পৰিবৰ্তশীল কৰ্ম, ভ্ৰমণৰ সুযোগ পাইছে। বিদেশ ভ্ৰমণৰ কাৰক গ্ৰহ ৰাহুৰ প্ৰভাৱতে জাতকে নিজ দেশৰ বাহিৰেও বিদেশ ভ্ৰমণৰো সুবিধা পাইছিল।

শেষত আমি শ্ৰদ্ধেয় ডেকাদেৱৰ সাহিত্য-সংস্কৃতি দিশৰ উন্নতি আৰু দীৰ্ঘজীৱন কামনা কৰি সামৰিলোঁ। ☐

# প্ৰবীণ সাংবাদিক, চিন্তানায়ক কনকসেন ডেকা

হৰেন্দ্ৰ নাথ শৰ্মা

অসমৰ সংবাদ জগতৰ পুৰোধা ব্যক্তি কনকসেন ডেকা বৌদ্ধিক-শৈক্ষিক সমাজৰ মাজত বেচ সৰবৰহী। সৰবৰহী এগৰাকী সাংবাদিক-সাহিত্যিক, সমাজ-সচেতক, সমাজসেৱী আৰু চিন্তানায়করূপে। নলবাৰী কলেজত অধ্যাপনা কামত সোমোৱাৰ পিছতে অগ্নিবক্তা তৰুণসেন ডেকাৰ লগত চা-চিনাকি হৈছিলোঁ। বিয়াল্লিছৰ গণ-বিপ্লৱৰ যুঁজাৰু হিচাপে মোৰ দাদা কৃষ্ণ নাথ শৰ্মাৰ লগত তেখেতৰ সৌহাৰ্দ্য গঢ়ি উঠিছিল। সেই সূত্ৰে অধিবক্তা সেন ডেকাক মই দাদা বুলি মাতো; বিনিময়ত ভাতৃ সদৃশ আদৰ-চেনেহ পাই আহিছোঁ। অধিবক্তা সেন ডেকা অকল বিয়াল্লিছৰ আন্দোলনৰ যুঁজাৰুয়ে নাছিল, সেই সময়ৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা আছিল আৰু সশস্ত্ৰ বিপ্লৱী হৈ পৰিছিল। সশস্ত্ৰ বিপ্লৱত তেখেতে লোৱা অগ্ৰগণী ভূমিকাৰ কথা স্বাভাৱিকতে মোৰ জানিবলৈ মনত কৌতূহল জন্মিছিল। এদিন তেনে কথা-বতৰাৰ প্ৰসংগত ভতিজাক কনকসেন ডেকাৰ কথা পোন প্ৰথমে জনিছিলোঁ। কিন্তু 'অগ্ৰদূত'ৰ জন্মৰ লগে লগে তেখেতৰ নামটো বেচ চিনাকি হৈছিল।

জনামতে, ছাত্ৰ কালতে কনকসেন ডেকাই মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ তেখেত সমৰ্থক আছিল, অস্ত্ৰ চালনাৰ প্ৰশিক্ষণ লৈছিল আৰু দলৰ কৰ্মীসকললৈ সহায়-সহযোগিতা আগবঢ়াইছিল। ইয়াৰ বাবে তেখেতে কাৰাবৰণ কৰিবলগীয়া হৈছিল। কৈশোৰ কালতে এনেদৰে তেখেতে সংগ্ৰামী চেতনাৰে উদ্বুদ্ধ হৈছিল। কিন্তু অস্ত্ৰ হাতত লৈ সশস্ত্ৰ বিপ্লৱত লাগি থাকি ছাত্ৰ কাল পাৰ কৰি দিলে প্ৰকৃত জীৱন গঢ়ি তোলা যে দুৰূহ হ'ব সেই কথা উপলব্ধি কৰিছিল নিশ্চয়। সেয়ে পঢ়া-শুনাৰ প্ৰতি মনোযোগী হৈ শেষত এম এ উপাধি লাভ কৰি অধ্যয়ন-চিন্তন-মনন আৰু প্ৰাচ্য-পাশ্চত্য জ্ঞানাৰ্জনেৰে নিজে নিজৰ জীৱন কৰ্মক্ষম কৰি তুলিছে। সংগ্ৰামী সেন ডেকাই অস্ত্ৰ পৰিহাৰ কৰি নিজৰ, সমাজৰ, দেশৰ উন্নয়ন-উত্তৰণৰ হকে অস্ত্ৰতকৈও শক্তিশালী কাপ হাতত তুলি লৈ যি সংগ্ৰাম কৰি আহিছে আজিও সি স্থবিৰ হোৱা নাই।

শিক্ষকতাকে পেছা হিচাপে লৈ কনকসেন ডেকাই কৰ্ম-জীৱন আৰম্ভ কৰিছিল যদিও পিছত নিষ্ঠা আৰু ঐকান্তিকতাৰে সাংবাদিকতাতে মনোনিৱেশ কৰিলে। ইয়ে তেখেতৰ পেছা হ'ল। বিভিন্ন মাধ্যমৰ দ্বাৰা দেশৰ, বিশ্বৰ খা-খবৰ পোৱা গ'লেও সংবাদ পত্ৰৰ গুৰুত্ব অধিক। সংবাদ পত্ৰৰ যোগেদি পৰিবেশিত হয় দেশৰ সাম্প্ৰতিক ঘটনা-সমস্যাৰ প্ৰকৃত খবৰ। কিন্তু অসত্য, অতিৰঞ্জিত, অপপ্ৰচাৰৰ দ্বাৰা পঢ়ুৱৈক বিভ্ৰান্ত, উত্তেজিত কৰা অনুচিত। তদুপৰি সংবাদ পত্ৰৰ সম্পাদকীয়ত পোৱা যায় দেশত, সমাজত দেখা দিয়া সমস্যা, ঘটনাৰ উত্থাপন আৰু সম্পাদকৰ নিজস্ব ধ্যান-ধাৰণা সম্বলিত সেইবোৰৰ সমাধানৰ ইংগিত। সেইদৰে দলগত, স্বাৰ্থগত, গোষ্ঠীগত চিন্তাৰ উৰ্ধ্বত থাকি প্ৰকৃত সত্যাসত্য নিৰ্ণয়েৰে বাতৰি পৰিবেশন কৰাই সংবাদিকৰ দায়িত্ব, কৰ্তব্য। সংবাদ পত্ৰত পৰিবেশিত বাতৰিৰ নিয়ন্ত্ৰণ আৰু সাময়িক সমস্যা বা ঘটনাপ্ৰবাহৰ ওপৰত সম্পাদকীয়—দুয়োটাৰে প্ৰধানকৈ দায়িত্ব ন্যস্ত হৈ থাকে সম্পাদক গৰাকীৰ ওপৰত। কনকসেন ডেকাই সংবাদ পত্ৰৰ গুৰুত্ব আৰু সম্পাদকৰ দায়িত্ব বাৰুকৈয়ে যে উপলব্ধি কৰিছিল তেত্ৰিছ বছৰীয়া 'অগ্ৰদূত'ৰ অগ্ৰগতি আৰু জনপ্ৰিয়তাই তাৰ প্ৰমাণ। ১৯৭১ চনত প্ৰকাশিত পযেকীয়া 'অগ্ৰদূত' পিছত সাপ্তাহিক, তাৰ পিছত তিনিদিনীয়া আৰু শেষত 'দৈনিক অগ্ৰদূত' হ'ল। 'অগ্ৰদূত'ৰ এনে সাফল্যৰ মূলতে প্ৰতিষ্ঠাপক, সম্পাদক কনকসেন ডেকা।

কনকসেন ডেকা এগৰাকী সাহসী, নিৰ্ভীক, নিৰপেক্ষ, সংযত, সহনশীল সাংবাদিক। বিগত ত্ৰিছ বছৰে অসমত উদ্ভৱ হোৱা সমস্যা, সাময়িক ঘটনা, আন্দোলন, সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ওপৰত তেখেতে লিখা সম্পাদকীয় 'অগ্ৰদূত'ত প্ৰকাশ পাইছে। তেখেতৰ চিন্তা-মত কাৰোবাৰ গ্ৰহণযোগ্য নহ'ব পাৰে, তাতে তেখেতে ভ্ৰূক্ষেপ কৰা নাই। তেখেতৰ চিন্তা-মত যদি কেতিয়াবা শুদ্ধ হোৱা নাই বুলি উপলব্ধি কৰিছে অকপটচিত্তে তাক স্বীকাৰ কৰি উচ্চ মনৰ পৰিচয় দিছে। কোনোৱে যদি ভাবুকি দিছে, ভয়-শংকাত সৈমান হৈ পৰা নাই। শোষণ-নিষ্পেষণ, অন্যায়-অবিচাৰ, দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি আহিছে।

দেশৰ উন্নয়ন-উত্তৰণ, অস্তিত্বৰক্ষণ, ৰক্ষণাবেক্ষণ প্ৰভৃতি উদ্ভূত সমস্যা সমাধানৰ মূল আধাৰ যে নতুন পুৰুষ, যুৱ সমাজ সেই কথা চিন্তানায়ক সেন ডেকাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে। সেন ডেকা এগৰাকী কৰ্ম-সংস্কৃতিৰ পৃষ্ঠপোষক-কৰ্মযোগী। কৰ্ম বিমুখিতাৰ প্ৰতি তেখেতৰ মন বীতশ্ৰদ্ধ। নিয়ত চিন্তা-কৰ্মেৰে যুৱ সমাজে দেশৰ প্ৰগতিৰ সৌধ নিৰ্মাণ কৰিবলৈ সমৰ্থ হ'ব পাৰিব বুলি তেখেত আশাবাদী। সামাজিক, ৰাজনৈতিক চেতনাৰে উদ্বুদ্ধ সেন ডেকা দেশ প্ৰেমিক, অসম প্ৰেমিক। অসমৰ নতুন পুৰুষ, যুৱ সমাজৰ প্ৰতি গভীৰ আস্থাশীল। 'অগ্ৰদূত'ত নতুন পুৰুষ, যুৱ সমাজলৈ লক্ষ্য কৰি ভালেমান সম্পাদকীয় প্ৰকাশ

কৰিছে। বিভিন্ন সময়ত লিখা তেনে সম্পাদকীয় প্ৰবন্ধৰ সংকলন ‘নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক’ আৰু ‘আমাৰ যুৱ সমাজে বিশ্ববিজয় কৰিবলৈ ওলাই আহক’ গ্ৰন্থ দুখন সৰ্বজন সমাদৃত হৈছে। ‘নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক’ গ্ৰন্থখনৰ সোতৰটা সংস্কৰণ ওলাইছে। ইয়াৰ পৰা মনোজগতৰ আলোক যোগাই পাঠকক গ্ৰন্থখনে কিদৰে আকৃষ্ট কৰিছে বুজিব পাৰি। দেশ-বিদেশৰ ইতিহাস, সাহিত্য-সংস্কৃতিৰ অধ্যয়ন-অনুশীলনেৰে পৰিপুষ্ট সাংবাদিক সেন ডেকাৰ চিন্তা প্ৰসূত প্ৰবন্ধবোৰ তথ্যপূৰ্ণ, যুক্তিবাদী আৰু বিশ্লেষণাত্মক আলোচনা-বিলোচনাৰে সমৃদ্ধ হোৱা হেতুকেই গ্ৰন্থখনে ইমান সমাদৰ পাইছে। ‘অগ্ৰদূত’ৰ প্ৰতিষ্ঠাপক আৰু সম্পাদক কনকসেন ডেকা ক’বলৈ গ’লে যুগ আৰু যুৱ সমাজৰ অগ্ৰদূতস্বৰূপ হৈ পৰিছে।

সাংবাদিক কনকসেন ডেকা এগৰাকী লব্ধপ্ৰতিষ্ঠ সাংবাদিকেই নহয় সাহিত্যিকো। ইতিমধ্যে প্ৰকাশিত তেখেতৰ উপন্যাস, গল্প, নাটক, ভ্ৰমণ কাহিনী, জীৱনী, সমাজ সচেতনতা বিষয়ক গ্ৰন্থ চৌব্বিছ খনৰ কম নহ’ব। অসমীয়া সাহিত্য জগতলৈ তেখেতৰ অবদান স্মৰ্তব্য। তেখেতে পোৱা ‘সাহিত্যিক পেঞ্চন’ তেখেতৰ সাহিত্য সাধনাৰ উৎকৃষ্ট ফলশ্ৰুতি। ই আনন্দৰ কথা।

সংবাদ সেৱাৰ একনিষ্ঠ সাধক কনকসেন ডেকা বুদ্ধিমান আৰু বুদ্ধিজীৱী লোক। তেখেতৰ চিন্তা-কৰ্মৰ অন্তৰালত প্ৰবাহিত নিস্বাৰ্থ দেশ প্ৰেম, অসম আৰু অসমীয়াৰ প্ৰতি আন্তৰিক প্ৰীতি। নিজে নিজৰ জীৱন গঢ়ি তুলি আপোচবিহীন সংগ্ৰামী মনেৰে জীৱন যুদ্ধত অৱতীৰ্ণ হৈ অসম তথা ভাৰতবৰ্ষতে চিন্তা-কৰ্ম-সৃষ্টিৰে নিজকে সুপ্ৰতিষ্ঠিত কৰাৰ উপৰি দেশলৈ’ দহলৈ যি বৰঙণি যোগাই আহিছে, সিয়ে তেখেতক আদৰ্শনীয় ব্যক্তিৰূপে প্ৰতীয়মান কৰি তুলিছে। কৰ্মময় সুদীৰ্ঘ জীৱনেৰে তেখেতৰ হাতৰ কাপ চলমান হৈ থাকক। ❑

# জীৱন কৃতিত্বত সানমিহলি দৃষ্টিপাত

## যাদৱসেন ডেকা

নলবাৰী জিলাৰ বেলশৰ গাঁৱত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰীবিশ্বেশ্বৰ দেৱালয়। ই এখনি প্ৰাচীন শৈৱ ধৰ্মানুষ্ঠান। চিৰ নতুন ৰূপ মন্দিৰটোত বিৰাজমান। কনকসেন ডেকাদাৰ পূৰ্বপুৰুষসকল বিশ্বেশ্বৰ দেৱালয়ৰ সেৱক আছিল। পূজা, উৎসৱ-পাৰ্বণত মন্দিৰৰ বিগ্ৰহৰ ওচৰত সোণৰ ছত্ৰ ধৰিছিল। পুৰণি অসমীয়াত 'চেইন'ৰ অৰ্থ হ'ল 'ৰায়'। সমাজৰ বিচাৰ আদিৰ শেষত 'ৰায়' দিব লাগে। চেইন শব্দৰ পৰা অপভ্ৰংশ হৈ 'সেন ডেকা' হৈছে।

কনকসেন ডেকাৰ আজোককাকৰ নাম আছিল থিৰসেন ডেকা। তেওঁৰ চাৰিপুত্ৰ' বীৰসেন ডেকা, যজ্ঞসেন ডেকা, অমৃতসেন ডেকা, আৰু ৰাধাসেন ডেকা। ৰাধাসেন ডেকাৰ পুত্ৰ গৌৰীসেন ডেকা আৰু তৰুণসেন ডেকা। গৌৰীসেন ডেকাৰ জ্যেষ্ঠপুত্ৰজনেই হ'ল কনকসেন ডেকা। মাতৃৰ নাম তাৰাসেন ডেকা। ভায়েক তিনিজন— অতুলসেন ডেকা, গুৱাহাটী ৰেইনব'ৰ প্ৰেছত স্বত্বাধিকাৰী, মাজু ভায়েক নীলমণিসেন ডেকা, অসমৰ প্ৰাক্তন ৰাজ্যিক বিত্তমন্ত্ৰী, কনিষ্ঠ ভ্ৰাতৃ বিশিষ্ট ব্যৱসায়ী প্ৰকাশসেন ডেকা। দুই ভগ্নী সৰলা আৰু মনোৰমা।

—ঘৰখন আছিল সংগ্ৰামৰ কেন্দ্ৰবিন্দু। প্ৰথমতে কমিউনিষ্ট আদৰ্শত ঘৰখন পৰিপূৰ্ণ আছিল। খুৰাদেউ তৰুণসেন ডেকা আছিল বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ বিশিষ্ট নেতা। বৰ্তমানে কে'বাখনো বহমূলীয়া তথ্যগধুৰ কিতাপ লিখিছে। তৰুণসেন ডেকাৰ অনুপ্ৰেৰণাতে সাম্যবাদৰ এচেৰেঙা পোহৰে কনকসেন ডেকাৰ লগতে আমাৰ গাতো পোহৰৰ ছাঁ পেলাইছিল। ফলস্বৰূপে সকৰে পৰাই কনকদা স্পষ্টবাদী হৈ গঢ়ি উঠিছিল। মনটো সদায় গভীৰ অধ্যয়নৰ প্ৰতিহে আকৰ্ষিত আছিল। পাঠ্যপুথিয়েই অকল প্ৰিয় নাছিল, বাহিৰা কিতাপ পঢ়াৰ ধাউতিও তেনেই প্ৰবল আছিল। বেলশৰ এক নম্বৰ প্ৰাইমাৰী স্কুলত পঢ়ি থাকোঁতেই প্ৰধান শিক্ষক ৺কালিৰাম ডেকাৰ বিশেষ তত্ত্বাৱধানত বৃত্তি পৰীক্ষা দি সফল হৈছিল। কালিৰাম ডেকাছাৰে নিতৌ সন্ধিয়া একোবাৰ তেওঁৰ ঘৰলৈ আহি কৈছিল— কনক আছা। সদায় বিচাৰি থকা হেতুকে প্ৰধান শিক্ষকৰ ভয়তে প্ৰায়ভাগ সময় পঢ়া কোঠাত বহিয়েই সময় কটাইছিল। শিক্ষাৰ প্ৰতি আছিল গভীৰ শ্ৰদ্ধা, ভয়, পিতৃ-মাতৃৰ প্ৰতি আছিল অশেষ ভক্তি।

পিতৃ চাকৰিসূত্ৰে ঘৰৰ পৰা বাহিৰত থাকিলেও মাতৃ তাৰসেন ডেকাই পুত্ৰক কোনো ক্ষেত্ৰতে লাই নিদিছিল। নিয়মীয়াকৈ পঢ়িবই লাগিব। পঢ়াৰ ক্ষেত্ৰত অতি সাৱধানেৰে পুত্ৰক পৰিচালনা কৰিছিল আৰু অধ্যয়নৰ এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰিবলৈও সক্ষম হৈছিল। অসমৰ বহুতো আগশাৰীৰ ৰাজনৈতিক নেতা, বিশিষ্ট সাহিত্যিকৰ এই ঘৰখন কেন্দ্ৰস্থল আছিল। সভা-সমিতি আদিলৈ সাহিত্যিক আদি আহিলে কনকদাই নিজৰ ঘৰলৈ মাতি নি থাকিবলৈ দি আপ্যায়ন কৰি ভাল পাইছিল।

সৰুৰে পৰাই ধৈৰ্য, সাহস, দৃঢ়তা, মনোবল আছিল এক বিশেষ গুণ। চিন্তাশক্তি আছিল অতি গধুৰ। সু-চিন্তাৰ মাজেৰে ঘৰুৱা কাম-কাজ, পঢ়াৰ ক্ষেত্ৰত উঠি-পৰি লাগিছিল। সময়ৰ সৎব্যৱহাৰ কৰিছিল। ঘৰৰ ফলমূল বাগানত বহিয়েই অধিক সময় কটাইছিল। এইখিনিতে মোমাই তামুলী বৰবৰুৱালৈ মনত পৰিল। কনকদাৰ দেউতাক আছিল বাগান সজোৱাত পাকৈত। ১২ বিঘা মাটিত এখনি আদৰ্শ বাগান গঢ়ি তুলিছিল। বিভিন্ন ফলমূল, গছ-গছনিৰে ভৰপূৰ এই বাগানখন। নানাবিধ সু-স্বাদু ফলেৰে ভৰপূৰ। বাগানখনৰ ভিতৰত এটি সৰু পঁজাঘৰ সজাইছিল। বৰষুণৰ বতৰত প্ৰখৰ ৰ'দত জিৰণি লোৱা ঘৰেই নহয় ৰাতি যেন কোনোলোক সেই ঘৰত প্ৰহৰীৰূপে থাকে এনে এটি প্ৰতীক। ঘৰটো থকা কাৰণেই দিনতটো কথাই নাই ৰাতিও সেই বাগানত সোমাবলৈ কোনেও সাহস নকৰিছিল।

স্কুলীয়া জীৱনটো আছিল তেনেই অভাৱৰ মুখ নেদেখা। দেউতাক গৌৰীসেন ডেকাই ঘৰৰ বাহিৰত চাকৰি কৰিলেও অভিভাৱকহীন নাছিল। দেউতাকে প্ৰতিখন চিঠিত লিখা উপদেশবিলাক মানি লৈ পঢ়াত মনোযোগ দিছিল। কনকদাৰ এটি বিশেষত্ব আছিল এয়ে যে ছাত্ৰ অৱস্থাৰ পৰাই গাঁৱৰ ভোজ-ভাত খোৱাৰ বাবে হেলা কৰিছিল। কাৰণ ভোজ-ভাত খালে বা ৰাতি খালে অন্য কাম একো কৰিবলৈ ইচ্ছা নহয়, পেট গধুৰ হয় বুলি ভাবিছিল।

কনকদা এবাৰ 'টাইফয়দ' জ্বৰত কিছুদিন ভুগিছিল। চিকিৎসক হ'ল ককয়া গাঁৱৰ ডাঃ প্ৰতাপ শৰ্মা। প্ৰতাপ শৰ্মাক চিকিৎসক হিচাপে আজিও অশেষ শ্ৰদ্ধা জনাই কৃতজ্ঞ হৈ আছে। মোৰ ভাগত কামৰ দায়িত্ব পৰিছিল ডালিম বিচৰাটো। মই গাঁৱৰ পাটোৱাৰী চুবুৰীৰ মাজেৰে বাটে বাটে গেৰিয়াইছিলো- অ' কাৰোবাৰ ডালিম আছে নেকি! এইদৰে ডালিম বিচাৰি আনি খুওৱা আজিও মনত পৰে। মই যেন কনকদাৰ একমাত্ৰ সহায়কাৰী আছিলো।

পাঠশালা স্কুলৰ পৰা তেওঁ বৃত্তি লাভ কৰিছিল। সেই সময়ত বৃত্তি পৰীক্ষা দিবলৈ নলবাৰীলৈ যাব লাগিছিল। নলবাৰীৰ গোপাল বজাৰত থাকি বৃত্তি পৰীক্ষা দিছিল। তেতিয়া গৰুৰ গাড়ীত উঠিহে তালৈ যাব লগা হৈছিল। সেই সময়ত মটৰ আদিৰ কোনো ব্যৱস্থা নাছিল।

১৯৫৩ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নলবাৰী কলেজত আই.এ. পঢ়িছিল। পিছত কটন কলেজত পঢ়ি বি. এ পাছ কৰে। বি.এ. পাছ কৰি উঠিয়েই কিছুদিন ককয়া হাইস্কুলতো শিক্ষকতা কৰি জনপ্ৰিয়তা লাভ কৰিছিল। ইয়াৰ পিছত এলাহাবাদ বিশ্ববিদ্যালয়ত এম. এ. পঢ়িবলৈ যায়। তাত অধ্যাপকসকলৰ লগত অতি প্ৰিয়ভাজন হৈ পৰিছিল। এলাহাবাদৰ পৰা দীঘলীয়া বন্ধত ঘৰলৈ আহোতে অধ্যাপক এজনৰ বাবে চাহপাত কিনি নিয়াৰ কথা মনত পৰে।

এদিন দাদিৰ সৈতে চেলুনত চুলি কাটিবলৈ বৰ্ণিবাৰী বজাৰলৈ গৈছিলো। ৰেজৰেৰে দাড়ি খুৰোৱাটোও কনকদাকহে প্ৰথম দেখা পাইছিলো। পুৰণা ব্লেড এখন পোৱাৰ আশাত দাড়ি কটাৰ সময়ত উপস্থিত হৈছিলো। পুৰণা ব্লেডৰ সহায়ত নখ আৰু কাঠ পেঞ্চিল কাটিবলৈ বৰ ভাল বুলি ভাবিছিলো। এইদৰে কেবাখনো ব্লেড গোটাই থৈছিলো। দুখৰ বিষয় কিছুদিন পিছত ব্লেডকেইখন মামৰে ধৰা অৱস্থাতহে পোৱা গ'ল। বৰ্ণিবাৰী বজাৰত সেই সময়ত ডাঙৰ ডাঙৰ কাৱৈ মাছ ওলাইছিল। আজিকালি তেনে ধৰণৰ মাছ দেখিবলৈ পোৱা নাযায়। গাঁৱৰ বেপাৰীবিলাকে বজাৰলৈ গৈয়েই প্ৰথমতে কাৱৈ মাছ কিনি একোখন থৈলাৰ সৰু মোনাত ভৰাই কনকদাৰ হাতত আগতীয়াকৈ ঘৰলৈ দি পঠাইছিল যাতে বজাৰৰ পৰা ঘৰলৈ আহিয়েই সেই মাছ খাবলৈ পায়। মই দাদিৰ লগত বজাৰলৈ গ'লে আমাৰ ঘৰৰ ওচৰৰ মণিহাৰী দোকানী ৺গৰ্গ পাটোৱাৰীৰ দোকানত মোক বহুৱাই ৰাখিছিল আৰু কৈছিল— ইয়াৰ পৰা ক'লৈকো নাযাবি, হৰাবি।

মোৰ বেলশৰ হাইস্কুলৰ 'থ্ৰি'ত নাম লগোৱাৰ আগতে কিতাপ কিনি দিয়া ব্যক্তিজন হ'ল কনকদা। Simple English Reader এখন আৰু ডেৰ টকা মূল্যৰ জ্যামিতি বক্স এটি কিনি দিছিল। হাইস্কুলত পঢ়ি থকা সময়ত বেলশৰ জাতিষ্কাৰ পুথিভঁৰালৰ সম্পাদকৰ দায়িত্বও লৈছিল। কবি জমিৰুদ্দিন আহমেদৰ প্ৰতিও তেওঁ আকৃষ্ট হৈছিল আৰু কৈছিল— আমাৰ ইয়াৰ কবি জমিৰুদ্দিন আহমেদ সঁচাকৈয়ে এগৰাকী বিপ্লৱী কবি। কবিক ভাল পাইছিল যদিও কোনোদিন কবিতা লিখা নাছিল। বিভিন্ন প্ৰবন্ধ, গল্প আদিহে হাইস্কুলত পঢ়ি থকা সময়ৰে পৰা ৰচনা কৰিছিল। এইবিলাকেই জীৱনত ৰেখাপাত কৰা কাৰণে অৱশেষত এগৰাকী অসম বিখ্যাতেই নহয় সুদূৰ আমেৰিকাতো সু-সাহিত্যিক হিচাপে প্ৰখ্যাত হৈ পৰিছিল।

ৰাজনীতিৰ বিজ্ঞানত এম.এ পাছ কৰি উঠি ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে কিছুদিন চাকৰি কৰি সেই চাকৰিটো এৰি দিলে। ছিপাঝাৰত চাকৰি কৰি থকা সময়তে 'অগ্ৰদূত' নামৰ এখনি বাতৰি কাকতো প্ৰকাশ কৰিছিল। সাপ্তাহিক আৰু তিনিদিনীয়াকৈ অগ্ৰদূত উলিয়াইছিল। মঙ্গলদৈত 'গৌৰী বুক ডেলী' নাম দি এখন কিতাপৰ দোকান খুলিছিল। কিতাপৰ দোকানৰ

এফালে তাঁতশালৰ সঁজুলিও বিক্ৰীৰ বাবে ৰাখিছিল। কিতাপ বিক্ৰেতা হিচাপে বেলশৰৰ ওচৰৰ নলিচা গাঁৱৰ গজেন শৰ্মাক ৰাখিছিল।

নাটক চোৱাতো কনকদাৰ বিশেষ ৰাপ আছিল। বছৰত চাৰিখন যাত্ৰাপাৰ্টি চাইছিল। একাদিক্ৰমে— দলৈৰ সভা, পৃথুৰ সভা, কান্দেনী গোসাঁইঘৰৰ সভা আৰু চিন্তামণি সভা। কান্দেনী সভাখন ক্লাছ ফ্ৰেণ্ড যোগেন্দ্ৰ মোহন বৈশ্য আৰু গন্ধিয়াৰ অচ্যুৎ শৰ্মাৰ সৈতে লগ হৈ চাইছিল।

প্ৰতি দেওবাৰে মৌনব্ৰত পালন কৰিছিল। আমি তেতিয়া মৌনব্ৰত সম্বন্ধে একো জনা নাছিলো। পিছতহে গম পাইছো। দাদাৰ মুখত শুনিছিলো মহামানব মহাত্মা গান্ধীয়েও মৌনব্ৰত পালন কৰাৰ কথা প্ৰকাশ কৰিছিল আৰু মৌনব্ৰতৰ উপকাৰিতাৰ বিষয়ে বহলাই ব্যাখ্যা কৰিছিল।

মাছ ধৰাৰ বাবেও বিশেষ ৰাপ আছিল। এবাৰ বানপানী শুকাই যোৱাৰ পিছত উলুবাৰী জানলৈ আমি দুয়োজনে 'আচৰা জাল' লৈ মাছ মাৰিবলৈ গৈছিলো। আচৰা জাল মাৰাত বৰ পাকৈত আছিল, মই হৈছো খালৈ লোৱাজনহে। ঘৰৰ বাৰীৰ পিছফালে থকা জান এটিতো মাছ ধৰিছিল। এই জানটোত 'দংলা' (বাঁহৰ জেওৰা) সজোৱা ব্যৱস্থাৰে মাছ ধৰিছিল। ৰাতিপুৱা মাছ ধৰি খুব গোপনে ঘৰলৈ মাছ আনিছিল।

বাৰীত নিয়মিতভাৱে ব্যায়াম কৰিছিল আৰু দুপাত কাঠৰ ব্যায়াম কৰা সঁজুলিও তৈয়াৰ কৰা দেখা গৈছিল। ব্যায়াম কৰাৰ পিছত নিয়মিতভাৱে বুট খোৱাটোও এটি অভ্যাস আছিল। নিজৰ বাৰীৰ বোম্বাই কুঁহিয়াৰ, ডাঙৰ বিধানৰ মধুৰীআম আদি বন্ধু-বান্ধৱৰ মাজতো ভগাই দিছিল। কিন্তু চুৰ কৰি ফলমূল নিয়াটো সহিব নোৱাৰিছিল। কাৰোবাৰ বেমাৰ-আজাৰ হ'লে বোম্বাই কুঁহিয়াৰ কিনিব আহিলে বিনা পইচাই কুঁহিয়াৰ বিতৰণ কৰিছিল। আনৰ প্ৰতি সদায় সদয় হৈ চলিছিল। মিছা কথা সমূলি ভাল নাপাইছিল। কৰ্মত বিশ্বাস আছিল। কৰ্ম কৰি যোৱা মানুহক শ্ৰদ্ধা, ভক্তি আদি কৰিছিল।

কনকদাই ৰচনা কৰা নাটক 'সংঘাত'। ইতিমধ্যে সংঘাত নাটকৰ মূল অভিনেত্ৰীৰ পাৰ্ট ল'ব নলবাৰীৰ ওচৰৰ বালিকৰিয়া গাঁৱৰ অনাদি শৰ্মাই। সেই সময়ত ল'ৰাই ছোৱালীৰ ভাও লৈছিল। সোণপাহিয়েই সংঘাত নাটকৰ মুখ্য নায়িকা। যোগেন বৰ্মনেও এজনী অভিনেত্ৰীৰ ভাও ল'লে। সদা বৰ্মনেও মহিলাৰ ভাও লৈ যশস্যা বুটলিবলৈ সক্ষম হ'ল। নাটকখনত ভাও লোৱা কেইজনমান স্মৰণীয় জীৱিত আৰু মৃত ব্যক্তিলৈও মনত পৰিল। ডাঃ বসু শৰ্মা, ৺বিনয় পাটোৱাৰী, ৺খগেন ডেকা, প্ৰসন্ন কুমাৰ ভৰালী, যাদৱসেন ডেকা, ৺যোগেন বৈশ্য, ৰমেশ ডেকা, কনক শৰ্মা আদি। বিনয় পাটোৱাৰী আছিল পাণ দোকানী। তেওঁৰ দোকানত বহিয়েই কিছুমান উদণ্ড যুৱকে স্কুললৈ যোৱা ছাত্ৰীক জোকাইছিল।

বাবাজীৰ ভাও লোৱাজনলৈ মনত পৰিল। ভণ্ড বাবাজী। আশ্ৰমত বাবাজীৰ ভাও ধৰি ভণ্ড তপস্যাত নিমগ্ন হৈ থাকে। কিছুমান তিৰোতাই মনৰ আশা পূৰণ কৰাৰ মানসেৰে বাবাজীৰ ওচৰ চাপে। বাবাজী সন্তানহীন তিৰোতাক সন্তান লাভৰ উপায় দিব পাৰে বুলি তিৰোতাবিলাকৰ গভীৰ বিশ্বাস। কোনো এগৰাকী তিৰোতাৰ গহনা-গাঁঠৰি দেখি কৈছিল— তোমাক যদি সন্তান লাগে তোমাৰ কাণৰ-হাতৰ গহনাবিলাক সোলোকাই দিয়া। দান কৰিলেহে পুণ্য পায় বুলি কোৱাত পতিয়ন গৈ গহনাবিলাক সোলোকাই দিছিল। আচলতে বাবাজী নহয় ডকাইতহে। নাটকখন আছিল তেনেই বাস্তৱধৰ্মী। ধৰ্মৰ নামত ভুৱা প্ৰলোভন।

কনক শৰ্মা আছিল স্মাৰক। মঞ্চত পাৰ্ট আওৰাই থকাৰ সময়ত বোধহয় প্ৰসন্ন কুমাৰ ভৰালীয়ে কনকদাৰ পাৰ্টখিনি কৈ পেলালে। কনকদা মঞ্চত বিমোৰত পৰিল। হাতৰ লাঠিডাল জোঁকাৰি 'হু' 'হু' কৰি উচ্চাৰণ কৰিব ধৰিলে। ৰাইজে কিন্তু বুজি নাপালে কাৰ পাৰ্ট কোনে ক'লে। সিদিনা ভাগ্য ভাল ৰাইজৰ মাজত গোলমালো হৈছিল। সেই সময়ত টিকট কটা থিয়েটাৰ চাবলৈ যথেষ্ট ভিৰ হৈছিল। বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমান হলটোৰ দক্ষিণফালে মঞ্চখন সজোৱা হৈছিল।

কনকদাৰ 'সংঘাত' নাটকখনেই হ'ল বেলশৰ গাঁৱত অভিনয় কৰা প্ৰথম টিকট কটা থিয়েটাৰ। প্ৰথম ৰচিত নাটক 'সংঘাত'ৰ সফল অভিনয়ৰ কথা বৃহত্তৰ অঞ্চলটোত বিয়পি পৰিল। চাৰিওফালে সফল নাট্যকাৰ বুলি প্ৰচাৰিত হ'ব ধৰিলে।

সম্ভৱ ১৯৫৪ চনমানৰ কথা। কনকদাৰ নেতৃত্বত চলিছিল 'ইন্টাৰভিউ' নাটকৰ আখৰা। বিভিন্ন ব্যৱস্থাও আছিল দাদাৰেই। ইয়াৰ পিছতেই ৰচনা কৰিছিল পাঁচখন একাকিংকা নাট একেলগে থূপ খুউৱা 'একাংক পঞ্চমা'। এই পাঁচখন নাটকৰ ভিতৰত এখনি সম্পূৰ্ণ মহিলাৰ নাটকো আছিল। আটাইকেইখন নাটকৰ ভিতৰত 'জোতাচোৰ' নাটখনে বিশেষ সমাদৰ লাভ কৰিছিল। অতি হাস্যমধুৰ নাট। বেলশৰ কেন্দ্ৰীয় সমাজ কল্যাণ সমিতিৰ এখনি বিহু সন্মিলনত কনকদাই 'জোতাচোৰ' নাটখনত নিজেই। 'জোতাচোৰ'ৰ অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা পাইছিল। জোতা চুৰি কৰা অপৰাধৰ বাবে ৰাইজৰ দ্বাৰা চুলি কটাকে ধৰি কপালত চুণৰ ফোঁট দি ৰাস্তাই ৰাস্তাই ঘূৰোৱা দৃশ্যটো আজিও সেই সময়ৰ দৰ্শকে পাহৰিব পৰা নাই। অভিনয়ৰ মাজেৰে সকলো শাস্তি বহন কৰিছিল।

অতি কম সংখ্যক নাটক ৰচনা কৰি জনপ্ৰিয়তা লাভ কৰা ব্যক্তিসকলৰ ভিতৰত কনকদাও এজন বুলি ক'লেও ভুল নহ'ব। আজিও মনত পৰে ৰামৰ দুৱাৰ মাৰি আইনা এখনি লৈ 'সংঘাত' নাটকৰ আখৰা কৰিছিল। পাৰ্ট মুখস্থ কৰি অভিনয়ৰ আখৰা কৰিছিল বাৰীত থকা এডাল প্ৰকাণ্ড আম গছৰ গুৰিত। আমগছ

ডালকেই লগত অভিনয় কৰাজন বুলি ধৰি আখৰা কৰিছিল। সঁচাকৈয়ে এগৰাকী নাট্যকলা-কুশলী, নাট্য ব্যৱস্থাপক, অভিনেতা হিচাপে অৱদান যথেষ্ট আছে। নাট্যকাৰ হিচাপেও এটি যুগৰ সাক্ষী আছিল।

এগৰাকী পৰোপকাৰী ব্যক্তি বুলি ক'লেও ভুল নহ'ব। বহুতকে বহু বিপদত আৰ্থিকভাৱে সহায় কৰাটো তেওঁৰ এটি প্ৰধান কৰ্তব্য বুলি ধৰি লয়। খেতিত যে সাৰ প্ৰয়োগ কৰিব লাগে সেই কথা সকৰে পৰাই তেওঁৰ পৰাই শিকিছিলো। মাঘ বিহুৰ মেজি পোৰা ছাইবোৰ কঢ়িয়াই আমি দুয়ো তামোল গছৰ গুৰিত দিছিলো।

নিয়মিত অধ্যয়নৰত হৈ থাকে। আজিৰ পৰা প্ৰায় ৫০ বছৰ অগৰ কথা। ডাকযোগে আমেৰিকাৰ এখনি বাতৰি কাকত নাম হ'ল 'আমেৰিকান ৰিপোৰ্টাৰ', সেইখন নিয়মিত আহিছিল। বিনা পইচাতে সেইখন পাইছিল। সাহিত্যৰ ক্ষেত্ৰত তেওঁৰ স্থান বহু ওপৰত। এগৰাকী লব্ধপ্ৰতিষ্ঠ সু-সাহিত্যিক। সমাজখনক নিকা কৰাৰ বাবেও যথেষ্ট গল্প ৰচনা কৰিছে। এগৰাকী প্ৰতিষ্ঠিত বুদ্ধিজীৱী, সাংবাদিক আৰু সমাজ-সচেতক ব্যক্তি বুলি স্বীকৃতি দিবই লাগিব। কমিউনিষ্ট আন্দোলনৰ সময়ত দুবাৰো কাৰাবৰণ কৰি ৰাজনৈতিক দিশতো এক সবল স্বাক্ষৰ ৰাখি থৈছে।

স্বীকাৰ কৰিবই লাগিব এই ব্যক্তিজনেই হ'ল বৰ্তমান সংবাদ পৃথিবীৰ এজন স্ব-মহিমাৰে মহিমামণ্ডিত সম্পাদকো। সমাজ সচেতক যুক্তিবাদী চিন্তাধাৰাৰ প্ৰতীক হিচাপে পৰিগণিত হোৱা এগৰাকী সফল সাংবাদিকেই নহয় অসমৰ এগৰাকী আগশাৰীৰ সাহিত্যিক হিচাপেও খ্যাতি আছে। তেওঁ এগৰাকী সুবক্তাও। নিজৰ কৰ্মৰ ওপৰত গভীৰ বিশ্বাস থকা ব্যক্তি। এক নিজস্ব দৰ্শনৰ অধিকাৰী। তেওঁৰ দৰ্শনৰ মূল ভেটি হ'ল গণপ্ৰীতি। ৰাইজক প্ৰাণভৰি ভালপোৱা ব্যক্তি। ❑

# বহুমুখী গুণৰ আধাৰ

## মীনা বড়া

অগ্ৰদূত মানেই কনকসেন ডেকা আৰু কনকসেন ডেকা মানেই অগ্ৰদূত— এয়াই কনকসেন ডেকাদেৱৰ পৰিচয়।

তেওঁৰেই সম্পৰ্কীয় ভাই সাংবাদিক অৱসৰপ্ৰাপ্ত শিক্ষক মোৰ অতি শ্ৰদ্ধাৰ যাদৱসেন ডেকাদেৱে এদিন কথা প্ৰসংগত ক'লে বোলে কনকসেন ডেকাৰ সম্পৰ্কত আকৌ এখন কিতাপ প্ৰকাশ পাব। মই লোভ সামৰিব নোৱাৰি কিবা অলপ দিব পাৰিম নেকি সোধাত তেখেতে চেষ্টা কৰি চাবলৈ ক'লে। কনকসেন ডেকা মোৰ স্বামী নগেন বৰাৰ পৰম বন্ধু আছিল। সেয়েহে তেখেতৰ সম্পাদকীয় তথা কিতাপ-পত্ৰ পঢ়ি পৰম তৃপ্তি লভো; লগতে তেখেতক বৰ শ্ৰদ্ধাও কৰো।

ইমান ডাঙৰ সাংবাদিক-সাহিত্যিক এজনৰ বিষয়ে লিখিবলৈ যোৱা কথাটো মোৰ দৰে কম ধাতুৰ মানুহ এজনীয়ে বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ নিচিনা হ'ব। তথাপি কেইষাৰমান পুৰণি কথা কৈ ৰোমন্থন কৰো।

১৯৬৫ চনত আমাৰ বিয়া হৈছিল। মই বিয়াৰ পিছত তেওঁক প্ৰথম আমাৰ ঘৰত লগ পাওঁতে মোৰ স্বামীয়ে চিনাকি কৰি দিলে এগৰাকী বগা, ক্ষীণ দেহৰ মানুহ, পিন্ধনত বগলীৰ পাখীৰ দৰে বগা পাঞ্জাবী আৰু পায়জামা। মানুহজন দেখি মোৰ শ্ৰদ্ধাত মূৰ দো খাইছিল। মোৰ স্বামীয়ে আকৌ তেওঁৰ পৰিচয় এনেদৰে দিছিল— এখেতে সেই সু-সাহিত্যক, সু-সাংবাদিক, নাট্যকাৰ, সমাজসেৱক কনকসেন ডেকা। ইমান উচ্চ স্তৰৰ অধিকাৰী মানুহজনক আমাৰ ঘৰতেই লগ পাই ধন্য মানিছিলো। আকৌ তেওঁক প্ৰশ্ন কৰিছিলো,—

কিয় আপোনালোকে সেন ডেকা লিখে। তেওঁ বৰ ৰস লগাকৈ কৈছিল, তেওঁলোকৰ আচল উপাধি আছিল চেইন ডেকা। বেলশৰ দেৱালয়ৰ লগত সংগতি ৰাখি প্ৰত্যেক চুবুৰীৰ নামো দিয়া হৈছিল। যেনে— দেউৰী পাৰা, মেলকি পাৰা, বিৰা পাৰা, ডেকা পাৰা, পাটা পাৰা, পাটকু পাৰা, মুদিয়াৰ পাৰা, জৰীয়া পাৰা, সেইন ডেকা পাৰা ইত্যাদি। বেলশৰত মেল আদি হ'লে সেন ডেকাই চেইন (ৰায়) দিছিল। সেয়েহে তেওঁলোকে চেইনৰ সলনি কালক্ৰমত সেন ডেকা লিখা কৰিলে।

নিজৰ বিয়ালৈ নিমন্ত্ৰণ দিবলৈ আহি ৰগৰ কৰি বহু ৰস লগা কথা কৈছিল। মাজতে এটা গল্প কৈ বৰকৈ হঁহুৱাইছিল। গল্পটো এনে ধৰণৰ আছিল— মানুহ এজনে বিয়াৰ বাবে ছোৱালী চাবলৈ গ'ল। ছোৱালীজনীৰ চুলিকোছা বৰ ধুনীয়া আছিল। তেওঁ সেই ধুনীয়া চুলিৰ ছোৱালীজনীকে পছন্দ কৰি বিয়া পাতি আনিলে, ফুলশয্যাৰ নিশা কইনাজনীক বৰকৈ শলাগিলে ঃ 'তোমাক মই চুলিকোছা দেখিহে বেছি পছন্দ কৰিছিলো।'' কইনাই মাত লগালে, ''সেয়া মোৰ আচল চুলি নহয়, নকলহে। ময়ো আপোনাক দাঁত দুপাৰি দেখিহে বৰ পছন্দ কৰিছিলো। ইমান ধুনীয়া, ডালিম গুটিয়া আপোনাৰ দাঁত দুপাৰী হাঁহিলে বৰ সুন্দৰ দেখি।'' দৰায়ো তলমুৱা হৈ মাত দিলে এৰা দিয়া— মোক তুমি ভান্দা, তোমাক মই ভান্দো।

''চৌদ্ধায় সাক্ষীক কোনেও ভান্দিব পৰা নাই'' অৰ্থাৎ মোৰো সঁচা দাঁত ন হয়, এয়া নকল দাঁতহে। আমাৰ তেখেত জীয়াই থাকোতে কনকসেন ডেকা আমাৰ ঘৰলৈ মাজে-সময়ে আহিছিল। কেতিয়াবা কেমেৰা লৈ আহি ফটো তুলি নিছিল।

আগতে কেমেৰা হাতেৰে ছুই চোবা নাছিলো (দেখিছিলো)। তেওঁৰ কেমেৰাটো লিৰিকি-বিদাৰি চাইছিলো। স্বামী ঢুকোৱা সময়ত তেখেতে আমেৰিকালৈ যোৱা বাবে পিছত আহি মোক সাদৰৰ মাতষাৰ দি সান্ত্বনা দিছিল।

মানুহক বিপদ-আপদত মাত লগোৱাটো কনকসেন ডেকাৰ এটা মহৎ গুণ। এটা সময়ত পশ্চিম বেলশৰৰ ফেচা বৰ্মন নামৰ বিশিষ্ট সমাজকৰ্মী এগৰাকী আছিল। তেওঁ বেলশৰ স্কুল সজোৱা, কলেজৰ সন্মুখৰ নলগুৰি পথাৰত (এতিয়াৰ ৰাস্তা) ৰাস্তা বন্ধা কামত দিন-ৰাতি খাটিছিল। সেন ডেকাৰ দেউতাক গৌৰীসেন ডেকা ঢুকোৱা সময়ত মৎস্যস্পৰ্শৰ দিনা ডেকাই ফেচা বৰ্মনক গাড়ীৰে ঘৰৰ পৰা নি আকৌ খুৱাই-বুৱাই ঘৰত থৈ গৈছিল। সন্ধিয়া সময়ত ফেচা বৰ্মনে কৈছিল, 'কনক বাপা বৰ বহল মনৰ মানুহ। ইমান মৰম কৰিছে। এড়ি চাদৰ এখনো দিলে। বাপাৰ দিন বৰ পোহৰ হবো, বৰ দিল থকা মানুহ বাপা।' তাৰ কিছুদিনৰ পাছত ফেচা বৰ্মন ঢুকাল। ফেচা বৰ্মন আজি নাই, কিন্তু তেওঁৰ আশীৰ্বাদ কনকসেন ডেকাৰ ক্ষেত্ৰত সঁচাকৈয়ে ফলিয়ালে। আজিৰ সমাজত বুঢ়া মানুহক, বেমাৰী মানুহক কেইজনে মনত ৰাখে। কনকসেন ডেকাৰ এই এটা মহৎ গুণ আছে। আকৌ নলবাৰীত তেওঁক সম্বৰ্ধনা জনোৱা হয়। সেই সম্বৰ্ধনা অনুষ্ঠানতেই তেওঁৰ ডিঙিত সহস্ৰ ফুলৰ মালা পিন্ধোৱা হৈছিল। আমাৰ সমাজৰ মানুহে, মানুহজন জীয়াই থকা সময়ত তেওঁৰ গুণৰ ওপৰত স্বীকৃতি দিব নোখোজে। প্ৰখ্যাত সাহিত্যিক, শিল্পীয়ে হওক বা বুদ্ধিজীৱীয়েই হওক। কিন্তু কনকসেন ডেকাৰ ডিঙি পোত যোৱাকৈ, মানুহজনৰ মুখ নেদেখাকৈ ডিঙিত মালা পিন্ধোৱা দেখিছিলো, এয়া ক' গৌৰৱৰ কথা নহয়, বেলশৰীয়া ৰাইজেও পৰম ভাগ্যৰ বলতহে এনে এজন মহান ব্যক্তিক পাইছে বুলি ক'লে ভুল কোৱা নহয়। তেওঁ কৰ্মময় জীৱনত ভানুশ্ৰীসেন ডেকাৰ সান্নিধ্য লাভ কৰিছিল ১৯৬৭ চনত। তেতিয়াৰ পৰা ভানুশ্ৰী তেওঁৰ সুখ-দুখৰ সহকৰ্মী এগৰাকী সুযোগ্যা পত্নী। স্বামীৰ সফলতাৰ আঁৰত তেওঁৰ অৰিহণা হৈছে আটাইতকৈ উল্লেখনীয়।

অগ্ৰদূতৰ জন্মদাত্ৰী, অগ্ৰদূতৰ পৰিচালিকা, প্ৰকাশিকা আৰু সুযোগ্যা মাতৃ শ্ৰীভানুসেন ডেকাৰ আটাইবোৰ কাগজতেই যথেষ্ট অৰিহণা আছে। তেওঁ অবিহনে কনকসেন ডেকাৰ পাৰিবাৰিক আন একো চিন্তা নকৰাকৈ থকাটো টান হ'লহেঁতেন বুলি তেওঁৰ লেখাত পঢ়িবলৈ পাওঁ।

তেওঁৰ দুই পুত্ৰ, এক কন্যা। দিগন্ত, প্ৰাঞ্জল আৰু মাধুৰিমা। দিগন্ত প্ৰিণ্টিং টেকনল'জীৰ স্নাতক, সৰু পুত্ৰ প্ৰাঞ্জল এম.বি.এ, সাংবাদিক ডিপ্লমাধাৰী। মাধুৰিমা সাংবাদিকতা, টি.ভি. জাৰ্ণালেজিমৰ ডিপ্লমাধাৰী। তেওঁৰ তিনিওটা ল'ৰা-ছোৱালীয়েই অসমৰ বাহিৰত শিক্ষা গ্ৰহণ কৰি আহিছে। কনকসেন ডেকাই নিজেই নিজৰ আত্মসংস্থানৰ পথ অগ্ৰদূতৰ যোগেদি পৰিষ্কাৰ কৰাৰ উপৰি বহুজনক অগ্ৰদূতৰ যোগেদি পৰিষ্কাৰ কৰাৰ উপৰি বহুজনক অগ্ৰদূতৰ মাজত সোমাই ৰাখি জীৱন আৰু জীৱিকাৰ পথৰ সন্ধান দিলে। অগ্ৰদূতৰ মাজতেই সৃষ্টি হ'ল বহুজন সাংবাদিক, সুলেখক, সুনাগৰিক, সু-সাহিত্যিকৰ।

আমাৰ সমাজত ধৰ্মান্ধ মানুহ বহুত আছে। তেওঁলোক ধৰ্মক ধিয়াই জীৱনটো পাৰ কৰিব খোজে। সেন ডেকাই এই একো নকৰাকৈ বহি থকা এলেহুৱাসকলক তেওঁৰ লেখাৰ মাজেৰেই সকীয়াই দি আহিছে। 'কৰ্মইহে ধৰ্ম'। নিজকে কাৰ্যক্ষম হ'বলৈ সুপৰামৰ্শ দি আছে। নিজকে আত্মপ্ৰকাশ কৰি সংসাৰৰ বোজা নহৈ লেখা বা কৰ্মৰ যোগেৰে প্ৰতিষ্ঠিত হ'বলৈ সদায় উপদেশ দি আহিছে। এতিয়ালৈ তেওঁ ২১খন কিতাপ ৰচনা কৰিলে। ইয়াৰ উপৰি শিশু আলোচনী অকণিৰ অগ্ৰদূত, কৌতুক আলোচনী চিচিংফাঁক, মহিলা আলোচনী শ্ৰীময়ী অগ্ৰদূত ভৱনৰ পৰা প্ৰকাশ পাইছে। এই সকলো দিশৰ পৰা অগ্ৰদূত এটা ডাঙৰ পৰিয়াল। অগ্ৰদূত বাতৰি কাকতৰ পৰিয়াল আৰু কনকসেন ডেকাৰ পৰিয়াল অভিন্ন, এটা মুদ্ৰাৰ যেন ইপিঠি-সিপিঠি। এটাক এৰি আনটোৰ কথা ভাবিবই নোৱাৰি।

কনকসেন ডেকাই একাধিক সম্পাদকীয় সংকলন যুগুতাই প্ৰকাশ কৰিছে। "নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক" শীৰ্ষক সংকলনটোৰ ১৭টা সংস্কৰণ প্ৰকাশ পাইছে। কনকসেন ডেকাই সংবাদ সেৱাতে নিজৰ সীমাহীন জ্ঞানৰ ভঁৰালত আবদ্ধ কৰি নাৰাখি সাহিত্য-সংস্কৃতি, জনকল্যাণমূলক আৰু শিশু বিকাশৰ কৰ্মত ব্ৰতী হৈ সমাজত এক সুকীয়া স্থান অধিকাৰ কৰিলে। অগ্ৰদূতে আজি অগ্ৰদূতৰ মজিয়া জলমলাই থকাৰ উপৰি অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে, পৰ্বতে-প্ৰান্তৰে ৰজন্‌জনাই আছে।

গাঁৱৰ মাটি, পানী, বোকা, গচকি কেনেকৈ এজন কৰ্মক্ষম উদ্যোগী পুৰুষৰ সৃষ্টি হ'ব পাৰে, সেন ডেকা তাৰ উজ্জ্বল দৃষ্টান্ত। কনক মানেই সোণ। সোণৰ জেউতিৰ দৰে কনকসেন ডেকাৰ কলমৰ জ্যোতি সদায় জ্যোতিষ্মান হৈয়ে থাকক।

দুৰ্নীতিৰ প্ৰবল বিৰোধী, স্পষ্টবাদী সমালোচক, নিৰ্ভীক সাংবাদিক আৰু বহুমুখী গুণৰ আধাৰ সেন ডেকালৈ মোৰ সশ্ৰদ্ধ নিবেদন জ্ঞাপন কৰিলো। □

# নবীন সাংবাদিকৰ অভিভাৱকগৰাকী

## দীপমণি শৰ্মা

দিছপুৰৰ শতাব্দীপ্ৰাচীন গণেশ মন্দিৰৰ সন্মুখেৰে যোৱা পথটোৰে কেইখোজমান পশ্চিমলৈ গ'লেই হ'ল। পথটোৰে সোঁফালে দেখিবলৈ পোৱা যাব এটি কিছু পুৰণি দুমহলীয়া ভৱন। এই ভৱনটোৰ পৰিচয় নিষ্প্ৰয়োজন যদিও ভৱনটোৰ সন্মুখত এখন চাইনবোৰ্ডত লিখা আছে—অগ্ৰদূত ভৱন। ভৱনটোতেই অসমৰ ভিন্ন প্ৰান্তৰৰ পৰা সংবাদসেৱা কৰিবলৈ অহা এচাম সংবাদসেৱীয়ে হাতত কলম তুলি লৈছে ৰাইজৰ সেৱা কৰিবলৈ। সংবাদসেৱীসকলক সকলো ক্ষেত্ৰতে দিহ-পৰামৰ্শ দি সহায় কৰি আছে চছমা পৰিহিত ক্ষীণকায়, সদাহাস্যকৰ সেই ব্যক্তিগৰাকীয়ে। তেৱেঁই হৈছে নবীন সাংবাদিকসকলৰ শ্ৰদ্ধাৰ অভিভাৱকস্বৰূপ সংবাদসূৰ্য কনকসেন ডেকা, আমাৰ সকলোৰে নমস্য ডেকা ছাৰ। অসমৰ সংবাদজগতৰ চিৰসাধক এইগৰাকী মহান ব্যক্তিৰ সান্নিধ্যলৈ আহিছিলো কেইবছৰমান পূৰ্বে। নভবাকৈয়ে একাত্ম হৈ পৰিছিলো অগ্ৰদূত পৰিয়ালৰ সৈতে। অৱশ্যে প্ৰথমাৱস্থাত তেখেতক দেখিলেই এক ভয় ভয় ভাব হৈছিল যদিও পাছলৈ তেখেতৰ কোমল হৃদয়ৰ কথা উপলব্ধি কৰি মাথো ভক্তি আৰু শ্ৰদ্ধাৰে হৃদয় ভৰিছিল। বহুবছৰ ধৰি তেখেতৰ আশিসতেই সম্পাদনা মেজত কাম কৰিবলৈ পাই নিজকে আজিও গৌৰৱবোধ কৰো। তেখেতে সেই সময়ত সম্পাদনা মেজত কাম কৰা প্ৰতিজনকে শিকাইছিল—তোমালোকে দুৰ্নীতিৰ স'তে আপোচ নকৰিবা। অসমীয়াৰ সংকটকালত ৰাইজৰ পক্ষত হাতত কলম তুলি ল'বা। এটি শনিবাৰে বিয়লি তিনিমান বজাত দুৰ্নীতিক প্ৰত্যাহ্বান জনাই কোৱা এই কথাষাৰ আমাৰ মনত আছে। কথা আৰু কামৰ মাজত প্ৰভেদ নৰখা ডেকাছাৰে উক্ত কথাৰ প্ৰমাণো দিছিল সেই সময়ৰ শাসনাধিষ্ঠ চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি। ফলস্বৰূপে অগ্ৰদূত গোষ্ঠীৰ একাধিক সাংবাদিক চৰকাৰী ৰোষৰো বলি হ'বলগীয়া হৈছিল। আমি এই ঘটনাৰ বাস্তৱ সাক্ষী। তথাপি কোনেও এবাৰো আঘাত হানিব পৰা নাই ডেকা ছাৰৰ কলমত। তেখেতৰ কলম আজিও লৰে ৰাইজৰ পক্ষত। গতিকে ডেকা ছাৰ নিপীড়িত জনতাৰ বাবে এগৰাকী নমস্য ব্যক্তিয়েই নহয়, এটি যুগসৃষ্টিকাৰী সাংবাদিক যিয়ে এটা জাতিৰ গুৰিবঠা ধৰাৰো যোগ্যতা অৰ্জন কৰিছে। অসমৰ সংবাদজগতত কনকসেন ডেকা ছাৰৰ লগতে

তেখেতৰ পৰিয়ালে আগবঢ়োৱা অৰিহণাও কোনোবাই অস্বীকাৰ কৰিব পাৰে বুলি আমাৰ মনে নধৰে। অসমৰ ইতিহাসত তেখেতসকলৰ পৰিয়ালটোৱেই একমাত্র পৰিয়াল যিটোৰ প্রতিগৰাকী সদস্যয়েই ৰাইজৰ প্রতি দায়বদ্ধ। ডেকা ছাৰে আটাইকে এনে এক পৰিৱেশেৰে গঢ় দিছে যেন তেওঁলোক কাৰো পৰধীন নহয়। বর্তমানে পৰিয়ালৰ আটাইকেইগৰাকীয়ে অগ্রদূত কাকতৰ সৈতে জড়িত। তেখেতৰ আন এক বিশেষ ব্যক্তিত্ব হৈছে—আমি জনালৈকে তিনিদিনীয়া অগ্রদূতৰ সম্পাদকীয় নিজে লিখাটো। অকল সেয়াই নহয়, কাকতখন প্ৰকাশৰ পূৰ্বে আটাইকেইটা পৃষ্ঠাত নিজেই এবাৰ চকু ফুৰায়। অর্থাৎ এগৰাকী প্রকৃত সাংবাদিকৰ গুণ সম্পূর্ণৰূপে আহৰণ কৰি ডেকা ছাৰ এতিয়া আমাৰ পথ প্রদর্শক হৈ পৰিছে। সংবাদ সূৰ্যগৰাকীৰ দীর্ঘায়ু কামনা কৰিছো। ☐

# আমাৰ প্ৰিয় কনকসেন ডেকা

## লক্ষী পাটোৱাৰী

পশ্চিম নলবাৰী প্ৰেছগীল্ডৰ সৌজন্যত সংবাদ সূৰ্য কনকসেন ডেকাক সম্বৰ্ধনা জনাবলৈ ওলোৱাত আমি আনন্দিত হৈছো আৰু এই চেগতে প্ৰেছগীল্ডৰ সমূহ সদস্যক ধন্যবাদ দিছো। লগতে দৰনদীৰ সমূহ ৰাইজ আৰু অভ্যৰ্থনা সমিতিক ওলগ জনাইছো।

অসমত আজি বহুত বাতৰি কাকত ওলাইছে। বহুত কাকতৰ জন্ম হৈয়ে মৃতুবৰণ কৰাও দেখিছো। আজি যিবোৰ কাকত অসমত চলি আছে সেই কাকতবোৰৰ লগত অগ্ৰদূত কাকতৰ তুলনা নহয়। অগ্ৰদূত কাকতৰ জন্মলগ্ন আৰু অন্য কাকতৰ জন্মলগ্নৰ লগত পাৰ্থক্য আছে। অন্য বাতৰি কাকতবোৰৰ জন্ম হৈছে পুঁজিপতিৰ দ্বাৰা আৰু সেই বাতৰি কাকতবোৰত বুজন পৰিমাণৰ দৰমহা দি সম্পাদক নিয়োগ কৰিছে। কিন্তু অগ্ৰদূত কাকতৰ জন্মদাতা মাননীয় কনকসেন ডেকা তেনে এজন পুঁজিপতি নাছিল। আছিল এজন আদৰ্শ শিক্ষক। তেখেতে ককয়া হাইস্কুল আৰু ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ পৰাই এটা স্বপ্ন দেখিছিল যে এটা প্ৰেছ খুলি এখন কাকত উলিয়াই অসমীয়া জাতিক সেৱা কৰিব। সেই বাবে এই স্বপ্নক বাস্তৱত ৰূপ দিবলৈ যাওঁতে তেখেতে কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছিল। এনেবোৰ কঠোৰ পৰিশ্ৰম অন্য কাকতৰ সম্পাদকে কৰিব লগা হোৱা নাই।

কিন্তু কনকসেন ডেকাই যেতিয়া এই কাকত উলিয়াই তেখেতে আটাইবোৰ কাম নিজেই কৰিব লগা হৈছিল। তেখেত কৰ্মত বিশ্বাসী আছিল। গীতাত অৰ্জুনক ভগৱান কৃষ্ণই যি উপদেশ দিছিল যে হে অৰ্জুন তুমি কৰ্ম কৰি যোৱা ফলৰ আশা কৰিব নালাগে। সেই গীতাৰ অমৰবাণীৰে কনকসেন ডেকাদেৱে কঠোৰ সাধনা কৰি তেখেতৰ মানস কন্যা অগ্ৰদূতক অসমৰ ৰাইজৰ মাজলৈ আনিলে আৰু তিনিদিনীয়া অগ্ৰদূত গৈ এদিন হ'ল দৈনিক অগ্ৰদূত। এই দৈনিক অগ্ৰদূত বা তিনিদিনীয়া অগ্ৰদূতেই হ'ল কনক দাৰ দুই মানস কন্যা। আজি সেই সাধাৰণ অৱস্থাৰ পৰা অসাধাৰণ অৱস্থালৈ উন্নীত হোৱাৰ মূল কাৰণ তেখেতৰ কঠোৰ পৰিশ্ৰম, সৎ চিন্তা, সৎ সাহস। আৰু সেই কাৰণেই কনকসেন ডেকা সকলোৰে নমস্য তথা আদৰ্শৰ ব্যক্তি। তেখেতক সন্মান যচাটো সকলোৰে পবিত্ৰ কৰ্তব্য।

কনকসেন ডেকা এজন নিৰ্ভীক, সত্যনিষ্ঠ সাংবাদিক। তেখেতে যেতিয়াই কিবা এটা বেয়া দেখে তেতিয়াই কঠোৰ ভাষাৰে সমালোচনা কৰে। যাৰ ফলত তেখেতে বহুবাৰ চৰকাৰৰ ৰোষৰ বলি হ'ব লগা হৈছিল। অকল চৰকাৰৰেই নহয় উগ্ৰপন্থীৰো ৰোষৰ বলি হ'ব লগা হৈছিল।

কনকসেন ডেকাৰ লগত মোৰ সু-সম্পৰ্ক হয় শ্বহীদ স্মৃতি মহাবিদ্যালয়ৰ জন্মলগ্নত। শ্বহীদ স্মৃতি মহাবিদ্যালয়ৰ ডেকাদেৱ আছিল প্ৰতিষ্ঠাপক সভাপতি। তেখেতৰ সু-পৰামৰ্শ আৰু কলেজৰ আটাইবোৰ কামত তেখেতে যি সহায় কৰিছিল তাক বেলশৰ আঞ্চলিক ৰাইজে পাহৰিব নোৱাৰে। তেখেতৰ যত্নতেই বেলশৰত কোষাগাৰ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংমণ্ডল স্থাপন হৈছিল। অঞ্চলটোৰ প্ৰতিটো অনুষ্ঠানৰ লগত তেখেত জড়িত।

তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো এই পবিত্ৰ ক্ষণত। ☐

# প্ৰশস্তি ঃ কনকসেন ডেকা

**সতীশ শৰ্মা**

নহয় নলবাৰীৰ তুমি
তুমি দূৰ-দূৰন্তৰ
ভোটাতৰা হৈ
সমগ্ৰ অসমতে আছা বিয়পি
অগ্ৰদূত কাকতৰ
কৰ্ণধাৰ হৈ
সংবাদ জগতৰ।
তুমি সংগ্ৰামী, প্ৰতিবাদী
জননীৰ সেৱাব্ৰত
শিৰোগত কৰি
নিৰ্ভীকচিত্তে প্ৰচাৰিছা
জীৱনৰ মহামূল্য ধন।
পৰাভূত কৰি
প্ৰবল ভাবুকি
জনগণৰ হিতসেৱা
কৰি অবিৰত
বিলাইছা নিজস্ব প্ৰতিভা।
তোমাৰেই মৃতদেহী যান
অপূৰ্ব, অভিনৱ দান
কৃতজ্ঞ প্ৰকাশি ৰব
নৱ প্ৰজন্মই।
হে বাগ্মীবৰ,
তোমাৰ অবিচল, নিবেদিত প্ৰাণ
আদৰ্শৰ কঠিন মৰ্মমূলত
বজ্ৰখামোচ স্থিতি
অবিচলিত নিষ্কম্প প্ৰদীপ।
ৰাইজৰ সেৱক তুমি
জাতিৰ গৌৰৱ
কৃতিত্ব, ব্যক্তিত্ব তব
প্ৰেৰণাৰ উৎস।
হে মহান, তোমাৰ কৰ্মৰাজিৰে
সমাজ জীৱন হ'ক
অতীৱ মধুৰ।
যাঁচিলো সম্বৰ্ধনা
এই অমল উজ্বৱত
অন্তৰৰ মোৰ
বক্তিম অভিবাদনত। ❑

# হে মহানুভৱ

## অনিতা দেৱী

হে সন্ত, মহাযোগী! তপস্বী সাধক
আকাশৰ বাটেদি নামি অহা
তুমি এজন দেৱদূত,
কামনা বাসনাত উদাসীন...............
গৃহী হৈয়ো লৈছা তুমি সন্ন্যাস ব্ৰত,
ভিন্ন ভাষা-সংস্কৃতি, ভিন্ন জনগোষ্ঠীক
একতাৰ ডোলেৰে বান্ধি.............
দেখুৱাই দিছা প্ৰকৃত ধৰ্ম তথা কৰ্তব্যৰ।
কাগজৰ বুকু বিদীৰ্ণ কৰি............
হাজাৰ বিজাৰ জনৰ মনৰ সুখ-দুখৰ স্মৃতি
প্ৰভাতী জাগৰণতে দিয়া বিলায়..............
বিচ্ছুৰিত পোহৰে হৃদয় ছুই যায়
সহস্ৰ সূৰ্যতকৈও উজ্জ্বল সেই লিখনি।
মহানতাৰ মহানুভৱ হে সংবাদ সূৰ্য
বিদীৰ্ণ বুকুৰ বক্তিম তেজেৰে
জনতাৰ হৃদয়ৰ গোপন খবৰ
নিৰ্গত হয় তযু-তুলিকাৰে
সেয়ে হলা তুমি অসম মাতৃৰ
বৰ পুত্ৰ। ❑

# 'সংবাদ জ্যোতি'লৈ অভিনন্দন

## অৱন্তীপামেগাম চেতিয়া

নিজ জ্যোতিৰে জ্যোতিষ্মান,
তুমি সঁচাই 'সংবাদ জ্যোতি',
অতন্দ্ৰ প্ৰহৰী জনতাৰ
বীৰ সৈনিক আই অসমীৰ।
তোমাৰ আকাশৰ ওপৰেদি
হো-হোৱাই বৈ যোৱা
হাজাৰ মেঘৰ গৰ্জনক
হাঁহি মুখে নিপাত কৰি,
তুমি দেশৰ গৌৰৱ জনতাৰো।
কেউদিশে ফুলৰ সুৰভিৰে
প্ৰকৃত সম্মান দিলে জনতাই
'সংবাদ সূৰ্য—সংবাদ জ্যোতি'।
তপ্ত সূৰ্যইতো ধ্বংস কৰে
সমাজ জীৱনৰ হৰেক বীজাণু।
সেইদৰেই, সেইদৰেই তুমিও,
জীৱনৰ আদি পাঠৰ
কঠিন শিপাত কটা এপাট যেন,
ব্ৰহ্মাৰ অস্ত্ৰ-ব্ৰহ্মাস্ত্ৰ।
আওবাটেদি যোৱাজনক
পোন বাটে নিয়াইতো স্বধৰ্ম তোমাৰ।
অ' পাহৰিছোৱেই সত্ৰীয়া—
ধৰ্ম-সংস্কৃতিৰ 'পোৱাল মণি'
হেনো—মাজুলী। স্বৰাজোত্তৰ
মুকুতামণি (?) মাজুলী' লৈ
এবাৰ-মাত্ৰ যাবাচোন।
বানে ধোৱা মাজুলী-বিবস্ত্ৰা হৈ
ৰোহঘৰত উচুপি আছে কেনেকৈ,
চৰজমিন কৰি আহিবা
এদিন হয়তো জাহ যাব
লুইতৰ বুকুত 'হাতীলুৰ'ৰ দৰে। ❑

# ঃ সংবাদ সূৰ্য ঃ

## ৰামদাস হৰিজন

হে, মহান সংবাদ সূৰ্য!
তোমাক শত-সহস্ৰ নমস্কাৰ,
তুমিয়ে সংবাদ জগতত কৰিছা
নিতে নব জ্ঞান আবিষ্কাৰ।
তুমি সু-সন্তান, আই অসমীৰ!
তুমিয়ে আই ভাৰতীৰ
অতি আদৰৰ ভাৰত উদয়
সু-সন্তান তুমি বীৰ লাচিতৰ।
আজি তোমাৰেই সৌৰভ মাথো
আকাশে-বতাহে চৌদিশ বিয়পে
মধুৰ সুবাস, মানৱ মনত।
শুনিছো মাথো আজি—
তোমাৰে ত্যাগৰ জয় গান,
প্ৰতি হিয়াই হিয়াই গুণে-গুণাই।
তুমি আজি আই অসমীত
যি ত্যাগ বৰ্ষিলা চৌদিশ
এনে সাধ্য আছে কাৰ—
দিব পাৰে তাৰ প্ৰতিদান?
হে মহান!
মইতো অতিকে নিঃকিন!
জনতাৰ পদৰ ধূলিকণা—
এটি মাত্ৰ বালি চাঁহী মই।
হে মহান সংবাদ সূৰ্য!
নাই যে দিবলৈ একো মোৰ
অবশেষ যাঁচিছো মই—
হৃদয়ৰ পৰা নিগৰি অহা
মাথো আনন্দৰ অশ্ৰু অঞ্জলি
লবাচোন তাকে বুটলি,
আপুৰুগীয়া সম্পদ বুলি। ❑

# Kanak Sen Deka : A Gem of Assam


## Bipul Kumar Das


Kanak Sen Deka is great as a writer, greater as an ec'tor and the greatest as a man. It is said, 'As the thought so the mind and as the mind so the man'. Deka Sir is always a high thinker, so the grandeour of his mind gives sublimity to the man. I met him for the first time at my residence, when he came to visit my grand father, Late Upendra Narayan Das. From my grandfather I came to know that Deka sir used to visit his mother and other near and dear ones, coming to Belsor, where he was born and bred on some special occasions like Bihu. I was rather amazed at listening to it. I was a kid at that time, still, I was made to think that Deka sir, though busy with his professional circle, still maintains all his responsibilities. Next time I met him at my residence and this time he came with a gift to my uncle as he failed to be present at his wedding ceremony. Later on, when I have gone through Wordsworth's 'To The Skylark', who is true to earthly and heavenly duties equally, I do feel as if Wordsworth's Skylark beating its wings in void flashed into my mental screen in the figure of Kanak Sen Deka. He is in the true sense–

"Type of the wise, who soar, but never roam–
True to the kinded points of heaven and home !"

"Man makes apparel and apparel makes man"– This saying is fully appropriate to him. The tall and white – complexioned man in white with thin figure is often compared to the great dramatist G. B. Shaw. His mind is also equally white as his dress is. In such a white dress a single trace of mud would be visible, but still that is not seen in his dress. No human being can claim perfectness, but sir has a specific virtue, that is to

admit and make correction of his wrong notions or comments on any specific issue.

He is a born fighter. His father Late Gauri Sen Deka was in the true sense a man of action and his mother is also an ideal woman. His uncle, Tarun Sen Deka, known as a leader of R.C.P.I, also influenced him immensely. When he was a school boy, he came into contact with some great revolutionary leaders like Khagen Borbora, Bishnu Prasad Rabha, Satra Singh Terang etc. Even he was present at some secret meetings, arranged at his residence and became an active member of the party. Being a member of R.C.P.I, led by Rabindra Nath Tagore's grand-son Soumendra Nath Tagore, he even took arms with a dream, dream of a changed society, where there will be equality. Thus, revolutionary spirit developed in his mind during his school-life. Of course, later on his father convinced him to continue formal education, at least for the sake of his dream.

After the completion of M.A. in Political Science he started the life of a teacher, staying at Mangaldoi. In 1971 he first published the fortnightly 'Agradoot'. Within few days it came into publicity as weekly paper and then it started coming out after every three days. Including this paper under his leadership a daily news paper entitled 'Dainik Agradoot', 'Sree Moyee', a magazine specially for women and a satarical magazine named 'Chiching Fank' etc. are all becoming heart-throb for the people of Assam. The job of giving birth of a news paper, which represents the responsibilities of common people, is of course tough. But bearing all sorts of trouble he took the risk and started knocking at every door with a news paper. Like old Santiago (hero of Hemmingway's novel 'The Old Man and The Sea') he too is determined, who may die but never be defeated. Facing utmost difficulties he started a life of struggle, and because of his perseverance, he rose, rises and will rise to the ultimate goal.

Some other important qualities of Deka sir are worth mentioning. Simple life-style, amiable in nature, reciprocity, tcwering personality and above all his honesty lead us to a conclusion that his name 'Kanak' is appropriate, which means–

gold. In the true sense, he is a piece of gold, now it is the responsibility of the Assamese people to utilize it for the betterment of the society. Emotional by nature, we, the Assamese people have a flaw to run behind something that glitter. We should keep in our mind – "All the glitters is not gold". It is because of his amiable nature, all the workers of Agradoot are enjoying a family environment, where there is only love and feelings of brother-hood. As far as my knowledge is concerned, business is always secondary in the floor of Agradoot. As appreciated by late Lakhyadhar Choudhary, Deka sir is first an editor and then the proprietor. Under the leadership of someone else, an editor usually can not expect full freedom, and Agradoot is free from this barrier. Standing in the midst of the down-trodden of the society, Agradoot is criticising the governments of all party in sharp language and playing its role for anti-establishment. It is also possible only because of Kanak Sen Deka sir.

In my opinion, attention should be drawn not only to some one's creations, but also to the intention of creation - from his school-life whatever Deka sir created, he created them with a specific intention and mainly that is to instruct the society or to wake them from sleember, highlighting some burning problems of the society. In his school-life he wrote some One-Act plays, later on which were published under the title 'Akanka Panchama'. All these plays are so life-like and appealing that he is appreciated first as a dramatist and then as an actor. His other twelve creations; related to the burning problems of Assam and Assamese people are like the milestones. On 14th september, 1990 he published a great work 'Natun Purusha Juktir Adharat Natun Samaj Garhak', and already the fifteenth edition of the book is published. It is only because of the intellectual food that he provides through the book. The book can play the role of a torch-bearer for the youths of Assam. The book is also translated to English, entitled 'Youths in Tarmoil : Assam' and also it is translated to Bangla under the titile, 'Asomer Bikhubdha Yuva Samaj'. In his work 'Alphar Swadhin Asom' he is trying to analyse the problems, faced by the youths of Assam and

giving us some logical directions to proceed. His comments on different problems of Assam are always impartial and bold. He is not interested to mind whether he is listened to or not. Like G.B. Shaw his ultimate aim is to show the right path for the future generations.

Along with these twelve works, he had also written four novels, three anthologies of stories, and some other works related to literature and travelling. His stories like 'Darab', 'Pakhantar', 'Salani hol', 'Kabal Srutia Jane' etc. are unique and heart-touching. All his creations claim deeper study to understand the creator. Most probably it can not be exaggeration if his voice is considered as the voice of the Assamese people.

Ibsen said – "The strongest man in the world is the man who stands most alone". Deka sir is such a strong man, who is struggling against all the odds of the society and fighting a lonely battle for the betterment of the society. Facing all sorts of physical, mental and economic troubles, he came out one day for the people and to the people and today his popularity proves his success. The depthness of thought and beauty of expression are the key to his success. In the very beginning of his work 'Adhunik Biswar Easha Goraki Mahan Bakty', he quotes J.R. Lowell– "He who would win the name of truely great must understand his own age and the next." After a deeper study of Deka sir's works, we can identify him as a man who understands his own age and the next. So can't we term him a truely great Assamese ?

Let me finish, again quoting Wordsworth–

"Yet might'st thou seem, proud privilege ! to sing
All independent of the leafy spring."

—x—

# मान्यवर कनकसेन डेकाजी

## हेम मिश्र

शुद्ध सफेद वसन परिधान करनेवालो, हँसीथरे मुँह के व्याक्ति है श्रद्धेय कनकसेन डेकाजी है। उनका जन्म हुआ था नलवारी ऐतिहासिक बेलशर गाँव में। उनके पिता स्व० गौरिसेन डेका कठोर परिश्रमी और एक आदर्श किसान थे। उनकी माता तारामेन डेका एक धर्मपरायना नारी थी। पिता-माता के आदर्श से अनुप्राणित होकर वरिष्ठ संतान कनकसेन डेका असम के प्रमुख बुद्धिजीबियों में एक हो सका। माता पिताके अनुप्रेरणा से ही डेकाजी एक सांवादिक, समालोचक, विशिष्ट साहित्यिक, नाट्यकार, सुवक्ता और समाज कर्मी के रूप में प्रतिष्ठित हो सके। डेकाजी जो कहते है वही करते है। एक शिशु हो या एक बृद्ध, सभी की बाते पर से ध्यान देते हैं। वे बहुत से लोगों के अधे की लकड़ी है। ईसलिए ही वे सब के जनप्रिय हो सके।

साहित्य के दवाराही सेन डेकाजी से मेरा पहला परिचय हुआ। मंगलदै से तिनि दिनीया अग्रदुत प्रकाशित हुआ था। "तिनिदिनीया अग्रदूत" में ही मेरी पहली कविता "सिहत" प्रकाशित हुआ। सेन डेकाजी को कोई ठेस नहीं है। जब उनकी चाहते है तभी उनसे मिल सकते है। एकबार बेलशर राभा दिवस के अवसर पर उनको आमंत्रण करते के लिए हम गुवाहाटी गये। "अग्रदूत" के कार्यालय में उनसे मिला। राभा दिवस के खुले अधिवेशन में सभापति का आखन अलकृत करेने के लिए उनसे अनुरौध किया। हमारे अनुरोध उन्होने स्वीकार की। समय पर खुले अधिवेशन में सभापति का आसन अलंकृत किया और अपने भाषण में उद्थोक्ताओं को धुन्यवाद ज्ञापन किया। उनकें साथ बात करने पर यह अच्छी तयह मालुम होता है कि वे एक कोमल हृदय के उदार व्याक्ति है। वे दुसरे को मददकर परम संतुष्ट होते हैं।

मेन डेकाजी एक आदर्शवादी पुरुज है। अथक परिश्रम करनेवाले व्यक्ति है सेन डेकाजी। आपके अमूल्य ग्रंथ "नतुन पुरुषे युक्तिर आधारत नतुन समाज गढ़क" "एकविंश शतिकार असम" आदि के सात साथ दैनिक अग्रदृत, तिनिदिनिया अग्रदूत आदि के सम्पादन में उनके बलिष्ठ मनन कार्य का परितय मिलता है।

छात्रावस्था से ही सेन डेकाजी अन्याय का प्रतिवाद करते आये है। उनके चाचा कमिउनिष्ट पार्ती के नेता माननीय तरुण सेन डेका जी के गहरा प्रभाव उनके जीवन पर पड़ा। जिसके फलस्बरूप ने विप्लवी कमिउनिष्ट पार्टी के आदर्श से अनुप्राणिट होकर विभिन्न संगठन के साथ साथ योगदान देने के कारण कारावास में थी रहना पड़ा था। बाद मे उन्होंने अपने पिता से अनुप्राणित होकर सक्रिय राजनीर्ति से दुर रहे और मनलगाकर पढने लगे। उन्होंने गुवाहाटी विश्वविद्यालय से राजनीति विषय लेकर एम ए उपाधि प्राप्त की। उसके बाद कुछ दिन के ककय उच्च माध्यमिक विद्यालय में अध्यापना करते थे। बाद मे कलाईगाँव उच्चतर माध्यमिक विद्यालय में विषय अध्यापक के रूप मे नियुक्ति मिली। ईसकी बाद मरकारी नौकरी छौड़कर सवाद पत्र मे अपने के नियोजित किया।

पहले उन्होन मगलदै से तिनिदिनिया अग्रदुत का सम्पादान किया था। इस पत्र की जनप्रियता असम के कौने कौने बढ गयी। आद में अग्रदूत का कार्यालय मगलदै से गुवाहाटी मालिगाँव तक स्थानान्तरि किया गया। वर्तमान इसका कार्यलय अपनी जमीन में है। अब अग्रदुत प्रतिष्ठान से "दैनिक अग्रदूत", साप्ताहिक अग्रदूत" "श्रीमयी" पत्रिका आदि प्रकाशित होते है। मुख की बात है कि अग्रदूत गोष्ठी के रूपाली जयन्ती अतिक्रम हुआ। इसमें माननीय कनक सेन डेका जी के और अग्रदुत गोष्ठी के महान दायित्व और कृतित्व का स्वाक्षर वहन किया।

अब कनकसेन डेकाजी की जनप्रियता असम के सदिया से धुबुरी तक प्रबाहित है। ईसका मुख्य कारण है सेन डेका जी वाग्मीयता, सतता एकाग्रता, सामाजिक कार्य दक्षता और छोटे-बड़े सबको श्रद्धा और प्यार से ग्रहण करना आदि पुणो के कारण।

कणक सेन डेकाजी हमारे बीच में चिर जाग्रत प्रहरी के रूप मे समाज

संस्कारक हो। असमीया जाति तथा भारतवर्ष के पथ प्रदर्शक के रूप में रहे। हम यही आशा करते हैं।

शोषित, निपिड़ीत भारतवर्ष के दरिद्र समाज की मुक्ति के लिए सेन डेका जी कलम से ही कुराजनीति, डग प्रबंचक के विशुद्ध के लिए न्याया धीरा तथा आम जनता को जाग्रत करें - यही आशा से श्रद्धेय कनक सेन डेकाजी से हार्दिक प्रणिपात ज्ञापन कर उनके सुम्वास्थ, दीर्घायु और उज्वल भविष्यत कामना करता हूँ।

—x—

# সংবাদ সূৰ্য কনকসেন ডেকাৰ স'তে আছুতীয়া আলাপ

অৰূপ ৰঞ্জন বৰ্মন □ জোন কুমাৰ হালৈ



*প্ৰথিতযশা সাহিতিক, বুদ্ধিজীৱী, সমাজহিতৈষী, বিশিষ্ট সাংবাদিক, ৰাষ্ট্ৰীয় নাগৰিক বটা বিজয়ী, কঠোৰ সংগ্ৰামী ব্যক্তি, সংবাদজগতৰ পুৰোধা ব্যক্তি 'সংবাদ-সূৰ্য' কনকসেন ডেকাৰ স'তে হোৱা আছুতীয়া সাক্ষাৎকাৰ এটিৰ কেইটিমান প্ৰশ্ন তলত আগবঢ়োৱা হ'ল—*

**১নং প্ৰশ্ন ঃ আপোনাৰ শৈশৱকালৰ বিষয়ে জানিব বিচাৰো ?**

**উত্তৰ ঃ** মোৰ জন্ম বেলশৰত। ১৯৩৩ৰ ১৬ জুলাইত। মা-দেউতা ক্ৰমে শ্ৰীমতী তৰাসেন ডেকা আৰু প্ৰয়াত গৌৰীসেন ডেকা। কেইবছৰমানৰ আগতে ৯৪ বছৰ বয়সত দেউতা ঢুকাইছে। মাৰ বয়স এতিয়া ৯৩ বছৰ। বেলশৰ ১ নং প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰো। আমাৰ সময়ত আজিকালিৰ

দৰে তেনেই কম বয়সতে বিদ্যালয়লৈ যোৱা নিয়ম নাছিল। গতিকে ময়ো পূৰঠ বয়সতহে বিদ্যালয়ত নামভৰ্তি কৰো। তেতিয়া প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি পুনৰ হাইস্কুলৰ ক্লাছ থ্ৰিত নামভৰ্তি কৰিব লগা হৈছিল। এনেদৰেই ১৯ বছৰতহে মই মেট্ৰিক পাছ কৰো। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ ভিতৰত কল্যাণসেন ডেকা আৰু কালিৰাম ডেকাৰ ওচৰত এতিয়াও মোৰ মূৰ দোঁ খায়। তেওঁলোকৰ শাসন আছিল অতি কঠোৰ। কিন্তু আন দহজন আমাৰ বয়সৰ ছাত্ৰৰ তুলনাত মোৰ পাৰ্থক্য এইখিনিতেই যে চতুৰ্থ মান শ্ৰেণীত পঢ়ি থকা সময়ৰ পৰা স্বাধীনতা আন্দোলন আৰু বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সশস্ত্ৰ সংগ্ৰামৰ স'তে জড়িত হ'ব লগা হয়, কাৰণ আমাৰ ঘৰখন সক্ৰিয় ৰাজনীতিৰ কেন্দ্ৰবিন্দু আছিল। সেই সময়ছোৱাত অধ্যয়নৰ প্ৰতি একাণপতীয়াকৈ লাগি থকা কাৰ্যত ই বাধাৰ সৃষ্টি কৰে। অৱশ্যে সেই সময়তে মুক্তি যুঁজাৰু লোকনাথ বৰুৱা, কেদাৰনাথ গোস্বামী, খগেন বৰবৰুৱা, বিষ্ণু ৰাভা, চন্দ্ৰ সি টৈৰণ, কামিনী শৰ্মা, হৰেণ কলিতা, নবীন মেধি, ব্ৰজেন দাস প্ৰভৃতিৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাওঁ। বেলশৰ হাইস্কুলৰ অষ্টমমান শ্ৰেণীত পঢ়ি থাকোতে ৰাজনৈতিক হত্যাৰ গোচৰত অভিযুক্ত হৈ এমাহৰ বাবে গুৱাহাটী কাৰাগাৰত হাজোত বাস খাটিব লগা হয়। দশম শ্ৰেণীত পঢ়ি থাকোতে দ্বিতীয় বাৰৰ বাবেও পুনৰ এমাহৰ বাবে কাৰাগাৰত থাকিব লগা হয়। মোৰ দেউতা গৌৰীসেন ডেকাই ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ কৰাটো নিবিচাৰিছিল। তেওঁৰ অশেষ চেষ্টাতহে মই এমাহৰ পাছত কাৰাগাৰৰ পৰা মুক্তি লাভ কৰি মেট্ৰিক পৰীক্ষা দিবলৈ সক্ষম হওঁ; কিন্তু মোৰ সহপাঠী বহুতৰেই সিমানতে শিক্ষা লাভৰ সমাপ্তি ঘটিছিল। বেলশৰ হাইস্কুলৰ পৰা ১৯৫৩-ত মেট্ৰিক পাছ কৰো। মোৰ এই কালছোৱা আছিল অতি ঘটনাবহুল আৰু বিচিত্ৰ। এহাতে ককা ৰাধাসেন ডেকাৰ স'তে মাছমৰা, শাক-পাচলিৰ খেতি কৰা আদিত আগ্ৰহৰ অন্ত নাছিল। আনহাতে, বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতাসকলৰ পৰা মাৰ্ক্সবাদ অধ্যয়নৰ সুযোগ পোৱাৰ লগতে গেৰিলা যুদ্ধৰ প্ৰশিক্ষণো পাইছিলো।

**২নং প্ৰশ্ন : আপোনাৰ কলেজীয়া জীৱনৰ স্মৃতি সম্পৰ্কে অলপ ক'ব নেকি?**

**উত্তৰ :** মেট্ৰিক পাছ কৰি ইণ্টাৰমিডিয়েট পঢ়িবলৈ লওঁ নলবাৰী কলেজত। পৰিহাসৰ কথা যে ১৯৫১ৰ সন্ত্ৰাসবাদ দমন অভিযানত আৰক্ষীয়ে মোক আটক কৰি যিখন কলেজত নিৰ্যাতন চলাইছিল সেইখন নলবাৰী কলেজতেই ১৯৫৩ ত অধ্যয়ন কৰিবলৈ ল'লে। তেতিয়া অধ্যক্ষ আছিল ত্ৰৈলোক্য নাম গোস্বামীদেৱ। তেওঁৰ শাসন অতি কঠোৰ আছিল যদিও ছাত্ৰৰ প্ৰতি আছিল অতি মৰমিয়াল। তেওঁ পঢ়ুওৱা ইংৰাজী কবিতাৰ ধ্বনি এতিয়াও কাণত বাজে।

তেওঁ মোক খুব মৰম কৰিছিল। কলেজৰ আনগৰাকী অতি প্ৰিয় প্ৰবক্তা আছিল অৰ্থনীতি বিভাগৰ দেৱদুলাল বন্দোপাধ্যায়। মাত্ৰ তিনি মাহৰ ভিতৰতে তেওঁ অসমীয়া ভাষা সুন্দৰকৈ শিকি পেলাইছিল। এইগৰাকী প্ৰবক্তাই পোনপ্ৰথমবাৰৰ বাবে অসমৰ অৰ্থনীতিৰ ওপৰত এখন গ্ৰন্থ ৰচনা কৰিছিল। নলবাৰী কলেজৰ হোষ্টেলত থকা কালত কথা সাহিত্যিক হিতেশ ডেকাও বাসিন্দা আছিল। কেৱল ভোজনবিলাসী বাবেই নহয়, ইতিমধ্যে 'আজিৰ মানুহ' নামৰ উপন্যাসখনি লিখি তেওঁ ছাত্ৰাৱস্থাতে জনপ্ৰিয় হৈ উঠিছিল। ডেকাৰ ৰসিকতা আছিল অনন্য। নলবাৰী কলেজৰ পৰা ১৯৫৫-ত ইণ্টাৰমিডিয়েট পাছ কৰি বি. এ. পঢ়াৰ ইচ্ছা কৰিছিলো ছিলঙৰ এন্থনী কলেজত। নাম ভৰ্তি কৰিবলৈ গৈ সেই সময়ৰ ব্ৰিটিছ অধীক্ষকগৰাকীৰ স'তে পাৰ্ল এছ বাকৰ 'পেভিলিয়ন অৱ ৱমেন' (তেওঁক সাক্ষাৎ কৰাৰ সময়ত কিতাপখন মোৰ হাতত আছিল) নামৰ উপন্যাসখনিক লৈ হোৱা বিতৰ্কৰ হেতুকে তাৰ পৰা গুচি আহি কটনত পঢ়িবলৈ লওঁ। অধ্যক্ষ হিচাপে প্ৰথম পাওঁ ড° হৰিশ গোস্বামীক আৰু পাছলৈ পাওঁ উপেন দত্তক। কটনত পঢ়ি থকা কালত অধ্যক্ষৰ স'তে ছাত্ৰৰ সম্পৰ্ক গঢ়ি উঠাৰ সুযোগেই নোলায়। অধ্যাপক অতুল হাজৰিকা, গিৰিধৰ শৰ্মা, উপেন লেখাৰু, তাৰিণীকান্ত ভট্টাচাৰ্য, চন্দ্ৰ কলিতা, আশ্ৰফ আলী প্ৰভৃতিক শিক্ষক হিচাপে পাইছিলো। মই ডি এছ হোষ্টেলৰ মণিটৰ হৈ থকা বছৰটোত কে'বাখনো বৈঠকৰ আয়োজন কৰাৰ সুযোগ পাইছিলো। কটন কলেজত ৰাজ্যখনৰ বিভিন্ন ঠাইৰ ল'ৰা-ছোৱালীক লগ পোৱা হেতুকে মনৰ পৰিধি বৃদ্ধি পোৱাৰ সুযোগ ঘটে।

**৩নং প্ৰশ্ন ঃ কেতিয়াৰ পৰা সাহিত্যিক, সাংবাদিকতাৰ লগত জড়িত হৈ পৰিল আৰু এতিয়ালৈকে আপোনাৰ কিমানখন গ্ৰন্থ প্ৰকাশ পালে?**

**উত্তৰ ঃ** দৰাচলতে সাহিত্য ৰচনাহে মোৰ হবি আছিল। হাইস্কুলত পঢ়া সময়ৰ পৰাই গল্প, কবিতা, ৰচনা আদি লিখা আৰম্ভ কৰিছো। এতিয়ালৈকে তেইশখন গ্ৰন্থ প্ৰকাশ পাইছে।

**৪নং প্ৰশ্ন ঃ শিক্ষকৰ নিচিনা পবিত্ৰ বৃত্তি এৰি সাংবাদিকতাক বৃত্তি হিচাপে আপুনি কিয় বাছি ল'লে?**

**উত্তৰ ঃ** শিক্ষকতা সঁচাকৈয়ে বৃত্তি হিচাপে উৎকৃষ্ট। কিন্তু তাত মই বিচৰা উদ্দীপনা (Thrill) নাই। মনটোক বিদ্যালয় চৌহদতেই আবদ্ধ কৰি ৰাখিব লগা হয়। সেই বাবেই ঘটনাক্ৰমে সাংবাদিকতাকেই বৃত্তি হিচাপে বাছি ল'ব লগা হয়। অৱশ্যে শিক্ষক হৈ থকাৰ কালছোৱাতেই মই প্ৰচুৰ অৱসৰ পোৱা হেতুকে চাৰিখন উপন্যাস লিখিব পাৰিছিলো।

**৫নং প্ৰশ্ন ঃ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অসম সাহিত্য সভাই সঠিক পদক্ষেপ গ্ৰহণ কৰি অহা বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** সংগঠন এটাই সমাজৰ হিত সাধনৰ উদ্দেশ্যে কাম কৰিবলৈ যাওঁতে ভুল-ক্ৰটি হোৱাতো অস্বাভাৱিক নহয়। অসম সাহিত্য সভাই সীমিত পৰিসৰত যিখিনি সম্ভৱ, সেইখিনি কৰিবলৈ চেষ্টা কৰি আহিছে।

**৬নং প্ৰশ্ন ঃ যদি আপোনাক অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধীষ্ঠিত কৰা হয়, আপোনাৰ প্ৰথম পদক্ষেপ কি হ'ব?**

**উত্তৰ ঃ** গ্ৰন্থ অধ্যয়নক জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যে এক আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন আছে; কিয়নো গ্ৰন্থই সাহিত্যৰ ভেটি। দ্বিতীয়তে, অসমীয়া সমাজৰ উত্তৰণৰ চিন্তাৰ লগতে গোষ্ঠীদ্বন্দ্বৰ সলনি গোষ্ঠী সমন্বয় গঢ়ি তুলিবলৈ আগবাঢ়িব লাগিব।

**৭নং প্ৰশ্ন ঃ আপুনি বহুকেইখন মূল্যবান গ্ৰন্থ ৰচনা কৰি সমগ্ৰ ভাৰতবাসীৰ খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। আপোনাৰ গুণমুগ্ধ পাঠকে আপোনাৰ এখন আত্মজীৱনী বিচাৰিছে। আত্মজীৱনী লিখা সম্পৰ্কে কিবা চিন্তা-চৰ্চা কৰিছে নেকি?**

**উত্তৰ ঃ** আত্মজীৱনী প্ৰখ্যাত লোকসকলেহে লিখে। আমি সেই পৰ্যায় পোৱাগৈ নাই। অৱশ্যে সময় পালে সমসাময়িক ঘটনা প্ৰবাহৰ স'তে কিদৰে জড়িত হৈ আছিলো সেই বিষয়ে লিখাৰ মন আছে।

**৮নং প্ৰশ্ন ঃ আপোনাৰ সংগ্ৰামী জীৱনৰ বিষয়ে ক'ব নেকি?**

**উত্তৰ ঃ** মই যিটো পৰিবেশত ডাঙৰ-দীঘল হৈছো তেনে পৰিবেশে চৰকাৰী চাকৰি কৰিবলৈ উদ্‌গনি নজগায়। সেয়েহে শিক্ষকতা আৰু লেখা-পঢ়া কৰিয়েই সময় কটাম বুলি ভাবিছিলো। কিন্তু হ'লোগৈ বাতৰি কাকত প্ৰকাশন আৰু সম্পাদনাৰ স'তে জড়িত। কাকত এখন অ'ত বছৰে চলাই থকাটোৱেই এক সংগ্ৰামী ধাৰা।

**৯নং প্ৰশ্ন ঃ অসমৰ শিক্ষা ব্যৱস্থাত নৈৰাজ্যৰ সৃষ্টি হোৱা সততে অভিযোগ উত্থাপিত হৈ আহিছে। বৰ্তমান শিক্ষা ব্যৱস্থাটোকলৈ আপুনি সন্তুষ্ট নে?**

**উত্তৰ ঃ সন্তুষ্ট নহয়।** আমাৰ আজিৰ শিক্ষাই কেৱল বিদ্যাৰ্থীক বিভিন্ন বিষয়ৰ তথ্যহে দিছে, জ্ঞান দিয়া নাই।

**১০নং প্ৰশ্ন ঃ প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত 'অসম সৰ্বশিক্ষা অভিযান' সফল হৈছে বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** সফল হ'লে জানো বাতৰি কাকতসমূহত এইদৰে অভিযোগ প্ৰকাশ পাই থাকে।

**১১নং প্ৰশ্ন ঃ বৰ্তমান পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত নানান বিসঙ্গতি হোৱা দেখা যায়। এইক্ষেত্ৰত আপুনি কাক দোষাৰোপ কৰিব খোজে?**

**উত্তৰ ঃ** বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাটোৱেই দোষমুক্ত। এই ব্যৱস্থাই ল'ৰা-ছোৱালীৰ সৃজনীপ্ৰতিভা ধ্বংস কৰে। ইয়াৰ বাবে চৰকাৰেই জগৰীয়া।

**১২নং প্ৰশ্ন ঃ আপুনি নিজকে সাংবাদিক হিচাপে নে সাহিত্যিক হিচাপে চিনাকি দিবলৈ ভাল পায়?**

**উত্তৰ ঃ** এতিয়ালৈ সাহিত্যিক হ'ব পৰা নাই যদিও সাহিত্য মোৰ প্ৰাণ আৰু সাংবাদিকতা বৃত্তি।

**১৩নং প্ৰশ্ন ঃ অসমৰ সংবাদপত্ৰসমূহে ৰাজ্যখনৰ জনজীৱনৰ সঠিক চিত্ৰ অংকিত কৰি সমস্যা সমাধানৰ সূত্ৰ উদ্ভাৱন কৰাত সফল হৈছেনে?**

**উত্তৰ ঃ** সংবাদপত্ৰ সমাজৰ দাপোণ। সমাজখন যেতিয়া বিভ্ৰান্তিত পতিত হয়, তেতিয়া তাৰ প্ৰতিফলনো ঘটে সংবাদপত্ৰত। আজিৰ সংবাদপত্ৰতো সিয়েই ঘটিছে।

**১৪নং প্ৰশ্ন ঃ বৰ্তমান অসমত বাতৰি কাকতৰ সংখ্যা দিনক দিনে বাঢ়িবলৈ লৈছে। সেইদৰে নতুন নতুন সাংবাদিক, লিখকৰ সৃষ্টি হৈছে। এয়া শুভ লক্ষণ বুলি ভাবেনে?**

**উত্তৰ ঃ** উচ্চ মানদণ্ড ৰক্ষা কৰি যদিহে নতুন নতুন কাকত প্ৰকাশ পাই থাকে, তেন্তে তাক শুভ বুলিয়েই ক'ব লাগিব। কাকতৰ সংখ্যা বৃদ্ধিৰ লগে লগে স্বাভাৱিকতে সাংবাদিক আৰু লেখকৰ সংখ্যাও বৃদ্ধি পাইছে।

**১৫নং প্ৰশ্ন ঃ বৰ্তমান দেশৰ নিবনুৱা সমস্যাই দিনক দিনে জটিল ৰূপ ধাৰণ কৰিছে। এই সমস্যা সমাধানৰ আপোনাৰ পৰামৰ্শ?**

**উত্তৰ ঃ** দেশৰ প্ৰতিজন মানুহৰ শ্ৰমেই সম্পদ। সেই সম্পদৰ সদ্ব্যৱহাৰ কৰাৰ বাবে চৰকাৰেহে ব্যৱস্থা ল'ব পাৰে।

**১৬নং প্ৰশ্ন ঃ ৰাজ্যখনৰ বৰ্তমান বিত্তীয় অৱস্থা একেবাৰে শোচনীয়। তথাকথিত শাসন ব্যৱস্থাত দুৰ্নীতিয়ে ইয়াৰ প্ৰধান অন্তৰায় বুলি সকলোৱে কয়। এইক্ষেত্ৰত আপোনাৰ অভিমত?**

**উত্তৰ ঃ** দুৰ্নীতি নিৰ্মূল কৰিবলৈ হ'লে লাগে প্ৰশাসনৰ স্বচ্ছতা। চৰকাৰী ধন ক'ত কিদৰে ব্যয় হৈছে তাৰ হিচাপ ৰাইজে পাব লাগিব। কিন্তু এতিয়া তেনে স্বচ্ছতা

প্ৰদৰ্শন কৰিবলৈ চৰকাৰৰ আগ্ৰহ নথকাটোৱে প্ৰমাণ কৰে যে দুৰ্নীতি নিৰ্মূল কৰিবলৈ চৰকাৰ আগ্ৰহী নহয়।

**১৭নং প্ৰশ্ন ঃ বৰ্তমান অসমৰ আটাইতকৈ ভয়াবহ সমস্যা হৈছে উগ্ৰপন্থী সমস্যা। এই সমস্যাৰ বাবে ৰাজ্যখনে আৰ্থিক সংকটৰ সন্মুখীন হৈ অহা বুলি বহুল প্ৰচাৰিত হৈছে। এই ক্ষেত্ৰত আপুনি একমতনে?**

**উত্তৰ ঃ** অসমৰ উগ্ৰপন্থীয়ে ৰাজ্যখনৰ সমস্যা সমাধান কৰিবলৈ গৈ ই নিজেই এক গুৰুতৰ সমস্যা হিচাপে পৰিগণিত হৈছে। অসমৰ অৰ্থনৈতিক সংকটৰ অন্যতম প্ৰধান কাৰণ যে উগ্ৰপন্থী সমস্যা সেই বিষয়ত সন্দেহ নাই।

**১৮নং প্ৰশ্ন ঃ কি মাধ্যমেৰে ভয়াবহ উগ্ৰপন্থী সমস্যাটো সমাধান হ'ব বুলি আপুনি ভাবে?**

**উত্তৰ ঃ** আইন-শৃংখলাৰ বাবে চৰম ভাবুকি হৈ পৰা এই সমস্যাৰ সমাধান আলোচনাৰ মাধ্যমেদি হ'ব পাৰে বুলি ভাবো।

**১৯নং প্ৰশ্ন ঃ দুৰ্নীতি নিৰ্মূলৰ বাবে আপুনি কি পৰামৰ্শ আগবঢ়াব?**

**উত্তৰ ঃ** দেশৰ সম্পদৰ সমবিতৰণ যদিহে হয় আৰু প্ৰত্যেকে অৰ্থনৈতিক নিৰাপত্তা লাভ কৰে, তেন্তে স্বাভাৱিকতে দুৰ্নীতি হ্ৰাস পাব।

**২০নং প্ৰশ্ন ঃ সমাজত নিত্য ঘটি থকা হত্যা, লুণ্ঠন, অপহৰণ এইবোৰ আতৰ কৰাৰ শ্ৰেষ্ঠ মাধ্যম কি বুলি ভাবে?**

**উত্তৰ ঃ** এই ক্ষেত্ৰত নাগৰিক জ্ঞান লাভৰ সুযোগ প্ৰত্যেকে পাব লাগিব। সমাজখন আমাৰ আৰু আমি সমাজখনৰ বুলি মনলৈ ধাৰণা আহিলে এই দুৰ্নীতিসমূহ বন্ধ হ'ব।

**২১নং প্ৰশ্ন ঃ নাৰী জাতিটোৱে সমাজত সদায় অবহেলিত হৈ আহিছে। বৰ্তমান সমাজত নাৰীসকলে বিভিন্ন ধৰণে নিৰ্যাতনবো সন্মুখীন হ'ব লগা হৈছে। ঠায়ে ঠায়ে ইয়াৰ বিৰুদ্ধে আন্দোলনো গঢ়ি উঠিছে। তথাপিও নাৰীসকল আজিও স্বাধীন হ'ব পৰা নাই। এই ক্ষেত্ৰত আপোনাৰ দৃষ্টিভংগী?**

**উত্তৰ ঃ** নাৰী-পুৰুষ ইটো আনটোৰ পৰিপূৰক। কোনোৱেই উচ্চ-নীচ নহয়। অৱশ্যে দৈহিক ক্ষেত্ৰত নাৰীতকৈ পুৰুষ শক্তিশালী যদিও আন কেতবোৰ গুণৰ ক্ষেত্ৰত নাৰীৰ স্থান উচ্চত। সম্প্ৰতি সমাজত চলি থকা নাৰী নিৰ্যাতনৰ বাবে কিছুসংখ্যক পুৰুষ জগৰীয়া হ'লেও একাংশ নাৰীও কম জগৰীয়া নহয়।

**২২নং প্ৰশ্ন ঃ অসমৰ বাতৰি কাকতৰ সাংবাদিকসকল মালিকপক্ষৰ দ্বাৰা শোষিত হৈ আহিছে বুলি প্ৰায়ে অভিযোগ শুনা যায়। এই অভিযোগ আপুনি সঁচা বুলি ভাবেনে?**

**উত্তৰ ঃ** যিহেতু মই নিজেই এখন কাকতৰ মালিক, গতিকে এই ক্ষেত্ৰত মোৰ মন্তব্য একপক্ষীয় হ'ব পাৰে; কিন্তু যদিহে সাংবাদিকসকল শোষিত তেন্তে মালিক পক্ষৰ বিৰুদ্ধে আন্দোলন চলালে ময়ো সাংবাদিকৰ পক্ষত যোগ দিম, কিয়নো মূলত ঃ মই সংবাদসেৱীহে।

**২৩নং প্ৰশ্ন ঃ এগৰাকী সফল সাংবাদিক হ'বলৈ কি কি গুণৰ অধিকাৰী হোৱাটো বাঞ্ছনীয়?**

**উত্তৰ ঃ** ভাষা শুদ্ধকৈ লিখিব পাৰিব লাগিব আৰু দৃষ্টিভঙ্গী হ'ব লাগিব ইতিবাচক আৰু সমাজমুখী।

**২৪নং প্ৰশ্ন ঃ আজিৰ ৰাজনীতিৰ প্ৰতি আপোনাৰ দৃষ্টিভঙ্গী?**

**উত্তৰ ঃ** ৰাইজৰ পৰা ক্ষমতা লাভ কৰি ৰাইজক পাহৰি গৈ ৰাজহুৱা ধন লুট কৰাটোৱেই আজিৰ বেছিভাগ ৰাজনীতিকৰেই চাৰিত্ৰিক বৈশিষ্ট্য।

**২৫নং প্ৰশ্ন ঃ পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া সংস্কৃতিত ব্যাপক প্ৰভাৱ পেলাইছে। এটা সময়ত পশ্চিমীয়া সংস্কৃতিয়ে গ্ৰাস কৰি পেলাব বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** সংস্কৃতি বন্ধ পানীত আবদ্ধ হৈ নাথাকে যদিও অন্ধ অনুকৰণে যে ইয়াক ধ্বংস কৰে সেই বিষয়ত সন্দেহ নাই। পশ্চিমীয়া সংস্কৃতিক জধে-মধে অনুকৰণ কৰিবলৈ লোৱা ধাৰা অব্যাহত থাকিলে যে আমাৰ ঐতিহ্য আৰু সংস্কৃতিৰ বিনাশ ঘটিব সি নিশ্চিত। আদান-প্ৰদান অপৰিহাৰ্য যদিও আমাক যাতে বাহিৰৰ সংস্কৃতিয়ে উটুৱাই নিব নোৱাৰে তাৰ প্ৰতি সচেতন হৈ থাকিব লাগে।

**২৬নং প্ৰশ্ন ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা?**

**উত্তৰ ঃ** লেখা আৰু পঢ়া।

**২৭নং প্ৰশ্ন ঃ জীৱনটোকলৈ আপুনি সুখীনে?**

**উত্তৰ ঃ** সংগ্ৰামৰ মাজত সুখ-দুখ বিচৰাৰ কথা পাহৰিয়েই আছো।

**২৮নং প্ৰশ্ন ঃ উগ্ৰপন্থী সমস্যা সমাধা কৰি স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে শান্তি আলোচনা অপৰিহাৰ্য। সম্প্ৰতি প্ৰথিতযশা সাহিত্যিক ড° মামনি ৰয়চম গোস্বামীয়ে আলফা-চৰকাৰৰ আলোচনা অনুষ্ঠিত কৰিবলৈ আলফাৰে যোগাযোগ কৰি সঁহাৰি পোৱা বুলি প্ৰকাশ পাইছে। ড° গোস্বামীৰ এই প্ৰচেষ্টা সফল হোৱা বুলি আপুনি ভাবেনে?**

**উত্তৰ ঃ** গণতন্ত্ৰত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ স্থান নাই। অসমত চলি থকা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অন্ত পেলাবলৈ হ'লে আলোচনাৰ বিকল্প নাই। প্ৰখ্যাত সাহিত্যিক ড° মামণি ৰয়ছম গোস্বামীয়ে আলফা আৰু চৰকাৰৰ মাজত আলোচনা

অনুষ্ঠিত কৰিবলৈ আন্তৰিকতাৰে যি ধৰণে চেষ্টা চলাইছে তাৰ বাবে তেওঁ অসমবাসীৰ ধন্যবাদৰ পাত্ৰী। কেইবছৰমান আগতে আলফা সেনাধ্যক্ষ পৰেশ বৰুৱাৰ স'তে আলোচনা কৰি আমিও তেনে এক প্ৰচেষ্টা চলাইছিলো। কাকত-পত্ৰ আৰু ইলেক্ট্ৰ'নিক প্ৰচাৰ মাধ্যমতো সেই বিষয়ে প্ৰচাৰ কৰা হৈছিল। কিন্তু এই ক্ষেত্ৰত দিছপুৰ আৰু নতুন দিল্লীৰ কোনো ধৰণৰ আগ্ৰহ দেখিবলৈ নাপালো। দিছপুৰৰ ফালৰ পৰা কোৱা হৈছিল যে আলফাৰ দৰে বিচ্ছিন্নতাবাদী সংগঠনৰ স'তে কেৱল কেন্দ্ৰীয় চৰকাৰেহে আলোচনাত বহিব পাৰে। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ সচিব পৰ্যায়ৰ বিষয়াৰ স'তে যোগাযোগ কৰাৰ পাছত আমাৰ এই অভিজ্ঞতাই হ'ল যে উত্তৰ-পূৰ্বাঞ্চলৰ বাস্তৱ সমস্যাসমূহৰ সম্পৰ্কত তেওঁলোকৰ কোনো ধৰণৰ ধ্যান-ধাৰণা নাই। এই অঞ্চলটোৰ উগ্ৰপন্থীৰ সমস্যা সমাধানৰ বাবে সেইসকল বিষয়াই উন্নয়নৰ বাবে ধন প্ৰেৰণ আৰু অতিৰিক্ত সামৰিক বাহিনী নিয়োগ কৰাটোকে বিচাৰে। কিন্তু এই দুয়োটাৰ জৰিয়তে আজিলৈকে যে সমস্যাটোৰ সমাধানৰ পথ উলিয়াব পৰা হোৱা নাই সেই কথা তেওঁলোকে উপলব্ধি নকৰে। এনে অৱস্থা চলি থকালৈকে আলোচনা অনুষ্ঠিত হয় কেনেকৈ? দিল্লী-দিছপুৰৰ শুভবুদ্ধি উদয় হওক আৰু আলোচনাৰ জৰিয়তে অঞ্চলটোলৈ শান্তি-সম্প্ৰীতি ঘূৰাই অনা হওক।

**২৯নং প্ৰশ্ন ঃ অসমৰ একাধিক শক্তি পীঠস্থান আৰু আপোনাৰ জন্মগাঁও বেলশৰৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীবিশ্বেশ্বৰ দেৱালয়ত এইবেলি দুৰ্গাপূজাত ১৩টা ম'হকে ধৰি দুই শতাধিক পঠা ছাগলি, সহস্ৰাধিক হাঁহ-পাৰ বলি দিয়া হৈছে। বন্যপ্ৰাণী সংৰক্ষণৰ বাবে চৰকাৰে আইন প্ৰণয়ন কৰাৰ পিছতো ধৰ্মৰ নামত ব্যাপক হাৰত হোৱা পশুনিধন যজ্ঞ আপুনি সমৰ্থন কৰেনে?**

**উত্তৰ ঃ** অসমৰ শ্ৰীশ্ৰীকামাখ্যা, উগ্ৰতৰা, বিশ্বেশ্বৰ প্ৰভৃতি দেৱালয়ত শ শ বছৰ ধৰি বলিবিধান চলি আহিছে। কাৰোবাৰ মংগলৰ বাবে আন কোনো জীৱ-জন্তুৰ জীৱনদান কোনোপধ্যে কাম্য নহয়। মন্দিৰত বুলিয়ে নহয়, সকলো ধৰণৰ জীৱ হত্যা বন্ধ হ'লেহে দৰাচলতে পশু-পক্ষীৰ প্ৰতি আমি সদয় হোৱাটো বুজাব। ❑

# কনকসেন ডেকাৰ ৰচনাৰাজি

## সংবাদধৰ্মী তথা সমালোচনামূলক ঃ

(১) জুলাই,
(২) একবিংশ শতিকাৰ অসম (সম্পাদিত)
(৩) দুশ বছৰীয়া হীনমন্যতাৰ অৱসান হওক।
(৪) আলফাৰ স্বাধীন অসম
(৫) অসমৰ গোষ্ঠীদ্বন্দ্ব আৰু সামাজিক বিবৰ্তনৰ ধাৰা
(৬) আমাৰ যুব সমাজ বিশ্ব বিজয় কৰিবলৈ ওলাই আহক
(৭) গৌদান জালেফৌৰা বানবুংথাইনি ৰহাজীং সমাজ দাথৌং (বড়ো)
(৮) অসমেৰ বিক্ষুব্ধ যুবসমাজ (বাংলা)
(৯) নতুন-পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক (১৫ তম সংস্কৰণ প্ৰকাশ)
(১০) Youth in Turmoil : Assam.
(১১) Assam's Crisis : Myth & Reality.
(১২) মূল্যবোধৰ অৱক্ষয় আৰু সাম্প্ৰতিক সংকট

## উপন্যাস সংকলন ঃ

(১৩) লুইতক ভেটিব সিহঁতে
(১৪) সোণৰ পালেঙে নুগুৰায়
(১৫) সূৰ্য পূবত নুঠে
(১৬) টেমচ আৰু লুইত

## গল্পৰ শৰাই ঃ

(১৭) স্বপ্ন ভংগ
(১৮) পাঁচ ছেন্টৈস্বৰৰ ৰাতিপুৱা
(১৯) ৰঙীণ পৰ্দা

## নাট্য সংকলন ঃ

(২০) একাংক পঞ্চমা
(২১) সংঘাত

## সাহিত্য বিষয়ক ঃ

(২২) সাহিত্য আৰু জীৱন
(২৩) এশখন মহৎ গ্ৰন্থ (সম্পাদিত)
(২৪) এশগৰাকী মহান ব্যক্তি (সম্পাদিত)

## ভ্ৰমণ কাহিনী ঃ

(২৫) হাড্‌চনৰ পৰা লোহিত গঙ্গা

## 'সংবাদ সূর্য কনকসেন ডেকা'

## গ্রন্থ সম্পাদনা সমিতি















২০০৪ ৰ ২১ মাৰ্চত নলবাৰীত অনুষ্ঠিত ৰাজহুৱা সম্বৰ্ধনা সভাত কনকসেন ডেকালৈ "সংবাদ সূৰ্য" উপাধি প্ৰদান কৰা হয়।



২০০৩ ৰ ১৬ জুলাইত ৭০ বছৰ পূৰ্ণ হোৱা উপলক্ষে গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত ৰাজহুৱা সভাত "কনকসেন ডেকা ঃ জীৱন আৰু সাধনা" নামৰ গ্ৰন্থখনি উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীয়ে।



১৯০৪ ৰ ১৬ জুলাইত ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱত অনুষ্ঠিত ৰাজহুৱা সভাত কনকসেন ডেকালৈ ডিব্ৰুগড়বাসীৰ ফালৰ পৰা "সংবাদজ্যোতি" উপাধি প্ৰদান কৰা হয়।




শিৱসাগৰৰ ৰংপুৰ সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত অন্তৰঙ্গ আলাপত প্ৰখ্যাত কথা সাহিত্যিক ইমৰান শ্বাহে সম্বৰ্ধনা আগবঢ়াইছে কনকসেন ডেকালৈ।



বেংককৰ সমুদ্ৰৰ নাওঁ ভ্ৰমণত কনকসেন ডেকা।



প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সʼতে ডেকা।



প্ৰাক্তন ৰাষ্ট্ৰপতি আৰ ভেংকটৰমনৰ স'তে।



ভাৰতৰ প্ৰখ্যাত সাংবাদিক 'দি হিন্দু' কাকতৰ প্ৰধান সম্পাদক এন, ৰামৰ স'তে কনকসেন ডেকা।



কেন্দ্ৰীয় বিত্তমন্ত্ৰী যশোবন্ত সিঙৰ স'তে আলোচনাত কনকসেন ডেকা।



ৰাধাগোবিন্দ বৰুৱা স্মৃতি দিৱসত সম্বৰ্ধিত বিশিষ্ট ব্যক্তিসকলৰ মাজত কনকসেন ডেকা (বাওঁফালৰ পৰা তৃতীয় জন)।




আমেৰিকাত 'নিউ ইউয়ৰ্ক টাইমছ' কাকতৰ কাৰ্যালয়ত সাংবাদিক বিল টাউনছেন্দে দৈনিক অগ্ৰদূতত চকু ফুৰাইছে।



শ্ৰীমন্ত শংকৰ সংঘৰ সোণাবী অধিবেশনৰ মুকলি সভাত ভাষণ দিছে কনকসেন ডেকাই।



কনকসেন ডেকাৰ পিতৃ-মাতৃ।



মাতৃ ভবাসেন ডেকাৰ সৈতে কনকসেন ডেকাৰ পৰিয়াল।



নলবাৰীৰ হৰি মন্দিৰৰ ৰাস মহোৎসৱৰ উদ্বোধনী ভাষণ দিয়াৰ পাছত মঞ্চত কনকসেন ডেকা।



১৯৯৮ ৰ ৪ জুলাইত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাত অনুষ্ঠিত অসম এচ'ছিয়েচনৰ অধিবেশনত মুখ্য অতিথিৰ ভাষণত কনকসেন ডেকা।